# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Jogendra Narayan Bhuyan. | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Saāhaitaya Sabhaā Patākaikaā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat. |
| Year: 1978 | Edition: |
| Size: 23½ cms. 4+95+4+101+4+92+13+4+130 pages | Genre: Magazine |
| Volumes: 34 - 4 issues | Condition of the original: Not bad. |
| Remarks: Ill. 1st vol. published in the year 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# অসম সাহিত্য সভা পত্ৰিকা

চতুৰ্থ ( সভাৰ হীৰক জয়ন্তী ) সংখ্যা

নং ........
তাং ...

চতুস্ত্ৰিংশ বছৰ

উনৈছ শ সাতসত্তৰ-আঠসত্তৰ



সম্পাদক

যোগেন্দ্ৰনাৰায়ণ ভূঞা

# অসম সাহিত্য সভাৰ প্ৰকাশন

[ বৰ্তমান মজুত থকা ]

| | | |
|---|---|---|
| ১ | ৰজনীকান্ত বৰদলৈ—ৰচনামালা | ১২·০০ |
| ২ | বেজবৰুৱাৰ প্ৰবন্ধ বাছনি | ১০·০০ |
| ৩ | সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা | ১০·০০ |
| ৪ | অকণোদইৰ ধলফাট | ৮·০০ |
| ৫ | বেজবৰুৱা—প্ৰতিভা | ৮·০০ |
| ৬ | ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ | ৭·০০ |
| ৭ | বেজবৰুৱাৰ চিত্ৰলেখা | ৬·০০ |
| ৮ | বেজবৰুৱাৰ দিনলেখা | ৪·০০ |
| ৯ | আউট লুক অন নেফা | ৪·০০ |
| ১০ | ৰঘুনাথ চৌধাৰী স্মৃতিগ্ৰন্থ | ৪·০০ |
| ১১ | নকুলচন্দ্ৰ ভূঞা স্মৃতিগ্ৰন্থ | ৪·০০ |
| ১২ | বিলিজিয়ন অব লভ এণ্ড ডিভ'শ্বন | ৩·০০ |
| ১৩ | মুদ্ৰাৰাক্ষস | ৩·০০ |
| ১৪ | কৰ্পূৰ মঞ্জৰী | ৩·০০ |
| ১৫ | আছামিজ ফৰ অল | ২·০০ |
| ১৬ | আপ্ কি অসমীয়া | ২·০০ |
| ১৭ | আনটাবুগাৰী অসমীয়াক' স্কিয়ানি | ২·০০ |
| ১৮ | আচামীয়া লা-বাবো-লেন আচামীয়া হিকাই-হি | ২·০০ |
| ১৯ | শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা অসমীয়া | ২·০০ |
| ২০ | নীলাচল পাঠ | ২·০০ |
| ২১ | আমাৰ লক্ষ্মীনাথ | ১·৫০ |
| ২২ | অসমীয়া ভাষা | ১·০০ |
| ২৩ | অসম সাহিত্য সভাৰ পৰিচিতি | ১·০০ |
| ২৪ | প্ৰমথনাথ চক্ৰৱৰ্তী | ১·০০ |
| ২৫ | বিশ্বনাথ ৰাজবংশী | ১·০০ |
| ২৬ | লক্ষ্মীনাথ বেজবৰুৱা [ হিন্দী ] | ·৫০ |
| ২৭ | লক্ষ্মীনাথ বেজবৰুৱা [ ইংৰাজী ] | ·৫০ |
| ২৮ | লক্ষ্মীনাথ বেজবৰুৱা [ „ ] | ·৫০ |
| ২৯ | অসম সাহিত্য সভা বাৰ্ষিকী—গোৱালপাৰা | ৩·০০ |
| ৩০ | „ „ „ „ —নলবাৰী | ৩·০০ |
| ৩১ | „ „ „ „ —উঃ লক্ষীমপুৰ | ৩·০০ |
| ৩২ | „ „ „ „ —ডিব্ৰুগড় | ৩·০০ |
| ৩৩ | অসম সাহিত্য সভা বাৰ্ষিকী—নাজিৰা | |
| ৩৪ | „ „ „ „ —তেজপুৰ | |
| ৩৫ | „ „ „ „ —বৰপেটা | |
| ৩৬ | „ „ „ „ —শিঃ | |
| ৩৭ | „ „ „ „ —মাকুম | |
| ৩৮ | „ „ „ „ —ধুবুৰী | |
| ৩৯ | „ „ „ „ —বড়িয়া | |
| ৪০ | মণ্ডলদৈ মণ্ডলদৈ | |
| ৪১ | তিতাবৰ সৌৰৱণ | |
| ৪২ | টিহু—লখিমী | |
| ৪৩ | বেজবৰুৱাৰ বাণী | |
| ৪৪ | হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী | |
| ৪৫ | ষ্টাডিজ ইন দি আৰ্লি হিষ্টৰি অব আছাম | |
| ৪৬ | কনকলাল বৰুৱাৰ ৰচনাৱলী | |
| ৪৭ | ভাষণাৱলী—৪ৰ্থ খণ্ড | |
| ৪৮ | আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী | |
| ৪৯ | চন্দ্ৰধৰ বৰুৱাৰ গ্ৰন্থাৱলী | |
| ৫০ | গোৱালপৰীয়া লোকগীত | |
| ৫১ | গোহাঞিবৰুৱা—প্ৰতিভা | |
| ৫২ | অসমীয়া জাতিৰ ইতিবৃত্ত | |
| ৫৩ | লঙ্কাকাণ্ড ৰামায়ণ | |
| ৫৪ | ৰাভা জনজাতি | |
| ৫৫ | অসমীয়া গ্ৰন্থপঞ্জী | |
| ৫৬ | পৰমাচাৰ্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী | |
| ৫৭ | হেমুৱেল জনছনৰ জীৱনী | |
| ৫৮ | একাদশী | |
| ৫৯ | চুটি গল্প | |
| ৬০ | গাৰো সংস্কৃতিৰ ৰূপৰেখা | |
| ৬১ | দেউৰী-চুটিয়া | |
| ৬২ | কাৰ্বি জনগোষ্ঠী | |
| ৬৩ | ডিমাছা | |
| ৬৪ | লিপি সমস্যা | |
| ৬৫ | টাই ভাষা | |

# অসম সাহিত্য সভা পত্ৰিকা

চতুস্ত্ৰিংশ বছৰ :: চতুৰ্থ সংখ্যা

সম্পাদক

যোগেন্দ্ৰনাৰায়ণ ভূঞা

অসম সাহিত্য সভা পত্ৰিকা
চতুস্ত্ৰিংশ বছৰ
চতুৰ্থ সংখ্যা
ডিচেম্বৰ ( ১৯৭৭ ) — জানুৱাৰী — ফেব্ৰুৱাৰী, ১৯৭৮

সম্পাদক
যোগেন্দ্ৰনাৰায়ণ ভূঞা
বৰপুৰ
নগাঁও

প্ৰকাশক
আব্দুছ ছাত্তাৰ
প্ৰধান সম্পাদক, অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট— ১

মূল্য
তিনি টকা

ছপাশাল
সুছন্দা প্ৰেছ
আমোলাপট্টি
নগাঁও

অসম সাহিত্য সভা পত্ৰিকাৰ

# —ঃ নিয়মাৱলী ঃ—

১। 'অসম সাহিত্য সভা পত্ৰিকা' অসম সাহিত্য সভাৰ মুখপত্ৰ।

২। এই পত্ৰিকাত ভাষা-সাহিত্য-সংস্কৃতি বিষয়ক মৌলিক চিন্তামূলক আৰু গৱেষণামূলক প্ৰবন্ধাদিয়ে যাইকৈ ঠাই পাব।

৩। পত্ৰিকা প্ৰতি তিনি মাহৰ মূৰে মূৰে প্ৰকাশিত হ'ব।

৪। পত্ৰিকাৰ বৰঙনি, বিতৰণ সম্পৰ্কীয় চিঠি-পত্ৰাদি 'প্ৰধান সম্পাদক, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট ১'— এই ঠিকনালৈ পঠাব লাগিব।

৫। প্ৰতি সংখ্যা পত্ৰিকাৰ মূল্য তিনি টকা আৰু বছৰেকীয়া বৰঙনি বাৰ টকা।

৬। বছৰেকীয়া গ্ৰাহকসকলে বছৰৰ প্ৰথম সংখ্যাৰ পৰা পত্ৰিকা পাব।

৭। অসম সাহিত্য সভাৰ শাখা সভাসমূহে এখনকৈ পত্ৰিকা আধা বেচত পাব।

৮। দহখনতকৈ বেছি পত্ৰিকা নিওঁতাই শতকৰা পঁচিছ টকা কমিছন পাব।

৯। ডাক-যোগে এজেণ্ট বা গ্ৰাহকে নিব খুজিলে পত্ৰিকাৰ মূল্য মনি-অৰ্ডাৰ কৰি আগতে পঠাব লাগিব।

## চতুস্ত্ৰিংশ বছৰৰ পত্ৰিকা সম্পাদনা সমিতি

১। চৈয়দ আব্দুল মালিক
২। আব্দুছ ছাত্তাৰ
৩। শ্ৰীযজ্ঞেশ্বৰ শৰ্মা
৪। শ্ৰীমহেশ চন্দ্ৰ দেৱগোস্বামী
৫। শ্ৰীমহিম বৰা
৬। ড° নবীন কলিতা
৭। যোগেন্দ্ৰনাৰায়ণ ভূঞা

# অসম সাহিত্য সভা পত্রিকা

## চতুস্ত্রিংশ বছৰ :: চতুৰ্থ সংখ্যা


| | | |
|---|---|---|
| সম্পাদকীয় | ॥ ক ॥ | |
| অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকসকল | ॥ ১ ॥ | শ্ৰীডিম্বেশ্বৰ শৰ্মা |
| প্ৰতিষ্ঠাতা সম্পাদক শৰৎ চন্দ্ৰ গোস্বামী | ॥ ১১ ॥ | শ্ৰীঅতুলচন্দ্ৰ বৰুৱা |
| অসম সাহিত্য সভা আৰু অসমীয়া সাহিত্য | ॥ ২২ ॥ | শ্ৰীযতীন্দ্ৰনাথ গোস্বামী |
| অসম সাহিত্য সভাৰ ষাঠি বছৰ | ॥ ২৬ ॥ | শ্ৰীনগেন শইকীয়া |
| সাহিত্য সভাৰ পৰা কি পালোঁ, কি থলোঁ | ॥ ৩০ ॥ | শ্ৰীবেণুধৰ শৰ্মা |
| কান-সমনীয়া সাহিত্য সভা | ॥ ৩৪ ॥ | ড° মহেশ্বৰ নেওগ |
| অসম সাহিত্য সভা আৰু মই | ॥ ৩৮ ॥ | শ্ৰীনীলমণি ফুকন |
| | ॥ ৩৯ ॥ | শ্ৰীত্ৰৈলোক্য নাথ গোস্বামী |
| | ॥ ৪০ ॥ | শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা |
| | ॥ ৪২ ॥ | শ্ৰীআনন্দ চন্দ্ৰ বৰুৱা |
| | ॥ ৪২ ॥ | শ্ৰীযজ্ঞেশ্বৰ শৰ্মা |
| আমাৰ দৃষ্টিত অসম সাহিত্য সভা | ॥ ৪৫ ॥ | শ্ৰীৰাধিকামোহন গোস্বামী |
| অসম সাহিত্য সভা সম্পৰ্কত | ॥ ৪৭ ॥ | শ্ৰীমোহন চন্দ্ৰ মহন্ত |
| মহাৰাজাধিৰাজ বলবৰ্মদেৱৰ উলুবাৰী তাম্ৰশাসন | ॥ ৫০ ॥ | ড° প্ৰতাপচন্দ্ৰ চৌধুৰী আৰু ড° ধৰ্মেশ্বৰ চুতীয়া |
| আহাৰ্যাভিনয় আৰু অঙ্কীয়া ভাওনা | ॥ ৫৮ ॥ | ড° নবেন কলিতা |
| অসমীয়া মুছলমানৰ সংস্কৃতি | ॥ ৬৭ ॥ | ড° ইৰ্‌শ্বাদ আলি |
| স্বৰ্গদেৱ শিৱসিংহৰ দিনৰ তিনিটা মুদ্ৰা | ॥ ৭১ ॥ | শ্ৰীসতীশ চন্দ্ৰ ভট্টাচাৰ্য |
| চৰ্যাপদৰ সমকালীন অসমীয়া ভাষা | ॥ ৭৪ ॥ | শ্ৰীৰাপ চন্দ্ৰ মহন্ত |
| অসম বুৰঞ্জীৰ সঁফুৰা | ॥ ৮২ ॥ | শ্ৰীবেণুধৰ শৰ্মা |
| প্ৰাগৈতিহাসিক যুগৰ ভাৰতীয় চিত্ৰকলা | ॥ ৮৫ ॥ | ড° নিশিপদ চৌধুৰী |
| প্ৰকৃত দেশদ্ৰোহী কোন : এটি সমালোচনা | ॥ ৮৮ ॥ | ড° লক্ষ্মী দেৱী |
| টোকা | ॥ ৯৬ ॥ | শ্ৰীমোহন চন্দ্ৰ মহন্ত, শ্ৰীজীৱনানন্দ গোস্বামী, শ্ৰীযজ্ঞেশ্বৰ শৰ্মা |
| গ্ৰন্থ-পৰিচয় | ॥ ১০২ ॥ | শ্ৰীযজ্ঞেশ্বৰ শৰ্মা, শ্ৰীপ্ৰকাশ গোস্বামী, শ্ৰীনবীন চন্দ্ৰ গোস্বামী, ড° নবেন কলিতা, যোগেন্দ্ৰনাৰায়ণ ভূঞা |
| অসম সাহিত্য সভাৰ ভিতৰ চ'ৰা | ॥ ১১৬ ॥ | |


## পত্ৰিকাৰ চতুস্ত্রিংশ বছৰৰ সূচীপত্ৰ

### প্ৰথম সংখ্যা ( মাৰ্চ-এপ্ৰিল-মে', ১৯৭৭ )


সম্পাদকীয় ॥ ক ॥ ০০০ তুলনামূলক সাহিত্য ॥ ১ ॥ শ্ৰীযজ্ঞেশ্বৰ শৰ্মা ০০০ আহাৰ্যাভিনয় আৰু অঙ্কীয়া ভাওনা ॥ ৫ ॥ ড° নবেন কলিতা ০০০ শিল্পপ্ৰাণ চন্দ্ৰ ফুকনৰ কাব্য-প্ৰতিভা ॥ ১৫ ॥ ড° সৰ্বেশ্বৰ ৰাজগুৰু ০০০ শঙ্কৰদেৱৰ কেইজনমান দেৱতা ॥ ২৬ ॥ ড° বিপিন চেতিয়া ০০০ আধুনিক অসমীয়া কবিতা ॥ ৩০ ॥ ড° চন্দ্ৰ কটকী ০০০ 'মাৰ্কণ্ডেয় পুৰাণৰ কথাতে প্ৰধান' ॥ ৪১ ॥ ড° কেশৱানন্দ দেৱগোস্বামী ০০০ ৰহস্যবাদৰ দাৰ্শনিক পৰ্যালোচনা ॥ ৪৫ ॥ শ্ৰীধনকান্ত চেতিয়াফুকন ০০০ বজ্ৰা বাৰণ ॥ ৪৯ ॥ শ্ৰীঅতুলানন্দ গোস্বামী ০০০ নৱকান্ত বৰুৱাৰ কাব্যাদৰ্শ ॥ ৫৩ ॥ ড° কৃষ্ণনাৰায়ণ প্ৰসাদ 'মাগধ' ০০০ গ্ৰন্থ-পৰিচয় ॥ ৭০ ॥ ধ্যানেন্দ্ৰ ভৌমিক ০০০ অভয়াপুৰীৰ বাণী ॥ ৭৫ ॥ অসম সাহিত্য সভাৰ ভিতৰ-চ'ৰা ॥ ৮১ ॥


### দ্বিতীয় সংখ্যা ( জুন-জুলাই-আগষ্ট, ১৯৭৭ )


সম্পাদকীয় ॥ ক ॥ ০০০ হেম বৰুৱাৰ ব্যক্তিত্বৰ বিভিন্ন দিশ ॥ ১ ॥ শ্ৰীযোগেশ দাস ০০০ ঘৰুৱা জীৱনত হেম বৰুৱা ॥ ৫ ॥ শ্ৰীপ্ৰফুল্লকুমাৰ বৰুৱা ০০০ সহকৰ্মীৰ দৃষ্টিত হেম বৰুৱা ॥ ১১ ॥ শ্ৰীপৰমেশ্বৰ শৰ্মা ০০০ শিক্ষাবিদ হেম বৰুৱা ॥ ১৩ ॥ শ্ৰীনন্দ তালুকদাৰ ০০০ অসম সাহিত্য সভাৰ সভাপতি হেম বৰুৱা ॥ ২০ ॥ শ্ৰীযতীন্দ্ৰনাথ গোস্বামী ০০০ হেম বৰুৱাৰ প্ৰবন্ধ সাহিত্য আৰু অভিব্যক্তি ॥ ২২ ॥ শ্ৰীঅমল ৰাজখোৱা ০০০ ফৰাচী সাহিত্যত বিশ্লেষণৰ যুগ ॥ ২৯ ॥ শ্ৰীসত্যেন বৰকটকী ০০০ গৌড়ীয় আৰু মহাপুৰুষীয়া বৈষ্ণৱ সাহিত্যত ৰসৰ স্বৰূপ ॥ ৩৩ ॥ ড° আনন্দমোহন মুখোপাধ্যায় ০০ মাধৱ কন্দলীৰ ৰামায়ণত জাতি, বৰ্ণ আৰু বৃত্তি-প্ৰসঙ্গ ॥ ৩৭ ॥ শ্ৰীমলয় ৰায় ০০০ উড়িয়া সাহিত্যত ভক্তি-ধৰ্ম আৰু ভক্তি-গীতি ॥ ৫৭ ॥ শ্ৰীজীৱনকৃষ্ণ পাত্ৰ ০০০ টেনিচি উইলিয়ামছৰ নাটক ॥ ৫৯ ॥ শ্ৰীকুতুবুদ্দিন আহমেদ ০০০ নাগামিজ : নগাৰাজ্যৰ জনতাৰ ভাষা ॥ ৬৩ ॥ শ্ৰীভীমকান্ত বৰুৱা ০০০ উপনিষদৰ ব্ৰহ্ম-জিজ্ঞাসা ॥ ৬৯ ॥ শ্ৰীৰমণী কান্ত শৰ্মা ০০০ আহাৰ্যাভিনয় আৰু অঙ্কীয়া ভাওনা ॥ ৭৩ ॥ ড° নবেন কলিতা ০০০ গ্ৰন্থ-পৰিচয় ॥ ৭৯ ॥ শ্ৰীযজ্ঞেশ্বৰ শৰ্মা, ধ্যানেন্দ্ৰ ভৌমিক ০০০ অসম সাহিত্য সভাৰ ভিতৰ চ'ৰা ॥ ৮৪ ॥


### তৃতীয় সংখ্যা ( চেপ্তেম্বৰ-অক্টোবৰ-নবেম্বৰ, ১৯৭৭ )


সম্পাদকীয় ॥ ক ॥ ০০০ অসম বুৰঞ্জীৰ সঁফুৰা ॥ ২ ॥ শ্ৰীবেণুধৰ শৰ্মা ০০০ ৰবীন্দ্ৰনাথ আৰু অসমীয়া সাহিত্য ॥ ১০ ॥ শ্ৰীনাৰায়ণ দাস ০০০ বলবৰ্মাৰ তাম্ৰশাসন তিনিখন ॥ ২৬ ॥ শ্ৰীলীলা গগৈ ০০০ অসমীয়া নাটকত ইউৰোপীয় চৰিত্ৰ ॥ ২৯ ॥ শ্ৰীযোগেন চেতিয়া ০০০ অসমীয়া ভাষাত উচ্চাৰণ-সমস্যা ॥ ৩৩ ॥ শ্ৰীআব্দুছ ছাত্তাৰ ০০০ উপনিষদৰ ব্ৰহ্ম-জিজ্ঞাসা ॥ ৩৭ ॥ শ্ৰীৰমণীকান্ত শৰ্মা ০০০ চৰ্যাপদৰ সমকালীন অসমীয়া ভাষা ॥ ৪৩ ॥ শ্ৰীৰাপচন্দ্ৰ মহন্ত ০০০ ড° সুনীতি কুমাৰ চট্টোপাধ্যায় ॥ ৫৩ ॥ শ্ৰীৰাম গোস্বামী ০০০ বিষ্ণুপ্ৰিয়া মণিপুৰী জনগোষ্ঠী আৰু ভাষা ॥ ৬০ ॥ ড° মহেশ্বৰ নেওগ ০০০ প্ৰকৃত দেশদ্ৰোহী কোন : এটি সমালোচনা ॥ ৬৪ ॥ ড° লক্ষ্মী দেৱী ০০০ হেম বৰুৱাৰ 'সাগৰ দেখিছা' ॥ ৭১ ॥ ড° হেমন্তকুমাৰ শৰ্মা ০০০ গ্ৰন্থ-পৰিচয় ॥ ৭৬ ॥ শ্ৰীনগেন শইকীয়া, যোগেন্দ্ৰনাৰায়ণ ভূঞা ০০০ টোকা ॥ ৮০ ॥ শ্ৰীৰাজেন ৰাভা, শ্ৰীযজ্ঞেশ্বৰ শৰ্মা, শ্ৰীমোহনচন্দ্ৰ মহন্ত, শ্ৰীৰেৱতচন্দ্ৰ মহন্ত ০০০ অসম সাহিত্য সভাৰ ভিতৰ চ'ৰা ॥ ৮৫ ॥

## সম্পাদকীয়

### তৰ্পণ : নীলমণি ফুকন আৰু নলিনীবালা দেৱী

প্ৰায় এক শতিকা কাল ব্যাপি যিজন ব্যক্তিৰ জীৱন অসমৰ জাতীয় জীৱনৰ সৰব বুৰঞ্জী স্বৰূপ হৈ পৰিছিল, অসম আৰু অসমীয়া ব্যতিৰেকে যিজন ব্যক্তিৰ নিজৰ বুলিবলৈ আন একো নাছিল, অসমীয়া জাতিৰ সৰ্বাঙ্গীন উন্নতিয়েই আছিল যিজনৰ জীৱন-ব্ৰত; ভীষ্মপ্ৰতিম পুৰুষ সেইজন 'ককা' বাগ্মীবৰ নীলমণি ফুকন এতিয়া আৰু আমাৰ মাজত নাই। পাৰ্থিৱ জীৱনত এজন ব্যক্তিয়ে এটা জাতিৰ প্ৰতি যিমানখিনি অৰিহণা আগবঢ়োৱাটো সম্ভৱ, জীৱনৰ দুৰ্লভ দীৰ্ঘতা আৰু কৰ্মৰ বহুলতাৰে নীলমণি ফুকনে অসমীয়া জাতিলৈ সিমানখিনি অতুল অৰিহণা আগবঢ়াই গৈছে। অসম সাহিত্য সভাৰ বিপদ-কালত নীলমণি ফুকনৰ নেতৃত্বই অনুষ্ঠানটোৰ বুৰঞ্জীত এক সুকীয়া অধ্যায়ৰ সৃষ্টি কৰিছিল। ভাৰতীয় চিন্তা আৰু জীৱন-সোঁতৰ লগত নিজক বিলাই আৰু মিলাই দিও নীলমণি ফুকনে অসমা-সুষমা জন্মভূমি আৰু চিৰচেনেহী ভাষা-জননীৰ সেৱা-ব্ৰতেৰে অসমীয়া জাতিৰ প্ৰতি এটি মহান আদৰ্শ প্ৰতিষ্ঠা কৰি গৈছে। আৰু,— ব্যক্তিগত জীৱনৰ শ্ৰেষ্ঠতম দিনকেইটাতে কাকণ্য হৈ পৰিল যিগৰাকী মহিলাৰ জীৱন-সঙ্গী, পাৰ্থিৱ জীৱনৰ বেদনা-বিধুৰ মুহূৰ্তবিলাকে যিগৰাকী নাৰীৰ জীৱনলৈ কঢ়িয়াই আনিলে অলৌকিক আনন্দৰ ভাৰ, চিৰসুন্দৰৰ অপাৰ্থিৱ আশিস-ঐশ্বৰ্যেৰে যিগৰাকী নাৰীৰ হৃদয় হ'ল পৰিপূৰ্ণ, কবিতাৰূপিণী সেইগৰাকী মহীয়সী নাৰী নলিনীবালা দেৱীও আজি কোনোবা 'নন্দনপুৰী'তহে। অতীন্দ্ৰিয়বাদী কাব্যিক চেতনাৰে এটি বিশিষ্ট সুৰৰ সৃষ্টি কৰি এইগৰাকী নাৰীয়ে অসমীয়া সাহিত্যক মহিমামণ্ডিত কৰি গৈছে, আৰু অসমৰ সৰ্বোচ্চ জাতীয় সন্মান অসম সাহিত্য সভাৰ সভানেত্ৰীৰ আসন অলংকৃত কৰি এইগৰাকী নাৰী অসমৰ নাৰী-সমাজৰ প্ৰেৰণাৰ উৎস হৈ ৰৈছে। দুয়োগৰাকী ব্যক্তিৰ জীৱনৰ মহান আদৰ্শই উত্তৰ পুৰুষক অনুপ্ৰেৰিত কৰক, আৰু দুয়োগৰাকী ব্যক্তিৰ বিদেহ আত্মাই চিৰশান্তি লাভ কৰক; অসম সাহিত্য সভাৰ হীৰক জয়ন্তীত এয়ে আমাৰ কামনা।



### হীৰক জয়ন্তীৰ চিন্তা

অসম সাহিত্য সভাৰ ষাঠি বছৰ পূৰ্ণ হ'ল। বছৰৰ হেঁখেৰে জাতীয় অনুষ্ঠান এটাৰ কেৱল ষাঠি বছৰীয়া জীৱনটো আপাততঃ বৰ গৌৰৱৰ কথা নিশ্চয় নহয়। কিন্তু অসম সাহিত্য সভাৰ ক্ষেত্ৰত ইয়াক এক ব্যতিক্ৰম আৰু একক উদাহৰণ বুলি গ্ৰহণ কৰাই বাঞ্ছনীয়। ১৯১৭ চনতে প্ৰতিষ্ঠাপিত এই অনুষ্ঠানটোৰ গাত অসমৰ জাতীয় জীৱনৰ বুৰঞ্জীৰ যিমানবোৰ আঁচোৰ যোৱা তিনিকুৰি বছৰৰ ভিতৰত লাগিছে, ৰাজনৈতিক আৰু সাংস্কৃতিক যিমানবোৰ ধুমুহা-ঝঞ্জাৰ মাজেদি এই অনুষ্ঠানে গতি কৰি আহিছে, সেই পৰিপ্ৰেক্ষিতত অসম সাহিত্য সভাৰ হীৰক জয়ন্তীৰ গৌৰৱত অসমীয়া জনসাধাৰণ আনন্দিত হ'বলৈ পোৱাটো জাতিটোৰ পক্ষে সঁচাকৈয়ে কম সৌভাগ্যৰ কথা নহয়। শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত অনগ্ৰসৰ অসমৰ দৰে এখন ৰাজ্যত যোৱা তিনিকুৰি বছৰত যিমানবোৰ অনুষ্ঠানৰ জন্ম হ'ল, তাৰ বহুতৰে মৃত্যু হ'ল চেৰাশালিতে। অসম সাহিত্য সভাৰ দৰে বাকী কিমান অনুষ্ঠান অসমীয়া জনসাধাৰণৰ প্ৰাণত আশা আৰু উদ্দীপনা সঞ্চাৰ কৰি আজিও বৰ্তমান, সেই কথা একে আষাৰতে কৈ দিব নিশ্চয় নোৱাৰি। অসম সাহিত্য সভাৰ এই বৰ্তমানতা আৰু গতিশীলতাৰ মূলত নিহিত আছে অনুষ্ঠানটোৰ চাৰিত্ৰিক মহত্বৰ পৰা উদ্ভূত অফুৰন্ত কৰ্ম-চাঞ্চল্য; ইয়াৰ লগত জড়িত হৈ আছে বৰ্ণ-ধৰ্ম-নিৰ্বিশেষে অসমীয়া জনসাধাৰণৰ ঐকান্তিক আগ্ৰহ আৰু মাতৃভাষা আৰু সাহিত্যৰ প্ৰতি থকা প্ৰেমৰ আন্তৰিকতা। এই অনুষ্ঠানকযে অসমীয়া বাইজে অসমৰ জাতীয় জীৱনৰ লগত একেকঠী কৰি লৈছে; এই অনুষ্ঠানকযে অসমৰ সবাতোকৈ মহৎ আৰু বৃহৎ অনুষ্ঠান বুলি অসমীয়া মানুহে বৰণ কৰিছে। অন্য জাতিৰ জীৱনত এনে দৃষ্টান্ত নিশ্চয় বৰ বেছি নোলাব।

আধুনিক অসমীয়া ভাষা-সাহিত্যৰ বুৰঞ্জী আত্মসংৰক্ষণ আৰু আত্মপ্ৰতিষ্ঠাৰহে বুৰঞ্জী। এই বুৰঞ্জীৰ লগত অসম সাহিত্য সভাৰ বুৰঞ্জী ওতপ্ৰোতভাৱে জড়িত হৈ আছে। দৰাচলতে অসমীয়া ভাষাৰ আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামতে অসম সাহিত্য সভাই যোৱা তিনিকুৰি বছৰ ব্যয় কৰিব লগা হ'ল। আজিওযে সেই সংগ্ৰামৰ পৰা অনুষ্ঠানটো নিবৃত্ত হ'ব পাৰিছে, সেই কথা কব নোৱাৰি। সুদীৰ্ঘ দুটা দশকৰ পূৰ্বতে অসমৰ চৰকাৰে অসমীয়া ভাষাক অসমৰ ৰাজ্যক্ষেত্ৰত ৰাজ্যভাষা কৰাৰ সাংবিধানিক প্ৰতিশ্ৰুতি দিছিল যদিও আজিও অসমৰ চৰকাৰী-বেচৰকাৰী কাৰ্যালয়সমূহত ৰাজ্যভাষাৰ সম্পূৰ্ণ প্ৰয়োগ নহ'ল। বিশ্ববিদ্যালয় দুখনৰ শ্লথগতিয়ে (পশ্চাদপসৰণে ?) শিক্ষাৰ মাধ্যম সংক্ৰান্তত জড়িত হৈ থকা সংগ্ৰামৰ সমাপ্তি ঘোষণা কৰিবলৈ এতিয়াও দিয়া নাই। (প্ৰসঙ্গতঃ উল্লেখযোগ্য যে কেৱল পাঠ্যপুথি

প্ৰকাশ কৰাৰ বাহিৰে অসমীয়া ভাষাক জাতিস্তৰ কৰিব পৰা বিধৰ গ্ৰন্থ প্ৰকাশেৰে বিশ্ববিদ্যালয় দুখনে চকুত পৰা কিবা কাম কৰিছে বুলি আমাক পতিয়ন নিয়াব নোৱাৰে)। চৰকাৰ আৰু বিশ্ববিদ্যালয় নামৰ অনুষ্ঠান দুটাৰ লগত যিসকল দায়িত্ব-সম্পন্ন অসমীয়া লোক জড়িত হৈ আছে, সেইসকলৰ বৃহৎ সংখ্যা এটা অসমীয়া ভাষা-বিদ্বেষী কু-চক্ৰটোৰ প্ৰভাৱৰ পৰা মুক্ত নোহোৱালৈকে অসমীয়া ভাষা-সংক্ৰান্ত সংগ্ৰামৰ পৰিসমাপ্তি নঘটে। বাজৰ বৈৰীতকৈ আমাৰ ভিতৰৰ বৈৰী প্ৰবলতৰ হ'লে তাৰ অৱধাৰিত পৰিণতি কি হ'ব পাৰে, সেইটো সহজে অনুমেয়। অসম সাহিত্য সভাৰ লগত জড়িত হৈ থকা বা এই অনুষ্ঠানটোৰ সান্নিধ্যলৈ অহা ব্যক্তিসকল সচেতন নহ'লে আৰু কিমান বছৰলৈ আমাৰ ভাষাৰ এই অৱস্থা অপৰিবৰ্তিত হৈ থাকে, সেই কথা অনুমান কৰা সহজ নহয়। কিন্তু আত্মবিশ্লেষণৰ যোগেদি যেতিয়া আমি দেখোঁ যে হীনমন্যতাবশতঃ আমাৰ গৰিষ্ঠ সংখ্যকেই এতিয়াও দৈনন্দিন আৰু ব্যক্তিগত জীৱনত ইংৰাজী ভাষাৰ মোহ-পাশ ছিঙিব পৰা নাই, অসমীয়া ভাষা সাহিত্যৰ অধ্যয়ন অধ্যাপনাৰ প্ৰতি থকা হেয় দৃষ্টি এতিয়াও বহুতে পৰিহাৰ কৰিব পৰা নাই, তেনেস্থলত হতাশ নোহোৱাকৈ থাকিব নোৱাৰি।

অসমৰ ৰাজ্যক্ষেত্ৰত অসম সাহিত্য সভা কাৰো শত্ৰু নহয়; 'শত্ৰুতা'ৰ লগত অসম সাহিত্য সভাৰ পৰিচয় ঘটা নাই। কিন্তু ভাষা-ভিত্তিক ৰাজ্য-পুনৰগঠনৰ ইমান বছৰৰ পাছতো এই ৰাজ্যক্ষেত্ৰৰ কোনো কোনো খিলঞ্জীয়া আৰু বহিৰাগত ভাষিক সংখ্যালঘু সম্প্ৰদায়ে অসম সাহিত্য সভাক বৈৰভাৱে চিন্তা কৰাটো অনুষ্ঠানটোৰ ক্ষেত্ৰত সঁচাকৈয়ে দুৰ্ভাগ্যৰ বিষয়। অসম সাহিত্য সভা যে ভাষিক সাম্ৰাজ্যবাদী বা সম্প্ৰসাৰণবাদী শক্তি নহয়, সেই কথা এই প্ৰৌঢ় অনুষ্ঠানটোৰ বুৰঞ্জীৰ পাতেপাতে ফট্ফটীয়া হৈ আছে। ভাষিক সংখ্যালঘুসকলৰ মনত অসম সাহিত্য সভাৰ দ্বাৰা ভীতি সঞ্চাৰিত হোৱাৰো কোনো হেতু থাকিব নোৱাৰে। স্ব-কপোল-কল্পিত যুক্তিৰে বা আত্মাভিমানেৰে কোনোবাই নিজক এঘৰীয়া কৰি ৰখাৰ পৰা অভীপ্সিত ফল নিশ্চয় লাভ নহয়। অসম সাহিত্য সভাৰ উন্মুক্ত দুৱাৰ যে সকলো অনুৰাগীৰ বাবে নিৰন্তৰ উন্মুক্ত হৈয়ে আছে, সেই কথা আমি পূৰ্বতেই কৈ আহিছোঁ। তথাপি 'অসম' সাহিত্য সভাই অসমৰ খিলঞ্জীয়া ভাষিক সংখ্যালঘুসকলক একেখন পতাকাৰ তললৈ নহলেও একেটা মঞ্চলৈ আনিবৰ কাৰণে নতুন কিবা উপায় উদ্ভাৱন কৰিব পাৰে নেকি, সেইটো প্ৰণিধানযোগ্য। এই সভাৰ সাংস্কৃতিক অনুষ্ঠানত কৰা দৰে আনুষঙ্গিক বিভিন্ন শাখা সন্মিলনসমূহতো ভাষিক সংখ্যালঘুসকলক নিজ নিজ ভাষাৰ মাধ্যমেৰে অংশ গ্ৰহণ কৰাৰ সুবিধা দি আমাৰ পৰস্পৰৰ হৃদয়-সংবাদ পৰস্পৰৰ হৃদয়লৈ প্ৰেৰণ কৰাৰ নতুন প্ৰচেষ্টা এটা পৰীক্ষামূলকভাৱে হাতত ল'ব পাৰি।



কিন্তু এইসকলৰ উপৰিয়ে আমাৰ এচাম নতুন সাহিত্যিক বুদ্ধিজীৱীও অনুষ্ঠানটোৰ ক্ষেত্ৰত সদায় উন্নাসিক হৈ আহিছে। অসম সাহিত্য সভাক বুৰ্জোৱা মানসিকতাগ্ৰস্ত এচাম লোকৰ একচেটিয়া সম্পত্তি বুলি গণ্য কৰি এই বুদ্ধিজীৱীসকল অনুষ্ঠানটোৰ সংস্পৰ্শলৈ আহিব নোখোজে। আমাৰ বোধেৰে সকলো কথাকে কেৱল ৰাজনৈতিক দৃষ্টিকোণৰ পৰা চোৱাৰ আৰু সকলোতে ন্যস্তস্বাৰ্থৰ ভূত দেখাৰ প্ৰৱণতা আত্মঘাতী। অনুষ্ঠানটোৰ ভিতৰলৈ আহি ইয়াৰ দোষ-দুৰ্বলতাসমূহ আঁতৰাই অনুষ্ঠানটোৰ লগত একাত্মীয়তা অনুভৱ কৰাৰ আন্তৰিক প্ৰেৰণা তেখেতসকলে নাপায় কিয়, তাৰ কাৰণ আমাৰ অজ্ঞাত। প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে পত্ৰিকা সম্পাদক হিচাপে আমি যোৱা এবছৰত এইচাম বুদ্ধিজীৱীৰ প্ৰতিনিধিসকলক পত্ৰিকাখনৰ যোগেদি অসম সাহিত্য সভাৰ সংস্পৰ্শলৈ আনিবৰ কাৰণে অশেষ চেষ্টা কৰিও তেখেতসকলৰ এজনৰ পৰাও কোনো সঁহাৰি নাপালোঁ। তাতোকৈ দুখৰ কথা, কেৱল এজনৰ বাহিৰে তেখেতসকলৰ দ্বিতীয়জনেও আমাৰ একাধিক পত্ৰৰ প্ৰাপ্তি-সংবাদ জনোৱাৰ সৌজন্যকণো প্ৰদৰ্শন নকৰিলে।

অসম সাহিত্য সভাৰ বয়স বঢ়াৰ লগে লগে এই অনুষ্ঠানৰ লগত জড়িত ব্যক্তিসকলৰ দায়িত্ব আৰু কৰ্তব্যও উত্তৰোত্তৰ বৃদ্ধি পাইছে। অসমৰ বিভিন্ন ঠাইত প্ৰতিষ্ঠাপিত শাখা সভাসমূহৰ লগত জড়িত আমাৰ প্ৰতিজন ব্যক্তিয়েই নিজকে অসমীয়া ভাষা-সাহিত্যৰ একোজন অক্লান্ত বনুৱা বুলি বিবেচনা কৰি অনুষ্ঠানটোৰ উত্তৰোত্তৰ উন্নতিৰ বাবে নিজৰ নিজৰ সেৱা আগবঢ়াবলৈ সঙ্কল্পবদ্ধ হ'ব লাগিব। তথাকথিত মেলামুখী বাৰ্ষিক অধিৱেশনসমূহতেই যে অনুষ্ঠানটোৰ ঐশ্বৰ্যৰ প্ৰমাণ নাই, অসমীয়া গ্ৰন্থৰ প্ৰচালন বৃদ্ধিতহে অসম সাহিত্য সভা আৰু অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ বীজ-মন্ত্ৰ নিহিত আছে, সেই কথা আমি প্ৰত্যেকেই উপলব্ধি কৰাৰ উপৰি আনকো উপলব্ধি কৰাব পাৰিব লাগিব। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা গৈছে যে সভাৰ প্ৰকাশনসমূহৰ প্ৰচালন অতি দুখ লগা। আনৰ কথা একাষৰীয়াকৈ থৈ কওঁ যে আমাৰ দুখন বিশ্ববিদ্যালয়ে প্ৰতি বছৰে যিমানসকলক অসমীয়া ভাষা-সাহিত্যৰ স্নাতকোত্তৰ উপাধি প্ৰদান কৰিছে, আমি যিমানসকলে স্কুল-কলেজত অসমীয়া ভাষা-সাহিত্যৰ গুৰু-গিৰী কৰিছোঁ ইক, সেইসকলৰ কিমানে পত্ৰিকাকে আদি কৰি অসম সাহিত্য সভাৰ প্ৰকাশনসমূহৰ সংবাদ ৰাখিছোঁ, সেইটো বিচাৰ কৰিলে জাতীয় জীৱনৰ হতাশাজনক ছবি এখন জল্ জল্-পট্পট্ হৈ পৰিব।

যোৱা অৰ্দ্ধ শতিকাৰো ওপৰ কাল অসংখ্য ব্যক্তি চিৰচেনেহী ভাষা-জননীৰ পতাকা-তলত সমবেত হৈছে; অসংখ্য ব্যক্তিয়ে এই অনুষ্ঠানক সেৱা কৰি নিজে নিজে ধন্য হৈ গৈছে; স্বমহিমা প্ৰতিষ্ঠিত আৰু আপোন চৰিত্ৰৰ আলোকেৰে উদ্ভাসিত

এই অনুষ্ঠানৰ পোহৰত বহুতো প্ৰতিভাধৰ ব্যক্তি উজ্জ্বল হৈ উঠিছে। সেইসকলৰ যিসকল আজি আমাৰ মাজত নাই, সেইসকলক সভাৰ হীৰক জয়ন্তীত আমি শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। সেইসকলৰ আদৰ্শত অনুপ্ৰাণিত হৈ আগবঢ়োৱা উত্তৰপুৰুষৰ সেৱাৰে এই অনুষ্ঠান অনন্তকাল জীৱিত হৈ ৰওক; অতন্দ্ৰ প্ৰহৰী ৰূপে এই অনুষ্ঠানে জ্বলাই ৰখা চিৰচেনেহী ভাষা-জননীৰ বন্তিগছি চিৰদিন প্ৰদীপ্ত হৈ থাকক; অসম সাহিত্য সভা 'অসম' সাহিত্য সভা হওক।

## সামৰণি

অসম সাহিত্য সভাৰ অভয়াপুৰী অধিৱেশনত সন্মিলিত মাননীয় প্ৰতিনিধিসকলে আমাক অসম সাহিত্য সভা পত্ৰিকাৰ সম্পাদক নিৰ্বাচন কৰি তেখেতসকলৰ ওচৰত চিৰঋণী কৰি ৰাখিলে। অসমৰ এই জাতীয় মহাসভাখনৰ মুখপত্ৰ সম্পাদনা কৰাৰ লেখীয়া গুৰুদায়িত্ব এটি পালন কৰাৰ যোগ্যতাৰে আমাৰ লেশমানো নাই, সেই কথা ইয়াৰ পূৰ্বতে কেতিয়াও আমি অনুভৱ কৰিব পৰা নাছিলোঁ। এই কাৰ্যত বিভিন্ন সদাশয় ব্যক্তিয়ে আমাৰ অনুৰোধ উপেক্ষা নকৰি তেখেত-সকলৰ বহুমূলীয়া প্ৰবন্ধ আমালৈ আগবঢ়াই অনুষ্ঠানটিৰ প্ৰতি আন্তৰিক সহ-যোগিতা প্ৰদৰ্শন কৰিছে। কাৰ্যনিৰ্বাহক সমিতি আৰু পত্ৰিকা সম্পাদনা সমিতিৰ সদস্যসকলৰ পৰাও আমি অকুণ্ঠ সহযোগিতা লাভ কৰিছোঁ। নগাঁৱৰ সুছন্দা প্ৰেছৰ গৰাকী আৰু কৰ্মচাৰীসকলে যোৱা বছৰটোত অসম সাহিত্য সভা পত্ৰিকাৰ ছপা-কাৰ্যক এক পবিত্ৰ কৰ্তব্য বুলি ভাবি এই ক্ষেত্ৰত যি নিষ্ঠা প্ৰদৰ্শন কৰিলে, সেই কথা আমি কেতিয়াও পাহৰিব নোৱাৰিম। এই সদৌটিৰে প্ৰতি আমাৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

যোৱা তৃতীয় সংখ্যা পত্ৰিকাত প্ৰকাশ পোৱা এটি প্ৰতিবাদ-প্ৰবন্ধৰ ('প্ৰকৃত দেশ-দ্ৰোহী কোন: এটি সমালোচনা') প্ৰাসঙ্গিক কথা কেইটামানে আমাৰ এটি বিশেষ ধৰ্মীয় সম্প্ৰদায়ৰ অনুভূতিক আঘাত কৰিছে বুলি জানি আমি অতিশয় দুখ পাইছোঁ। সেই সম্পৰ্কত পোৱা দুটি প্ৰতিবাদ-টোকা যথাস্থানত প্ৰকাশ কৰা হৈছে। আশা কৰোঁ ভৱিষ্যতে এই বিষয়ৰ এটি সুস্থ আৰু নিৰপেক্ষ আলোচনাই গঢ় লৈ উঠিব।

যোগেন্দ্ৰনাৰায়ণ ভূঞা
২৫ ফেব্ৰুৱাৰী, ১৯৭৮

# অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকসকল

ত্ৰৈলোক্যেশ্বৰ শৰ্মা

১৯১৭ চনৰ ২৬ আৰু ২৭ ডিচেম্বৰ তাৰিখে অসমৰ আহোম স্বৰ্গদেৱসকলৰ কেইবাশ বছৰীয়া ৰাজধানী, কীৰ্তি মণ্ডিত শিৱসাগৰত 'সদৌ অসম সাহিত্য সন্মিলনী'ৰ (অসম সাহিত্য সভাৰ তেতিয়াৰ নাম) প্ৰথম মুকলি অধিৱেশন সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঁইবৰুৱাৰ সভাপতিত্বত বহে। তেতিয়ালৈকে সভাৰ কোনো নিয়মাৱলী প্ৰস্তুত নোহোৱাত সভাই অসমৰ বিশিষ্ট সাহিত্যসেৱী লৈ মুঠ ৫৩ জন সদস্যৰে এখনি কাৰ্য-নিৰ্বাহক সমিতি গঠন কৰে। প্ৰধান সম্পাদক নিৰ্বাচিত হয় স্বনামধন্য শিক্ষাবিদ শৰৎ চন্দ্ৰ গোস্বামী আৰু সহকাৰী সম্পাদক নিৰ্বাচিত হয় যোৰহাটৰ ...েন্দ্ৰ শৰ্মা। গোস্বামী ডাঙৰীয়া সেই সময়ত যোৰহাট প্ৰশিক্ষণ বিদ্যালয় (নৰ্মাল স্কুল)ৰ অধীক্ষক পদত আছিল। প্ৰধান সম্পাদকৰ কাৰ্যক্ষেত্ৰ হোৱাৰ বাবে যোৰহাটেই সদৌ অসম সাহিত্য সন্মিলনীৰ কেন্দ্ৰীয় কৰ্মস্থল হৈ পৰিল। সাহিত্য সন্মিলনীৰ কাৰ্যালয় পৰিচালনাত গোস্বামী ডাঙৰীয়াক তেতিয়াৰ প্ৰশিক্ষাৰ্থীসকলে আশাতীতভাৱে সহায় কৰি-ছিল। সেইসকল প্ৰশিক্ষাৰ্থীৰ ভিতৰত জীৱিতসকলে আজিও সেই কথা বৰ গৌৰৱেৰে উল্লেখ কৰে। উল্লেখযোগ্য যে ১৯৪৪ চনত বাগ্মীবৰ শ্ৰীনীলমণি ফুকন ডাঙৰীয়াৰ সভাপতিত্বত শিৱসাগৰত বহা মুকলি অধিৱেশন (ঊনবিংশ) পৰ্যন্ত সুদীৰ্ঘ ২৭ বছৰ কাল অসম সাহিত্য সভাৰ কোনো স্থায়ী সভাপতিৰ পদ নাছিল। সভাপতিসকলে কেৱল মুকলি অধিৱেশনতহে সভাপতিত্ব কৰিছিল। কাৰ্য-নিৰ্বাহক সমিতিৰ স্থায়ী সভাপতিৰ পদ নথকাত প্ৰধান সম্পাদকসকলেই সাহিত্য সভাৰ গুৰি ধৰিব লগা হৈছিল। 'নাও উঠোঁতে বুৰে আৰু নামোতে বুৰে' — বুলিও কথা এটা আছে। যি কোনো ৰাজহুৱা অনুষ্ঠানৰ প্ৰথম গুৰি ধৰোঁতাসকলৰ ওপৰত বহুতো কথা নিৰ্ভৰ কৰে। এই বিষয়ত শৰৎ চন্দ্ৰ গোস্বামী যে সুযোগ্য গুৰিয়াল আছিল আৰু তেওঁৰেই 'সদৌ অসম সাহিত্য সন্মিলনী'ক প্ৰাণৱন্ত ৰূপ দিছিল, তাক কোৱা বাহুল্য মাথোন।

সদৌ অসম সাহিত্য সন্মিলনী গঠন হোৱাৰ আগতেই অসমৰ ভালেকেইখন ঠাইত সাহিত্য আলোচনাৰ স্থানীয় সভা আছিল। এই সভা-সমূহৰ লগত ক্ষিপ্ৰতাৰে যোগাযোগ কৰি গোস্বামী ডাঙৰীয়াই প্ৰথম বছৰটোতে ১১ খন সভাক শাখা সভা ৰূপে আৰু দুখনক স্বীকৃত সভা ৰূপে কাৰ্য-নিৰ্বাহক সমিতিৰ সিদ্ধান্ত অনুযায়ী স্বীকৃতি দি সদৌ অসম সাহিত্য সন্মিলনীৰ সংগঠন কিছু টনকিয়াল কৰিলে। স্থায়ী কাৰ্যালয় আৰু পুঁজিৰ নিতান্ত অভাৱলৈকো ভ্ৰূক্ষেপ নকৰি গোস্বামী ডাঙৰীয়া পূৰ্ণ উদ্যমেৰে কাৰ্যত আগ বাঢ়িছিল। ২৫।৩।১৮ তাৰিখে প্ৰথমে স্বীকৃতি দিয়া শাখা সভা-খন আছিল যোৰহাট সাহিত্য সভা। প্ৰথম বছৰত

স্বীকৃতি দিয়া অন্যান্য শাখাসমূহ হ'ল— ২। গুৱাহাটী অ-ভা-উ-সা সভা ৩। তেজপুৰ অ-ভা-উ-সা সভা ৪। নগাঁও অ-ভা-উ-সা সভা ৫। উত্তৰ লক্ষীমপুৰ সাহিত্য সভা ৬। নাজিৰা সাহিত্য সভা ৭। নলবাৰী সাহিত্য সভা ৮। শিৱসাগৰ সাহিত্য সভা ৯। গৌৰীসাগৰ সাহিত্য সভা ১০। গোলাঘাট সাহিত্য সভা ১১। মঙলদৈ সাহিত্য সভা। এই এঘাৰখন শাখা সভাৰ উপৰিও শিৱসাগৰ বিমলালয়া সভা আৰু ডিব্ৰুগড় সাহিত্য সভাক স্বীকৃত সভা হিচাপে ধৰা হৈছিল. এই প্ৰথম বছৰটোত সদৌ অসম সাহিত্য সন্মিলনীৰ পুঁজিত জমা হৈছিল মুঠ ১৬২ টকা ১২ অনা ৬ পাই আৰু ব্যয় হৈছিল ১০৮ টকা ৩ পাই। গোস্বামী ডাঙৰীয়াই অতি হাত ধৰি চলি ধাৰ নলগাকৈ প্ৰথম বছৰটো চলাই দিব পৰাটোও তেওঁৰ বিচক্ষণতা, দূৰদৃষ্টি আৰু মিতব্যয়িতাৰ আন এটি পৰিচয়।

১৯১৮ চনৰ ২৭, ২৮ আৰু ২৯ ডিচেম্বৰত গোৱাল-পাৰাত অসম সাহিত্য সন্মিলনীৰ দ্বিতীয় মূকলি অধিৱেশন সাহিত্যৰথী চন্দ্ৰধৰ বৰুৱাৰ সভা-পতিত্বত বহে। এই অধিৱেশনত প্ৰধান সম্পাদক নিৰ্বাচিত হয় প্ৰথম মূকলি অধিৱেশনৰ সভাপতি সাহিত্য-কাণ্ডাৰী পদ্মনাথ গোহাঁইবৰুৱা ডাঙৰীয়া। সহকাৰী সম্পাদক দুজন আছিল চন্দ্ৰনাথ শৰ্মা আৰু দণ্ডিনাথ কলিতা। এই দ্বিতীয় বছৰটোত সাহিত্য সন্মিলনীৰ সংগঠন আগতকৈ ব্যাপক হ'ল। দ্বিতীয় বছৰত আগৰ তেৰখনৰ উপৰিও ১০ খন শাখা সভা আৰু ১১ খন স্বীকৃত সভাক নতুনকৈ স্বীকৃতি দিয়া হ'ল। গতিকে দ্বিতীয় বছৰৰ শেষত সদৌ অসম সাহিত্য সন্মিলনীৰ শাখা সভা আৰু স্বীকৃত সভাৰ সংখ্যা মুঠ ৩৪ খন হ'লগৈ আৰু সাহিত্য সন্মিলনীৰ পুঁজিও কিছু শকত হ'ল। ১৯১৯ চনৰ ডিচেম্বৰ মাহৰ ২৬ আৰু ২৭ তাৰিখে বৰপেটাত সদৌ অসম সাহিত্য সন্মিলনীৰ তৃতীয় মূকলি অধিৱেশন কালিৰাম মেধিৰ সভাপতিত্বত বহে। এইবাৰ প্ৰধান সম্পাদক নিৰ্বাচিত হ'ল অসমীয়া সাহিত্যত জোনাকী যুগৰ অন্যতম ভোটাস্তৰা সত্যনাথ বৰা ডাঙৰীয়া। সহকাৰী সম্পাদক হ'ল চন্দ্ৰনাথ শৰ্মা আৰু জ্ঞানতিৰাম লহকৰ। ধীৰ, স্থিৰ, মিতবাক্ বৰা ডাঙৰীয়াৰ সম্পাদকত্বৰ বছৰটোত সাহিত্য সন্মি-লনে পূৰ্বৰ মৰ্যাদা ৰক্ষা কৰি সংগঠন আৰু পুঁজি সংগ্ৰহত আগতকৈও কিছু আগ বাঢ়িল যদিও স্থায়ী কাৰ্যালয়ৰ অভাৱত বছৰি সম্পাদক সলনি হোৱাৰ লগে লগে কাৰ্যালয়েও স্থান পৰিবৰ্তন কৰি থাকিব লগা হোৱাত সাহিত্য সন্মিলনীৰ সংগঠনে তেতিয়াও ব্যাপক ৰূপ লব পৰা নাছিল।

১৯২০ চনৰ ২৮ আৰু ২৯ ডিচেম্বৰত তেজপুৰত সদৌ অসম সাহিত্য সন্মিলনীৰ চতুৰ্থ অধিৱেশন পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ সভাপতিত্বত বহে। এইবাৰ এই সন্মিলনীৰ প্ৰথমজনা প্ৰধান সম্পাদক শৰৎ চন্দ্ৰ গোস্বামীদেৱ পুনৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়। ইয়াৰ পাছত ক্ৰমান্বয়ে যোৰহাট, ডিব্ৰুগড়, গুৱাহাটী আৰু নগাঁৱত বহা পঞ্চম, ষষ্ঠ, সপ্তম, অষ্টম অধি-ৱেশনতো গোস্বামীদেৱেই পুনঃ পুনঃ প্ৰধান সম্পাদক নিৰ্বাচিত হৈছিল— ১৯২৭ চনৰ ধুবুৰীত বহা নৱম অধিৱেশন পৰ্যন্ত। ১৯২০ চনৰ পৰা ১৯২৭ চনলৈ এই সাত বছৰীয়া প্ৰধান সম্পাদকত্বৰ কালছোৱাত গোস্বামী ডাঙৰীয়াই অক্লান্ত পৰিশ্ৰম, বিচক্ষণ সংগঠন-শক্তি, আৰু সময়োপযোগী কাৰ্য-তৎপৰতাৰ যোগেদি সদৌ অসম সাহিত্য সন্মিলনীক স্থায়ী ৰূপত প্ৰতিষ্ঠা কৰিলে। এই বিষয়ত গোস্বামী ডাঙৰীয়াৰ ওচৰত অসম সাহিত্য সভা তথা অসমীয়া ৰাইজ চিৰকৃতজ্ঞ হৈ থাকিব। এইছোৱা কালৰ সৰ্বশ্ৰেষ্ঠ স্থায়ী কীৰ্তি হ'ল— অসম সাহিত্য সভাৰ স্থায়ী আৰু মূল কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱন প্ৰতিষ্ঠা। ১৯২৩-২৪ৰ বছৰটো আছিল সদৌ



অসম সাহিত্য সন্মিলনীৰ অতি গৌৰৱৰ বছৰ। এই বছৰতে প্ৰধান সম্পাদক গোস্বামীদেৱৰ কাৰ্য-তৎপৰতাৰ ফলত সন্মিলনে দুটি ডাঙৰ দান লাভ কৰিলে। সাহিত্য-প্ৰেমী ৰায়বাহাদুৰ ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াই তেখেতৰ দুটি গুণী পুত্ৰ চন্দ্ৰকান্ত সন্দিকৈ আৰু ইন্দ্ৰকান্ত সন্দিকৈৰ অকাল বিয়োগৰ মধুৰ শোকৰ সান্ত্বনা লভিবলৈ পুত্ৰ দুটিৰ নামত সাহিত্য সন্মিলনীক ত্ৰিছ হাজাৰ টকা দান কৰে। এই দানেৰেই পাছত অসম সাহিত্য সভাৰ মূল কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱন নিৰ্মাণ কৰা হৈছে আৰু চন্দ্ৰকান্ত অভিধানৰ প্ৰথম সংস্কৰণ প্ৰকাশ কৰা হৈছে। এই বছৰতে মূল কাৰ্যালয় নিৰ্মাণৰ বাবে যোৰহাট নগৰৰ মাজ-মজিয়াত ১ বিঘা ৪ কঠা ২ লোচা চৰকাৰী মাটি অধিগ্ৰহণ কৰা হয় আৰু এই দুটা উল্লেখযোগ্য কাৰ্যই সভাক এক স্থায়ী আৰু শক্তিশালী ৰূপ দিয়ে। এইটো বছৰতে সভাই শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰাধিকাৰ গোস্বামীৰ পৰা পাঁচ হাজাৰ টকাৰ আন এটি দান লাভ কৰে আৰু 'নৱ-দেৱ ক্লাস পুঁজি' গঠন কৰি সভাৰ যোগেদি গ্ৰন্থ প্ৰকাশৰ কাম হাতত লয়। এই বছৰতে বাহুলী-পাৰৰ ৰাধানাথ গোস্বামীয়ে তেওঁৰ মাতৃ কমলা দেৱীৰ স্মৃতিত শিশু সাহিত্য প্ৰকাশৰ বাবে সভাক দুহাজাৰ টকা দান কৰে। এই বছৰতে সভাৰ স্থায়ী ঘৰ নিৰ্মাণৰ কামো আৰম্ভ হয়। এই বছৰে ১৭।৩।২৪ তাৰিখে সভাক অসম চৰকাৰৰ প্ৰয়োজনীয় আইন অনুসৰি পঞ্জীভূত কৰা হয়। এই বছৰৰ ১৯ আৰু ২০ এপ্ৰিলত ডিব্ৰুগড়ত সভাৰ ষষ্ঠ মুকলি অধি-ৱেশন কনকলাল বৰুৱাৰ সভাতিত্বত বহে আৰু বছৰৰ শেষলৈ ডিচেম্বৰৰ ২৭, ২৮ আৰু ২৯ তাৰিখে সাহিত্যৰথী লক্ষীনাথ বেজবৰুৱাৰ সভাপতিত্বত সপ্তম অধিৱেশন গুৱাহাটীত বহে। একে বছৰতে দুখনকৈ মুকলি অধিৱেশন বহা আৰু সাহিত্য সন্মিলনীক এক স্থায়ী আৰু জনপ্ৰিয় ৰূপ দিয়া কাৰ্যত ১৯২৪ চনটো সভাৰ বুৰঞ্জীত এক গৌৰৱ-মণ্ডিত বছৰ। সভাৰ এনে সাফল্যৰ গুৰিত যে মূখ্য কৰ্মকৰ্তা প্ৰধান সম্পাদক শৰৎ চন্দ্ৰ গোস্বামীৰ ব্যক্তিত্ব আৰু সংগঠন শক্তিহে, তাক কোৱা বাহুল্য মাথোন।

গোস্বামীদেৱৰ সম্পাদকত্বৰ কালতে ১৯২৫ চনত শ্ৰীশ্ৰীনৱদেৱ গ্ৰন্থাৱলীৰ প্ৰথম গ্ৰন্থ নীলকণ্ঠ দাসৰ 'দেৱ দামোদৰ চৰিত্ৰ' প্ৰকাশ হয়। উল্লেখযোগ্য যে সভাই প্ৰকাশৰ কাম হাতত লোৱা এয়ে প্ৰথম। গোস্বামীদেৱ সম্পাদক থকা কালতে ১৯২৬ চনৰ ২ ডিচেম্বৰত অসম সাহিত্য সভাৰ স্থায়ী কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱন তেতিয়াৰ ইংৰাজ ৰাজ্যপাল ছাৰ জন কাৰ চাহাবে উন্মোচন কৰে। ১৯২৬ চনতে সাহিত্য সভাৰ প্ৰথম পুৰস্কাৰ কমলা দেৱী শিশু সাহিত্য বঁটা শ্ৰীবোমেশ্বৰ শৰ্মাক 'কথা-মহাভাৰত'ৰ বাবে দিয়া হয়। এইছোৱা কালতে ১৯২৬ চনৰ পৰা সাহিত্য সভাৰ মুখপত্ৰ 'অসম সাহিত্য সভা পত্ৰিকা' প্ৰকাশ পায়। পত্ৰিকাৰ প্ৰথমজন কৃতবিদ্য সম্পাদক আছিল সাহিত্যৰথ চন্দ্ৰধৰ বৰুৱা। গোস্বামীদেৱ সম্পাদক থকা কালতে অষ্টম অধিৱেশন বহে ১৯২৫ চনৰ ২৭, ২৮ আৰু ২৯ ডিচেম্বৰত নগাঁৱত ঔপন্যাসিক ৰজনী কান্ত বৰদলৈৰ সভাপতিত্বত, নৱম অধিৱেশন বহে ১৯২৬ চনৰ ১৯ আৰু ২০ ডিচেম্বৰত বেণুধৰ ৰাজ-খোৱাৰ সভাপতিত্বত ধুবুৰীত আৰু দশম অধিৱেশন বহে ১৯২৭ চনৰ ৮ আৰু ৯ অক্টোবৰত দেশভক্ত তৰুণৰাম ফুকনৰ সভাপতিত্বত গোৱালপাৰাত। উল্লেখযোগ্য এইছোৱা কালতে গোৱালপাৰা জিলাক বঙলা ভাষাৰ কৰাল গ্ৰাসৰ পৰা উদ্ধাৰ কৰা হয় আৰু সাহিত্য সন্মিলনীৰ এয়া শৈশৱ অৱস্থা চলি থকা সত্ত্বেও গোৱালপাৰা জিলাত তিনিবাৰকৈ মুকলি অধিৱেশন অনুষ্ঠিত কৰা হয়। প্ৰথম দহ বছৰৰ ভিতৰত আঠ বছৰ কাল প্ৰধান সম্পাদকৰ দায়িত্বত থাকি অসম সাহিত্য সভাক প্ৰাণৱন্ত, কৰ্মঠ আৰু

সাৰ্বজনীন ৰূপ দিয়াত শৰৎ চন্দ্ৰ গোস্বামীৰ অৱদান চিৰস্মৰণীয় হৈ ৰ'ব। গোস্বামীক অসম সাহিত্য সভাৰ পিতৃ-সদৃশ বুলি ক'ব পাৰি। গোস্বামী-দেৱ সম্পাদক থকা কালতে ১৯২৭ চনৰ পৰা অসম সাহিত্য সভাই বছৰি এহাজাৰ টকাকৈ বাৰ্ষিক চৰকাৰী অনুদান লাভ কৰাটো আন এটি উল্লেখযোগ্য কথা। আগতে উল্লেখ কৰা কেইজনৰ বাহিৰেও পাছৰ বছৰ কেইটিত গোস্বামীদেৱক সহকাৰী সম্পাদক ৰূপে সহায় কৰা লোকসকল আছিল হৰিনাৰায়ণ দত্তবৰুৱা (৪ বছৰ), হৰিনাথ পাঠক চৌধুৰী (৪ বছৰ), দেবেন্দ্ৰনাথ বেজবৰুৱা (এবছৰ), নকুল চন্দ্ৰ ভূঞা (এবছৰ)।

১৯২৭ চনৰ পৰা ১৯২৯ চনলৈ দুবছৰ আৰু ১৯৪০ চনৰ পৰা ১৯৪২ চনলৈ দুবছৰ — মুঠ ৪ বছৰ কাল সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ পদত আছিল যোৰহাটৰ পূৰ্ণানন্দ শৰ্মা পাঠক। পাঠকৰ সম্পাদক-ত্বৰ প্ৰথম দুবছৰত সাহিত্য সভাই পূৰ্বৰ গৌৰৱ অক্ষুণ্ণ ৰাখি চলিছিল, কিন্তু পাছৰ কাৰ্যকাল ছোৱাত (১৯৪০-৪২) দ্বিতীয় বিশ্ব মহাযুদ্ধ চলি থকাত বাৰ্ষিক মুকলি অধিৱেশন বহুৱাব পৰা নহৈছিল আৰু সাহিত্য সভাৰ সংগঠনো স্বাভা-ৱিকতে দুৰ্বল হৈ পৰিছিল। ১৯৩০ চনত কমলাকান্ত বৰুৱা প্ৰধান সম্পাদক নিৰ্বাচিত হৈছিল যদিও কাৰ্যোপলক্ষে আঁতৰি যাব লগা হোৱাত দেবেশ্বৰ চলিহাই প্ৰধান সম্পাদকৰ ভাৰ লয়। ১৯৩৫ চনৰ মঙলদৈ অধিৱেশন পৰ্যন্ত দেবেশ্বৰ চলিহা সভাৰ প্ৰধান সম্পাদক আছিল। এইছোৱা কালৰ সৰ্বাধিক উল্লেখযোগ্য কাম হ'ল শৰৎ চন্দ্ৰ গোস্বামীৰ দিনতে আৰম্ভ হোৱা চন্দ্ৰকান্ত অভিধানৰ কাম সম্পূৰ্ণ কৰা আৰু এই সুবৃহৎ আৰু অতি আৱশ্যকীয় গ্ৰন্থখনি প্ৰকাশ কৰা। এইছোৱা কালত ৰাইজৰ আৰ্থিক অভাৱ-অভিযোগ বৰ প্ৰবল হৈছিল; দেশত আংশিক দুৰ্ভিক্ষ চলিছিল; সাম্ৰাজ্য-বাদী বৃটিছৰ শাসনত দেশ একেবাৰে অতিষ্ঠ হৈ উঠিছিল। এনেবোৰ কাৰণতে আৰু সম্ভৱতঃ সাংগঠনিক দুৰ্বলতাৰ বাবেও সাহিত্য সভা উদ্যমহীন আৰু নামত থকা অনুষ্ঠানৰ দৰে হৈ পৰিছিল। ইয়াৰ নিদৰ্শন স্বৰূপে সাহিত্যৰথী চন্দ্ৰধৰ বৰুৱাই সাহিত্যৰথী বেজবৰুৱালৈ ১৮।১১।৩৪ তাৰিখে লেখা চিঠিৰ একাংশ তলত দিয়া হ'ল: •

"সাহিত্য সভাৰ অৱস্থা সম্প্ৰতি সম্পূৰ্ণ শোচনীয়। আপুনি সাহিত্যৰ বিষয়ে দেশৰ প্ৰধান শুভিয়াল। এই সংকটৰ সময়ত আপুনি আমাক এই ক্ষেত্ৰ সহায় নকৰিলে আমি অতি বিপাঙত পৰিব লাগিব। ......... সন্মিলন ২৬।২৭ ডিচেম্বৰত তেজপুৰত বহিব। ত'হানি এবাৰ সংকটৰ আন্ধাৰ যুগত আপুনি জোনাকী উলিয়াই আমাক বাট দেখুৱাইছিল। এতিয়াও দেশৰ এই সন্ধিক্ষণত আপুনি আমাক সুবাট লগাই দিবলৈ যেন পাছ নোহোঁহকে, ইয়াকে আমি সবিনয়ে খাটিছোঁ।"

যি হওক, সাহিত্য সভাৰ এনে সংকটৰ সময়ত ১৯৩৪ চনৰ ডিচেম্বৰত বহা তেজপুৰ অধিৱেশনত সাহিত্য-ৰত্ন চন্দ্ৰধৰ বৰুৱাই নিজেই প্ৰধান সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে। এনে দায়িত্ব গ্ৰহণত তেতিয়াৰ ৬২ বছৰ বয়সীয়া চন্দ্ৰধৰ বৰুৱাদেৱৰ সাহিত্য সভাৰ প্ৰতি অচলা প্ৰেম আৰু মহানুভৱতা প্ৰকাশ পাইছে। উল্লেখযোগ্য যে ইয়াৰ ১৬ বছৰৰ আগতে ১৯১৮ চনত অসম সাহিত্য সভাৰ দ্বিতীয় মুকলি অধি-ৱেশনতে (গোৱালপাৰা) সাহিত্যৰত্ন দেৱ সভাপতি আছিল। তাৰ মাজতে ১৯২৬ চনৰ পৰা কেইবা-বছৰলৈকো অসম সাহিত্য সভা পত্ৰিকাৰো প্ৰথম বৰেণ্য সম্পাদক আছিল সাহিত্যৰত্ন বৰুৱাদেৱেই।

• শ্ৰীডিম্বেশ্বৰ শৰ্মাৰ 'সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা' গ্ৰন্থৰ ১১৭-১৮ পৃষ্ঠাত চাওক।



৯৩-৩৭ চনৰ বছৰটোত প্ৰধান সম্পাদকৰ দায়িত্ব হণ কৰিছিল দেৱানন্দ শৰ্মাই। ১৯৩৭ চনৰ পৰা ৯৪০ চনলৈ তিনি বছৰ আৰু ১৯৪০ চনৰ পৰা ৯৪২ চনলৈ দুবছৰ — মুঠ ৫ বছৰ প্ৰধান সম্পাদকৰ দায়িত্ব আছিল ৰামেশ্বৰ বৰুৱা। ইয়াৰ মাজতে ছৰ (১৯৪০-৪২) পূৰ্ণানন্দ শৰ্মা পাঠক প্ৰধান ম্পাদক থকাৰ কথা পূৰ্বে কৈ অহা হৈছে। দ্বিতীয় বিশ্ব মহাযুদ্ধৰ কাল-হুঙ্কাৰে সমগ্ৰ বিশ্ব কঁপাই তোলাত আৰু ভাৰতত তাৰ উপৰিও গান্ধীজীৰ নেতৃত্বত সত্যাগ্ৰহ' আৰু 'ভাৰত ত্যাগ' আন্দোলনে তীব্ৰ ৰূপ লোৱাত এইছোৱা কালত সাহিত্য সভাৰ নিয়মীয়া বাৰ্ষিক অধিৱেশন বহুৱাব পৰা নহৈছিল। ৯৪০ চনৰ যোৰহাট অধিৱেশনৰ পৰা ১৯৪৪ চনৰ শিৱসাগৰ অধিৱেশন পৰ্যন্ত এই চাৰি বছৰৰ মাজত মুকলি অধিৱেশন বহা নাছিল। সম্পাদক-সকলেও ভয়ঙ্কৰ সংঘাতৰ মাজত পৰি সাহিত্য সভাৰ প্ৰাণ ৰক্ষা কৰা কাৰ্যতহে বৰকৈ আত্মনিয়োগ কৰি আছিল। তদুপৰি সভা কিছুমান সাংবিধানিক সংকটৰো সম্মুখীন হৈছিল আৰু সভাৰ ভিতৰত কিছু দলাদলিয়ে স্থান পাইছিল। এই বিষয়ে বহল ভাৱে আলোচনালৈ নগৈ ড° মহেশ্বৰ নেওগৰ দ্বাৰা প্ৰণীত 'Annals of Asam Sahitya Sabha' গ্ৰন্থৰ পৰা তলৰ ছেদটি তুলি দিয়া হ'ল:

"Once more the Sabha was held in the grip of 'constitutional anomalies'. An enquiry Tribunal was instituted. In another 'Special' session of the Sabha in February 1942 with Nilmoni Phukan in the chair, the Tribunal's findings were accepted inasmuch as the general secretary elected in the interim period was removed from office, being replaced by his predecessor elected in 1937"। আভ্যন্তৰীণ দলাদলিৰ উপৰিও বাহ্যিক সংকটেও সভাক ১৯৩৯ চনৰ পৰা ১৯৪৪ চনৰ কালছোৱাত বাৰুকৈয়ে বিপৰ্যস্ত কৰিছিল। ড° নেওগে Annals of Asam Sahitya Sabha গ্ৰন্থত এই বিষয়ে লেখিছে:

"The conference was followed by a period of stupor, caused partly by internal weaknesses and partly by the situation created by the second world war. Jorhat became a scene of much activity for the army of the allies. The Sabha was thrown out of its own home, Chandra kanta Handique Hall, when the office and library had to be carried with some difficulty to a private residence. This caused great damage to the Sabha, — particularly to the library, when many rare and exceedingly valuable books were lost."

এইবোৰ ধুমুহা মুৰৰ ওপৰেদি বৈ যোৱাৰ পাছত ১৯৪৪ চনৰ অক্টোবৰ মাহত শিৱসাগৰত বহা ঊনবিংশ অধিৱেশনত অসম সাহিত্য সভা পুনৰ সঞ্জীৱিত হয়। সাহিত্য সভাক পুনৰ্জীৱন দান দিয়া কাৰ্যত অভ্যৰ্থনা সমিতিৰ সম্পাদক পদ্মধৰ চলিহাৰ অৱদান লেখত ল'বলগীয়া। অৱশ্যে চলিহা ডাঙৰীয়া কোনো দিনে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ পদত নাছিল। বাগ্মীবৰ শ্ৰীনীলমণি ফুকন মুকলি অধি-ৱেশনৰ সভাপতি হোৱাৰ উপৰিও সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰো স্থায়ী সভাপতি নিৰ্বাচিত হয়। (উল্লেখযোগ্য যে ইয়াৰ আগলৈকে সাহিত্য সভাৰ স্থায়ী সভাপতিৰ পদ নাছিল)। এইবাৰ প্ৰধান সম্পাদক নিৰ্বাচিত হ'ল যনামধন্য সাহিত্যিক ডিম্বেশ্বৰ নেওগ। চন্দ্ৰকান্ত সন্দিকৈ ভৱন তেতিয়াও

সৈন্যবাহিনীৰ দখলতে আছিল আৰু প্ৰধান সম্পাদক নেওগে আগৰজন সম্পাদকৰ পৰা সম্পাদকীয় দায়িত্ব আৰু টকা-সিকা একো নাপালে। এইদৰে সাহিত্য সভা ভালেদিনলৈকে আভ্যন্তৰীণ বিবাদ আৰু বাহিৰা প্ৰমাদৰ সন্মুখীন হৈ আছিল। শিৱসাগৰ অধিৱেশনৰ আঢ়ৈ বছৰৰ পাছত ১৯৪৭ চনৰ এপ্ৰিল মাহৰ ৪, ৫ আৰু ৬ তাৰিখে ডিব্ৰুগড়ত অসম সাহিত্য সভাৰ বিংশতি অধিৱেশন বহে। এই অধিৱেশনৰ বাবেও বাগ্মীবৰ নীলমণি ফুকনেই সভাপতি নিৰ্বাচিত হ'ল আৰু আগন্তুক তিনিবছৰৰ বাবেও বাগ্মীবৰ ডাঙৰীয়াই স্থায়ী সভাপতি নিৰ্বাচিত হ'ল। উল্লেখযোগ্য যে ডিম্বেশ্বৰ নেওগৰ আঢ়ৈ বছৰীয়া প্ৰধান সম্পাদকত্বৰ কালছোৱাত সাহিত্য সভাই দ্বিতীয়বাৰ প্ৰাণ পালে। এইছোৱা কালতে এশজন আজীৱন সভ্য কৰি দহ হাজাৰ টকা সাহিত্য সভাৰ স্থায়ী পুঁজিত জমা দিয়া হ'ল। সাহিত্য সভাৰ সাধাৰণ পুঁজিও যথেষ্ট উন্নত হ'ল। নেওগ ডাঙৰীয়াই আঢ়ৈ বছৰ কালৰ সকলো খৰচ চলায়ো নৱনিৰ্বাচিত সম্পাদকৰ হাতত ৪৬৩১ টকা ১২ অনা ৬ পাই জমা দিব পাৰিলে।

নেওগৰ পাছতে প্ৰধান সম্পাদক নিৰ্বাচিত হ'ল শ্ৰীমুক্তানাথ বৰুৱা। বৰুৱাৰ সম্পাদকত্বৰ কালছোৱাত যি কোনো কাৰণতে নহওক, সাহিত্য সভাৰ আকৌ কঁকাল পৰা অৱস্থা হ'ল। মাজৰ দুটা বছৰত যে মুকলি অধিৱেশন নবহিলেই, তিনি বছৰৰ মূৰত ১৯৫০ চনৰ ১১ আৰু ১২ মাৰ্চত অসম-কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ সভাপতিত্বত মাৰ্ঘেৰিটাত সভাৰ যি একবিংশতি মুকলি অধিৱেশন বহিল, তাতো মুঠেই ২০ জন প্ৰতিনিধিহে গোট খালে আৰু সেই কুৰিও জনেই কাৰ্যকৰ্তা আৰু কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য নিৰ্বাচিত হ'ল। আমাৰ বাবে অজ্ঞাত কিবা কাৰণত শ্ৰীমুক্তানাথ বৰুৱাৰ সম্পাদকত্বৰ কালছোৱাত যে সাহিত্য সভাৰ সংগঠন একেবাৰে দুৰ্বল হৈ গৈছিল, তাক কোৱা বাহুল্য মাথোন। বাগ্মীবৰ শ্ৰীনীলমণি ফুকনৰ দৰে ওজস্বী বক্তা আৰু খ্যাতিমান সংগঠক এজন স্থায়ী সভাপতিৰ পদত থকা সত্ত্বেও সেইছোৱা কালত সাহিত্য সভা কিয় ইমান দুৰ্বল হৈ গৈছিল, তাক এতিয়া ভাবিলেও আচৰিত যেন লাগে। দেশে নতুনকৈ স্বাধীনতা লাভ কৰা উৎসাহ-উদ্দীপনাৰ লগত সাহিত্য সভাই কিয় তাল ৰাখি চলিব নোৱাৰিছিল, সি আমাৰ বাবে এক ৰহস্যৰ কথা। উল্লেখযোগ্য যে ১৯২৬ চনতে আৰম্ভ হোৱা অসম সাহিত্য সভা পত্ৰিকাৰ প্ৰকাশো মাজতে কেইবা বছৰো বন্ধ হৈ আছিল।

মাৰ্ঘেৰিটা অধিৱেশনত সভাপতি অসম-কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ লগত প্ৰধান সম্পাদক নিৰ্বাচিত হ'ল— কেশৱনাৰায়ণ দত্ত। ১৯৫৩ চনত মাজতে দুবছৰ আকৌ মুকলি অধিৱেশন নবহিছিল। সভাৰ দুৰ্বলতা নতুন সম্পাদক কেশৱনাৰায়ণ দত্তই দূৰ কৰিব নোৱাৰিলে যদিও ১৯৫০ চনৰ ১৬ জুলাইৰ দিনা পালন কৰা সদৌ অসম ৰাজ্যভাষা দিৱস আশাতীতভাৱে ফলপ্ৰদ হ'ল। ড° মহেশ্বৰ নেওগৰ ভাষাৰে ক'বলৈ গ'লে— "An All Assam State Language Day was declared by the Sabha on 16th July, 1950 and it was observed with unprecedented enthusiasm, non-Assamese speakers of Assam also enthusiastically joining the observance." দত্তৰ সম্পাদকত্বৰ তিনিবছৰতকৈও অধিক কালৰ ভিতৰত এইটোৱেই একমাত্ৰ উল্লেখযোগ্য কীৰ্তি আছিল। কিন্তু তিনি বছৰতকৈও অধিক কাল মুকলি অধিৱেশন নবহাত আৰু সভাৰ সংগঠনো দুৰ্বল হৈ যোৱাত সাহিত্যপ্ৰেমী লোকসকল আকৌ এবাৰ চিন্তিত হৈ পৰিল— "The annual conference was not held for more than three years agian now, and literary men began feeling an urge to remove the slump."

( Dr. Neog )



১৯৫৩ চনৰ ৮ আৰু ৯ নৱেম্বৰত অসমৰ তেতিয়াৰ ৰাজধানী শ্বিলঙত অসম সাহিত্য সভাৰ দ্বাবিংশতি মুকলি অধিৱেশন ড° সূৰ্যকুমাৰ ভূঞাৰ সভাপতিত্বত বহে। এইবাৰ প্ৰধান সম্পাদক নিৰ্বাচিত হ'ল সুখ্যাত সাহিত্যিক অধ্যাপক শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা ডাঙৰীয়া। বিচক্ষণ সংগঠক হাজৰিকা ১৯৫৬ চনত ধুবুৰীত বহা অসম সাহিত্য সভাৰ ৰূপালী জয়ন্তী অধিৱেশন পৰ্যন্ত তিনিটি কাৰ্যকাল প্ৰধান সম্পাদক থাকি সাহিত্য সভাক এক প্ৰাণৱন্ত আৰু সাৰ্বজনীন ৰূপ দিলে। উল্লেখযোগ্য যে হাজৰিকাৰ দিনৰে পৰা সাহিত্য সভাৰ মুকলি অধিৱেশন প্ৰথম বিহু বছৰৰ দৰেই প্ৰতিবছৰে নিয়মীয়াকৈ বহিবলৈ ধৰিলে। এই বছৰ কেইটিত মুকলি অধিৱেশন তথা কাৰ্যনিৰ্বাহক সমিতিৰ সভাপতিসকল আছিল ক্ৰমান্বয়ে ড° সূৰ্যকুমাৰ ভূঞা (শ্বিলং), শ্ৰীমতী নলিনীবালা দেৱী (যোৰহাট) আৰু যতীন্দ্ৰনাথ দুৱৰা (গুৱাহাটী)। হাজৰিকাৰ সম্পাদকত্বৰ এই তিনিটি বছৰত সাহিত্য সভাৰ ভালেখিনি মূল্যবান প্ৰকাশন পোহৰলৈ আহে। তাৰ ভিতৰত অসম সাহিত্য সভাৰ সভাপতিৰ ভাষণাৱলীৰ দুটি মূল্যবান খণ্ড প্ৰকাশ পায়। সম্পাদক হাজৰিকাৰ কালছোৱাত অসম সাহিত্য সভা পত্ৰিকাও নিয়মীয়াকৈ প্ৰকাশ পাবলৈ ধৰে আৰু তেতিয়াৰ পৰা এই ৰীতি এতিয়ালৈ চলি আছে। ১৯৫৬ চনৰ ২৭ আৰু ২৮ ডিচেম্বৰত ধুবুৰীত শ্ৰীবেণুধৰ শৰ্মাৰ সভাপতিত্বত বহা অসম সাহিত্য সভাৰ ৰূপালী জয়ন্তী অধিৱেশনত হাজৰিকাৰ তিনিবছৰীয়া উল্লেখযোগ্য সম্পাদকীয় দায়িত্বৰ অন্ত পৰে আৰু শ্ৰীপৰাগধৰ চলিহা প্ৰধান সম্পাদক নিৰ্বাচিত হয়।

শ্ৰীচলিহাৰ কাৰ্যকালত অসমত তেল-শোধনাগাৰ স্থাপনৰ বাবে অসম জুৰি যি তীব্ৰ আন্দোলন গঢ়ি উঠিছিল, তাত সাহিত্য সভাই পূৰ্ণ সহযোগিতা কৰে। এই বছৰত An outlook on N.E.F.A., সীমান্তৰ সন্ধেদ, This is Assam আদি কেইখনমান উল্লেখযোগ্য গ্ৰন্থ প্ৰধান সম্পাদক চলিহাৰ তৎপৰতাত প্ৰকাশ হয়।

১৯৫৮ চনৰ ২০ আৰু ২১ এপ্ৰিলত তিনিচুকীয়াত বহা ষষ্ঠবিংশতি অধিৱেশনত সভাপতিত্ব কৰে পদ্মধৰ চলিহাই আৰু এইবাৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয় ধ্বনিকবি শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা। এই বছৰৰ ৯ চেপ্তেম্বৰত সদৌ অসম জুৰি অসম সাহিত্য সভা দিৱস পালন কৰা হয় আৰু তেতিয়াৰ পৰাই প্ৰতি বছৰতে এনে দিৱস বা সপ্তাহ পালন কৰাৰ ৰীতি পালিত হৈ আহিছে। সাহিত্য সভাই ধনাই কৰি অহা এটি দাবী এই বছৰতে অসম চৰকাৰে পূৰণ কৰে আৰু 'অসম প্ৰকাশন পৰিষদ' নামেৰে চৰকাৰী পৃষ্ঠপোষকতাত এটি স্বতন্ত্ৰ প্ৰকাশন প্ৰতিষ্ঠান স্থাপিত হয়। ১৯৫৯ চনত শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাৰ সভাপতিত্বত নগাঁৱত বহা সপ্তবিংশ অধিৱেশনত প্ৰধান সম্পাদক নিৰ্বাচিত হয় শ্ৰীযতীন্দ্ৰনাথ গোস্বামী। গোস্বামী সম্পাদক থকা এই বছৰটোত সাহিত্য সভাই প্ৰকাশ কৰা উল্লেখযোগ্য গ্ৰন্থৰ ভিতৰত আছিল ১। অসমীয়া ভাষা (আনন্দৰাম ঢেকিয়াল ফুকন) ২। পৱিত্ৰ অসম। অসম সাহিত্য সভাই ১৯৫০ চনৰে পৰা কৰি অহা দাবীৰ ফলস্বৰূপে এই বছৰত (১৯৬০ চন) অসম চৰকাৰে অসমীয়া ভাষাক অসমৰ ৰাজ্যভাষা স্বৰূপে স্বীকাৰ কৰি Assam Official Language Act গ্ৰহণ কৰে।

১৯৬০ চনৰ ২৮ আৰু ২৯ অক্টোবৰত মিৰ্জা (পলাশবাৰী) ত শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীৰ সভাপতিত্বত

বহা অষ্টবিংশতি অধিৱেশনত সাহিত্য সভাৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয় পণ্ডিত, সমালোচক ড° মহেশ্বৰ নেওগ। ১৯৬৫ চনৰ নলবাৰী অধিৱেশন পৰ্যন্ত ৫ বছৰ কাল ড° নেওগ অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক আছিল। এইছোৱা কাল সভাৰ বাবে গৌৰৱৰ কাল বুলি ক'ব পাৰি। এই পাঁচ বছৰৰ ভিতৰত সভাৰ যোগেদি ভালেমান মূল্যবান গ্ৰন্থ পোহৰলৈ অহাৰ উপৰিও সভাৰ সংগঠনো বহুত শক্তিশালী হৈছিল। ড° নেওগৰ প্ৰধান সম্পাদকত্বৰ এইছোৱা কালৰ সৰ্বাধিক উল্লেখযোগ্য কাম হ'ল অসম সাহিত্য সভাৰ দ্বিতীয় কাৰ্যালয় গুৱাহাটীৰ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন স্থাপন। এই ভৱন স্থাপন সম্পৰ্কত ভগৱতীপ্ৰসাদ বৰুৱাৰ স্বনামধন্য ভাতৃ পাৰ্বতীপ্ৰসাদ বৰুৱাৰ পৰা পঞ্চাছ হাজাৰ টকা আৰু ভাৰত চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ পৰা পঞ্চাছ হাজাৰ টকা অসম সাহিত্য সভাই লাভ কৰিবলৈ সক্ষম হৈছিল। ১৯৬৩ চনৰ ৭ এপ্ৰিলত অসমৰ ৰাজ্যপালে ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ আধাৰশিলা স্থাপন কৰে। গুৱাহাটী মহানগৰীৰ মাজ-মজিয়াত অসম সাহিত্য সভাৰ এই দ্বিতীয় কাৰ্যালয় আৰু সভাগৃহটিৰ স্থাপনে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহত তেতিয়াৰ পৰাই যথেষ্ট পৰিমাণে সহায় কৰি আহিছে; অসম সাহিত্য সভাৰ গৌৰৱ আৰু মৰ্যাদাও বৃদ্ধি কৰিছে। ১৯৬৩ চনৰ পৰা অনা-অসমীয়াসকলৰ বাবে অসমীয়া ভাষা-জ্ঞান পৰীক্ষা অসম সাহিত্য সভাই প্ৰতিবছৰে নিয়মীয়াকৈ লৈ আহিছে। ড° নেওগৰ প্ৰধান সম্পাদকত্বৰ কালছোৱাৰ ভিতৰতে ১৯৬৩ চনৰ ১৯ আৰু ২০ এপ্ৰিলত নাজিৰাত শেৱালি-কবি ৰত্নকান্ত বৰকাকতীৰ সভাপতিত্বত, ১৯৬৪ চনত ডিগবৈত অভিনেতা, নাট্যকাৰ শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্তৰ সভাপতিত্বত, আৰু ১৯৬৫ চনৰ ১৭, ১৮ আৰু ১৯ জানুৱাৰীত নলবাৰীত ডিম্বেশ্বৰ নেওগৰ সভাপতিত্বত অসম সাহিত্য সভাৰ মুকলি অধিৱেশন বহে। শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীয়ে মিৰ্জা অধিৱেশনৰ উপৰিও ১৯৬২ চনৰ গোৱালপাৰা অধিৱেশনতো সভাপতিত্ব কৰিছিল। অৰুণাচল (তেতিয়াৰ NEFA)ৰ লগত সাংস্কৃতিক সম্বন্ধ দৃঢ় কৰাত সম্পাদক ড° নেওগে গুৰুত্ব দিছিল।

১৯৬৫ চনত নলবাৰী অধিৱেশনত নিৰ্বাচিত হৈ ১৯৬৯ চনৰ বৰপেটা অধিৱেশন পৰ্যন্ত একেৰাহে চাৰি বছৰ কাল অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ পদত আছিল হৰিপ্ৰসাদ নেওগ। নেওগৰ সম্পাদকত্বৰ কালতে ১৯৬৮ চনত অত্যন্ত উলহ-মালহেৰে ৰসৰাজ বেজবৰুৱাৰ জন্ম শতবাৰ্ষিকী পালন কৰা হৈছিল। বেজবৰুৱাৰ জন্ম-শতবাৰ্ষিকী এক জাতীয় উৎসৱত পৰিণত হৈছিল আৰু ইয়াৰ আশাতীত সাফল্য অসম সাহিত্য সভাৰ বুৰঞ্জীত এক উজ্জ্বল পদক্ষেপ। নেওগৰ কালতে ১৯৬৭ চনত চন্দ্ৰকুমাৰ আগৰৱালা আৰু ৰজনীকান্ত বৰদলৈৰ জন্ম-শতবাৰ্ষিকী পালন কৰা হৈছিল। হৰিপ্ৰসাদ নেওগৰ কালছোৱাত অসম সাহিত্য সভাৰ জনপ্ৰিয়তা আগতকৈয়ো বাঢ়িল। গাৱেঁ-চহৰে বহুতো শাখা সভা নতুনকৈ স্থাপিত হ'ল। এইছোৱা কালত সাহিত্য সভাৰ প্ৰকাশনৰ সংখ্যাও বহুতো বৃদ্ধি হয়। নেওগৰ কালছোৱাত শতবাৰ্ষিকী আদিৰ বাবে অত্যধিক ব্যয় হোৱাত অসম সাহিত্য সভা ঋণগ্ৰস্ত হৈ পৰে। প্ৰায় এক লক্ষ টকাৰ এই ঋণ পাছৰ সম্পাদকসকলে বহু কষ্টে পৰিশোধ কৰে। নেওগৰ কালছোৱাৰ সভাপতিসকল আছিল ডিম্বেশ্বৰ নেওগ (নলবাৰী ১৯৬৫), শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা (উত্তৰ লক্ষীমপুৰ ১৯৬৬), নকুল চন্দ্ৰ ভূঞা (ডিব্ৰুগড় ১৯৬৬-৬৭), আৰু জ্ঞাননাথ বৰা (তেজপুৰ ১৯৬৮)। এইসকলৰ ভিতৰত নকুল চন্দ্ৰ ভূঞা আৰু জ্ঞাননাথ বৰাদেৱ কাৰ্যকাল শেষ নৌহওঁতেই পৰলোক প্ৰাপ্ত হৈছিল।

নেওগৰ কাৰ্যকালৰ শেষত ১৯৬৯ চনৰ ৭, ৮ আৰু ৯



ফেব্ৰুৱাৰীত অভূতপূৰ্ব সাফল্যৰে অসম সাহিত্য সভাৰ ৩৬তম্ মুকলি অধিৱেশন শ্ৰীআনন্দ চন্দ্ৰ বৰুৱাৰ সভাপতিত্বত বহে। এই অধিৱেশনত প্ৰসিদ্ধ কথাসাহিত্যিক চৈয়দ আব্দুল মালিক প্ৰধান সম্পাদক নিৰ্বাচিত হ'ল। কিন্তু সাহিত্য সভা ঋণগ্ৰস্ত হৈ থকাৰ বাবে পৰৱৰ্তী বছৰটোৰ কাম-কাজ আশানুৰূপ নহ'ল। ড° মহেশ্বৰ নেওগৰ ভাষাত ক'বলৈ গ'লে— "But because of financial stringency, not much could be done in the following year. Even the Patrika could not be published for once."

১৯৭০ চনৰ ১৩, ১৪ আৰু ১৫ ফেব্ৰুৱাৰীত নগাঁৱৰ ধিঙত অসম সাহিত্য সভাৰ সপ্তবিংশতি মুকলি অধিৱেশন শ্ৰীউপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ সভাপতিত্বত বহে। সাহিত্য সভা ঋণগ্ৰস্ত হৈ থকাৰ বাবে সম্পাদকৰ পদ ল'বলৈ বহুতেই দ্বিধাবোধ কৰা অৱস্থাত আগতে কেইবা বছৰো সহকাৰী সম্পাদক আৰু এবছৰ প্ৰধান সম্পাদক স্বৰূপে থাকি অভিজ্ঞতা লাভ কৰি অহা নীৰৱ কৰ্মী শ্ৰীযতীন্দ্ৰনাথ গোস্বামীক পুনৰ প্ৰধান সম্পাদক পতা হয়। ১৯৭৩ চনৰ বৰপেটা অধিৱেশন পৰ্যন্ত তিনিটি ধাৰাবাহিক কাৰ্য-কাল গোস্বামী ডাঙৰীয়া প্ৰধান সম্পাদক থাকি অসম সাহিত্য সভাক সম্পূৰ্ণ ঋণমুক্ত কৰি আকৌ এবাৰ পূৰ্বৰ মৰ্যাদাত স্থাপন কৰিলে। এইছোৱা কালৰ ভিতৰত ১৯৭১ চনত মাকুমত শ্ৰীতীৰ্থনাথ শৰ্মাৰ সভাপতিত্বত, ১৯৭২ চনত ধুবুৰীত হেম বৰুৱাৰ সভাপতিত্বত আৰু ১৯৭৩ চনত বৰপেটাত শ্ৰীগিৰিধৰ শৰ্মাৰ সভাপতিত্বত সাহিত্য সভাৰ মুকলি অধিৱেশন উৎসাহ-উদ্দীপনাৰ মাজত বহিছিল। গোস্বামী ডাঙৰীয়াৰ সম্পাদকত্বৰ এই তিনি বছৰত সাহিত্য সভা ঋণগ্ৰস্ত হৈ থকা অৱস্থাতো তেখেতৰ মিতব্যয়িতা আৰু বুদ্ধি-চাতুৰ্যৰে মফিজুদ্দিন আহমদ হাজৰিকা, দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা, পদ্মনাথ গোহাঁই বৰুৱা, পণ্ডিত হেমচন্দ্ৰ গোস্বামী, বেণুধৰ ৰাজখোৱা, আৰু কনকলাল বৰুৱাৰ জন্ম-শতবাৰ্ষিকী আশাপ্ৰদ-ভাৱে পালন কৰা হৈছিল। 'পণ্ডিত হেমচন্দ্ৰ গোস্বামী-ৰচনাৱলী' প্ৰমুখ্যে ভালেমান উল্লেখযোগ্য প্ৰকাশনো এই কেইবছৰৰে কীৰ্তি। আজীৱন সভ্যৰ সংখ্যাও যথেষ্ট বৃদ্ধি কৰি এবাৰ হাজাৰ টকা সাহিত্য সভাৰ স্থায়ী পুঁজিত জমা দিয়া হৈছিল।

১৯৭৩ চনৰ বৰপেটা অধিৱেশনত শ্ৰীনগেন শইকীয়াই প্ৰধান সম্পাদকৰ দায়িত্ব লয়। শ্ৰীশইকীয়া ১৯৭৬ চনৰ টিহু অধিৱেশন পৰ্যন্ত তিনি বছৰ কাল এই দায়িত্বত আছিল। শইকীয়াৰ কালছোৱাৰ লেখত ল'বলগীয়া অৱদান হৈছে— প্ৰতি বছৰে লেখক শিবিৰৰ আয়োজন। এইছোৱা কালৰ সভাপতি-সকল আছিল — শ্ৰীগিৰিধৰ শৰ্মা (১৯৭৩-৭৪), ড° মহেশ্বৰ নেওগ— (১৯৭৪-৭৫ মঙলদৈ অধিৱেশনৰ পৰা), ড° সত্যেন্দ্ৰনাথ শৰ্মা (১৯৭৫-৭৬ তিতাবৰ অধি-ৱেশনৰ পৰা)। শইকীয়াৰ কালছোৱাতে সাহিত্য-ৰত্ন চন্দ্ৰধৰ বৰুৱা, আনন্দ চন্দ্ৰ আগৰৱালা, ড° ৰাধানাথ ফুকনৰ জন্ম-শতবাৰ্ষিকী পালন কৰা হয়। ভালেকেইখন মূল্যবান গ্ৰন্থ এইছোৱা কালত প্ৰকাশ হয় আৰু সাহিত্য সভাৰ চৰকাৰী মঞ্জুৰীও বছৰি ৩৫ হাজাৰ টকালৈ বৃদ্ধি পায়।

১৯৭৬ চনত শ্ৰীযজ্ঞেশ্বৰ শৰ্মাৰ সভাপতিত্বত বহা টিহু অধিৱেশনত ড° হেমন্ত কুমাৰ শৰ্মা প্ৰধান সম্পাদক নিৰ্বাচিত হৈ এবছৰহে এই পদত থাকে। এই বছৰতো লেখক শিবিৰৰ আয়োজন কৰা হৈছিল। ড° নীলমণি ফুকনৰ দৰুৱা পুথিভঁৰাল আৰু গ্ৰন্থ-সমূহৰ স্বত্ব সাহিত্য সভাই গ্ৰহণ কৰে আৰু বিহগী কবি ৰঘুনাথ চৌধাৰীৰ উত্তৰাধিকাৰসকলেও তেওঁৰ স্বত্ব সাহিত্য সভাক দিয়ে। ড° শৰ্মাৰ বছৰ-

টোত সাহিত্য সভাই পূৰ্বৰ মৰ্যাদা ৰক্ষা কৰি চলে। ১৯৭৭ চনত অভয়াপুৰীত চৈয়দ আব্দুল মালিকৰ সভাপতিত্বত বহা অসম সাহিত্য সভাৰ ৪৪ তম অধিৱেশনত প্ৰধান সম্পাদক নিৰ্বাচিত হয় আব্দুছ ছাত্তাৰ। চলিত বছৰটোত অসম সাহিত্য সভাৰ হীৰক জয়ন্তীৰ আয়োজন হয় যোৰহাটত আৰু লেখক শিবিৰৰ আয়োজন হৈ যায় শিৱসাগৰত। বছৰটোত কেইবাখনিও মূল্যবান গ্ৰন্থ প্ৰকাশ কৰা হৈছে।

অসম সাহিত্য সভা অসমৰ জাতীয় আৰু সৰ্বশ্ৰেষ্ঠ অনুষ্ঠান। এই মহান অনুষ্ঠানলৈ দেহে-কেহে বৰঙনি আগবঢ়োৱাসকলৰ ওপৰত পৰমেশ্বৰৰ কৰুণা বৰ্ষিত হওক। জয়তু অসম সাহিত্য সভা!

× × × ×

ঃ অসম সাহিত্য সভাৰ হীৰক জয়ন্তী প্ৰকাশন ঃ

## ঃ অভিলেখ ঃ

অসম সাহিত্য সভাৰ প্ৰথম কাৰ্যবিৱৰণি, প্ৰথম কাৰ্যনিৰ্বাহক সমিতি, প্ৰথম নিয়মাৱলী, প্ৰথম আজীৱন সভ্য, প্ৰথম শাখা সভা আদি বহুতো 'প্ৰথম' কথাৰ সম্ভেদ পাব পৰা গ্ৰন্থ। অসমৰ এই মহৎ অনুষ্ঠানটিৰ প্ৰতিষ্ঠাতা সম্পাদক শৰৎ চন্দ্ৰ গোস্বামীদেৱে দিয়া 'জন্মলগ্ন'ৰ বিবৰণ আৰু বৰ্তমানৰ সভাপতি চৈয়দ আব্দুল মালিকৰ 'প্ৰস্তাৱনা' সম্বলিত এই গ্ৰন্থই অনুসন্ধিৎসু পাঠকক বিপুল আনন্দ যোগাব। গ্ৰন্থখনি সম্পাদনা কৰিছে প্ৰধান সম্পাদক আব্দুছ ছাত্তাৰ আৰু সহকাৰী সম্পাদক বসন্তকুমাৰ গোস্বামীয়ে। পৃষ্ঠা-সংখ্যা ৮+৯৮। মূল্য: ৩·০০ টকা।

# প্ৰতিষ্ঠাতা সম্পাদক শৰৎ চন্দ্ৰ গোস্বামী

ৰীজভূষণচন্দ্ৰ বৰুৱা

কো অনুষ্ঠান মানে এজন বা জনদিয়েক আশাতীতীয়া কৰ্মী — ই এটা স্বতঃসিদ্ধ সত্য। কেতিয়াবা আকৌ একোজন লোকেই একোটা মহৎ অনুষ্ঠানৰ স্নায়ুকেন্দ্ৰ বা প্ৰাণস্বৰূপ হৈ পৰে। ভাৰতীয় জাতীয় কংগ্ৰেছত দেখয়ত সভাপতি বা কাৰ্যনিৰ্বাহকৰ (হাইকমাণ্ডৰ) সদস্য হৈ নথকা সত্ত্বেও মহাত্মা গান্ধী আছিল তাৰ প্ৰাণস্বৰূপ। সেয়ে নহ'লে, নেতাজী সুভাষচন্দ্ৰ বসুৰ দৰে লোককো সভাপতিৰ গণতান্ত্ৰিক দায়িত্বৰ পৰা বিতাৰিত কৰিবলৈ তেওঁৰ এষাৰ বচনেই জানো যথেষ্ট হয়? ড° পট্টাভি সীতাৰামিয়াক পৰাস্ত কৰি যেতিয়া নেতাজী সুভাষ বসুৱে সভাপতিৰ সন্মান লভিবলৈ সমৰ্থ হ'ল, তেতিয়া মহাত্মা গান্ধীক সেই খবৰ দিয়াত তেওঁ মাত্ৰ এটা বাক্য কৈছিল — Defeat is more mine than Dr. Pattavi Sitaramiya's— পৰাজয় মোৰহে, ড° পট্টাভি সীতাৰামিয়াৰ নহয়, আৰু তাৰে প্ৰতিক্ৰিয়া হৈ পৰিল— বিৰাট, বিপুল, বিশ্ব-ব্যাপী। পৰিমাণত আৰু প্ৰতিপত্তিৰ ফালেদি সিমান নহ'লেও অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা আৰু সংবৰ্দ্ধনৰ ক্ষেত্ৰত স্বৰ্গীয় শৰৎ চন্দ্ৰ গোস্বামীৰো অৰিহণা এলা-পেচা বিধৰ নাছিল। সেয়েহে এজন প্ৰাক্তন সভাপতিয়ে সাহিত্য সভাৰ অৰ্দ্ধশতাব্দীৰ কাৰ্য স্মৰণ কৰিবলৈ গৈ অসম সাহিত্য সভাৰ হীৰক জয়ন্তী উৎসৱৰ স্মাৰক গ্ৰন্থ— 'হীৰক জ্যোতি'ত কৈছে— 'যিকেইজন দূৰদৰ্শী, অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি গভীৰ শ্ৰদ্ধাবান সাহিত্যিকৰ মনত এনে এটি অনুষ্ঠানৰ (অসম সাহিত্য সভা প্ৰতিষ্ঠাৰ) পৰিকল্পনা জন্ম হৈছিল, সেইসকলৰ ভিতৰত শৰৎ চন্দ্ৰ গোস্বামীদেৱৰ নাম প্ৰথমেই লব লাগিব। তেখেতৰ প্ৰেৰণাতে যোৰহাটত এটি সৰু গোষ্ঠীয়ে এই সৎ উদ্দেশ্য কাৰ্যত পৰিণত কৰিবলৈ গোস্বামীদেৱৰ নেতৃত্ব মানি ললে।' (আনন্দ চন্দ্ৰ বৰুৱা)। এনে এদিন আছিল যেতিয়া স্কুল ইন্‌স্পেক্টৰ বুলিলে বুজা গৈছিল কেৱল শৰৎ চন্দ্ৰ গোস্বামীকহে; যোৰহাট নৰ্মাল স্কুল বুলিলেই মানুহৰ মনলৈ আহিছিল শৰৎ চন্দ্ৰ গোস্বামীৰ নাম আৰু কামৰ কথা। সেয়েহে তেওঁ হৈ পৰিছিল ভালেকেইটা জীৱন্ত অনুষ্ঠানৰ তদানীন্তন প্ৰতীক স্বৰূপ। তেওঁৰ জীৱন-বৃত্তান্ত— তেৱেঁ এদিন প্ৰাণপাত পৰিশ্ৰম কৰি গঢ়ি তোলা অসম সাহিত্য সভাৰ হীৰক জয়ন্তী উৎসৱৰ সময়ত স্মৰণ কৰা শোভনীয়েই নহয়, নিতান্ত প্ৰয়োজনীয়ও হ'ব। ইয়াতে প্ৰতিষ্ঠাতা সম্পাদক বোলোঁতে আমি সাহিত্য সভাৰ জন্মৰ দিনৰে পৰা প্ৰধান সম্পাদকৰ দায়িত্ব মূৰ পাতি লোৱা অৰ্থ কৰিছোঁ।

শৰৎ চন্দ্ৰ গোস্বামীৰ জন্ম কামৰূপ জিলাৰ নলবাৰী সত্ৰত ১৮৮৭ চনৰ ১২ মে' তাৰিখে, আৰু মৃত্যু ১৯৪৪ চনৰ ১৯ ডিচেম্বৰত দিল্লী মহানগৰীত। তেওঁৰ পিতৃৰ নাম ললিত চন্দ্ৰ আৰু মাতৃৰ নাম মুকুন্দ প্ৰিয়া। পিতৃ-মাতৃৰ আঠোটা সন্তানৰ ভিতৰত তেওঁ আছিল চতুৰ্থ। পণ্ডিত প্ৰতাপচন্দ্ৰ গোস্বামী তেওঁৰ

ককায়েক। এই দুই ককাই-ভাইক বহুতে সেই সময়ত ৰাম-লক্ষ্মণ বুলি উল্লেখ কৰিছিল। শৰৎ চন্দ্ৰৰ ঘৰত মতা নাম আছিল চানাবাপা।

শৰৎ চন্দ্ৰই প্ৰাথমিক শিক্ষাৰ বাবে পঢ়াশালি দেখা নাছিল। ঘৰতে তেওঁক মাটিৰাম দাস নামৰ গৃহ-শিক্ষক এজনে পঢ়াইছিল। প্ৰাথমিক শিক্ষাৰ অন্তত ঘৰৰ পৰা এমাইলমান দূৰত থকা নলবাৰী মাইনৰ স্কুলত তেওঁ পঢ়িবলৈ গৈছিল। তেতিয়া মাইনৰ স্কুলতে মজলীয়া ছাত্ৰবৃত্তি পঢ়াৰ কাৰণেও সুবিধা আছিল। ইংৰাজী পঢ়িবলৈ ইচ্ছুকসকলে মাইনৰ, আৰু অসমীয়াতে ছাত্ৰবৃত্তি পঢ়িব খোজাসকলে মজলীয়া ছাত্ৰবৃত্তি শ্ৰেণীত পঢ়িছিল। গোস্বামী মজলীয়া ছাত্ৰবৃত্তি শ্ৰেণীত ভৰ্ত্তি হৈছিল যদিও তলেতলে তেওঁ ইংৰাজী শিক্ষাও লাভ কৰিছিল। পাছত সেই স্কুলৰ পৰাই ছাত্ৰবৃত্তি পৰীক্ষা দি তেওঁ অসম উপত্যকাত প্ৰথম হৈ বৃত্তি লাভ কৰে আৰু ১৯০০ ইংৰাজী চনত কটন কলেজিয়েট স্কুলত নাম লগায়। সেই বছৰতে তেওঁৰ পিতৃ-বিয়োগ ঘটে। দুখে-কষ্টে পঢ়ি-শুনি তেওঁ ১৯০৪ চনত প্ৰথম বিভাগত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয় আৰু সোণৰ আৰু ৰূপৰ তিনিটা পদক লাভ কৰে। তাৰ পাছত গুৱাহাটী কটন কলেজত এফ. এ পঢ়ি ১৯০৬ চনত অসমীয়া পৰীক্ষাৰ্থীসকলৰ ভিতৰত প্ৰথম হৈ বৃত্তি আৰু স্বৰ্ণ-পদক লাভ কৰে। বি. এ. পঢ়িবৰ কাৰণে সেই বছৰতে তেওঁ কলিকতালৈ যায় আৰু তেতিয়াৰ মেট্ৰোপলিটান আৰু আজি-কালিৰ বিদ্যাসাগৰ কলেজত নাম লগায়। বি. এত শৰৎ চন্দ্ৰই দৰ্শন আৰু সংস্কৃতত 'অনাৰ্ছ' পঢ়িছিল। কিন্তু পৰীক্ষাৰ সময়ত হোৱা আকস্মিক অসুস্থতাৰ হেতুকে ডাক্তৰৰ পৰামৰ্শমতে 'অনাৰ্ছ' এৰি দি বি. এ. পৰীক্ষা দিবলৈ তেওঁ বাধ্য হয়। তাতো তেওঁ সুখ্যাতিৰে উত্তীৰ্ণ হৈ 'ইউনিভাৰ্ছিটি প্ৰাইজ' লাভ কৰে। বি. এত অনাৰ্ছৰ পৰীক্ষা দিব নোৱাৰি তেওঁ ক্ষুণ্ণ হয় আৰু এম. এ. পঢ়িবলৈ সঙ্কল্প কৰে। ঘৰৰ অৱস্থা স্বচ্ছল নহয় বাবে তেওঁ তেতিয়া 'নগেন্দ্ৰ প্ৰিণ্টিং ওৱাৰ্ক্‌ছ' নামৰ ছপাখানাত কাম কৰি এম. এ. পঢ়িবলৈ আৰম্ভ কৰে। সেই সময়ত অসমৰ শিক্ষাধিকাৰ আছিল এজন মিষ্টাৰ ছাৰ্প (পাছত ছাৰ ছাৰ্প) চাহাব। তেওঁ ছাৰ্প চাহাবলৈ এটা পঞ্চাছ টকীয়া স্নাতকোত্তৰ বৃত্তিৰ কাৰণে দৰ্খাস্ত কৰে। ছাৰ্প চাহাবে দৰ্খাস্তকাৰী গোস্বামীৰ প্ৰতিভাৰ কথা জানিব পাৰি তেওঁক বৃত্তিৰ পৰিবৰ্তে স্কুলসমূহৰ ডেপুটি ইন্‌স্পেক্টৰৰ চাকৰি এটা যাচিলে। গোসাঁই নিৰুপায় হ'ল আৰু তত্তালিকে তেওঁৰ ককায়েক প্ৰতাপ গোস্বামীলৈ পৰামৰ্শ বিচাৰি চিঠি লেখিলে। ককায়েকে কলে— দৰমহা যদি ৭৫ টকাৰ ঠাইত এশ টকাকৈ দিয়ে, তেনেহলে গ্ৰহণ কৰা বেয়া নহ'ব। কাৰ্যত সেয়ে হ'ল। এশ টকীয়া দৰমহাত ডেপুটী ইন্স্‌পেক্টৰ হৈ তেওঁ মঙ্গলদৈত কাৰ্য-ভাৰ গ্ৰহণ কৰিলেগৈ। ই ইংৰাজী ১৯১০ চনৰ কথা।

১৯০৪ চনত প্ৰবেশিকা পৰীক্ষা দিয়াৰ পাছতে তেওঁ আঠগাঁৱীয়াৰ বিখ্যাত পণ্ডিত নাৰায়ণ দেৱৰ কন্যা ভুবনেশ্বৰী দেৱীক বিয়া কৰায়। নাৰায়ণ দেৱ হাজোৰ প্ৰতিপত্তিশীল দলৈ আছিল। চাকৰিত প্ৰবেশ কৰি গোস্বামীয়ে পত্নীক নিজৰ লগত ৰাখিবলৈ স্থিৰ কৰিলে। তেওঁ সেই উদ্দেশ্যে ছুটী লৈ ঘৰলৈ গ'ল; কিন্তু মাক আৰু ইষ্ট-মিত্ৰসকলৰ আদেশ-উপদেশ, বাধা-নিষেধ আদি এশ এটা আহুকালৰ কাৰণে সেইবাৰ পত্নীক মঙ্গলদৈলৈ নিব নোৱাৰিলে। কিছু দিনৰ পাছত দ্বিতীয়বাৰ তেওঁ কাকো খবৰ নিদিয়াকৈ গৈ মাকৰ অনুমতি লৈ সহধৰ্মিনীক তেওঁৰ কৰ্মস্থলী মঙ্গলদৈলৈ নিয়াৰ ব্যৱস্থা কৰিলে। এইবাৰ মিত্ৰিৰ-কুটুমসকলে গমকে নাপালে কাৰণে তেওঁ-লোকৰ হিত-চিন্তা উপদেশে তেওঁক ঢুকি নাপালে।



১৯০১ চনত গুৱাহাটীলৈ ৰেল-পথ আৰম্ভ হয়। গোস্বামীয়ে নতুন ৰেল-গাড়ীত তুলি গৃহিনীক বাইহাটা পৰ্যন্ত নিলে আৰু তাৰ পৰা প্ৰায় একুৰি পাঁচ মাইল বাট গৰু-গাড়ীত মঙ্গলদৈলৈ গ'ল। এইখিনি বাট যাওঁতে তেওঁৰ হেনো বাৰ ঘণ্টা সময় লাগিছিল। সেই কটনা চোৰা মানুহে তেওঁলোকক আমনি কৰাকৈ নাছিল। ছিপাঝাৰত তেওঁৰ গুণমুগ্ধ লোকসকলে গাড়ী ৰখাই সিধা খুৱাই পঠাব খুজিছিল। গোসাঁয়ে ইচ্ছা নকৰাত তেওঁলোকে হেনো দৰা-কইনাক মালভোগ কল, দৈ, গুড় আৰু কোমল চাউলৰ জলপান খুৱাই পঠায়। গোসাঁয়ে তেওঁৰ দিনলেখাত এই কথাৰ টোকা লেখি ৰাখিছিল। মঙ্গলদৈত বাতিখোৱা সম্প্ৰদায় বুলি এটা ভকতীয়া সম্প্ৰদায় আছে। এই সম্প্ৰদায়ৰ ভকতসকলে তেওঁ-লোকৰ সম্প্ৰদায়ত বিধিমতে অন্তৰ্ভুক্ত নোহোৱা মানুহৰ আগত তেওঁলোকৰ ভকতীয়া কথাবোৰ প্ৰকাশ নকৰে। মঙ্গলদৈত প্ৰথমে গোস্বামীদেৱে আৰু পাছত কালিৰাম মেধি ভাণ্ডাৰীয়াই তেওঁলোকৰ বিশ্বাসত সোমাই লৈ এই সম্প্ৰদায়টোৰ বিষয়ে বহুত কথা জানিবলৈ আৰু কাকতে-পত্ৰই প্ৰবন্ধ লেখি প্ৰচাৰ কৰিবলৈ সমৰ্থ হয়। পণ্ডিত হেমচন্দ্ৰ গোস্বামী ডাঙৰীয়াইও এই বিষয়ে কিছু তথ্য সংগ্ৰহ কৰি প্ৰকাশ কৰিছিল।

নতুন নতুন অনুষ্ঠান গঢ়াত আৰু সংগঠনমূলক কামৰ দায়িত্ব গ্ৰহণ কৰাত শৰৎ চন্দ্ৰ গোস্বামী সদায় অগ্ৰ-গামী আছিল। তেওঁৰ সমস্ত জীৱনটোকে বিভিন্ন অনুষ্ঠানৰ এটা জীৱন্ত প্ৰতীক বুলি ধৰিব পাৰি। বুদ্ধিমান মানুহৰ হাতে বোৱা গছ-পুলি নমৰে: গছ গুজি ধৰে, ত'তে জী উঠে। অনুষ্ঠানবোৰ সম্পৰ্কে গোস্বামী আছিল তেনে এগৰাকী কৰ্ম্মী মানুহ লোক। মঙ্গলদৈত ডেপুটী ইন্স্‌পেক্টৰ হৈ থাকোঁতে তেওঁ ১৯১১ চনত 'কেন্দ্ৰ-সভা' বুলি প্ৰাইমেৰি স্কুল-পণ্ডিতসকলৰ এখন সভা পাতি দিছিল। সেই সভা প্ৰত্যেক ইংৰাজী মাহৰ শেষ তাৰিখ বা পহিলা তাৰিখে বহে। শিক্ষকসকলৰ মাজত সম্প্ৰীতি, সহযোগিতা আৰু চা-চিনাকি বঢ়োৱাই ইয়াৰ মুখ্য উদ্দেশ্য আছিল। কোনো এখন স্কুলক কেন্দ্ৰ কৰি সকলোৰে সুবিধাজনক স্কুল এখনত পূৰ্ব-নিৰ্দিষ্টমতে এই সভা বহে। তাত মাহে এবাৰকৈ নিৰ্দিষ্ট মণ্ডল একোটাৰ শিক্ষক-সকল গোট খাই অন্যান্য আলোচনাৰ উপৰি শিক্ষা-প্ৰণালী আৰু শিক্ষা-দানৰ অসুবিধাবোৰ আলচ কৰে। এজন শিক্ষকে কিছু সময় আদৰ্শ প্ৰশিক্ষণ দিয়ে, বাকীসকলে তাত প্ৰশ্ন আৰু আলোচনাৰ মাজেদি সহযোগিতা কৰে। খেনোৱে গল্প, আবৃত্তি আদিও লেখি নি পাঠ কৰে; আৰু লগতে সকলোৱে দৰমহাৰ বিল দাখিল কৰে। এনে ধৰণৰ কেন্দ্ৰ-সভা তেওঁ ইন্স্‌পেক্টৰ হোৱাৰ পাছত সমগ্ৰ অসমতে স্থাপন কৰাইছিল। সেইবোৰ কেন্দ্ৰ-সভা আজিও চলি আছে। এই উৰহী গছৰ গুৰ কিন্তু লয় কেইজনে?

১৯১১ চনৰ শেষ ভাগত গোস্বামী ঢাকালৈ বি. টি পঢ়িবলৈ যায় আৰু ১৯১২ চনত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি উত্তীৰ্ণ হয়। তেওঁক তেতিয়া সহকাৰী ইন্স্‌পেক্টৰ পদলৈ উন্নীত কৰি যোৰহাটলৈ পঠোৱা হয়। গোস্বামীদেৱ চাকৰিত প্ৰায় ওঠৰ বছৰ কাল যোৰহাটতে থাকে। সহকাৰী ইন্স্‌পেক্টৰ হৈ তেওঁ অসমৰ হাইস্কুলবোৰৰ টুৰ্ণামেণ্ট খেলা সুন্দৰকৈ পৰিচালনা কৰে। এই বিষয়ত তেতিয়াৰ কানিংহাম চাহাব তেওঁৰ কাৰ্য-শক্তি আৰু পৰি-চালনাৰ দক্ষতা দেখি মুগ্ধ হয়। তেতিয়া টুৰ্ণামেণ্ট পাঁচ বছৰৰ মূৰে মূৰে হৈছিল। একাধিকবাৰ গোসাঁইদেৱে তাৰ গুৰি ধৰিছিল।

সেই সময়তে তেনেই সামান্য ঘটনা এটা বাঢ়ি গৈ

ভয়ঙ্কৰ ৰূপ ধাৰণ কৰিব খুজিছিল। কান্দুৰাম চকীদাৰ বুলি এজন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীক কিবা কাৰণত খং উঠি ইন্‌স্‌পেক্টৰ স্মল চাহাবে গোৰ মাৰি দিছিল। তাতে বগা চাহাবৰ লাথি খোৱা বুলি গাওঁৰ সমাজে তেওঁক প্ৰায়শ্চিত্তৰ মূল্য বাবদ কুৰি টকা দণ্ড বিহিছিল আৰু আদায় দিব নোৱাৰাত এঘৰীয়া কৰি ৰাখিছিল। তাকে লৈ চাৰিও ফালে তোলপাৰ লাগিল; ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ হোৱাৰ উপক্ৰম হ'ল। গোস্বামীয়ে তেতিয়া স্মল চাহাবক তেওঁৰ ভুলৰ কথা বুজালে আৰু দুয়ো পক্ষৰ ভিতৰত এটা আপোচ মীমাংসা কৰাৰ উদ্দেশ্যে দুয়োকে নিজৰ ঘৰলৈ মাতি আনিলে। স্মল চাহাবে সমাজৰ ডাঁৰ দিবলৈ বুলি কান্দুৰামক টকা কুৰিটা দিলে আৰু বেয়া নাপাবলৈ হাতত ধৰি তেওঁক মাফ খুজিলে। উদ্বেলিত হ'বলৈ ধৰা বিপদৰ ঢৌৱে সিমানতে শাম কাটিলে।

১৯১৫ চনত গোস্বামী যোৰহাট নৰ্মাল স্কুলৰ চুপাৰিন্টেণ্ডেণ্ট পদত নিযুক্ত হয়। এই পদতে তেওঁ একেৰাহে বাৰ বছৰতো অধিক কাল থাকে। তেওঁৰ যত্নতে যোৰহাট নৰ্মাল স্কুলখন এটা বিশিষ্ট অনুষ্ঠানত পৰিণত হয়। অসম সাহিত্য সভা আৰু যোৰহাট নৰ্মাল স্কুলৰ দোপত দোপে উঠি অহা অৱস্থা দেখি বাগ্মীবৰ নীলমণি ফুকনে কৈছিল— "গোসাঁইদেৱৰ হাতৰ কামে কিদৰে শিপাব পাৰে, যোৰহাট নৰ্মাল স্কুল আৰু অসম সাহিত্য সভায়েই তাৰ নিদৰ্শন। এই দুয়োটা অনুষ্ঠান কুমাৰৰ হাতৰ মাটিলডাই ধুনীয়া বাচনৰ গঢ় লোৱাৰ দৰে তেওঁৰ হাতত বিশেষ গঢ় লোৱা বস্তু। এই দুই অনুষ্ঠানত শৰৎ চন্দ্ৰই যি পোহৰ ঢালিছিল, তাৰ উজ্জ্বলতা আজি সমানে প্ৰকাশ পোৱা নাই যদিও, তাৰ আভা কোনো কালে লোপ পাব নোৱাৰে।" গোস্বামীদেৱে এই অনুষ্ঠানবোৰ সুচাৰুৰূপে পৰিচালনা কৰিয়ে ক্ষান্ত থকা নাছিল, তাত তেওঁৰ বিশাল ব্যক্তিত্বৰ একোটা মচিব নোৱাৰা সাঁচো দিছিল। তেওঁৰ আৰ্হি আৰু উপদেশমতে চলি যোৰহাট নৰ্মাল স্কুলখন একপ্ৰকাৰ এখন স্বাৱলম্বী আশ্ৰমত পৰিণত হৈছিল। ইয়াৰ শিক্ষাৰ্থীসকলে ব্ৰাহ্মমুহূৰ্ত্তত উঠি ব্যায়াম কৰিব লাগিছিল আৰু নিজে ভাত ৰান্ধি, পানী আনি, খৰি ফালি, কাপোৰ ধুই, সৰ্বতোপ্ৰকাৰে স্বাৱলম্বী হৈ চলিব লাগিছিল। 'আত্মবলম্ পৰম্ বলম্' আছিল নৰ্মাল স্কুলৰ ছাত্ৰ-শিক্ষক সকলোৰে আদৰ্শ।

ছাত্ৰ কালৰ পৰাই গোস্বামী আছিল মনে-প্ৰাণে সাহিত্যানুৰাগী। হাইস্কুলত পঢ়া কালত তেওঁ চুটি গল্প লেখি প্ৰতিযোগিতাত পুৰস্কাৰ লভিছিল। কলেজিয়েট স্কুলত পঢ়া দিনত 'সুনীতি সঞ্চাৰিণী সভা' নামে এখন সভা আছিল। সেই সভা প্ৰত্যেক মাহৰ শেষ সপ্তাহৰ দেওবাৰে বহিছিল। তাত তেওঁ গল্প, প্ৰবন্ধ আদি পাঠ কৰিছিল। এই সভাৰ পৰা এবাৰ প্ৰতিযোগিতাত গোস্বামীয়ে চুটি গল্পত আৰু ৰঘুনাথ চৌধাৰীদেৱে কবিতাত পুৰস্কাৰ পাইছিল। নৰ্মাল স্কুলতো তেওঁ ছাত্ৰসকলৰ সাহিত্য চৰ্চাৰ কাৰণে 'প্ৰভাত' নামে তিনিমহীয়া আলোচনী এখন প্ৰকাশ কৰাৰ ব্যৱস্থা কৰি দিছিল।

'প্ৰভাত' আলোচনীৰ নামটোৰ লগত এটা কৰুণ কাহিনী জড়িত হৈ আছে। আলোচনী এখন উলিওৱাৰ উদ্যম চলি থাকোঁতে গোসাঁইৰ দ্বিতীয় সন্তান, প্ৰথম আৰু একমাত্ৰ পুত্ৰ প্ৰভাতে সন্নিপাত জ্বৰত পৰি হঠাৎ ইহধাম ত্যাগ কৰে। তেতিয়া নৰ্মাল স্কুলৰ ছাত্ৰসকলে গোসাঁই-গোসানীৰ অনুমতি লৈ তেওঁলোকৰ নৱ সাহিত্য-উদ্যম আলোচনীখনৰ নাম দিলে 'প্ৰভাত'। 'প্ৰভাত' কাকতখনৰ প্ৰতি এই বাবেও গোস্বামী ডাঙৰীয়াৰ এটা বিশেষ আকৰ্ষণ আছিল।



বহু শিক্ষা প্ৰণালী গোস্বামীদেৱৰ এটা নিজস্ব উদ্ভাৱন। প্ৰাইমেৰি স্কুলবোৰত শিক্ষকৰ সংখ্যা কম, অথচ প্ৰত্যেকেইটা শ্ৰেণীৰ অসংখ্য ছাত্ৰ সেই কম সংখ্যক শিক্ষকসকলেই চলাবলগীয়াত পৰে। কেনেকৈ সেই কাম নিয়াৰিকৈ কৰা যায়, সেই বিষয়ে চিন্তা কৰি তেওঁ নতুন উপায় উদ্ভাৱন কৰিছিল, আৰু 'বহু শিক্ষা প্ৰণালী' বুলি পুথি পৰ্যন্ত ছপাই উলিয়াইছিল। পৰিদৰ্শকসকলে ইয়াৰ ভূৰি প্ৰশংসা কৰিছিল।

সমবায় ভঁৰাল খুলি কেনেকৈ সমূহীয়াভাৱে লাভবান হৈ সমাজ-হিতকৰ কামত লভ্যাংশ খটাব পাৰি, তাৰো শিক্ষা তেওঁ ছাত্ৰসকলক হাতে-কলমে দিছিল। যোৰহাট নৰ্মাল স্কুলৰ ছাত্ৰৰ সমবায় ভঁৰাল তেতিয়াৰ এটা আদৰ্শ অনুষ্ঠান আছিল। বহুত মেধাবী দুখীয়া ছাত্ৰক ইয়াৰ লাভৰ ধনেৰে সহায় কৰা হৈছিল।

যোৰহাটতে গোসাঁইদেৱে 'নৰ্মাল স্কুলৰ ন-পুৰণি ছাত্ৰৰ সন্মিলন' বুলি এখন প্ৰীতিসন্মিলন পাতিছিল। পাছত সেয়ে ৰূপান্তৰিত হৈ 'অসম শিক্ষক সন্মিলন' নাম গ্ৰহণ কৰে। এই সন্মিলনৰ যত্নতেই প্ৰাইমেৰি স্কুলৰ পণ্ডিতৰ দৰমহা আঠ টকাৰ পৰা বাৰ টকালৈ বাঢ়িছিল। অকল সেয়ে নহয়, গৱৰ্ণমেণ্ট ছাত্ৰবৃত্তি আৰু মাইনৰ স্কুলৰ পণ্ডিতৰ প্ৰাৰম্ভিক দৰমহা ত্ৰিছ টকা আৰু হাইস্কুলৰ অসমীয়া শিক্ষকৰ দৰমহা চল্লিছ টকা হোৱাৰ গুৰিতো আছিল এই সন্মিলনেই।

নৰ্মাল স্কুলত 'জ্ঞানদায়িনী' আৰু 'ধৰ্মালোচনী' নামৰ দুখন সভা আছিল। প্ৰতি শনিবাৰে আবেলি জ্ঞানদায়িনী আৰু দেওবাৰে ৰাতিপুৱা ধৰ্মালোচনী সভা বহিছিল। জ্ঞানদায়িনী সভায়েই 'প্ৰভাত' আলোচনীৰ জন্মদাতা; 'প্ৰভাত'ৰ গল্প, প্ৰবন্ধ, কবিতা আদিৰ কঠীয়াতলী। নৰ্মাল স্কুলৰ তদানীন্তন সংস্কৃত পণ্ডিত কনক শৰ্মা কাব্যতীৰ্থই ধৰ্মালোচনী সভাৰ গুৰি ধৰিছিল। গোসাঁই আছিল দুয়োখনৰে স্ৰষ্টা, উপদেষ্টা আৰু পৃষ্ঠপোষক।

এইখিনিতে গোস্বামীদেৱৰ পৰিচালনাৰ দক্ষতা আৰু কৌশল সম্পৰ্কে এটা ঘটনাৰ কথা উল্লেখ কৰা যাওক। ১৯২১ চনৰ কথা। স্বৰাজ আন্দোলনৰ সময়। মহাত্মা গান্ধী অসমলৈ আহিছিল। চাৰিওফালে দলদোপ-হেন্দোলদোপ। সকলোৰে মুখত মহাত্মা গান্ধীৰ কথা, স্বৰাজ আন্দোলনৰ কাহিনী, বিলাতী বস্ত্ৰ-দাহৰ গৰম গৰম আলাপ-আলোচনা। সেইদিনা দিনৰ দহ বজাত মহাত্মা গান্ধী ৰেলেৰে যোৰহাট পাবহি। দুই বজাত ৰাজহুৱা সভা, তাতে তেওঁ ভাষণ দিব। ছাত্ৰবোৰ যে দহ বজাত ৰেল-ষ্টেচনলৈ মহাত্মা গান্ধীক দৰ্শন কৰিবলৈ যাব— সি নিশ্চিত। তেওঁলোকক স্কুলত বন্ধ কৰি ৰখাও টান হ'ব। গোসাঁয়ে কাকো নোসোধাকৈ ৰাতিপুৱা জাননী দি সকলোকে জনাই দিলে যে সেইদিনা স্কুল ১১-৩০ বজাত বহিব আৰু ডেৰ বজাত ছুটী হ'ব। ছাত্ৰসকলে এনে আদেশ শুনি আনন্দত উৎফুল্লিত হ'ল। ৰাইজৰ লগত গৈ তেওঁলোকে মহাত্মা গান্ধীক ৰেল-ষ্টেচনত আদৰিলে, আৰু আবেলি স্কুল ছুটীৰ পাছত ৰাজহুৱা সভাত তেখেতৰ ভাষণো শুনিলে।

বাৰ বছৰ চুপাৰিন্টেণ্ডেণ্ট হৈ নৰ্মাল স্কুল চলোৱাৰ পাছত গোস্বামী শিক্ষা বিভাগৰ বিশেষ বিষয়া নিযুক্ত হৈছিল। এবাৰ দুবাৰ নহয়, তিনিবাৰ এবাৰকৈ তেওঁ এই পদবী গ্ৰহণ কৰি চৰকাৰক নতুন নতুন পৰিকল্পনাত খাপ খোৱাকৈ আঁচনি তৈয়াৰ কৰি দি সহায় কৰিবলগীয়া হৈছিল।

এছিষ্টেণ্ট ইন্‌স্‌পেক্টৰ হৈ থকা কালত এদিন এটা

মজাৰ ঘটনা ঘটিছিল। মৌলবী আব্দুৰ ৰহমান তেতিয়া আছিল যোৰহাটৰ ডেপুটী ইন্‌স্পেক্টৰ। আগ-জাননী দি মাজুলীলৈ দুয়ো স্কুল পৰিদৰ্শন কৰিবলৈ যাবলৈ ওলাল। গোসাঁই তেতিয়া যোৰহাটত নতুন মানুহ। তেওঁৰ নাম মাজুলীৰ গোসাঁই-ভকত সকলোৰে মাজত ৰাষ্ট্ৰ হৈ পৰিছিল। গতিকে গোসাঁই যাব বুলি শুনি তেওঁলোকে তাত তেওঁক আদৰিবৰ কাৰণে ধূপ-ধুনা জ্বলাই, কলপুলি পুতি আগ্ৰহেৰে বাট চাই আছিল। যথাসময়ত দুয়ো গৈ ওলাল। তেতিয়া গোসাঁইৰ মুখ-মণ্ডলত সুন্দৰ ডাঢ়ি-গোঁফ আছিল। ৰহমান আছিল নিমজকৈ খুৰোৱা মুখৰ সুন্দৰ-দৰ্শন যুৱক। মাজুলীৰ শুদ্ধ-সাত্ত্বিক গোসাঁই-ভকতসকলে জানকে অজানকৈ বুলি তামোল-পান আৰু গামোচাৰ শৰাইৰে ৰহমানকে আদৰিলে। পাছতহে কথাটো ফাদিল হোৱাত সকলোৱে ইহ্-ইহ্ আহ্-আহ্ কৰিছিল। ফলত গোসাঁনীৰ বকনি সহিব নোৱাৰি গোসাঁয়েও ডাঢ়ি-গোঁফ খুৰাই তুৰন্তে ৰহমান হ'বলৈ বাধ্য হৈছিল।

১৯২৮ চনত গোস্বামী ডাঙৰীয়া অসম উপত্যকাৰ স্কুল ইন্‌স্পেক্টৰ নিযুক্ত হয়। বস্তুতঃ ইন্‌স্পেক্টৰ গোস্বামী বুলিয়ে তেওঁ ঘাইকৈ জনাজাত। গোসাঁইৰ বদ্ধমূল ধাৰণা আছিল যে অসমৰ আশে-পাশে থকা দাঁতি-কাষৰীয়া জনজাতিসমূহক বাদ দি অসমীয়া জাতি তিষ্ঠিব নোৱাৰে আৰু অসমীয়া মানুহৰ লগত সম্বন্ধ বিচ্ছিন্ন কৰি এই জাতিবোৰেও শিক্ষা, সভ্যতা আদিৰ পোহৰ পাব নোৱাৰে। সেইবাবে তেওঁ চৰকাৰৰ ওচৰত শিক্ষাৰ মাধ্যম সম্পৰ্কে নতুন আঁচনি দাঙি ধৰিছিল। তেওঁৰ মত আছিল— পাহাৰৰ ওপৰত থকা মিকিৰ (কাৰ্বি) ছাত্ৰবোৰক প্ৰথমতে দুবছৰলৈ মিকিৰ (কাৰ্বি) ভাষা শিকাৰ লাগে আৰু পঞ্চম মান শ্ৰেণীৰ পৰা অসমীয়াত শিকাব লাগে। তাৰ পাছত কেৱল অসমীয়া আৰু ইংৰাজী শিকাব লাগে। প্ৰাইমেৰি স্কুলৰ তলৰ শ্ৰেণীত দুবছৰলৈ মিকিৰ (কাৰ্বি) ভাষাত শিক্ষা দিয়াৰ উদ্দেশ্য— ছাত্ৰবোৰৰ মনত স্কুলৰ প্ৰতি ধাউতি জন্মোৱা, অৰ্থাৎ সিহঁতক School-minded কৰা। তেতিয়াৰ নগাপাহাৰৰ শিক্ষাৰ মাধ্যম সম্পৰ্কেও তেওঁ সুকীয়া মত দাঙি ধৰিছিল আৰু সেই মত গৃহীত হৈছিল। ১৯৪৩ চনত তেওঁ ইন্‌স্পেক্টৰ পদৰ পৰা অৱসৰ লয়।

বিশ্ববিদ্যালয় স্থাপন গোস্বামীৰ জীৱনৰ শেষ উদাম আছিল। ই তেওঁৰ জীৱনৰ এটা বহুদিনীয়া সপোন আছিল। চাকৰিৰ পৰা ৰেহাই পাই তেওঁ পোনতে 'জয়ন্তী' কাকতত গুৱাহাটী বিশ্ববিদ্যালয় শিতানত গোটাচেৰেক প্ৰবন্ধ লেখিছিল। অসম বিশ্ববিদ্যালয় সম্পৰ্কে তেওঁৰ নিজা মত আছিল এই যে অসম বিশ্ববিদ্যালয় অসমৰ কাৰণেই হ'ব লাগিব। সেই-বুলি কলিকতা বিশ্ববিদ্যালয়ৰ লগত সম্বন্ধ বিচ্ছেদ কৰা তেওঁৰ লক্ষ্য নাছিল। তেওঁৰ মতে এখন আন-খনৰ পৰিপূৰক হিচাপে থাকিব : বিজ্ঞান বিষয়ৰ গৱেষণা কলিকতা বিশ্ববিদ্যালয়ত সুন্দৰভাৱে হৈছে আৰু তাতেই থাকক। অসমত ভাষা-বিজ্ঞান, ঐতিহাসিক অনুসন্ধান, উদ্ভিদ বিদ্যা আদি চৰ্চাৰ সুন্দৰ সুবিধা আছে। গতিকে অসম বিশ্ববিদ্যালয়ত সেইবোৰৰ গৱেষণা চলিব। অসম বিশ্ববিদ্যালয়ত অসমীয়া জাতিৰ কৃষ্টি, সভ্যতা, ভাষা আদিৰ বৈশিষ্ট্য ৰক্ষা কৰি সেইবোৰৰ সম্যক উন্নতিৰ কাৰণে যত্ন কৰা হ'ব। সেইবাবেই এই বিশ্ববিদ্যালয়ৰ নামো হ'ব— গুৱাহাটী বিশ্ববিদ্যালয়। নহ'লে, অসম বিশ্ব বিদ্যালয় নাম হ'লে শ্ৰীহট্টয়ো শ্ৰীহট্টৰ ভাষা, কৃষ্টি আদি চৰ্চাৰ কাৰণে টনা-আঁজোৰা কৰিব পাৰে, এয়ে আছিল তেওঁৰ ভয়। ১৯৪৪ চনৰ ২৯ ডিচেম্বৰত গুৱাহাটীত যি 'ইউনিভাৰ্ছিটি' কনভেঞ্চন' বহিছিল,



তাৰ আহ্বায়ক-সচিব আছিল গোস্বামী ডাঙৰীয়া। বিধিৰ বিধানত কিন্তু তেওঁ সেই নিজে খন্দা পুখুৰীৰ পানী খাবলৈ নাপালে : কনভেঞ্চনত যোগদান দিবলৈ বচি নাথাকিল। তেওঁৰ আদ্য শ্ৰাদ্ধৰ দিন পৰিছিল সেই ঐতিহাসিক কনভেঞ্চনৰ নিৰ্দ্ধাৰিত দিনৰ দিনা। অসম চৰকাৰৰ দ্বাৰা নিৰ্বাচিত আৰু নিযুক্ত হৈ তেওঁ উদয়পুৰৰ ঐতিহাসিক সন্মিলনত যোগদান কৰিবলৈ গৈছিল আৰু সস্ত্ৰীক তীৰ্থ কৰি উভতি আহি দিল্লী মহানগৰীত জিৰণি লৈছিল। তাতে ১৯ ডিচেম্বৰ তাৰিখে তেওঁ অকস্মাৎ সন্ন্যাস ৰোগত আক্ৰান্ত হয় আৰু সেই দিনাই ইহধাম ত্যাগ কৰে।

অসম সাহিত্য সভা গোঁসাইৰ প্ৰাণৰ পুতলি, পূজাৰ বিগ্ৰহ স্বৰূপ আছিল। অসমীয়া ভাষা-সাহিত্যৰ এটা বিশেষ সঙ্কটপূৰ্ণ সময়ত অসম সাহিত্য সভাৰ জন্ম। এসময়ত (১৯০৭-৮ চন) উজনি-নামনিৰ ভাষা লৈ 'বাঁহী' আৰু 'আসাম বান্ধৱ'ৰ, আৰু প্ৰায় সমসাময়িক-ভাৱেই 'বাঁহী' আৰু 'উষা' আলোচনীৰ মাজত তৰ্ক-যুদ্ধৰ যি বিৰোধ আৰু বিতণ্ডা আৰম্ভ হৈছিল, তাৰ স্মৰণেও আজি পাঠকৰ মনত সন্ত্ৰাস, সঙ্কোচ আৰু লজ্জাবোধৰ সৃষ্টি কৰিব খোজে। সেইবোৰৰ নগ্ন বীভৎসতা কিছু শাম কটাত শান্তি, সাম্য আৰু মিলনৰ অগ্ৰদূত হিচাপেই অসম সাহিত্য সভাৰ জন্ম হয় বুলিব পাৰি। তেনে এখন সভাৰ প্ৰয়োজন তেতিয়া অসমৰ চাৰিওপিনে সকলোৱে সমভাৱে অনু-ভৱ কৰিছিল; কিন্তু টিলিঙা আৰে কোনে, সেয়ে আছিল প্ৰশ্ন। গুৱাহাটীত অধ্যাপক (পাছত ড°) সূৰ্যকুমাৰ ভূঞা, কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা, গৌৰীকান্ত তালুকদাৰ, অম্বিকাগিৰী ৰায়চৌধুৰী আদি লোকসকলে; যোৰহাটত কুলধৰ চলিহা, দেবেন্দ্ৰনাথ বেজবৰুৱা, চন্দ্ৰধৰ বৰুৱা, শৰৎচন্দ্ৰ গোস্বামী, দুৰ্গেশ্বৰ শৰ্মা আদি সকলে আৰু তেনেকৈ ডিব্ৰুগড়, তেজপুৰ, নগাঁও, মঙ্গলদৈ, বৰপেটা আদিতো দুই-এজন লোকে অন্তৰত যুগপৎ সেই একে কথাকে ভাবিছিল। আনকি পণ্ডিত অধ্যাপক পদ্মনাথ বিদ্যাবিনোদৰ দৰে জ্ঞানী লোকেও সদৌ অসম সাহিত্য সভা এখন গঢ়ি তোলাৰ আৱ-শ্যকতা মৰ্মে মৰ্মে অনুভৱ কৰিছিল আৰু তাৰ বাবে যত্ন নকৰাকৈও থকা নাছিল। সত্যনাথ বৰাৰ দৰে শান্তিপ্ৰিয় লোকে কিন্তু তেনে প্ৰস্তাৱৰ কথা শুনিলে হিতে বিপৰীত হয় বুলি শঙ্কা কৰি তাৰ বিৰোধিতা কৰি তাক সাময়িকভাৱে গাপ দি ৰাখিবলৈ ত্ৰুটী নকৰিছিল। পিছে ঈশ্বৰৰ ইচ্ছাত সি নোহোৱাকৈ নাথাকিল আৰু শুভ দিন বাৰ,শুভ ক্ষণ লৈয়ে বুৰঞ্জী-বিখ্যাত শিৱসাগৰত সি জন্ম লাভ কৰিলে। শৰৎ চন্দ্ৰ গোস্বামী জন্ম-ক্ষণৰ পৰাই তাৰ লগত সংশ্লিষ্ট আছিল। অসম সাহিত্য সভাৰ জন্ম-কাহিনীৰ লগত যোৰহাট সাহিত্য সভাৰ উৎপত্তিৰ কথাও সাঙোৰ খাই আছে, আৰু গোস্বামী আছিল তাৰো অন্যতম উদ্যোক্তা। গোস্বামীদেৱে নিজ হাতে লেখি থৈ যোৱা 'সাহিত্য সভাৰ কথা' পুস্তিকা অসম সাহিত্য সভা পত্ৰিকাৰ ১৮৭৪ শকৰ ২য়-৩য় সংখ্যাত প্ৰকাশ হৈছিল। তাৰ সকলো কথা সকলোৰে কাৰণে সমানে তৃপ্তিকৰ আৰু আদৰণীয় নহ'ব পাৰে; তথাপি তাত যে প্ৰয়াত সাহিত্য-প্ৰাণ মহান ব্যক্তি এগৰাকীৰ সাহিত্য সভাৰ প্ৰতি থকা শ্ৰদ্ধা, আনুগত্য আৰু ঐকান্তিকতা স্পষ্ট-ভাৱে ব্যক্ত হৈছে, সেইটো অনস্বীকাৰ্য। সেই পুস্তি-কাত যোৰহাট সাহিত্য সভা, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ হল, চন্দ্ৰকান্ত অভিধান ৰচনা, শ্ৰীশ্ৰীনৰদেৱ ট্ৰাষ্ট্ ফাণ্ড প্ৰমুখ্যে সাহিত্য সভাৰ তিনিটা বিখ্যাত ট্ৰাষ্ট্ ফাণ্ড আদিৰ জন্ম-কথা সুন্দৰকৈ বৰ্ণোৱা আছে। সাহিত্য সভাৰ আদি যুগৰ ই এটা বৰ্ণনা-চিত্ৰ।

শৰৎ চন্দ্ৰ গোস্বামী হাড়ে-হিমজুৱে প্ৰত্নতাত্ত্বিক আছিল। তেওঁৰ মতে অসম সাহিত্য সভা, কামৰূপ অনুসন্ধান সমিতি আৰু সংস্কৃত সঞ্জীৱনী সভা—এই

তিনিওটা অনুষ্ঠান মূলতঃ প্ৰত্নতত্ত্বৰ অনুষ্ঠান। অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ সংৰক্ষণ আৰু সংবৰ্দ্ধন আটাইবে মূল উদ্দেশ্য। সেয়েহে এই তিনিওটা অনুষ্ঠানত গোস্বামী ওতঃপ্ৰোতভাৱে জড়িত আছিল।

শৰৎ চন্দ্ৰ গোস্বামী অসমীয়া গল্প সাহিত্যৰ পটিকটীয়াসকলৰ অন্যতম। উচ্চ ইংৰাজী স্কুলত পঢ়া কালত তেওঁৰ ঘাই বন্ধুসকলৰ ভিতৰত আছিল কালীৰাম বৰ্মন, পীতাম্বৰ চক্ৰবৰ্ত্তী, বিষ্ণুৰাম মেধি, গৌৰীকান্ত তালুকদাৰ আদিসকল। তেওঁলোকৰ সাপ্তাহিক সাহিত্যালোচনী 'সুনীতি সঞ্চাৰিণী' সভাত বাহিৰৰ পৰা বিহগী কবি ৰঘুনাথ চৌধাৰীয়েও যোগদান কৰিছিল বুলি আগতে উল্লেখ কৰা হৈছে। গোস্বামীদেৱে লেখি এৰা বিৱৰণিৰ পৰা বুজা যায় যে তেওঁৰ 'কচুপাত' শিতানৰ অপ্ৰকাশিত লেখাটোৱেই আছিল চুটি গল্প ৰচনাৰ প্ৰথম প্ৰয়াস। কলিকতাত বি. এ. পঢ়া সময়ত এ. এছ. এল. ক্লাবৰ দ্বাৰা ঘোষিত সদৌ অসম গল্প আৰু কবিতাৰ প্ৰতিযোগিতাত গোসাঁয়ে আগৰ বিধত আৰু কবিবৰ চৌধাৰীদেৱে পিছৰ বিধত প্ৰথম পুৰস্কাৰ লাভ কৰিছিল। বিহগী কবিৰ মুখে শুনিছিলোঁ— গোসাঁইৰ থেচ্‌থেচনিতহে তেওঁ হেনো সেই প্ৰতিযোগিতাত যোগদান কৰিছিল।

গোস্বামীদেৱৰ প্ৰকাশিত চুটি গল্পৰ কিতাপ লেখত তিনিখন : 'গল্পাঞ্জলি', 'ময়না' আৰু 'বাজিকৰ'। 'ময়না' আৰু 'বাজিকৰ' দুয়োখনৰে নাম তেওঁ—ন কইনাক মাতৃত্ব লভাৰ পাছত প্ৰথম সন্তানটোৰ নামেৰে অমুক বা অমুকীৰ মাক বুলি মতাৰ দৰে—প্ৰথম গল্পটোৰ নামেৰে ৰাখিছিল। অন্যান্য অনেক লেখকৰ দৰে তেওঁবো এই গল্পবোৰৰ এটা বৃহৎ অংশই আলোচনীৰ পাতত প্ৰথমে পোহৰ দেখিছিল। তাৰ পাছত তেওঁ সেইবোৰ গোটাই লৈ তাৰ লগত দুই-চাৰিটা নতুন কৈ লেখি যোগ দি কিতাপ আকাৰত প্ৰকাশ কৰিছিল। গল্পবোৰৰ গাঁথনি আৰু বৰ্ণনাৰ পৰা অনুমান হয় এইবোৰৰ বেছি ভাগেই বাস্তৱগন্ধী বা বাস্তৱ ঘটনাৰ ওপৰত প্ৰতিষ্ঠিত। গোস্বামীয়ে গল্প কব জানে। তেওঁৰ বৰ্ণনা আকৰ্ষণীয় আৰু মোহনীয়। মনস্তাত্ত্বিক বিশ্লেষণো দুই-একোটা গল্পত আছে। তেনেবোৰ সাহিত্যিক সমল নিহিত থকা বাবেই গল্পবোৰ পাঠকৰ হৃদয়গ্ৰাহী হৈছে।

গভীৰ আৰু জটিল তত্ত্ববোৰ বুজাবলৈ হ'লে গল্প এটা অনুপম মাধ্যম। তাহানিৰ উপনিষদৰ যুগতো গল্পৰ সহায়ত ডাঙৰ ডাঙৰ তত্ত্বকথা ব্যাখ্যা কৰা হৈছিল। তেতিয়াৰ দিনত মানুহৰ জীৱন আজিৰ মানুহৰ জীৱনৰ দৰে জটিল আৰু সমস্যাবহুল নাছিল। সেইবাবে গল্পৰ বিষয়বস্তুবোৰো বৈচিত্ৰ্যবৰ্জ্জিত আৰু পোনপটীয়া আছিল। গোস্বামীৰ গল্পত কিন্তু এই দুয়ো প্ৰকাৰৰ ব্যক্তি আৰু সমাজ-চিত্ৰৰ আভাস পোৱা যায়। তেওঁৰ 'সামান্য প্ৰাণী' গল্পত হৰিণ-হৰিণীৰ কথোপকথন, 'অন্তৰৰ আবৰণ' গল্পত হৰ-পাৰ্বতীৰ কথোপকথন, 'মানুহৰ সৃষ্টি'ত ব্ৰহ্মা-বিষ্ণু আদিৰ কথা-বাৰ্ত্তা আদিয়ে গল্পবোৰক পুৰণি সাধুকথাৰ শাৰীলৈ টানিব খোজে। এইবোৰতো কিন্তু বৰ্ণনা-চাতুৰ্যৰ সহায়ত তেওঁ যেন পুৰণি সাধুকথা আৰু নতুন চুটি গল্পৰ মাজত সন্ধি বান্ধি দি মিত্ৰতা স্থাপন কৰিব খোজে।

সাহিত্য চৰ্চাৰ কাম হাতত লৈ গোস্বামীদেৱে অন্তৰত মৰ্মে মৰ্মে উপলব্ধি কৰিছিল যে কণ কণ শিশু শিক্ষাৰ্থী আৰু পঢ়াশলীয়া কিশোৰ-কিশোৰীসকলৰ মনৰ উপযোগী কৰি সাহিত্য ৰচনা কৰা অসমীয়া সাহিত্যত নিতান্ত প্ৰয়োজনীয় হৈ পৰিছে। তেওঁ সেই উদ্দেশ্যে নিজে তেনে ৰচনা হাতত লৈছিল আৰু আনকো তেনে



ৰচনাত প্ৰবৃত্ত হবলৈ উদগনি দিছিল। আগতে কৈ অহা হৈছে যে গোস্বামী এজন ব্যক্তিয়ে নাছিল, তেওঁ আছিল এটা জীৱন্ত অনুষ্ঠান। যি অনুষ্ঠান যেনে, তাৰ সম্পৰ্কত অহা লোকসকলো তেনে ভাবাপন্ন হয়। ধৰ্মানুষ্ঠানৰ লোক সাধাৰণতে ধৰ্মনিষ্ঠ হয়; কৰ্মময় জীৱন যাপন কৰা কৰ্মী-সকলৰ সংসৰ্গত আহিলে মানুহ সোৰোপা হৈ বহি থাকিব নোৱাৰে, কৰ্মী হয়। শিশু সাহিত্যিক গোস্বামীৰ লগত পৰি অন্ততঃ শিশু সাহিত্যৰ বাপ থকাসকলে শিশু সাহিত্যৰ ৰচনাত হাত দিব যাবলৈ বাধ্য হৈছিল। তেনে এজন সাহিত্যিক আছিল মহাদেৱ শৰ্মা। শৰ্মা ডাঙৰীয়াই সেই কথা মুক্তকণ্ঠে স্বীকাৰ কৰিছে। 'সাবিত্ৰী' নামৰ শিশু সাহিত্যখন তেওঁ গোসাঁইদেউৰ নামত উছৰ্গা কৰি কৈছে যে গোসাঁইদেৱেই তেওঁক শিশু সাহিত্য ৰচনা কৰিবলৈ পোনতে উদগাইছিল। 'তাৰে ফলস্বৰূপে এই পুস্তকখনি কৃতজ্ঞতাৰে তেখেতৰ নামত উৎসৰ্গ কৰা হ'ল।' 'অতুল কথামালা' শিশু সাহিত্যৰ অমূল্য সম্পদ আৰু এই শ্ৰেণী পুথি-প্ৰণয়ন আৰু প্ৰকাশনৰ পৰিকল্পনা তেওঁৰে চিন্তাশীল মনৰ উদ্ভাৱনা।

শৰৎ চন্দ্ৰ গোস্বামীদেৱে নাটক আৰু উপন্যাসতো হাত নিদিয়াকৈ থকা নাছিল। অমিত্ৰাক্ষৰ ছন্দত লেখা 'পৰীক্ষা' নাটকত তেওঁ মহাভাৰতৰ উৰ্বশী-অৰ্জুনৰ কাহিনীটোকে নাটকীয় ৰূপ দিছে। তাত চৰিত্ৰৰ অঙ্কন আৰু অমিত্ৰ ছন্দ উৎকৃষ্ট হৈ উঠা নাই। সম্ভৱ নাট্যকাৰে তাত পোনতে নিজৰ কেঁচা হাতৰ শক্তিৰ পৰিচয় মাৰিবলৈ আৰু অন্তৰৰ নাট্য-প্ৰতিভা পৰীক্ষা কৰি চাবলৈহে এই নাটক ৰচনা কৰিছিল।

গোস্বামীৰ দ্বিতীয় নাটক 'বুদ্ধদেৱ' গৌতম বুদ্ধৰ সন্ন্যাস গ্ৰহণৰ কাহিনী লৈ ৰচিত হৈছে। গৌতম বুদ্ধৰ পত্নী যশোধৰাৰ প্ৰতি তেওঁৰ অন্তৰঙ্গ বন্ধু দেৱদত্ত তলেতলে আসক্ত আছিল। সেই কথা তেওঁ বিয়াৰ দিনা আশীৰ্বাদ-প্ৰাৰ্থী হৈ প্ৰিয়বন্ধু দেৱদত্তৰ ওচৰলৈ যোৱাতহে জানিব পাৰিছিল। সিদ্ধাৰ্থৰ চৰিত্ৰৰ উদাৰতা, যশোধৰাৰ মনৰ দৃঢ়তা আৰু দেৱদত্তৰ বন্ধুত্ব নাটকত স্পষ্ট হোৱাত নাটকখন আকৰ্ষণীয় হৈছে। ১।৭।১৬ তাৰিখে যোৰহাটত এই নাট মঞ্চস্থ হৈছিল আৰু গ্ৰন্থকাৰ গোস্বামীয়েও ভৰদ্বাজ আৰু ছন্দকৰ ভাও লৈছিল।

'পাণিপথ' গোস্বামীদেৱৰ একমাত্ৰ উপন্যাস। ইয়াক তেওঁ এফ. এ. পৰীক্ষা দি উঠি বহি থকা সময়ত সোতৰ বছৰ বয়সতে ৰচনা কৰিছিল। 'পাণিপথ' কিন্তু ঐতিহাসিক উপন্যাস নহয়। তেওঁ নিজেই কৈছে— 'এই আখ্যানটি এটা প্ৰসিদ্ধ ঐতিহাসিক ঘটনা অৱলম্বন কৰি লেখা হৈছে যদিও, ইয়াত কোনোৱে যেন ইতিহাস নিবিচাৰে। ইয়াত বৰ্ণোৱা দৃশ্যও অসমৰহে, দিল্লী বা ৰাজপুতনাৰ নহয়।' 'পাণিপথ' উপন্যাসত প্ৰধান ভূমিকা লৈছে ফিৰোজাই, আৰু ফিৰোজাৰ চৰিত্ৰই উপন্যাসখনৰ শ্ৰেষ্ঠ আকৰ্ষণ বুলিব পাৰি।

উপন্যাসখনত কেইবা ঠাইতো ঘটনা মিলাবলৈ অনৈসৰ্গিক আকস্মিকতাৰ আশ্ৰয় লোৱা হৈছে। সেই কাৰণে পৰা উপন্যাসখনক ৰোমাঞ্চ-গন্ধী উপন্যাস বোলা যায়। 'ফাঁচী কাঠত উঠি পাছ মুহূৰ্ত্ততে মৃত্যু হয়, এনে সময়ত ক'ৰ পৰা এপাট কাঁড় আহি ফাঁচী দিওঁতাজনৰ মৃত্যু হৈ বধ্যজনৰ লোকাৰণ্য মানুহৰ মাজেদিও পলায়ন'— কম ৰোমাঞ্চকৰ ঘটনা নহয়।

গোস্বামীদেৱে পাঠ্য পুথি ৰচনাতো মন দিছিল আৰু শিক্ষকসকলক তেনে ৰচনাত প্ৰবৃত্ত হ'বলৈ উদগাইছিল। এই বিষয়ে এজন বন্ধুৱে তেওঁক এদিন কৈছিল যে পাঠ্য পুথি ৰচনা নকৰি সাহিত্য ৰচনাত

মন দিয়া হলে তেওঁ বেছি নাম কৰিব পাৰিলেহেঁতেন। উত্তৰত গোসাঁয়ে কৈছিল— উপযুক্ত পাঠ্য-পুথিৰ অভাৱত আমাৰ স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে আৰু শিক্ষকসকলেও কি দুৰ্ভোগ ভুগিব লাগে, তাক বাহিৰৰ লোকে কি বুজিব ? আনৰ কাৰণে সি যেন বন্ধ্যাৰ প্ৰসৱ-বেদনা। কথাষাৰ মন কৰিব-লগীয়া। শিক্ষক আছিল বাবে পদ্মনাথ গোহাঞি-বৰুৱাদেৱেও পাঠ্য পুথি ৰচনাৰ গুৰু দায়িত্ব হাতত লবলৈ বাধ্য হৈছিল।

গোস্বামী ডাঙৰীয়াৰ ভাষা সম্পৰ্কে দুই-এটা কথা কোৱাৰ প্ৰয়োজন আছে। তেওঁৰ ছাত্ৰাৱস্থাৰ ৰচনাৰ ভাষা আৰু সাহিত্য-ক্ষেত্ৰত প্ৰতিষ্ঠা লাভ কৰাৰ পাছৰ লেখাৰ ভাষা একে নহয়। তেওঁৰ 'পাণিপথ'ৰ ভাষা সাহিত্য সভাৰ ইতিবৃত্তৰ ভাষাৰ সৈতে একে ধৰণৰ নহয়। পাছৰ লেখাবোৰত নামনি অসমত ব্যৱহাৰ কৰা শব্দ, খণ্ডবাক্য, জতুৱা ঠাঁচ আদিৰ প্ৰাচুৰ্য দেখা যায়। তেখেতে স্পষ্টকৈয়ে কৈছিল— 'ভাষাৰ বিশেষত্ব নিৰ্ভৰ কৰে ব্যাকৰণত, শব্দত নহয়।' অসমীয়া ভাষাৰ প্ৰকাশ-সমৃদ্ধিৰ কাৰণে আন আন ভাষাৰ শব্দ গ্ৰহণত তেখেত সদায় উদাৰ-পন্থী আছিল। আন এঠাইত তেওঁ তেওঁৰ ব্যক্তিগত অভিমত এইদৰে প্ৰকাশ কৰি গৈছে— 'অকল উজনিৰ শব্দকেইটা লৈয়ে অসমীয়া ভাষা হ'ব নোৱাৰে। আগতেও তেনে নাছিল। প্ৰকৃত অসমীয়া ভাষা— উজনি-নামনি সকলো ঠাইৰ অসমীয়া ভাষাৰ মাত-কথা গ্ৰহণ কৰি, সুঠাম সুবৃহৎ ভাষা এটা হৈ উঠিব লাগিব। পুৰণি অসমীয়া পুথিবোৰত ইয়াৰ অপৰ্যাপ্ত উদাহৰণ পোৱা যায়। যি দুজনা ধৰ্মগুৰুৰ ৰচিত ধৰ্মপুথিৰ ওপৰত ভিত্তি কৰি অসমীয়া ভাষা আৰু সাহিত্যৰ মন্দিৰ গঢ়ি উঠিল আৰু ইমান দিনে বাহিৰৰ ধুমুহা-বজ্ৰপাতক কেৰেপ নকৰি নিষ্কম্প হৈ তিষ্ঠিল, সেই পুণ্যশ্লোক শঙ্কৰ-মাধৱৰ ৰচিত পুথি-



বোৰতো নামনি অসমৰ শব্দহে বেছি পৰিমাণে পোৱা যায়।' সেই বাবেই তেওঁ অসমীয়া ভাষাৰ এখন সুবৃহৎ অভিধান নতুনকৈ লেখিবলৈ পৰিকল্পনা হাতত লৈছিল : সি পিছে কাৰ্যত পৰিণত হবলৈ নাপালে।

বৰ্ণবিন্যাস আৰু বানান সম্বন্ধেও শৰৎ চন্দ্ৰ গোস্বামী-দেৱৰ স্বকীয় যুক্তিপূৰ্ণ মত আছিল। তেওঁৰ মতে 'উচ্চাৰণ অনুসৰি বৰ্ণবিন্যাস হ'ব লাগে। সম্প্ৰতি আমেৰিকাতো তেনে মতকে অৱলম্বন কৰি ইংৰাজীৰ বানানবোৰৰ পৰা অনাৱশ্যক বহুত আখৰ বাদ দিয়া হৈছে। কিন্তু আমাৰ দুৰ্ভাগ্যৰ কথা যে পুৰণি অসমীয়া ভাষাত বৰ্ণবিন্যাসৰ এই উৎকৃষ্ট নিয়ম থকাতো তাক আওহেলা কৰি আৰু নতুন বঙলা ভাষাৰ বৰ্ণবিন্যাস অনুসৰণ কৰি আমি বৰ্তমান অসমীয়া ভাষাৰ বৰ্ণবিন্যাস ইমান টান কৰি তুলিছোঁ। আচ-লতে অন্ধ অনুকৰণ সদায় অপকাৰী।' তেখেতৰ মতে 'এঘাৰটা স্বৰ আৰু ছাবিছটা ব্যঞ্জনবৰ্ণ হলেই উৰ্চ্চাৰণ অনুযায়ী আমাৰ বৰ্ণবিন্যাস কৰিব পাৰি।' সেই কথা তেওঁ চেতনাত ৰহলাই আলচ কৰিছিল। স্বীকাৰ কৰিব লাগিব যে গোসাঁইৰ যুক্তি আজি-কালি লাহে লাহে কিছুমান ক্ষেত্ৰত গৃহীত হব ধৰিছে, যেনে, পৰ্ব্বত ডাঙ্গৰ, মইনা আদি শব্দ আজিকালি পৰ্বত, ডাঙৰ, ময়না লেখা হয়।

ব্যাকৰণ সম্পৰ্কে তেওঁ কালিৰাম মেধি ডাঙৰীয়াৰ লগত একমত। তেওঁ কৈছে— 'হেমচন্দ্ৰ বৰুৱাৰ ব্যাকৰণেও অযথাৰূপে ইংৰাজী ব্যাকৰণ অনুকৰণ কৰিছে। বাকীবোৰ ব্যাকৰণ সংস্কৃত ব্যাকৰণৰ অসম্পূৰ্ণ বা অকামিলা সংস্কৰণ মাত্ৰ। সেইদেখি নিভাঁজকৈ লেখা অসমীয়া ভাষাৰ ব্যাকৰণ এখনৰ অতি আৱশ্যক। কিন্তু এইটো আমি মনত ৰাখিব লাগিব যে ভাষা আগ, ব্যাকৰণ পাছ; আৰু সকলো জীৱন্ত ভাষাতেই যিদৰে ব্যাকৰণক অনুকৰণ কৰি





...য়া লেখা যায়, সেইদৰে ব্যাকৰণেও প্ৰতিভাশালী ...লেখক অনুসৰণ কৰি নিজৰ সূত্ৰ আদি প্ৰবৰ্ত্তন ...কৰিবলগীয়াত পৰে। আমি এই কথা পাহৰিছোঁ ...লেখিছেই ভাষা আৰু বানান, বাক্য-গঠন আৰু শব্দ-...ৰ বিষয়ত আমাৰ মাজত ইমান বেমেজালি।' ...ৰ যুক্তিবোৰ প্ৰণিধানযোগ্য।

অসমীয়া ভাষা, সাহিত্য আৰু শিক্ষা-বিস্তাৰৰ ক্ষেত্ৰত শৰৎ চন্দ্ৰ গোস্বামী ডাঙৰীয়াৰ দান অবিস্মৰণীয়। অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা আৰু উন্নয়নৰ কাৰণে তেওঁ কৰা কাম অনন্যসাধাৰণ আৰু অপ্ৰতুল। তেওঁৰ সুকৃতি সাহিত্য সভাৰ হীৰক জয়ন্তী উৎসৱত সৰ্বতো-ভাৱে স্মৰণীয়। ××× 


## ঃ অসম সাহিত্য সভাৰ সুবচনী ঃ

১৯১৭ চনৰ পৰা ১৯৭৭ চনলৈকে অসমৰ যিসকল প্ৰাতঃস্মৰণীয় আৰু বৰেণ্য ব্যক্তিয়ে অসম সাহিত্য সভাৰ সভাপতিৰ আসন অলঙ্কৃত কৰি গৈছে, সেইসকলৰ বহুমূলীয়া ভাষণৰ পৰা উদ্ধৃত বাছকবনীয়া বাণীৰে এই গ্ৰন্থখনি যুগুতোৱা হৈছে। সংগৃহীত বাণীসমূহত অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতি, অসমৰ সংহতি, ভাষিক সমস্যা, লিপি সমস্যা, অসমীয়া সাহিত্যৰ বুৰঞ্জী, পুৰণি পুথি সংগ্ৰহ, অসমৰ শিক্ষা, আধুনিক অসমীয়া কবিতা, অসমীয়াৰ অতীতৰ গৌৰৱ আৰু বৰ্তমানৰ শোকলগা অৱস্থা আদি বহুতো বিষয় প্ৰতিফলিত হৈছে। গ্ৰন্থখনিৰ সম্পাদনা আব্দুছ ছাত্তাৰ আৰু বসন্তকুমাৰ গোস্বামীৰ। প্ৰতিজন সভাপতিৰ আলোকচিত্ৰসম্বলিত এই গ্ৰন্থৰ পৃষ্ঠা-সংখ্যা ৮+১৭৬।

মূল্য : ৬·০০ টকা।

# অসম সাহিত্য সভা আৰু অসমীয়া সাহিত্য

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী

সাহিত্য-সৃষ্টি ব্যক্তিগত প্ৰচেষ্টাৰ ফল। কোনো অনুষ্ঠানে সাহিত্য সৃষ্টি কৰিব নোৱাৰে। কিন্তু এনে অনুষ্ঠানে সাহিত্যৰ উন্নতিৰ হকে যথেষ্ট কাম কৰিব পাৰে বা পৰিবেশ সৃষ্টি কৰিব পাৰে। কলিকতাত অসমীয়া ছাত্ৰসকলে স্থাপন কৰা অসমীয়া ভাষাৰ উন্নতি-সাধিনী সভাই (১৮৮৮ খ্ৰীঃ) অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতিৰ হকে চমকপ্ৰদ কাম কৰিছিল। সেই কালৰ পৰা অসম সাহিত্য সভা হেন অনুষ্ঠানেও আমাৰ ভাষা আৰু সাহিত্যৰ উন্নতিৰ হকে যথেষ্ট কাম কৰি আহিছে।

অসম সাহিত্য সভাৰ প্ৰথম সম্পাদক শৰৎ চন্দ্ৰ গোস্বামীৰ প্ৰথম বছৰৰ কাৰ্য-বিৱৰণিত 'আৰম্ভণ' বুলি এটা অধ্যায়ত কোৱা হৈছে যে ১৯১৫ চনৰ জুলাই মাহত কৰ্ণেল গৰ্ডনৰ চেষ্টাৰ ফলত যোৰহাটত বহা আসাম শিল্প-সমিতিৰ অধিৱেশনৰ সময়ত বিষ্ণুৰাম বৰুৱা হলত যোৰহাট সাহিত্য সভাৰ ফালৰ পৰা এখন ডাঙৰ সাহিত্য সভা পতা হয়। "তাত হিন্দু-মুছলমান প্ৰায় ১৫০ জনমান ভদ্ৰলোকৰ সমাগম হৈছিল। মাননীয় ৰায়চাহাব শ্ৰীযুত ফণীধৰ চলিহাই সভাপতিৰ আসন গ্ৰহণ কৰে। মাননীয় শ্ৰীযুত পদ্মনাথ বৰুৱা ডাঙৰীয়াই কলিকতাৰ চাহখোৱা মেল এখনৰ পৰাই কেনেকৈ আসামৰ ঠায়ে ঠায়ে অসমীয়া ভাষাৰ উন্নতি-সাধিনী সভাৰ উৎপত্তি হৈ কিছুদিন অসমীয়া ভাষা আৰু সাহিত্যৰ এটা জাগৰণৰ ভাব আনিছিল, তাক ভালকৈ বুজাই দিয়ে" (আলোচনী, ১৮৩৭ শক, পুহ, ৭ম বছৰ, ৩য় সংখ্যা)। উক্ত সভাৰ এমাহৰ আগতে স্থাপন হোৱা যোৰহাট সাহিত্য সভাৰ সম্পাদক শৰৎ চন্দ্ৰ গোস্বামীয়ে প্ৰতিবেদনত কৈছে, "এনে কেঁচুৱা অৱস্থাতো যে আমি আপোনালোকৰ নিচিনা মহন্ত পুৰুষসকলৰ আদৰিবলৈ পাইছোঁ।— ই আমাৰ পৰম ভাগ্যৰ ফল। আমাৰ আৰু এক পৰম ভাগ্যৰ কথা যে মাননীয় শ্ৰীল শ্ৰীযুত ৰায়চাহাব ফণীধৰ চলিহাৰ নিচিনা মহাপুৰুষ এজনক আমি আজি সভাপতি হবলৈ পাইছোঁ। আৰু শ্ৰীল শ্ৰীযুত মাননীয় পদ্মনাথ বৰুৱাৰ নিচিনা আমাৰ প্ৰবীণ সাহিত্যিক এজনক আমাৰ সভাত থিয় হৈ আমাক দুই আষাৰ উপদেশৰ বাণী শুনা-বলৈ পাইছোঁ। এনে সুলক্ষণ আগত লৈ আৰম্ভ কৰাৰ পৰা আমাৰ আশা হৈছে যে আপোনালোকৰ কৃপা আৰু আশীৰ্বাদ থাকিলে আমাৰ এই নুমলীয়া সভাই এদিন অসম সাহিত্য-ক্ষেত্ৰত নানাবিধ বস্তুতুল্য শস্যৰ জননী হ'ব পাৰিবগৈ।" সেই বছৰ ডিব্ৰুগড়ত বহা অসম কন্‌ফাৰেন্সৰ মণ্ডপত ৩০ ডিচেম্বৰ তাৰিখে ফণী-ধৰ চলিহাৰ সভাপতিত্বত এখন ডাঙৰ সাহিত্য সভা বহে, আৰু উক্ত সভাত সত্যনাথ বৰা, বেণুধৰ ৰাজ-খোৱা, পদ্মনাথ বৰুৱা, তফজ্জল হুছেইন হাজৰিকা, দুৰ্গানাথ চাংকাকতী আদিয়ে একোটি বক্তৃতা দিয়ে। "ইয়াৰ পাছত গুৱাহাটীৰ পৰা দুৰ্গেশ্বৰ শৰ্মা, চন্দ্ৰনাথ শৰ্মা আৰু গৌৰীকান্ত তালুকদাৰ প্ৰভৃতি কেইগৰাকী-মান লোক গোট খাই অসম সাহিত্য সন্মিলন হ'ব



লাগে বুলি চেষ্টা কৰিছিল" (শৰৎ চন্দ্ৰ গোস্বামী)। ১৯১৭ চনৰ ২৮ চেপ্তেম্বৰত শিৱসাগৰৰ ক্লাব ঘৰত ৰাধাপ্ৰসাদ চলিহা বেৰিষ্টাৰৰ সভাপতিত্বত বহা ৰাজহুৱা সভাত ডিচেম্বৰ মাহত অসমৰ শিক্ষিত আৰু সাহিত্যানুৰাগী পুৰুষসকলক নিমন্ত্ৰণ কৰি এখন 'সদৌ আসাম সাহিত্য সভা' গঠন কৰাৰ সিদ্ধান্ত কৰা হয়। সেই বছৰ শিৱসাগৰত বহা অসম কন্‌ফাৰেন্সৰ সভা-মণ্ডপতে ডিচেম্বৰৰ ২৬ আৰু ২৭ তাৰিখে পদ্মনাথ গোহাঞিবৰুৱাদেৱৰ সভা-পতিত্বত সদৌ অসম সাহিত্য সন্মিলনী বহে। গুঞ্জানন বৰুৱা অভ্যাৰ্থনা সমিতিৰ সভাপতি আৰু লক্ষ্মীকান্ত বৰুৱা সম্পাদক আছিল। প্ৰথম দিনা সভাপতি গোহাঞিবৰুৱাই ছপা অভিভাষণ পাঠ কৰে। সভাপতিয়ে অভিভাষণত কয়, "সাহিত্যৰ আলোচনা আৰু পৰিচালনাৰ অৰ্থে সাহিত্যিক আৰু সামাজিক লোক সমবেত হোৱাকে সাহিত্য-সন্মিলনী বা সাহিত্যিক সন্মিলনী বোলা যায়। আজিৰ সন্মিলনীত অসমীয়া সাহিত্যৰ পৰিচালনা আৰু অসমীয়া সাহিত্যৰ জৰিয়তে জ্ঞান-বিস্তাৰৰ আলোচনাৰ অৰ্থে সদৌ অসমৰ প্ৰতিনিধি সমজুৱা ইয়াত সমবেত হৈছেঁ।হিহ'ক, গতিকে ইয়াক অসমীয়া সাহিত্যৰ বিস্তৃতি থকা 'সদৌ অসমৰ সাহিত্য সন্মিলনী' বোলা হৈছে। ০ ০ ০ সন্মিলনী বা পালি সভা-বিলাকে নিজেও যি পাৰে স্বতন্ত্ৰবীয়াকৈ জাতীয় উন্নতিৰ অৰ্থে কৰি গৈ থাকিব আৰু যিবিলাক বিষয়ত সদৌ অসমৰ মত মিলাবৰ আৱশ্যক, তেনেবিলাক বিষয়ৰ আলোচনা বছৰেকীয়া 'সদৌ অসম সাহিত্য সন্মিলন'লৈ আগ কৰি সাঁচি থব" (ভাষণাৱলী, প্ৰথম ভাগ)। এই অধিৱেশনত তলত দিয়া দৰে বিষয়-ববীয়া নিৰ্বাচিত হয়ঃ— প্ৰধান সম্পাদক শৰৎ চন্দ্ৰ গোস্বামী, সহকাৰী সম্পাদক দেবেশ্বৰ শৰ্মা,— সভ্যসকল— তাৰানাথ চক্ৰৱৰ্তী, ৰমণীকান্ত বৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা, মহাদেৱ শৰ্মা, ৰোহিতাশ্ব দত্ত, ডম্বৰুধৰ গগৈ, মোদলাৰাম দাস, গিৰীশচন্দ্ৰ ৰায়চৌধুৰী, হৰিকৃষ্ণ দাস, নীলমণি ফুকন, মফিজুদ্দিন আহমদ হাজৰিকা, গুঞ্জানন বৰুৱা, লক্ষ্মীকান্ত বৰুৱা, সিদ্ধেশ্বৰ গোহাঞি, দেৱেশ্বৰ চলিহা, কুলধৰ চলিহা, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, পূৰ্ণানন্দ শৰ্মা পাঠক, জেহিৰুদ্দিন আহমদ, শ্ৰীনাথ বেজবৰুৱা, কালীৰাম দত্ত, চন্দ্ৰ-কুমাৰ বৰুৱা, সীতানাথ বৰবৰা, ৰত্নকান্ত বৰকাকতী, মোছলেহউদ্দিন আহমদ, ৰমাকান্ত বৰুৱা, সিংহদত্তদেৱ অধিকাৰী, সত্যনাথ বৰা, চন্দ্ৰনাথ শৰ্মা, আজিজুৰ ৰহমান, কমলাকান্ত দাস, অম্বিকাগিৰী ৰায়চৌধুৰী, কমলেশ্বৰ নাথ, দুৰ্গেশ্বৰ শৰ্মা, চফিয়ুৰ ৰহমান, অমৃতভূষণদেৱ অধিকাৰী, কীৰ্তিনাথ বৰদলৈ, প্ৰমথ-নাথ চক্ৰৱৰ্তী, লক্ষ্মীনাথ বেজবৰুৱা, লোহিত চন্দ্ৰ ভূঞা আৰু ৰাধানাথ ফুকন।

এইদৰে অসম সাহিত্য সভাৰ জন্ম হয় আৰু সভাৰ কাৰ্যালয় হয় যোৰহাট। ১৯২৩ চনত যোৰহাটত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ পঞ্চম অধিৱেশনত সভাক ৰেজিষ্টাৰী কৰা, যোৰহাটত সভাৰ কেন্দ্ৰীয় কাৰ্যালয় স্থাপন আৰু নিৰ্মাণ সম্পৰ্কে প্ৰস্তাৱ গৃহীত হয়। এই বছৰতে দানবীৰ ৰাধাকান্ত সন্দিকৈৰ দুটি পুত্ৰ চন্দ্ৰকান্ত আৰু ইন্দ্ৰকান্তৰ বিয়োগত শোক-সন্তপ্ত পিতৃ সন্দিকৈদেৱে পুত্ৰৰ স্মৃতি ৰক্ষাৰ্থে ত্ৰিছ হাজাৰ টকা দিয়ে, আৰু ইয়াৰ ১৫,০০০ টকা চন্দ্ৰ-কান্ত সন্দিকৈ ভৱন নিৰ্মাণৰ বাবদ আৰু বাকী ১৫,০০০ টকা চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস পুঁজিৰ নামত জমা থাকিব। ১৯২৪ চনত সভাই কাৰ্যালয় নিৰ্মাণৰ কাৰণে মাটি পায়, আৰু সেই বছৰৰ ১৭ মাৰ্চত সভা-খন ৰেজিষ্টাৰী কৰা হয়। এই বছৰ ভৱন নিৰ্মাণৰ কাম আৰম্ভ হয়; আৰু ১৯২৬ চনৰ ২ ডিচেম্বৰত সভাৰ কেন্দ্ৰীয় কাৰ্যালয় 'চন্দ্ৰকান্ত সন্দিকৈ ভৱন' আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় নিৰ্মাণ হোৱাৰে পৰা

সভাৰ কাম-কাজ শৃঙ্খলাবদ্ধ হয়। সভাই পোনতে (১৯২০) ৰাধানাথ গোস্বামীৰ পৰা পোৱা দুহাজাৰ টকাৰ দানেৰে 'কমলা দেৱী শিশু সাহিত্য বঁটা' দিয়াৰ ব্যৱস্থা কৰে। এইদৰে সভাৰ কাম চলি আছিল। কিন্তু দ্বিতীয় মহাসমৰৰ সময়ত সভাৰ কাৰ্যালয় সামৰিক কৰ্তৃপক্ষই লোৱাত সভাৰ কাম-কাজত আউল লাগে। ১৯৫৩ চনৰ ৮, ৯ নবেম্বৰত ডঃ সূৰ্যকুমাৰ ভূঞাৰ সভাপতিত্বত বহা দ্বাবিংশ অধিৱেশনত অসম সাহিত্য সভাই নতুন জীৱন পায়। তেতিয়াৰ পৰা সভা অধিক কাৰ্যক্ষম হৈ পৰিছে, আৰু বৰ্তমান গোটেই অসম জুৰি প্ৰায় পাঁচ শ শাখা সভা আছে। পাৰ্বতীপ্ৰসাদ বৰুৱাৰ দান আৰু কেন্দ্ৰীয় চৰকাৰৰ অনুদানেৰে গুৱাহাটীত অসম সাহিত্য সভাৰ এটি কাৰ্যালয় নিৰ্মাণ হয় আৰু ১৯৬৫ চনত এই ভগৱতীপ্ৰসাদ বৰুৱা ভৱনটিৰ আনুষ্ঠানিকভাৱে উন্মোচন কাৰ্য সম্পাদন হয়। অসম সাহিত্য সভাৰ উনবিংশ অধিৱেশনত (১৯৪৪ চনত বহা) আসাম সাহিত্য সভা ( ASSAM SAHITYA SABHA)ৰ পৰিবৰ্তে অসম সাহিত্য সভা ( ASOM SAHITYA SABHA ) নামটি গ্ৰহণ কৰা হয়; আৰু দ্বাবিংশ অধিৱেশনৰ (১৯৫৩) সভাপতি ডঃ ভূঞাৰ পৰামৰ্শমতে পৰবৰ্তী বছৰত ইংৰাজী নামটো ASAM SAHITYA SABHA কৰা হয়। ১৯২৬ চনত চন্দ্ৰধৰ বৰুৱা সাহিত্যৰত্নৰ সম্পাদনাত মুখ-পত্ৰ অসম সাহিত্য সভা পত্ৰিকা প্ৰকাশ হয়।

অসম সাহিত্য সভাই অসমীয়া সাহিত্যৰ উন্নতিৰ হকে কাম কৰি আহিছে আৰু শাখাসভাসমূহে নিজ নিজ ক্ষেত্ৰত সাহিত্য-সৃষ্টিত প্ৰেৰণা যোগাইছে। অসম সাহিত্য সভাই অসমীয়া ভাষাক নিজ স্থানত অধিষ্ঠিত কৰিবৰ কাৰণে যত্ন কৰি আহিছে। অসম সাহিত্য সভাই একালত কটন কলেজত অসমীয়াৰ অধ্যাপক নিয়োগ কৰাৰ কাৰণে প্ৰস্তাৱ গ্ৰহণ কৰিছিল। ১৯৫০ চনৰ একবিংশ অধিৱেশনত অসমৰ ৰাজ্যভাষা অসমীয়া হ'ব লাগে বুলি দাবী কৰা হয় আৰু ১৯৫৯ চনৰ সপ্তবিংশ অধিৱেশনত ১৯৬০ চনৰ ভিতৰতে অসমীয়া ভাষা ৰাজ্য ভাষা কৰাৰ দাবী কৰা হয়। তাৰ ফলত ১৯৬০ চনৰ ডিচেম্বৰত অসম ৰাজ্য ভাষা আইন হয়। পুনৰ ১৯৭২ চনত মাতৃভাষাক উচ্চ শিক্ষাৰ মাধ্যম কৰা সম্পৰ্কে আন্দোলন হয় আৰু অসমৰ ডুব্ৰুগড়? বিশ্ববিদ্যালয়ত ইংৰাজীৰ লগতে অসমীয়াত শিক্ষাদান কৰা ব্যৱস্থা গৃহীত হয়।

অসম সাহিত্য সভাই অনেক পুথি প্ৰকাশ কৰিছে। সভাই ১৯২৩ চনতে অসমীয়া ভাষাৰ অভিধান প্ৰণয়নৰ ব্যৱস্থা লয় আৰু ১৯৩৩ চনত অসমীয়া ভাষাৰ তৃতীয় অভিধান চন্দ্ৰকান্ত অভিধান প্ৰকাশ হয়। অসম সাহিত্য সভাই নৰদেৱ ন্যাস পুঁজিৰ পৰা কেইবাখনো পুৰণি পুথি প্ৰকাশ কৰিছে; যেনে, সাত্বত তন্ত্ৰ, বন-মালীদেৱৰ চৰিত্ৰ, দেৱদামোদৰ চৰিত্ৰ, লৱ-কুশৰ যুদ্ধ ইত্যাদি। ১৯৬০ চনৰ পৰা অসম চৰকাৰৰ অনুদানেৰে অসম সাহিত্য সভাই বিভিন্ন পুথি প্ৰকাশ কৰি আহিছে। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম-শতবাৰ্ষিকী উৎসৱ পালনৰ পৰা সভাৰ প্ৰকাশনৰ সংখ্যাও বাঢ়িছে। হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী, মফিজুদ্দিন আহমদ হাজৰিকা ৰচনাৱলী, চন্দ্ৰধৰ বৰুৱা ৰচনাৱলী, আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী আদিৰ প্ৰকাশনে আমাৰ সাহিত্যক সমৃদ্ধ কৰিছে। বিভিন্ন সাহিত্যিকৰ জীৱনী আৰু ৰচনাৰ মূল্যায়নেও সাহিত্যৰ নৱৰূপায়ণত সহায় কৰিছে। বিভিন্ন জন-গোষ্ঠীৰ বিষয়ে গ্ৰন্থ লেখা হৈছে। যেনে— গাৰো সংস্কৃতিৰ ৰূপৰেখা, বাড়া জন-জাতি, ডিমাছা, কাৰ্বি জনগোষ্ঠী, অসমৰ জনজাতি, তিৱা সম্প্ৰদায় ইত্যাদি। বিভিন্ন জনজাতিৰ সাধুৰ পুথি সভাই প্ৰকাশ কৰিছে। চাহ-বাগিচাৰ বনুৱাৰ বিষয়ে সভাই কেইবাখনো পুথি প্ৰকাশ কৰিছে, যেনে, চাহ-বাগিচাৰ বনুৱা, সেউজী



...ৰ মাজে মাজে, বনুৱাৰ সাংস্কৃতিক জীৱনত ...ভৃতি, অসমীয়া লোকগীত সংগ্ৰহ, গোৱালপৰীয়া লোকগীত আদি পুথিয়েও আমাৰ লোকসাহিত্য ...ৰী কৰিছে। বিভিন্ন ভাষাৰ গ্ৰন্থ অসমীয়ালৈ ...নুবাদ কৰা হৈছে। যেনে— মুদ্ৰাৰাক্ষস, কৰ্পূৰ-...ৰী, একাদশী, সাহিত্য দৰ্পণ ইত্যাদি। অসম সাহিত্য সভাই 'পৰিচয় গ্ৰন্থমালা' নামৰ এলানি গ্ৰন্থ ...কাশ কৰিছে। যেনে— ধ্বনি আৰু ৰসতত্ত্ব, চাহৰ ...থা, চিকিৎসা বিজ্ঞানৰ ইতিবৃত্ত ইত্যাদি। সাহিত্য ...ভাৰ ভাষণাৱলীৰ পৰা সভাপতিসকলৰ চিন্তাৰ পৰি-...য় পোৱা যায়। সভাৰ বাৰ্ষিকীসমূহেও সভাৰ বিভিন্ন অধিৱেশনৰ একোটা বিস্তৃত বিবৰণি পোৱাত সহায় কৰে। সভাই কেইবাখনো ভাষা-শিক্ষা পুথি প্ৰকাশ কৰিছে। বৰেণ্য সাহিত্যিকসকলৰ শতবাৰ্ষিকী উদ্‌যাপনে আমাৰ জাতীয় জীৱনত প্ৰেৰণা যোগা-ইছে। অসম সাহিত্য সভাই ১৯৭৩ চনৰ পৰা লেখক-শিবিৰৰ আয়োজন কৰি সাহিত্যিকসকলৰ ভাব-বিনিময়ৰ আৰু সাহিত্য-মূল্যায়নৰ সুবিধা দিছে।

মুঠৰ ওপৰত অসম সাহিত্য সভাই অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতিৰ হকে কাম কৰি আমাৰ ভাষা-সাহিত্যৰ শ্ৰীবৃদ্ধি সাধনত প্ৰেৰণা যোগাইছে। ××

## ঃ শাখা সভাৰ পৰিচয় ঃ

অসম সাহিত্য সভাৰ উদ্দেশ্য আৰু লক্ষ্য সন্মুখত ৰাখি অসমীয়া ভাষা-সাহিত্যৰ উৎকৰ্ষ সাধনৰ লগতে স্থানীয়ভাৱে সাহিত্যিক পৰিবেশ একোটা সৃষ্টি কৰি অসমৰ চুকে-কোণে প্ৰতিষ্ঠিত যিবোৰ শাখা সভাই আজি যাঠি বছৰে অনুষ্ঠানটোৰ উত্তৰোত্তৰ উন্নতি সাধন কৰি আহিছে, সেই সকলোবোৰ শাখা সভাৰ বিতং বিবৰণ, যেনে, সভাৰ নাম, প্ৰতিষ্ঠাৰ তাৰিখ, প্ৰতিষ্ঠাতা সভাপতি, প্ৰতিষ্ঠাতা সম্পাদক, বৰ্তমান সভাপতি, বৰ্তমান সম্পাদক আৰু উল্লেখযোগ্য প্ৰকাশন আৰু কাম সম্বলিত এই গ্ৰন্থখনিয়ে অসম সাহিত্য সভাৰ ধাতুটো ( Spirit ) উপলব্ধি কৰাত প্ৰচুৰ সহায় কৰিব। অসমৰ বিভিন্ন ঠাইত অসমীয়া ভাষা-সাহিত্যৰ প্ৰচাৰ আৰু প্ৰসাৰৰ এখন অলিখিত বুৰঞ্জী এই গ্ৰন্থখনিৰ মাজত সোমাই আছে বুলিব পাৰি। অনুষ্ঠানটোৰ আৰ্থিক বল বৃদ্ধি কৰোঁতা ৮৪৪ জন আজীৱন সভ্যৰ নাম-ঠিকনাও গ্ৰন্থখনিত সন্নিবিষ্ট হৈছে। পৃষ্ঠা-সংখ্যা ৪+১১১। মূল্য : ২.৫০ টকা।

## ঃ প্ৰকাশনৰ বৰ্ণনামূলক তালিকা ঃ

অধ্যাপক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে যুগুতোৱা প্ৰায় তিনিকুৰি পৃষ্ঠাৰ এই গ্ৰন্থখনি, অসম সাহিত্য সভাই যোৱা তিনিকুৰি বছৰত যিবোৰ গ্ৰন্থ প্ৰকাশ কৰিলে, সেইবোৰৰ সুন্দৰ বিৱৰণমূলক তালিকা। প্ৰতিখন গ্ৰন্থৰ বিষয়-বস্তুৰ পৰিচয় দিয়াৰ উপৰিও গ্ৰন্থসমূহৰ প্ৰথম ভাঙৰণৰ কাল, মূল্য আৰু পৃষ্ঠা-সংখ্যাও উল্লেখ কৰা হৈছে। গ্ৰন্থখনিৰ গুৰুত্ব বাঢ়িছে অসম সাহিত্য সভা পত্ৰিকাৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যাকে ধৰি সম্প্ৰতি দুষ্প্ৰাপ্য কেইবাটাও সংখ্যাৰ লেখক আৰু প্ৰবন্ধসমূহৰ পৰিচয় দান কাৰ্যৰ বাবে। মূল্য ঃ ১.৫০ টকা মাত্ৰ।

# অসম সাহিত্য সভাৰ ষাঠি বছৰ

শ্ৰীনগেন শইকীয়া

১৯১৭ চনৰ পৰা ১৯৭৭ চনলৈ সুদীৰ্ঘ ষাঠি বছৰ পাৰ হ'ল। অনেক আশা আৰু নিৰাশা, অনেক বাধা-বিঘিনি, অনেক সাহস আৰু শঙ্কাৰ মাজেৰে ছটা দশক পাৰ হৈ গ'ল। পাৰ হৈ গ'ল— বক্তক্ষয়ী দুখন মহাযুদ্ধ, পাৰ হৈ গ'ল অনেক তেজ আৰু চকুপানী মিহলি হৈ থকা বিয়াল্লিছৰ গণ-বিপ্লৱ, পাৰ হৈ গ'ল— দেশ-বিভাজনৰ দুৰ্ভাগ্যজনক ইতিহাস। দেশৰ মানুহৰ হাতলৈ শাসনৰ দায়িত্ব আহিল। লগে লগে অসমলৈ আহিল— ভগনীয়াৰ সমস্যা, প্ৰাকৃতিক দুৰ্যোগৰ সমস্যা, ৰাজ্য পুনৰ গঠনৰ সমস্যা, উদ্যোগ আৰু যোগাযোগ সম্পৰ্কীয় সমস্যা, ভাষা-সমস্যা, খাদ্য-সমস্যা, মাধ্যম আন্দোলনৰ সমস্যা— অনেক সমস্যা : অৰ্থনৈতিক সমস্যা, ৰাজনৈতিক সমস্যা, সাম্প্ৰদায়িক সমস্যা।

এই আটাইবোৰ সমস্যাৰ মাজেদি সৰকি আহি অসম সাহিত্য সভাই ষাঠিটা বছৰ পূৰ্ণ কৰাৰ সময়ত ঘূৰি চালে দেখা পোৱা যাব— ১৯১৭—১৮ চনৰ বছৰটোত ১৬২ টকা ১২ অনা ৬ পাই আয় আৰু ১০৮ টকা ৩ পাই ব্যয়েৰে আৰম্ভ কৰা অনুষ্ঠানটিয়ে ১৯৭৬—৭৭ চনত ৪,৭৭,৫৭৬·৫৯ টকা আয় আৰু ৪,৪৮,৩৭০·০০ টকা ব্যয়ৰ হিচাপ চুইছেহি। ১৯১৯ চনত মাহে ১০ টকা বেতন হাৰত সৃষ্টি কৰা কাৰ্যালয়-সহকাৰীৰ বানচে তাৰ ত্ৰিছ গুণতকৈও অধিক হাৰ চুইছেহি। ১৯১৭-১৮ চনত যোৰহাট, গুৱাহাটীৰ অ. ভা. উ. সা., তেজপুৰ অ. ভা. উ. সা., নগাঁও অ. ভা. উ. সা., উত্তৰ লক্ষীমপু[ৰ] সাহিত্য সভা, নাজিৰা সাহিত্য সভা, নলবাৰী সাহিত্য সভা, শিৱসাগৰ সাহিত্য সভা, গৌৰীপুৰ সাহিত্য সভা, গোলাঘাট সাহিত্য সভা আৰু মঙলদৈ সাহিত্য সভা— এই ১১ খন শাখা সভাৰে আৰু শিৱসাগৰ বিমলালয়া সভা আৰু ডিব্ৰুগড় সাহিত্য সভা এ[ই] দুখন স্বীকৃত সভাৰে গঠিত অসম সাহিত্য সভাৰ শাখাৰ সংখ্যা ১৯৭৬-৭৭ চনত ৪৯৫ খন। ১৯১৪-১৫ চনত— তাৰাপ্ৰসাদ চলিহা, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ গোহাঞিবৰুৱা, ৰজনী কান্ত বৰদলৈ, কালিৰাম মেধি, ঈশ্বৰপ্ৰসাদ বৰুৱা, গঙ্গাৰাম চৌধুৰী, নন্দেশ্বৰ চক্ৰৱৰ্তী, জিতেন্দ্ৰকুমাৰ দাস— এই ১০ জন আজীৱন সভ্যৰে আৰম্ভ হোৱা আজীৱন সভ্যৰ সংখ্যা – ১৯৭৬-৭৭ চনত ৮৪৩ জন হৈছেহি। ১৯১৭ চনৰ পৰা ১৯২৪ চনলৈকে সম্পাদকৰ ঘৰে ঘৰে ঘূৰি ফুৰা অসম সাহিত্য সভাৰ কাৰ্যালয়ে দানবীৰ ৰাধাকান্ত সন্দিকৈৰ দানেৰে পালে কেন্দ্ৰীয় কাৰ্যালয় স্বৰূপে চন্দ্ৰকান্ত সন্দিকৈ ভৱন, আৰু পাৰ্বতীপ্ৰসাদ বৰুৱাৰ দান আৰু চৰকাৰী অনুদানেৰে ১৯৬৪-৬৫ চনত পালে গুৱাহাটী কাৰ্যালয় ভগৱতীপ্ৰসাদ বৰুৱা ভৱন। ইয়াৰ উপৰিও কেন্দ্ৰীয় কাৰ্যালয়ৰ চৌহদতে— দানবীৰ ৰাধাকান্ত সন্দিকৈৰ নামত ১৯ লাখ টকা ব্যয়েৰে 'অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ কেন্দ্ৰীয় বিদ্যাসদন' এটি গঢ়ি তুলিবলৈ



সভাই যো-জা কৰিছে।

১৯১৭ চনত প্ৰতিষ্ঠিত 'আসাম সাহিত্য সভা'ক 'অসম সাহিত্য সভা' কৰিবলৈ ১৯১৯ চনতে প্ৰস্তাৱ লোৱা হৈছিল যদিও ১৯৪০ চনত তাৰ সংশোধন হয় আৰু ১৯৪৪ চনৰ পৰাহে এই নাম সঞ্চালনিকৈ চলে। ১৯২৪ চনৰ ১৭ মাৰ্চ তাৰিখে Memorandum of Association দি পঞ্জীবদ্ধ কৰিবৰ কাৰণে দিয়া আবেদনৰ মৰ্মে ১৯২৪ চনৰ ৫ মে' তাৰিখে W. L. Scott ৰ স্বাক্ষৰত পঞ্জীবদ্ধ হোৱা অসম সাহিত্য সভাই ১৯২৩ চনতে লাভ কৰে কমলাদেৱী অক্ষয় পুঁজি। তাৰ পৰা—ৰাধাকান্ত সন্দিকৈয়ে দিয়া চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস পুঁজি, দক্ষিণপাটীয় অধিকাৰে দিয়া নৰদেৱ গোস্বামী ন্যাস পুঁজিৰে আৰম্ভ হোৱা ন্যাস পুঁজি গঠনে সভাৰ লক্ষ্য আৰু উদ্দেশ্য পূৰণৰ বাবে যোগায় আৰ্থিক ভেটি আৰু সহায়। এতিয়া ডিগবৈ সাহিত্য সেৱা সমিতি ন্যাস, উগ্ৰতাৰা ন্যাস, হৰিহৰ চৌধুৰী অক্ষয় পুঁজি, বনমালী শইকীয়া অক্ষয় পুঁজি, প্ৰেমধৰ দত্ত স্মাৰক অক্ষয় পুঁজি, মোহন চন্দ্ৰ শৰ্মা অক্ষয় পুঁজি, চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত সামাজিক সমাৰোহ অক্ষয় পুঁজি, ৰাধাকান্ত সন্দিকৈ স্মাৰক সমাৰোহ অক্ষয় পুঁজি, — এইকেইটি অক্ষয় পুঁজি; ভগৱতীপ্ৰসাদ বৰুৱা অৱৰক্ষণ পুঁজি, শৰৎ চন্দ্ৰ গোস্বামী স্মৃতি পুঁজি, ৰাধাকান্ত সন্দিকৈ ভৱন পুঁজি, বিষ্ণুৰাম মেধি ন্যাস পুঁজি, গোপাল চন্দ্ৰ গোস্বামী স্মাৰক পুঁজি (এই পুঁজিৰ কাৰ্য শেষ হ'ল) আদি পুঁজি সাহিত্য সভাত ন্যস্ত হৈ আছে আৰু এই পুঁজিসমূহৰ সুতেৰে বাঞ্ছিত কাৰ্য কৰা হৈ আছে।

১৯২৬ চনত সভাই প্ৰকাশ কৰিবলৈ লোৱা তিনিমহীয়া অসম সাহিত্য সভা পত্ৰিকাই মাজতে যুদ্ধ আৰু অন্যান্য বিঘিনিৰ বাবে ১৭ টা মান বছৰ হেকৰালেও চতুস্ত্ৰিংশ বছৰত ভৰি দিছেহি। তেনেকৈ ১৯২৭ চনতে আৰম্ভ কৰা সভাৰ প্ৰকাশনৰ তালিকাখন যোৱা ৬০ বছৰত ১৫০ খনতকৈও অধিক প্ৰকাশনেৰে ভৰি পৰিছে। অসমীয়া অভিধান, প্ৰাচীন পুথি-পত্ৰ, অসমৰ বিভিন্ন গোটৰ লোকৰ সাংস্কৃতিক জীৱনৰ অধ্যয়নমূলক গ্ৰন্থ, ভাষা-সাহিত্য-সংস্কৃতিৰ উপৰিও অন্যান্য জ্ঞান-বিজ্ঞানৰ বিষয় জ্ঞাপক গ্ৰন্থ, কেইবাগৰাকীও প্ৰথিতযশা ব্যক্তিৰ ৰচনাৱলী আৰু কেইবাগৰাকীও প্ৰসিদ্ধ সাহিত্যিকৰ জীৱন আৰু প্ৰতিভাৰ পৰিচায়ক গ্ৰন্থৰে প্ৰকাশনৰ তালিকা পূৰ্ণ। Studies in the early History of Assam, Development of Script in ancient Kamrupa, This is Assam আদি গ্ৰন্থই ইতিমধ্যেই ৰাজ্যৰ বাহিৰতো অনেক বিশিষ্ট পণ্ডিতৰ দৃষ্টি আকৰ্ষণ কৰিছে। এটা ৰাজহুৱা অনুষ্ঠানৰ ৬০ বছৰীয়া জীৱন-কালত ১৫০ খন গ্ৰন্থৰ প্ৰকাশ এটি উল্লেখযোগ্য অভিলেখ।

গ্ৰন্থ প্ৰকাশৰ উপৰিও সাহিত্য সভাই ১৯৭৪ চনৰ পৰা ১৯৭৭ চনলৈকে চাৰিটি স্মাৰক বক্তৃতাৰ আয়োজন কৰিছে আৰু এই বক্তৃতা সন্নিবিষ্ট গ্ৰন্থ কেইখনৰ কথাও উল্লেখযোগ্য। ইয়াৰ উপৰি ১৯৭৩ চনৰ পৰা সভাই অসমৰ প্ৰবীণ-নবীন লেখক-লেখিকাসকলক লৈ আয়োজন কৰি আহিছে প্ৰতিবছৰে একোটি লেখক-শিবিৰ। এই শিবিৰৰ আলোচনাসমূহো গ্ৰন্থাকাৰে প্ৰকাশিত হৈছে।

অসমীয়া ভাষা অন-অসমীয়াসকলৰ ওচৰ ওপাই দিবৰ কাৰণে পূৰ্বতে দুটা স্তৰত আৰু এতিয়া চাৰিটা স্তৰত ভাষাজ্ঞান পৰীক্ষা গ্ৰহণ কৰাৰ উপৰিও ভাষা-শিক্ষা শ্ৰেণীও খুলিছিল। কাৰণ, অসম সাহিত্য সভাই নিজৰ দৃষ্টিভঙ্গী স্পষ্টকৈয়ে প্ৰকাশ কৰি কৈ আহিছে যে উত্তৰ-পূব ভাৰতৰ এই অঞ্চলটোৰ বিভিন্ন ভাষাগোটৰ মানুহক একত্ৰিত কৰি ৰাখিবলৈ হ'লে অসমীয়া ভাষাক সংযোগী ভাষা হিচাপে ৰখাৰ এটি

সুন্দৰ ব্যৱস্থা হ'বই লাগিব। অসম তথা উত্তৰ-পূৱ ভাৰতৰ থলুৱা ভাষাসমূহক বিকাশৰ সুযোগ দিয়েই এই কাম কৰিব লাগিব; অন্যথা — ভাই-ভাই ঠাই-ঠাই হোৱাৰ উপক্ৰম হ'ব। সাহিত্য সভাই থলুৱা জনগোটসমূহৰ বিশিষ্ট সাংস্কৃতিক সমলকো নিজৰ একান্ত অধ্যয়নৰ অন্তৰ্ভুক্ত কৰি আহিছে বাবেই প্ৰকাশনৰ এটা ডাঙৰ অংশ সেই উদ্দেশ্যে ব্যয় কৰি আহিছে। সভাৰ বাৰ্ষিক অধিৱেশনসমূহৰ সাংস্কৃতিক সন্মিলনত অসমীয়া সংস্কৃতিৰ বৈচিত্ৰ্যপূৰ্ণ প্ৰকাশত গুৰুত্ব দি আহিছে।

অসম সাহিত্য সভা গঠিত হৈছিল— অসমীয়া ভাষাৰ স্বাধিকাৰ ৰক্ষা আৰু বিকাশ সাধনৰ বাবে, অসমীয়া সাহিত্যৰ সৰ্বতোমুখী বিকাশ সাধনৰ বাবে আৰু অসমীয়া সংস্কৃতিৰ বিভিন্ন দিশ ( চিত্ৰ, সংগীত আদি )ৰ উন্নয়নত সাহায্য কৰাৰ বাবে। সভাৰ নিয়মাৱলীত স্পষ্টভাৱেই সভাৰ এই উদ্দেশ্যসমূহ ব্যক্ত কৰা আছে। সভাই যেতিয়া ৰাজ্যভাষা আন্দোলন গঢ়ি তুলিছিল, মাধ্যম আন্দোলনত অংশ লৈছিল— তেতিয়া সভা নিজৰ ব্যক্ত উদ্দেশ্য সাধনৰ বাবেই তেনে আন্দোলন কৰিবলৈ বাধ্য হৈছিল। যিসকলে অসম সাহিত্য সভাক সঙ্কীৰ্ণ জাতীয়তাৰ আনুভূতিক কেন্দ্ৰ বুলি ভাবে, সেই উদাৰহৃদয়সকলে সাহিত্য সভাৰ কৃত সকলো কৰ্মকে নস্যাৎ কৰি সভাৰ গাত নিজৰ ইচ্ছামতে বোকা ছটিওৱাৰ সুবিধা গ্ৰহণ কৰে।

যেতিয়া ষাঠি বছৰীয়া সাহিত্য সভাৰ এৰি অহা দিনবোৰৰ কথা বিচাৰ কৰোঁ,— তেতিয়া স্বাভাৱিক-ভাৱেই সাহিত্য সভাৰ কৃতকৰ্মৰ তালিকাখনেই মনলৈ আহে। সন্দেহ নাই, যি সময়ত অসম সাহিত্য সভা স্থাপিত হৈছিল, সেই সময়ত সভাৰ সন্মুখত ডাঙৰ প্ৰত্যাহ্বান আছিল— অসমীয়া ভাষা-সাহিত্যক এটা বিশিষ্ট স্তৰলৈ উন্নীত কৰা, তাৰ বাবে সামূহিক চিন্তা-চৰ্চা কৰা আৰু জাগৰণ সৃষ্টি কৰা। অসমীয়া ভাষা-সাহিত্যৰ যিখিনি সম্পদ আছে,— সেইখিনিক আমাৰ জাতীয় ভাষা-সাহিত্যৰ ভেটিস্বৰূপে আনৰ চকুৰ আগত দাঙি ধৰা আৰু নিজৰ মনতো প্ৰত্যয় জন্মোৱাৰ প্ৰয়োজন তীব্ৰভাৱেই অনুভূত হৈছিল। 'জোনাকী'ৰ প্ৰথম সম্পাদকীয় আৰু অ. ভা. উ. সা. সভাৰ কাৰ্য-বিৱৰণিত ব্যক্ত উদ্দেশ্যৰ কথাও প্ৰসঙ্গতঃ স্মৰণীয়। এই উদ্দেশ্যসমূহৰ লগত সভাৰ নিয়মাৱলীত ব্যক্ত উদ্দেশ্যৰ সাদৃশ্য সহজেই চকুত পৰে।

প্ৰথমৰে পৰা সভাই সেই বাবে তেতিয়াৰ বৃটিছ চৰকাৰৰ ওচৰত সভাৰ নিজৰ দাবীৰ সমৰ্থনত যুক্তি আৰু তথ্য পেছ কৰি আহিছিল। মনত ৰখা দৰকাৰ,— সভাৰ দাবীৰ ফলতেই কটন কলেজত অসমীয়াৰ এজন স্থায়ী অধ্যাপকৰ নিযুক্তি দিবলৈ চৰকাৰ আৰু বিশ্ববিদ্যালয় কৰ্তৃপক্ষ মান্তি হ'বলগীয়া হৈছিল, সভাৰ দাবীতেই চৰকাৰে পৃথিবছা সমিতিত সভাৰ প্ৰতিনিধিত্বৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰি লৈছিল, সভাৰ যত্নতেই কাছাৰৰ অসমীয়াভাষী গাঁওসমূহত অসমীয়া ভাষাৰ প্ৰাথমিক বিদ্যালয় স্থাপনৰ কাম হৈছিল। অসমীয়া ভাষাত ( স্নাতক পৰ্যায়ত ) অনাৰ্ছৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাবে স্থান নিৰূপণ কৰা আদি বিষয়ত সভাৰ দাবী আৰু মতৰ গুৰুত্ব অনস্বীকাৰ্য। দেশে বৃটিছৰ শাসনৰ পৰা মুক্তি লাভ কৰাৰ পাছত সভাই জাতীয় চৰকাৰৰ ওচৰত পেছ কৰি অহা দাবীসমূহৰ কথাও উল্লেখযোগ্য। ১৯৫০ চনৰ পৰাই সভাই অসমীয়া ভাষাক ৰাজ্যভাষা স্বৰূপে ঘোষণা কৰাৰ দাবী কৰি আহিছিল আৰু অনেক তেজ আৰু চকুপানীৰ বিনিময়ত ১৯৬০ চনত সেই দাবী পূৰণ হৈছিল। অৱশ্যে এতিয়াও ৰাজ্যভাষা আইনৰ পূৰ্ণ প্ৰয়োগ সফলভাৱে নোহোৱাটো দুখ আৰু লাজৰ কথা হৈ আছে।



[অস]মীয়া ভাষাক বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম কৰাৰ [প্ৰ]বৰ্তন কৰা সভাৰ দাবী আৰু আন্দোলনে সফলতা [লা]ভ কৰিলেও এতিয়াও এচাম লোকে ইংৰাজীক [মাধ্য]ম কৰি ৰখাৰ মোহ ত্যাগ কৰিব নোৱাৰাটোও [পৰিতা]পনেই পৰিতাপৰ কথা।

[অস]ম সাহিত্য সভাই গোৱালপাৰাক বঙ্গভুক্ত হোৱাৰ [পৰা] ৰক্ষা কৰাত যি ভূমিকা লবলগীয়া হৈছিল, [সে]ই কথাও স্মৰণীয়। ব্ৰহ্মপুত্ৰৰ দলং আৰু কলং [দলং]ৰ নামকৰণ যিদৰে সভাৰ প্ৰস্তাৱ মতে [হৈছি]ল, তেনেদৰে ৰেলৱে স্কুলত অসমীয়া শ্ৰেণী [খো]লা কাৰ্যৰো আৰম্ভণি কৰিছে। সভাৰ যত্নতেই [কেইজন]মান অসমীয়া ব্যক্তিৰ নামত ডাকটিকট প্ৰকাশিত [হৈছে]।

[১৯]১১ চনত আনন্দৰাম ঢেকিয়ালফুকনৰ মৃত্যু-শত-বাৰ্ষিকীৰ আয়োজন কৰাৰ পাছত সমগ্ৰ ৰাজ্য[জু]ৰি আৰু ৰাজ্যৰ বাহিৰতো বিপুল উৎসাহ-উদ্দীপনাৰে বেজবৰুৱাৰ জন্ম-শতবাৰ্ষিকী উছৱ উদ্‌যাপিত হ'ল। ইয়াৰ পাছত সভাই গোহাঞিঃ বৰুৱা, হেমচন্দ্ৰ গোস্বামী, চন্দ্ৰধৰ বৰুৱা, আনন্দচন্দ্ৰ আগৰৱালা, কনকলাল বৰুৱা, মফিজুদ্দিন আহমদ হাজৰিকা, ৰাধানাথ ফুকন, নবীনচন্দ্ৰ বৰদলৈ, তৰুণৰাম ফুকন আদি সকলৰ জন্ম-শতবাৰ্ষিকী উছৱ উদ্‌যাপন কৰি আহিছে। এইসকলৰ গ্ৰন্থাৱলী প্ৰকাশৰ বাবে লোৱা যত্নৰ কথাও স্মৰণীয়। আৰু এটি উল্লেখযোগ্য কথা— অসম সাহিত্য সভাৰ প্ৰস্তাৱ মতেই অসম চৰকাৰে অসম প্ৰকাশন পৰিষদ স্থাপন কৰিবলৈ সন্মতি প্ৰকাশ কৰি ব্যৱস্থা হাতত লৈছিল।

সভাই কৰি অহা কামৰ অনেকৰ যিদৰে স্থায়ী মূল্য আছে, অনেক কৰ্মৰ সেইদৰে হয়তো সাময়িক মূল্যহে আছে। যিসকলে কেৱল সাময়িক মূল্যৰ কৰ্মখিনিহে দেখে, তেখেতসকলক স্থায়ী মূল্যৰ কৰ্মখিনিৰ প্ৰতিও দৃষ্টিপাত কৰিবলৈ নিশ্চয় আহ্বান জনাব পাৰি। ×


## ANNALS OF ASAM SAHITYA SABHA.

অসম সাহিত্য সভা এতিয়া এটি সাহিত্যিক অনুষ্ঠানেই নহয়; ই অসমীয়া জনসাধাৰণ
তথা অসমৰ জাতীয় জীৱনৰ আশা-আকাংক্ষাৰ পূৰ্ণ প্ৰতীক। ১৯১৭ চনতে প্ৰতিষ্ঠা লাভ
কৰা অসমৰ এই মহৎ আৰু বৃহৎ অনুষ্ঠানটো এতিয়া নিজেই বুৰঞ্জী হৈ পৰিছে। অসম
সাহিত্য সভাৰ প্ৰধান সম্পাদক, উপ-সভাপতি আৰু সভাপতি ৰূপে থাকি, আৰু অনুষ্ঠানটিৰ
এজন 'কাণ-সমনীয়া' হিচাপে ডঃ মহেশ্বৰ নেওগে এই বুৰঞ্জী পোহৰলৈ আনিছে ANNALS
OF ASAM SAHITYA SABHA গ্ৰন্থত। অসমীয়া ভাষা-সাহিত্য তথা অসমৰ জাতীয়
জীৱনৰ স্বৰূপ নিজে জানিবলৈ আৰু অন-অসমীয়াসকলক জনাবলৈ এই গ্ৰন্থখনেই একমাত্ৰ
নিৰ্ভৰযোগ্য অৱলম্বন। গ্ৰন্থখনৰ মূল্য ১০'০০ টকা। পৃষ্ঠা-সংখ্যা ১০+৮০।

# সাহিত্য সভাৰ পৰা কি পালোঁ, কি থলোঁ

শ্ৰীবেণুধৰ শৰ্ম্মা

১৯২২ চন মানৰ পৰাই অসম সাহিত্য সভাৰ লগত মোৰ সম্পৰ্কটো লাহে লাহে ঘনিষ্ঠ হৈ আহিবলৈ ধৰে। যোমকৰোঁ, সেই বছৰতে ডিব্ৰুগড়ত কোনোবা এখন বছৰেকীয়া অধিৱেশন হৈছিল; সভাপতি আছিল ৺কনকলাল বৰুৱা।• তেখেতৰ প্ৰতি আগৰে পৰা এটা বিশেষ ভক্তি-ভাব মোৰ অন্তৰত সোমাই আছিল। সেই সাহিত্য সভালৈ যোৱাৰ উদ্দেশ্য, সভাত যোগ দিয়াটোতকৈ তেখেতক চোৱা-টোতহে বিশেষ হেঁপাহ আছিল। সভা বহিছিল ডিব্ৰুগড়ৰ জৰ্জ স্কুলৰ টোলত। তাত এইসকল আগেয়ে নেদেখা মানুহক পোন প্ৰথমেই দেখিলোঁ :— অসমীয়া ভাষাৰ দ্বিতীয় নাটক ভ্ৰমৰঙ্গৰ লগত যোগ-সূত্ৰ থকা শিৱৰাম শৰ্মা; 'টাইম্‌ছ্‌ অব্‌ আছামৰ' সম্পাদক ৰাধানাথ চাংকাকতী; 'বিয়া নহয় বিহ' বোলা গল্প লেখি সেই কালৰ অসমীয়া সাহিত্যত হৈ চৈ লগোৱা আলোচনী-সম্পাদক দুৰ্গানাথ চাংকাকতী; সৰু সামান্য ভ্ৰমণ-কাহিনী এটাকে বাছকবনীয়া শব্দেৰে আটোম-টোকাৰিকৈ লেখোঁতা জ্ঞানানন্দ ভগতী বা তুলসী প্ৰসাদ দত্ত; মুখে মুখে জিলাধিপতি চাহাবক অন্যায় দেখিলে বাধে ধৰাদি ধৰোঁতা ৰায়বাহাদুৰ নীলাম্বৰ দত্ত; জৰ্জ স্কুলৰ উন্নতি-হকে দেহ-মন টাঁকি কাম কৰোঁতা গোবিন্দ শৰ্ম্মা; হৰিবিলাস আগৰৱালাৰ পাছতে গোটেই অসমতে সম্পাদনিকৈ বৈষ্ণৱ সাহিত্য প্ৰচাৰ কৰোঁতা ভট্টাচাৰ্য এজেন্সীৰ স্বত্বাধিকাৰী ভংভঙ্গীয়া পুৰুষ শিৱনাথ ভট্টাচাৰ্য, স্কুল পঢ়োঁতেই শ্ৰেণীত কাঠ পেঞ্চিল বেচি পাছত লাখপতি হোৱা ধৰ্মে কৰ্মে আদৰ্শবান, 'টী প্লেণ্টাৰ' আৰু এজেন্সী কোম্পানীৰ প্ৰতিষ্ঠাপক — এই সকলোকে মুখ্য কৰি ভালেমান বিশিষ্ট গণ্যমান্য লোকক। সেই অধি-ৱেশনতেই নাট্যাচাৰ্য ইন্দ্ৰেশ্বৰ বৰঠাকুৰৰ সভাপতিত্বত সঙ্গীত শাখাৰ স্থাপনা পতা হয়। যোৰহাটত অমৃত ভূষণ অধিকাৰীৰ সভাপতিত্বত যি অধিৱেশন হয়, তাৰ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল ৰায়বাহাদুৰ শিৱপ্ৰসাদ বৰুৱা।‡ তেখেতৰ অভিভাষণত লেখা সাহিত্য আৰু বিজ্ঞানৰ পাৰ্থক্যটোৰ বিশেষ সূত্ৰটি আজিও পাহৰিব পৰা নাই। পাছত শুনিছিলোঁ, সেই ভাষণখন হেনো তেখেতৰ ভাগিনীয়েক, মুখিতে-পকা প্ৰতিভা-সম্পন্ন ( Precocious ) ভগৱতীপ্ৰসাদ বৰুৱাই লেখি দিছিল।

১৯২৪ চনত গুৱাহাটীত লক্ষ্মীনাথ বেজবৰুৱাক সভা-পতি হিচাপে লৈ যিখন সভাৰ যি ঐতিহাসিক

• কনকলাল বৰুৱাই সভাপতিত্ব কৰিছিল ডিব্ৰুগড়ত ১৯২৪ চনৰ ১৯ আৰু ২০ এপ্ৰিলত অনুষ্ঠিত ষষ্ঠ অধি-ৱেশনতহে। —পত্ৰিকা সম্পাদক।

‡ দানবীৰ ৰাধাকান্ত সন্দিকৈহে। —পত্ৰিকা সম্পাদক।



অধিৱেশন পতা হৈছিল, সেইখনতে সাহিত্য সভাৰ প্ৰধান সম্পাদক শৰৎ চন্দ্ৰ গোস্বামীদেৱৰ প্ৰস্তাৱ আৰু অধ্যাপক সূৰ্যকুমাৰ ভূঞাৰ সমৰ্থনত মই সাহিত্য সভাৰ প্ৰচাৰক নিযুক্ত হওঁ। তেতিয়াৰ পৰাই সৰ্ব্বদিয়েক সাহিত্য সভাৰ নিমিত্তে গা-লাগি কাম কৰোঁ। আৰু অসমৰ গাৱেঁ-ভূঞে বহুত ঠাইত আৰু কলি-কতাতো সভা-সমিতি পাতি অসমীয়া ভাষা আৰু তাৰ উন্নতি-কল্পে আমি কি কৰা উচিত, ইত্যাদি নানান বিষয়ক আলোচনা কৰা আৰু বক্তৃতা দিয়া হয়। শাখা সভাও খনচেৰেক পতা হ'ল। কিন্তু ম'হতকৈ শিং ডাঙৰ। সভা-সমিতি পাতি সাহিত্য সভাৰ সভ্য কৰা, মাচুল-বৰঙনি তুলি সভাৰ আৰ্থিক অৱস্থা নিকিয়াল কৰা দূৰৈত থাকক, মোৰ খোৱা-ফুৰা খৰচটোকে জোৰাব নোৱাৰিলোঁ। এই বিষয়ত এজন মানুহলৈ শ্ৰদ্ধা নজনাই নোৱাৰিলোঁ। এখেতে নিৰৱে উজনি অসম ঘূৰি-পকি আগৰ জোৰাত অসম সাহিত্য সভাৰ যুগমীয়া সৌধটি উভি থৈ গ'ল, তাৰ তুলনাত মোৰ প্ৰচাৰ-কাৰ্য একোৱেই নহয়। এখেতেই হৈছে শৰৎ চন্দ্ৰ গোস্বামী, যাৰ ছাঁ— হৰিনাৰায়ণ দত্তবৰুৱা। সেই সভাৰ দিনা গধূলি বিষয়-বাছনী সভাত বেজবৰুৱা-গোহাঞিবৰুৱাৰ, আৰু পাছত ৰজনীকান্ত বৰদলৈৰ মিলন-দৃশ্য লেখত ল'বলগীয়া। সভাৰ পাছদিনা কটন কলেজৰ হুড্‌মাৰ্টিন হলত যি জলপনীয়া মেল হৈছিল, পদ্মনাথ গোহাঞিবৰুৱাই তাত কোৱা কলিকতীয়া সাহিত্যিক জীৱনৰ কথাত সমজুৱাৰ হাঁহিত পেটৰ নাড়ী ছিগি যোৱা যেন হৈছিল। নগাঁৱত ৰজনীকান্ত বৰদলৈৰ সভাপতিত্বত হোৱা আদৰণী সভাৰ সভাপতি আছিল জ্ঞানদাভিৰাম বৰুৱা। সঙ্গীত শাখাৰ সভাপতি আছিল চন্দ্ৰধৰ বৰুৱা, বুৰঞ্জী শাখাৰ আছিল হিতেশ্বৰ বৰবৰুৱা ডাঙৰীয়া। বৰবৰুৱাৰ ভাষণত চীন-বৰ্মাৰে সৈতে পুৰণি কালত থকা বেপাৰ-বাণিজ্যৰ সম্পৰ্ক আৰু অহা-যোৱা বাট-পথৰ সম্ভেদ দিয়া হৈছিল। চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে সেই সাহিত্য সভাৰ আলমতে মহিলা সভা পাতি-বলৈ আয়োজন কৰিছিল আৰু তাত যিসকল প্ৰতিনিধি উপস্থিত আছিল, প্ৰায় সকলোৱেই আছিল ডাঙৰ ডাঙৰ চৰকাৰী বিষয়া। বেণুধৰ ৰাজখোৱা ডাঙৰীয়াৰ পৰামৰ্শমতে এই চলতে আমি সকলো প্ৰতিনিধি আৰু দৰ্শকে শ্ৰীমন্তশঙ্কৰৰ বৰদোৱা থান, শঙ্কৰ-শিলিখা আৰু আকাশী-গঙ্গা চাই জীৱন ধন্য সাৰ্থক কৰিলোঁহঁক।

গোলাঘাটৰ সন্মিলনত— যিখনত জ্ঞান-মালিনীৰ গ্ৰন্থ-কাৰ সভাপতি আছিল, তাত বুৰঞ্জী শাখাৰ সভাপতি আছিল ৰজনীকুমাৰ পদ্মপতি। মূল সভাৰ প্ৰস্তাৱ-বিলাকৰ আলোচনাতকৈ বুৰঞ্জী শাখাৰ আলোচনাই সকলোকে উত্তপ্ত কৰি পেলাইছিল। হিতেশ্বৰ বৰ-বৰুৱা, শ্ৰীযুত নীলমণি ফুকন, দ্বাৰিকানাথ গোস্বামী, কৃষ্ণপ্ৰসাদ হুৱৰা আৰু সৰ্বেশ্বৰ কটকী — এই সকলে তাত আগভাগ লৈছিল। ময়ো অলপ-অচৰপ লৈছিলোঁ। প্ৰতিনিধিসকলৰ মাজত চাঞ্চল্যৰ সৃষ্টি হোৱাৰ মূল কাৰণটো আছিল নগেন্দ্ৰনাথ বসুৰ 'ৰাম ভূঞা' বোলা গৱেষণামূলক গ্ৰন্থত থকা এষাৰি কাচী বুৰঞ্জীৰ পৰা উদ্ধৃত কৰা বাক্যত। সেই সভাৰ আলমতে গোলাঘাটীয়া ডেকাবিলাকে ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱাৰ পুতেক মহেন্দ্ৰ বৰুৱাৰ উদ্যোগত এখনি যুৱক-সন্মিলনী পাতে। তাৰ সভাপতি আছিল দেশভক্ত তৰুণৰাম ফুকন। সাহিত্য সভা ভগাৰ পাছত তেখেতে সেই সভাৰ সভাপতিৰ বাব গ্ৰহণ কৰি যিষাৰ মৰ্মভেদী কথাৰে বক্তৃতাৰ পাতনি মেলিছিল, সেইষাৰ কথা আজিও মোৰ হৃদয়ৰ এচুকত খাম বান্ধি আছে। সেইষাৰ হৈছে "তৰুণ ফুকন আজিও মৰা নাই।" সেই সময়ত ফুকন ডাঙৰীয়া কংগ্ৰেছৰ ভিতৰত নাথাকি বাহিৰৰ পৰাই 'মিলিত জনসঙ্ঘ'ৰ নামত দেশ-সেৱা কৰি আছিল।

তাৰ পাছত শিৱসাগৰত বহা অধিৱেশনত লক্ষ্মীনাথ বেজবৰুৱাক সম্বৰ্দ্ধনা জনোৱা হৈছিল। তেতিয়া কংগ্ৰেছ আন্দোলনে শিৱসাগৰখন তল-ওপৰ কৰি থৈছিল। বেজবৰুৱা ডাঙৰীয়াই বেলত আহোঁতে চাহাবী পোছাকে সৈতে ভ্ৰমণ কৰিছিল। তাকে দেখি বাটত ল'ৰাই কৃপাবৰ বৰবৰুৱাৰ অভ্যৰ্থনা বুলি এটা তেভূচালি সমদল উলিয়াইছিল। ভুবনচন্দ্ৰ গগৈ আছিল অভ্যৰ্থনা সমিতিৰ সভাপতি। বুৰঞ্জী শাখাৰ সভাপতি আছিল গুৱাহাটীৰ সোণাৰাম চৌধুৰী। সৰ্বেশ্বৰ কটকী আৰু সৰ্বেশ্বৰ বৰুৱাকে প্ৰমুখ্য কৰি বুৰঞ্জীত বাপ থকা প্ৰতিনিধিসকলে আলোচনাত গুৰুত্বপূৰ্ণ ৰূপে যোগ দিছিল। লক্ষ্মীকান্ত বৰুৱা, তাৰাপ্ৰসাদ চলিহাই বাতিক দিনৈকে খাটিছিল। ডিব্ৰুগড়ৰ মৌলবী ফৈজনুৰ আলি বি এল চাহাবে সেই শাখা সভাতে কৈছিল— জয়ধ্বজ সিংহই অন্যায় কৰি গুৱাহাটী আক্ৰমণ কৰাতহে মীৰজুমলাই অসমখন আক্ৰমণ কৰিলেহি। সেই কথাৰ প্ৰতিবাদ কৰি মই কৈছিলোঁ: স্বৰ্গদেৱে অন্যায় কৰা নাই। কোচবিহাৰৰ পৰা হাজোলৈ বুলি অহা এজন আক্ৰমণকাৰীক খেদি-বলৈহে জয়ধ্বজে পোতা কলঙত দলং দি পাৰ হৈ গৈছিল। সেই কথাত সন্দেহ কৰিহে মীৰজুমলা আহিছিল আৰু আমাৰ মানুহৰ বিশ্বাসঘাতকতাৰ সুযোগ লৈ মীৰজুমলাই গড়গাঁও দখল কৰি এবছৰ থাকেহি।

জ্ঞানদাভিৰাম বৰুৱাৰ সভাপতিত্বত উত্তৰ লক্ষীমপুৰত যিবাৰ সাহিত্য সভা বহে, সেইবাৰতে সাহিত্য সভাৰ উপৰিও কেইবাখনো শাখা সভা বহিছিল। বুৰঞ্জী শাখাৰ সভাপতি আছিল সৰ্বেশ্বৰ কটকী; অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল সৰ্বেশ্বৰ বৰুৱা। সেই সভাত চুটিয়া ৰজাসকলৰ বুৰঞ্জী আলোচনা কৰা হৈছিল। তামৰ ফলি, কাঁহৰ ঘণ্টা আদিও প্ৰদৰ্শন কৰা হৈছিল। পদ্মনাথ গোহাঞিবৰুৱা ডাঙৰীয়াক সেই সভাৰ মণ্ডপতে সম্বৰ্দ্ধনা জনোৱা হয়। সেই-বাৰ শিক্ষক সন্মিলন এখনো হৈছিল আৰু সেই সন্মিলনৰ সভাপতি আছিল শ্ৰীযুত নীলমণি ফুকন। কুলধৰ চলিহাৰ সভাপতিত্বত কৃষক সন্মিলন এখনো হৈছিল। সাহিত্য সভাৰ পাছদিনা তাৰ চিভিল হস্পিতেলৰ কাকতী ডাক্তৰে প্ৰতিনিধিসকলক 'জল-পান কৰাইছিল।' সেই জলপনীয়া মেলখন ইমান উপাদেয় হৈছিল যে তাত গোহাঞিবৰুৱা ডাঙৰীয়াই তেখেতৰ অন্তৰত লুকাই থকা তেখেতৰ স্বাভাৱিক ৰহঘৰাটো মুক্তভাৱে উদঙাই দিছিল। আমি বাগৰি বাগৰি হাঁহিছিলোঁহঁক।

শিৱসাগৰত শ্ৰীযুত নীলমণি ফুকনৰ সভাপতিত্বত বহা সভাৰ লগতে লাইব্ৰেৰী কন্‌ফাৰেন্স এখনবো দিহা কৰা হৈছিল ছাৰ চৈয়দ চান্দুল্লা চাহাবক সভাপতি মনোনীত কৰি। মই আছিলোঁ সেই লাইব্ৰেৰী উদ্বোধনী সভাৰ সম্পাদক। চান্দুল্লা চাহাব আহি শিৱসাগৰত আমাৰ শিক্ষক মৌলবী মহিবুল্লাৰ ঘৰত আলহী হৈ আছিলহি। সাহিত্য সভালৈ চান্দুল্লা চাহাব নাহোঁ বুলি ঠোহ ধৰি আছিল। মই গ'লত তেখেতে দুখ কৰি কৈছিল, "মই কালিয়েই আহিলোঁ; আজি এই দহ বজালৈকে সাহিত্য সভাৰ মূল কাৰ্যকাৰকসকলৰ এজনেওনো মোক দেখা কৰিবহি নাপায়নে? বাৰু, যি হ'ল হ'ল, তুমি মোৰ টালিগঞ্জৰ বন্ধু, তোমাৰ অনুৰোধ এবাব নোৱাৰি মই যাওঁ বাৰু। পিছে, লাইব্ৰেৰী খুলিম; কথা নকওঁ।" এইবুলি কৈ তেখেত মই নিয়া গাড়ীখনতে সভালৈ আহিল। কিন্তু লাইব্ৰেৰী সম্পৰ্কে একো বক্তৃতা নিদিলে। আনকি সাহিত্য সভাতো একো নক'লে। তাতো অলপ পৰ বহিয়েই গুচি আহিল। পুথি-ভঁৰাল প্ৰদৰ্শনীলৈ ভালেমান সাঁচিপতীয়া পুথি অনা হৈছিল। পূৰ্ণকান্ত গোহাঁয়ে বৰ্মাৰ পৰা অনা পুথি আদিও আছিল। লগতে আমগুৰি ঘাটৰ মুছলমান



...খনৰ পৰাও মই নিজে গৈ তিনি ঘৰৰ পৰা তিনি ...ৰ পুথি আনিছিলোঁ। এখন নামঘোষা, এখন ...আৰু ইখন হাতী-পুথি। সেই পুথিকিখন ...বিষ্টিক ঘুৰাই দিয়াৰ পাছত বুৰঞ্জী বিভাগলৈ ...ৰ্বলৈ বিচাৰিলত গিৰিহঁত কিঘৰে নাই বুলি ...লে। এই সভাতে কাৰ্য-নিৰ্বাহক সভাৰ সদস্য-...লক সভাপতিয়ে মনোনীত কৰি লব পৰা প্ৰস্তাৱ ...হীত হ'ল।

১৯৩৭ চনত ডিব্ৰুগড়ত শ্ৰীযুত নীলমণি ফুকন সভাপতি ...। সেইখনেই সাহিত্য সভাৰ প্ৰথম পটলৰ শেষ অধিৱেশন। ইয়াত মোক নৃতত্ত্ব-বুৰঞ্জী আৰু কৃষ্টি-...ঞ্জী ইত্যাদিৰ তথ্য সংগ্ৰহ কৰি অসমৰ এখন ...ঞ্জী লেখিবলৈ ভাৰ দিয়ে। ৰাজনৈতিক আন্দো-...নে সাহিত্য সভাৰ সঙ্কল্প, উদ্দেশ্য, আশা-আকাঙ্ক্ষা ...টাইবোৰৰে মূৰত বাগী কুঠাৰ বহুৱালে। অৱশ্যে, ...কেইবছৰমানৰ পাছত আকৌ গা টঙাই উঠিল। ...ৰ্থেনিটাতে অসম-কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ ...ভাপতিত্বত অসম সাহিত্য সভাই নতুন জীৱন ...পালে। এই সভাতে অসমত অসমীয়া ৰাজ্যভাষা ...ব লাগে বুলি দাবী কৰা হয়। বোধকৰোঁ এই ...সভা ১৯৪০ চন মানত হৈছিল।

...ত ড° সূৰ্যকুমাৰ ভূঞাৰ সভাপতিত্বত বহা অসম সাহিত্য সভাৰ যিখন বছৰেকীয়া অধিৱেশন হৈছিল, তাৰ লগতে পতা বুৰঞ্জী শাখাৰ মই সভাপতি আছিলোঁ। ...ৰ চান্দুল্লাই ডবল চছ্‌মা ( Double spacks ) ...লাই সেইহেন ঠেঁটুৱৈ ধৰা আৰতো সভাৰ ৰভাতলত ...হি বাতিপুৱা বেলা মোৰ অভিভাষণ শুনিছিলহি ...কাণ দি। মই অভিভাষণ পাঠ কৰি মঞ্চৰ পৰা ...নামি অহাৰ পাছত মোৰ পিঠিত চপৰিয়াই ...তেখেতে মোক কৈছিল, "মই সভালৈ অহাত মোৰ বৰ উপকাৰ হ'ল। তোমাৰ পৰা দুটা কথা ...নকৈ শুনিলোঁ। পোৱা-মকাৰ মূল অৰ্থ যে পোৱা নৈৰ পাৰত থকা মোকামহে, সেই কথাটো আজি শুনিলোঁ। আজান ফকিৰৰ নামটো যে আজাম হে, আৰু তেওঁ থকা চাপৰিটোৰ নাম হ'বাগুৰি নহয় সৰাগুৰি হে — এই দুটা।"

ধুবুৰীত হোৱা ৰূপালী জয়ন্তী অধিৱেশনত সভাপতি হোৱাৰ পাছত সেই গোটেই বছৰটো অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে ফুৰি-চাকি সাহিত্য সভাৰ বিষয়ে ভালেমান সভা-সমিতি পাতিলোঁ। সেইবিলাকৰ বিৱ-ৰণ সেই সময়ৰ বাতৰি কাকতত ওলাই গৈছে। মই পৰ্বতীয়া অঞ্চলত অসমীয়া ভাষা প্ৰচলনৰ চেষ্টা কৰিছিলোঁ আৰু নগা ভাষা শিকিবলৈ শ্ৰীমান মহেন্দ্ৰ সভাপণ্ডিতৰ হতুৱাই নগা-দোৱানৰ কিতাপ এটা লেখোৱাই সভাৰ দ্বাৰা প্ৰকাশ কৰাইছিলোঁ।

মোৰ অভিজ্ঞতাৰ তালিকাৰ পৰা দুই-তিনিটিমান কথা ইয়াতে টুকি দিলোঁ।

১। সাহিত্য সভাৰ সভাপতিজন লোক-দেখনীয়াৰকৈ ৰাখিলেও সম্পাদকজন চকুৱাল-উদ্যোগী উঠিবজা যেন হ'ব লাগে। তেওঁৰ ওপৰতে সভাৰ উত্তৰোত্তৰ উন্নতি নিৰ্ভৰ কৰে। গতিকে সম্পাদকজন বেতন-ভোগী এদনীয়া কৰ্মচাৰী হোৱা উচিত। অন্য বিষয়-বাব লৈ সাহিত্য সভাৰ সম্পাদক হ'বলৈ যোৱাটো বিড়ম্বনা মাথোন।

২। সম্পাদকজনৰ আঙুলিৰ আগতে কেয়োখন জিলাৰ সামাজিক, অৰ্থনৈতিক আদি আভ্যন্তৰীণ তথ্যবিলাক থাকিব লাগিব।

মূঠ কথা, সাহিত্য সভাৰ সম্পাদকজনেই আচল হৃৎপিণ্ড। শৰৎ চন্দ্ৰ গোস্বামীয়েই তাৰ আৰ্হি। আমাৰ লগত তেল-পানী হৈ থকা প্ৰদেশৰ পৰা একোজনক বিশিষ্ট অতিথিৰ ৰূপত নিমন্ত্ৰণ কৰি অনাটো মই সমৰ্থন নকৰোঁ। × × ×

# কান-সমনীয়া সাহিত্য সভা

ড° মহেশ্বৰ নেওগ

অসম সাহিত্য সভাৰ লগত মোৰ বহুত সমন্ধ।

অসম সাহিত্য সভা মোৰ কান-সমনীয়া। সাহিত্য সভা তিনিকুৰি বছৰীয়া হৈ সিদিনা নিজৰ হীৰক জয়ন্তী পালন কৰিলে। সেই উৎসৱৰ উপলক্ষ্যত হীৰক জয়ন্তী বক্তৃতা দিয়াৰ সন্মান সাহিত্য সভাই মোকে দিলে; তাৰ কাৰণ বোধ হয় আমি দুয়ো কান-সমনীয়া। মোক তিনিকুৰি বছৰীয়া বুলি গুৱাহাটী বিশ্ববিদ্যালয়ে বিদায় দিছে। মই ওলাইছোঁ। সেই দেখি পঞ্জাবৰ পঞ্চনদীৰ তীৰৰ পটিয়ালা চহৰৰ পঞ্জাবী বিশ্ববিদ্যালয়লৈ সন্ত শঙ্কৰদেৱৰ প্ৰাধ্যাপক হৈ। দুইৰো যেন একেলগে বানপ্ৰস্থ অৱলম্বন। আমি ৰাম-কৃষ্ণ দুটি ভাই। বৃন্দাবনে চলি যায়॥

অসম সাহিত্য সভা আৰু মই গাঁও-সমধেও দুই ভাই। কাৰণ দুইৰো জন্ম শিৱসাগৰতে। দুয়ো উপজিয়ে দিখৌৰ পানী খাই জীপ লৈছিলোঁ। সেই দেখি এতিয়ালৈকে ৰতাহত ওলমি কৰ্কৰী-জল পান কৰা অৱস্থালৈ অহা নাই। শিৱসাগৰৰ দিখৌ-পাৰৰ 'কমাৰ ফদীয়া এই সৰু গাঁওখনি মোৰ, ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ ভাঙৰণ'— মোৰো আৰু মোৰ ককাই ডিম্বেশ্বৰ নেওগৰো। দুই ককাই-ভাইক সাহিত্য সভাই বিশেষ লাগ দিছিল। আমি দুইটা সাহিত্য সভাৰ প্ৰধান সম্পাদক হৈছিলোঁ। দুইটা হৈছিলোঁ সভাপতিও।

অসম সাহিত্য সভাৰ লগত মোৰ বিশেষৰো বিশেষ পীৰিতি। বৰপেটা সন্মিলনৰ সময়ত মই সভাৰ উপ-সভাপতি। কেইদিনমান আগতে তেতিয়াৰ সভাপতি ঢুকোৱাত সভাৰ পতাকা উত্তোলন কৰাৰ আনুষ্ঠানিক ভাৰ মোৰ ওপৰতে পৰিছিল। নৱ-নিৰ্বাচিত সভাপতি শ্ৰীআনন্দ চন্দ্ৰ বৰুৱাদেৱৰ শৰীৰ বৰ বাৰু নথকাত আহুকলীয়া বিষয়-বাছনী সভা-খন চলোৱাৰ ভাৰখনো মোৰ খীণ কান্ধতে পৰিছিল। আন বেলিয়া দুই-তিনি অধিৱেশনত হোৱা বিষয়-বাছনিৰ আয়ুস সেই দিনা একে বৈঠকতে তিনি ঘণ্টামানতে অন্ত পৰিল। বহুতৰ বোধহয় মনৰ কথা মনতে থাকি গ'ল। বৰপেটাৰ পৰা ঘূৰি আহি গুৱাহাটী পোৱাৰ পাছতে এখন বেনামী চিঠিত মোক দপি পেলালে। চিঠিখনত প্ৰধানকৈ মোক দোষী সাব্যস্ত কৰিছে এই বুলি যে মানুহে মোৰ কথা ভাবিলেই সাহিত্য সভাৰ কথা মনলৈ আহে, আৰু সাহিত্য সভাৰ কথা ভাবিলেই আকৌ হেনো মোৰ কথাহে মনলৈ আহে। কিয় এনে আহে? ক'ব নোৱাৰিলোঁ, এইটো মোৰ দোষ হ'ল নে গুণ! আৰু ক'ব নোৱাৰিলোঁ, আনৰ মনক শাসন কৰিব পৰা বা নোৱাৰাটো মোৰ কি অপৰাধ! এবাৰ কোনোবা এজনে লেখা দেখিছিলোঁ মোৰ নামৰ লগত এটা আচৰিত অভিধা— সাহিত্য সভা-প্ৰাণ!! ক'ব নোৱাৰিলোঁ, সাহিত্য সভাৰ লগত মোৰ কি এনে একাত্মতা হৈ গৈছে! সিদিন দিল্লী-নিবাসিনী



এৰাকী বাঞ্জৰীয়ে অসম সাহিত্য সভাৰ প্ৰকাশনৰ তালিকাখন চাই কৈছে— 'ইয়াৰ এখন এৰি এখন কিতাপ দেখোন তোমাৰে।' এনে কথা মোৰ চকুত পৰা নাছিলেই।

অসম সাহিত্য সভাৰ কাৰণে মই কিয়েইবা কৰিব পাৰিছোঁ, ক'ব নোৱাৰোঁ। গধুৰ গধুৰ বিষয়ৰ কিছু আৰু সাময়িক সমস্যা লৈও কিছু পুথি প্ৰকাশ কৰাটো সাহিত্য সভাৰ অৱশ্যকৰ্তব্য যেন লাগে। সেইকালে প্ৰধান সম্পাদক ৰূপে, উপ-সভাপতি ৰূপে আৰু সভাপতিৰূপে বিশেষ দৃষ্টি অৱশ্যে ৰাখিছিলোঁ। তাৰ ভিতৰতে প্ৰধান সম্পাদকৰ দায়িত্ব লোৱাৰ আগে আগে সঙ্কলন কৰা 'পৱিত্ৰ অসমে' মোৰ মনত বিশেষ ঠাই অধিকাৰ কৰি আছে। কিন্তু এই পুথি-খনিৰ সঙ্কলনৰ কামত ছমাহমানহে লাগিছিল। তাৰ ভিতৰতে লেখকসকলক প্ৰবন্ধ-পাতি নেলেখিবলৈ উপদেশ দিয়া বন্ধুৰো অভাৱ হোৱা নাছিল। কিন্তু সেৰৰ লেখকসকলে ৰৰঙনি দিয়াৰ ফলত এইখনিয়ে আমাৰ মনঃপূত ৰূপ ধাৰণ কৰে; অৱশ্যে ইয়াৰ পৰিবৰ্দ্ধন-সংস্কৰণ কৰিবলগীয়া কাম অনেকখিনি পৰি আছে। কিতাপখন লৈ মোৰ গুৰু ড° সূৰ্য কুমাৰ ভূঞা ডাঙৰীয়াই প্ৰশংসা কৰি তৎ নাপাইছিল। এইখনি পুথিৰ কম্পেনিয়ন্ ভলিউম্ বুলিয়ে ক'ব পাৰি মোৰ 'প্ৰাচ্য-শাসনাৱলী'খনক। সেইখনৰ সম্পৰ্কতো কৰিবলগীয়া বহুতোখিনি পৰি আছে। দেৱৰ ৰাজখোৱা ডাঙৰীয়াৰ মূল্যবান 'অসমীয়া প্ৰবাক্য-কোষ'ৰ দ্বিতীয় সংস্কৰণ আমাৰ সভাৰ এখনি লেখৰ প্ৰকাশন বুলি মই অন্ততঃ গণনা কৰোঁ। সেইদৰে কনকলাল বৰুৱাদেৱৰ কীৰ্তিস্তম্ভ 'আৰ্লি হিষ্টৰি অৱ্ কামৰূপ'ৰ পিছৰ সিজনৰ লগত মতৰ প্ৰকাশক গৱেষণা-প্ৰবন্ধৰ সঙ্কলন 'ষ্টাডিজ ইন্ দ্য আৰ্লি হিষ্টৰি অৱ্ আছাম'— যদিও এখনি অতি লাগতিয়াল প্ৰকাশন বুলি গণ্য হ'ব লাগে। এইদৰে সভাৰ প্ৰকাশনাৱলী চহকী হ'ব লাগে, এই ধাৰণাৰ পৰা মই সভাৰ কামত লাগিছিলোঁ আৰু এতিয়াও লাগি আছোঁ।

অসম সাহিত্য সভাৰ লগত মোৰ দ্বিতীয় পৰ্যায়ৰ কাম হৈছিল সভাৰ কায়িক পৰিবৰ্দ্ধনৰ চেষ্টা। এই চেষ্টাৰ ফল হ'ল গুৱাহাটীৰ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন-নিৰ্মাণ, আৰু চন্দ্ৰকান্ত সন্দিকৈ ভৱন অলপ বঢ়াই এটা গুদামৰ দিহা কৰাটি। গুৱাহাটীত সভাৰ ঘৰ এটি হ'ব লাগে, এই ভাবটি বহুদিনৰ আগৰ পৰাই ওপঙি ফুৰিছিল; কিন্তু হাতে-কামে একো কৰা হোৱা নাছিল। মই প্ৰধান সম্পাদক হোৱা সময়তে ভাৰত চৰকাৰে বিভিন্ন সাংস্কৃতিক অনুষ্ঠানক গৃহ-নিৰ্মাণত সহায় কৰাৰ অ'াচনি এখনি উলিয়ায় আৰু একোটা অনুষ্ঠানক এক লাখ পৰ্যন্ত টকাৰ একোটা ঘৰ সাজিবলৈ আধা লাখ টকা পৰ্যন্ত অনুদান দিবলৈ আগবাঢ়ি আহে। মই মৰোঁ-জীওঁ সোঁ-আধিকৈ ছাপন্ন হাজাৰ টকাৰ এখন অ'াচনি পঠিয়ালোঁ দিল্লীলৈ। মাটি আৰু আঠাইছ হাজাৰ টকা ক'ত পাম তাৰ চিন্তা পিছলৈ থলোঁ। ভাগ্যে সেই সময়ত সাংস্কৃতিক পৰিক্ৰমাৰ মন্ত্ৰী আছিল অধ্যাপক হুমায়ুন কবীৰ চাহেব। তেওঁক লগ ধৰাত (অৱশ্যে এম্ পি, ৰ এটি সৰু দলেৰে, আৰু মোকো তেওঁ আগৰে পৰা জনা-শুনা বাবে) তেওঁৰ ভাষাত এই 'নেওগ অ'াচনি'ৰ বাবে অনুদান মঞ্জুৰ হ'ল। ১৯৬২ চনৰ সাধাৰণ নিৰ্বাচনৰ আগে আগে মুখ্য মন্ত্ৰী বিমলা প্ৰসাদ চলিহাদেৱক ধৰিলোঁ মাটিৰ বাবে। কামৰূপৰ উপায়ুক্ত শ্ৰীগনেশ চন্দ্ৰ ফুকনে গা লাগি মাটি বিচাৰি উলিয়াই দি ইয়াৰ পৰা অনুমোদন পঠিয়ালত চলিহা ডাঙৰীয়াই এদিন টেলিফোন কৰি জনালে, আমাৰ মাটি হৈ গৈছে। আনফালে, শিৱসাগৰীয়া 'পাৰ্বতী ককাইদেউ' অৰ্থাৎ কবি-সংগীতজ্ঞ পাৰ্বতীপ্ৰসাদ বৰুৱাদেৱে ক'লে,— 'যদি তুমি পঞ্চাছ হাজাৰ টকাৰ

দিহা কৰিব পাৰা, তেতিয়া হ'লে মই মোৰ ককাইদেউ ভগৱতীপ্ৰসাদৰ নামত পঞ্চাছ হাজাৰ টকা দিম।" আকৌ লব ধৰিলোঁ অধ্যাপক কবীৰৰ ওচৰলৈ। কলোঁগৈ, "আমি আঠাইছ হাজাৰৰ ঠাইত পঞ্চাছ হাজাৰ টকাৰ যোগাৰ কৰিলোঁ, আমাৰ অনুদান পঞ্চাছ হাজাৰলৈ বঢ়াই দিব লাগে।" কবীৰে আনন্দমনে "তোমালোকে পাব পাৰা যেতিয়া কিয় নিদিম" বুলি লগে লগে অনুদান বঢ়াই দিলে। ১৯৬২ চনত সোণাৰি এলেকাৰ নিৰ্বাচনৰ ভোটৰ দিনাখনেই পুৱাতেই আমাৰ 'বিমলী চলিহা'দেৱক শুভেচ্ছা জনাই কংগ্ৰেছ বেজ এটি চোলাৰ বুকত পিন্ধাই দি সেইদিনাই পাৰ্বতী ককাইদেউৰ পৰা দান-পত্ৰ লেখাই লৈ মই গুৱাহাটীমুৱা হলোঁ। ইফালে 'বিহগী-কবি' ৰঘুনাথ চৌধাৰীয়েও আন এটি ঘৰৰ বাবে কুৰি হাজাৰ টকাৰ দান-পত্ৰ এখনি লেখি দিছিল। সেই দুই দান গ্ৰহণ কৰিবৰ বাবে গুৱাহাটীত সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতি বহিল। সমিতিয়ে সাদৰে দুইটি দান গ্ৰহণ কৰিলে। ইয়াৰ পিছৰ অধ্যায়টি বৰ প্ৰশস্ত নহয়; কাৰণ এই দান গোটাই গুৱাহাটীত দুটি ভৱন নিৰ্মাণ কৰিবলৈ লোৱা বাবে কাগজে-পত্ৰয়, আন কি সাহিত্য সভাৰ অধিৱেশনতো মোৰ ওপৰত গালিৰ ধাৰাসাৰ বৰষুণ পৰিবলৈ ধৰিলে; দুই-এজনে (নাম নকওঁ) বিহগী-কবিৰ মন ভঙাত লাগিল; দুই-এক চৰকাৰী বাছত বহি ঘোষণা কৰিলে, "এইবোৰ ফুট্‌কাৰ ফেন হ'ব।" কিন্তু ফুটুকাৰ ফেন নহ'ল; অন্তত: এটি গৃহৰ লাই-খুটা পোতাৰ আয়োজন চলিল। সেই উছৱৰ আঁচনি কৰিছিলোঁ কলিকতাৰ গ্ৰেণ্ড হোটেলত বহি পাৰ্বতী ককাইদেউৱে। এখন আলোচনাত গুৰুপ্ৰসাদ চলিহা, দেৱবালা চলিহা, হেমন্তকুমাৰ মিশ্ৰ, কেশৱ মহন্ত আদিও আছিল, আৰু আমি এইসকল আৰু গৃহ-নিৰ্মাণৰ নিৰ্মাণ-আঁচনি তৈয়াৰ কৰা আৰ্কিটেক্ট আদিৰে ফটোগ্ৰাফ তুলিছিলোঁ (ড° ভূপেন হাজৰিকাৰ 'আমাৰ প্ৰতিনিধি' সেইখন ওলাইছিল), জা-জলপান খাইছিলোঁ। সেই আঁচনিমতে ইটালিয়ান আৰ্ট ষ্টোৰ নামৰ দোকানৰ পৰা মাৰ্বলত আধাৰ-প্ৰতিষ্ঠা-পত্ৰ লেখাই আনি ৰাজ্যপাল শ্ৰীবিষ্ণু সহায়ৰ হতুৱাই আধাৰ-শিলা প্ৰতিষ্ঠা কৰালোঁহঁক। ইতিমধ্যে মোৰ প্ৰধান সম্পাদকত্বৰ কাল অন্ত পৰাত ঘৰটো সজা কাম পূৰা কৰোঁ বুলি যেতিয়া নাজিৰাত পুনৰ সেই পদৰ প্ৰাৰ্থী হলোঁ, তেতিয়া যথেষ্ট সঙ্গীন অৱস্থাৰ সন্মুখীন হ'বলগীয়া হৈছিল। তথাপি প্ৰধান সম্পাদক পুনৰ হলোঁ আৰু মই নলবাৰীত প্ৰধান সম্পাদক ভগাৰ আগতে ভগৱতীপ্ৰসাদ ভৱনৰ দ্বাৰ উন্মোচন কৰিলেহি নিখিল ভাৰত প্ৰাচ্যবিদ্যা সন্মিলনৰ সভাপতি ড° বাসুদেৱশৰণ অগ্ৰৱালাদেৱে। এইখিনি কথা সভাৰ সংশ্লিষ্ট 'বাৰ্ষিকী'বোৰত, মোৰ Annals of Asam Sahitya Sabha পুথিত, অধ্যাপক শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাৰ 'সাহিত্য সভাৰ ৰূপলেখা'ত পোৱা যাব। মই বহল নকৰোঁ। আজি-কালি গুৱাহাটীত এটা সপ্তাহ, প্ৰায় এটা দিন নাযায়,— যেতিয়া ভগৱতীপ্ৰসাদ বৰুৱা ভৱনত এখনি নহয় এখনি সভা নবহে। মোৰ মানসত এই ভৱনটিয়ে বিশেষ ঠাই অধিকাৰ কৰি বহি আছে। ৰঘুনাথ চৌধাৰীৰ দানৰ ভৱনটিও কৰিব পাৰিলোঁহেঁতেন নানা বাধা সত্ত্বেও। কিন্তু একহাতে দুটা শ'ল ধৰাৰ যত্ন কৰিবলৈ নহ'ল। আৰু— আনক যদি নালাগেই, মইনো হাম্‌-বাও কাঢ়ি মৰোঁ কিয়?

অসম সাহিত্য সভাৰো মোৰ প্ৰতি যেন এটি পক্ষপাতিতা আছে। সভাৰ কাৰ্য-নিৰ্বাহকৰ দুবছৰীয়া কাৰ্য-কাল দুবাৰহে পৰিছিল। এই দুয়ো বাৰতে সভাই মোক প্ৰধান সম্পাদক কৰিছিল মুঠ চাৰি বছৰৰ কাৰণে। আনে যি কওক-নকওক, মই সভাৰ কাৰণে কি কৰিলোঁ আৰু কি নকৰিলোঁ, তাক লৈ মই নিজে পৰম সন্তুষ্ট। এই সময়তে অসমৰ বাহিৰত, বিশেষকৈ দিল্লীত সভাৰ এটি সুন্দৰ ভাবমূৰ্তি প্ৰতিষ্ঠিত হৈছিল। যি সময়ত অসম শাসকীয় ভাষা অধিনিয়মখন (১৯৬০) অসমীয়া ভাষাৰ প্ৰতিকূলে সংশোধন কৰিবলৈ ভাৰত চৰকাৰে শাস্ত্ৰী-সূত্ৰৰ যোগে অসম চৰকাৰক নিৰ্দেশ দিছিল, সেই সময়ত সাহিত্য সভাৰ সঁজাতী দিল্লীলৈ গৈ তাক ৰোধ কৰিবলৈ সক্ষম হৈছিল। এই কালছোৱাতে ভাৰত চৰকাৰৰ অনুদান লৈ কেইবাখনিও মূল্যবান গ্ৰন্থ প্ৰকাশ কৰা হৈছিল। ভাৰত চৰকাৰো আমাৰে চৰকাৰ। ভাৰতৰ আন ৰাজ্যই যেনেকৈ সেই চৰকাৰৰ পৰা লোৱাই অনুদান পাই থাকে, আমাৰো তেনে পাবৰ অধিকাৰ আছে। অসমীয়া ভাষাৰ দৰে অষ্টম অনুসূচীৰ এটি ৰাষ্ট্ৰীয় ভাষাৰ উন্নতি সাধনত সহায় কৰাৰ দায়িত্বও ভাৰত চৰকাৰৰ আছে।

অসম সাহিত্য সভাৰ হৈ বিশেষকৈ প্ৰধান সম্পাদক ৰূপে কাম কৰাৰ সময়ত যথেষ্ট প্ৰতিৰোধৰ সন্মুখীন হ'বলগীয়া হৈছিলোঁ। কিন্তু হৈ যোৱা কামখিনিয়ে সভাক এটি নতুন ৰূপ দিব পাৰিছিল বুলি মই মনৰ ভিতৰতে গৌৰৱ কৰোঁ। আনে কি ভাবে ক'ব নোৱাৰোঁ। কামৰ বেলা প্ৰতিৰোধ আহিলে সদায় মোৰ প্ৰতিজ্ঞা কঠোৰহে হয়, কাৰণ আমাৰ সামাজিক জীৱনটো মই জানো। সংঘাত নহ'লে জানো নাটক হয়? ৰবীন্দ্ৰনাথৰ কথাত, ধূপক পুৰি নিদিলে সি ধোঁৱা নিদিয়ে, দীপটিক নুপুৰিলে সি আলো নিদিয়ে।

অসম সাহিত্য সভাৰ লগত মোৰ সমধৰ সোঁৱৰণি অন্ত নপৰে। সেই কথা "কৈ থাকোঁ মানে ওৰকে নপৰে।" কেতিয়াবা ক'ম। এতিয়া থাওক। ×




## ঃ আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ ঃ

১৯৭৩ চনত অসম সাহিত্য সভাৰ দ্বাৰা আয়োজিত অসমৰ প্ৰথম লেখক-শিবিৰ অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰত এটি ঐতিহাসিক পদক্ষেপ। এই শিবিৰতে প্ৰথমবাৰৰ কাৰণে অসমৰ থলুৱা ভাষাৰ অৱস্থা আৰু সমস্যা সম্পৰ্কে মকলিভাৱে আলোচনা কৰা হয়। এই শিবিৰতে আধুনিক অসমীয়া সাহিত্যৰ প্ৰায় সকলোখিনি লেখক সন্মিলিত হৈ স্বাধীনতাৰ উত্তৰ যুগৰ অসমীয়া সাহিত্যৰ বিভিন্ন দিশৰ সমস্যা আৰু তাৰ সমাধানৰ উপায় উদ্ভাৱন কৰে। অসমৰ বিভিন্ন থলুৱা ভাষা-ভাষী লোকসকলৰ প্ৰতিনিধি আৰু আধুনিক অসমীয়া সাহিত্যৰ বিভিন্ন দিশৰ ইমান সৰহসংখ্যক লেখকৰ চিন্তা এইখনৰ বাহিৰে আন কোনো গ্ৰন্থতেই একত্ৰ সন্নিবিষ্ট হোৱা নাই। অসম সাহিত্য সভাৰ তদানীন্তন প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়াৰ নিখুঁত সম্পাদনা গ্ৰন্থখনৰ আন এটি বৈশিষ্ট্য। প্ৰায় চাৰে-তিনিশ পৃষ্ঠাৰ এই গ্ৰন্থখনৰ মূল্য মাত্ৰ ১২'০০ টকা।

# অসম সাহিত্য সভা আৰু মই

শ্ৰীনীলমণি ফুকন

অসম সাহিত্য সভাৰ জন্মদিন ধৰি মই সভাৰ লগত ওতপ্ৰোতভাৱে জড়িত আছোঁ। এতিয়া অসম সাহিত্য সভাই অসমত একৰকম জাতীয় মহাসভা হৈ সকলো ক্ষেত্ৰৰ সমস্যাবিলাকত ভাগ লব পৰা হৈছে আৰু জনসাধাৰণেও এইখন সভাক এখন জাতীয়, সৰ্বাঙ্গসুন্দৰ মহাসভা হৈ উঠিছে, সেই কথা অনুভৱ কৰিছে। দ্বিতীয় মহাসমৰৰ সময়ত সাহিত্য সভা ৬/৭ বছৰমান একেবাৰে বন্ধ হৈ আছিল। 'ফণ্ড'ত এটা টকাও নাছিল। তাৰ পাছত শিৱসাগৰত আকৌ সন্মিলনখন পাতে। তাত আমাক অনুগ্ৰহ কৰি সন্মিলনে সভাপতি পদত বৰণ কৰে। যোগ্য নহ'লেও সভাৰ পুনৰ্জন্ম হ'ব বুলি ভাবি মৰ-সাহ দি সেই আসন গ্ৰহণ কৰোঁ। তাত প্ৰধান সম্পাদকে দিয়া ৰিপোৰ্টত ফণ্ডত মাত্ৰ শূন্য দেখুৱালে। তেতিয়া আমি সভাপতিৰ আসনৰ পৰা ১০০্ (এশ) টকীয়া আজীৱন সভ্য কৰিবলৈ সন্মিলনৰ আগত নিয়ম দাঙি ধৰোঁ। সভাই সৰ্ব-সন্মতিক্ৰমে তাক গ্ৰহণ কৰে। সভা-স্থলতেই প্ৰাতঃস্মৰণীয় ৺বিমলাপ্ৰসাদ চলিহাদেৱে প্ৰথম আজীৱন সভ্য হবলৈ ১০১'০০ (এশ এক) টকা দিয়ে। তেতিয়া সুদা হাত নহৈ স্কুলৰ গৰম বক্তৃ সম্পাদক সু-সাহিত্যিক ৺ডিম্বেশ্বৰ নেওগক (নৰ্মাল স্কুলৰ অধ্যক্ষ) লৈ আজীৱন সভ্য কৰিবলৈ ওলালোঁ। গোটেই মাহটো ৰ'দ-বৰষুণ, বতাহ-ধুমুহাৰ মাজত ধুবুৰীৰ পৰা শদিয়ালৈ এক ৰকম পদব্ৰজে (কাৰণ কেতিয়াবা মটৰ কোনোবাই দিয়ে, কেতিয়াবা নিদিয়ে) অহা-যোৱা কৰি ১০০ জন আজীৱন সভ্য কৰি ১০,০০০ (দহ) হাজাৰ টকা আনি সাহিত্য সভাৰ ফণ্ডত জমা দিওঁহি। কেৱল এই চৰ্ত্তত এই টকা তোলা হৈছিল যে এই টকা সভাৰ ৰিজাৰ্ভ ফণ্ড হ'ব, দৈনন্দিন খৰচত দিব পৰা নহ'ব। আনন্দৰ কথা, এতিয়া সেই ফণ্ড বোধহয় ষাঠি-সত্তৰ হাজাৰ হৈছে। • তেতিয়াৰ পৰাহে সাহিত্য সভাৰ কাৰ্যকৰী সমিতিৰ সন্মিলনৰ সভাপতিয়েই স্থায়ী সভাপতি হোৱা নিয়মো গ্ৰহণ কৰা হয়। তেতিয়ালৈকে যিসকল সন্মিলনৰ সভাপতি হৈ গৈছে, সন্মিলন ভঙা দিনৰ পৰাই তেওঁ-লোকৰো সভাৰ লগত কোনো সংশ্ৰৱ নাথাকে। তাৰ আগলৈকে সভাৰ কাম এখন কাৰ্যকৰী সমিতিয়ে কৰে। সমিতি যেতিয়া বহে, প্ৰধান সম্পাদকেই সেই বৈঠকত কাম কৰে আৰু তেতিয়াই কাৰ্যকৰী সমিতিৰ কোনো এজন লোকক সেই বৈঠকত সভা-পতি পাতে। গতিকে শিৱসাগৰৰ সেই অধিৱেশনৰ পৰাহে সন্মিলনৰ সভাপতিসকলেই কাৰ্যকৰী সমিতিৰো স্থায়ী সভাপতি হবলৈ ধৰে, আৰু সেই বছৰৰ পৰা কাৰ্যকৰী সমিতিৰ আয়ুস তিনি বছৰীয়া হয়। এই তিনি বছৰৰ অন্তত আকৌ বিধন সন্মিলন ডিব্ৰুগড়ত বহে, তাতো আমাকেই সভাই পুনৰ সভাপতি পদত বৰণ কৰে। এই ছবছৰৰ ভিতৰত আমাৰ সুযোগ্য প্ৰধান সম্পাদক ৺নেওগক লৈ সভাখনৰ বিশেষ কাম কৰিব নোৱাৰিলেও অন্ততঃ ঠন ধৰি অহা অৱস্থালৈ অনা হয়। তেতিয়াৰ পৰা লাহে লাহে এটি জুবি





ৰে দৈ দৈ শেহলৈ এখন লেখত লবলগীয়া আহল-বহল নৈ হৈ পৰে। সেঁতো যথেষ্ট হয় আৰু সন্মিলন বিলাকত বাৰিষাৰ নৈত কোবাল সোঁত হোৱাৰ দৰে, বাৰিষাৰ ব্ৰহ্মপুত্ৰৰ সোঁতৰ দৰে জন-সাধাৰণৰ উপ-স্থিতিও এতিয়া কোবাল হৈ পৰিছে। এতিয়া অন্ততঃ অসমৰ ৰাজহুৱা অনুষ্ঠান বুলিবলৈ গলে (জাতীয় ভাৱে) একমাত্ৰ অসম সাহিত্য সভাইহে বোধকৰোঁ ৰাইজৰ বিচাৰত সেই স্থান পাব। আমি এতিয়া ৯৮ বছৰত শয্যাগত অৱস্থাত এই জয়ন্তী মহোৎসৱৰ আয়োজন কৰা দেখি, তাৰ লগতে পত্ৰিকাৰ বিশেষ সংখ্যা উলিয়াবলৈ স্থিৰ কৰাত পৰম আনন্দ পাইছোঁ। এই কথাত মুখেৰে প্ৰকাশ কৰিব নোৱাৰা আনন্দ শেষ নিশ্বাসৰ লগত লৈ নেদেখা জনৰ পদছায়াত দূৰ নৌৱাই পৰমানন্দপদ লাভৰ অফুৰন্ত সুখ পাম বুলি নিঃসংশয়ভাৱে বিশ্বাস কৰিছোঁ। সাহিত্য সভাই এই সুদীৰ্ঘ কাল যি অগ্ৰগতি লাভ কৰিছে, তাক দেখি এতিয়া ৰোগশয্যাত জীৱনৰ শেষ নিশ্বাস পেলাবৰ সময়তো শান্তি লাভ কৰিছোঁ। ×××

শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী

আমাৰ জাতীয় জীৱনৰ ওপৰত অসম সাহিত্য সভাই কেনে ধৰণৰ প্ৰভাৱ পেলাইছে, তাৰ বিচাৰ-বিশ্লেষণ এই চমু টোকাৰ উদ্দেশ্য নহয়। কিন্তু দেশ স্বাধীন হোৱাৰ লগে লগে কিছুমান নতুন নতুন সমস্যাৰ উদ্ভৱ হোৱাৰ ফলত জাতীয় অনুষ্ঠান হিচাপে অসম সাহিত্য সভাৰ ওপৰতো এটা গধুৰ দায়িত্বৰ বোজা পৰিছিল। এনে এটা দায়িত্বৰ প্ৰতি সজাগ হৈয়েই ১৯৫৯ চনত অনুষ্ঠিত হোৱা সপ্তবিংশ নগাঁও অধি-ৱেশনত অসমীয়া ভাষায়েই অসমত একমাত্ৰ ৰাজ্যিক চৰকাৰী ভাষা হ'ব লাগে বুলি সাহিত্য সভাই মত প্ৰকাশ কৰিছিল। সেই সময়তো অসমৰ নগৰে-চহৰে আৰু আনকি কিছুমান গ্ৰামাঞ্চলতো সাহিত্য সভাৰ ভালেমান শাখা সভা আছিল, আৰু মূল আৰু শাখা সভাৰ যোগেদি প্ৰচাৰিত অসমীয়া ভাষাক ৰাজ্যিক চৰকাৰী ভাষা হিচাপে স্বীকৃতি দিয়াৰ দাবীৰ প্ৰতি অসমৰ জনসাধাৰণে সঁহাৰি দিছিল আৰু ইয়াৰ ফলতে গঢ়ি উঠিছিল প্ৰবল জনমত। কিন্তু শাসক দলৰ ৰাজনৈতিক অদূৰ-দৰ্শিতাৰ ফলত ৰাজ্যত অশান্তি বিয়পি পৰিছিল, কিছু সা-সম্পত্তি নষ্ট হৈছিল আৰু বহুৎ ৰবপুজাৰীৰ দৰে যুৱকো মৃত্যুৰ মুখত পৰিছিল।

এটা প্ৰচণ্ড ভূমিকম্পৰ জোকাৰণি যাৰ বাৰ্ত্ত-নাষাৰ্ত্ত অৱস্থাতে ১৯৬০ চনৰ অক্টোবৰ মাহত অসম সাহিত্য সভাৰ অষ্টাবিংশ অধিৱেশন মীৰ্জাত অনুষ্ঠিত হৈছিল আৰু ইয়াত সভাপতিত্ব কৰাৰ গুৰু দায়িত্ব মোৰ ওপৰত অৰ্পিত হৈছিল। নতুন বছৰৰ কাৰণে সম্পাদক নিৰ্বাচিত হৈছিল ডঃ মহেশ্বৰ নেওগ। ডঃ সত্যেন্দ্ৰনাথ শৰ্মা আছিল পত্ৰিকা সম্পাদক। ভাষা-আন্দোলনৰ সময়ত কিছুমান বঙালী সংবাদ-পত্ৰই অতিৰঞ্জিত সংবাদ ধাৰাবাহিক ৰূপে পৰিবেশন কৰি ভাৰতৰ আন আন প্ৰান্তত অসমীয়া লোকক হেয় প্ৰতিপন্ন কৰিবলৈ যত্নৰ ক্ৰুটী কৰা নাছিল। গতিকে আমাৰ পোন প্ৰথম কাম আছিল প্ৰকৃত তথ্যৰ যোগান ধৰি, এচাম মানুহৰ মনত যি ভ্ৰান্ত ধাৰণাৰ সৃষ্টি কৰা হৈছিল, তাক আঁতৰোৱাৰ চেষ্টা। মূল সভাত পাঠ কৰা মোৰ অভিভাষণ-খনত ভাষা-আন্দোলন সংক্ৰান্ত কিছুমান কথা বিস্তৃত ভাৱে লেখা হৈছিল। গতিকে অভিভাষণখনৰ ইংৰাজী অনুবাদ ভাৰতৰ বিভিন্ন ঠাইলৈ পঠোৱা হৈছিল। Assam's Language Question নামৰ সাতজন লেখকৰ প্ৰবন্ধ সম্বলিত এখন পুস্তিকা ছপাই ভাৰতৰ

শীৰ্ষ স্থানীয় লোকসকললৈ পঠোৱা হৈছিল। ১৯৬১ চনত কাছাৰ জিলাতো ভাষা-সংক্ৰান্ত অশান্তি আৰম্ভ হৈছিল। এই আন্দোলনৰ লগত অসম সাহিত্য সভা পোনপটীয়াকৈ জড়িত নহ'লেও অসমীয়া ভাষাৰ প্ৰতি সমৰ্থন থকা লোকসকল যাতে হতাশ হৈ নপৰে, তাৰ বাবে যথাসম্ভৱ চেষ্টা কৰাৰ দায়িত্ব কাৰ্য-নিৰ্বাহক সমিতিয়ে মূৰ পাতি ল'বলগা হৈছিল। মই সভাপতি হৈ থকা কালছোৱাতে কেইবাখনো মূল্যবান পুথিও প্ৰকাশ কৰা হৈছিল আৰু ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ আধাৰশিলাও অসমৰ তেতিয়াৰ ৰাজ্যপালৰ হতুৱাই গুৱাহাটীত প্ৰতিষ্ঠা কৰা হৈছিল। সম্পাদক আৰু কাৰ্য-পালিকাৰ সুযোগ্য সদস্যসকলৰ পৰা মই সম্পূৰ্ণ সহযোগ লাভ কৰিছিলোঁ আৰু ড° মহেশ্বৰ নেওগৰ প্ৰণালীবদ্ধ আৰু পৰিপাটি কাৰ্যই মোক আনন্দ দান কৰিছিল। × × ×

## শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা

১৯১৭ চনৰ পৰাই সাহিত্য সভাৰ লগত মোৰ ঘনিষ্ঠ সম্বন্ধ ঘটে। তেতিয়া মই উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ। সেই চনত শিৱসাগৰত ৺পদ্মনাথ গোহাঁই বৰুৱা ডাঙৰীয়াৰ সভাপতিত্বত বহা অসম সাহিত্য সভাৰ প্ৰথম অধিৱেশনত ৺শৰৎ চন্দ্ৰ গোস্বামীদেৱ সম্পাদক নিৰ্বাচিত হয়। তেখেত অতি নিষ্ঠাৰে সৈতে লগৰীয়া সকলক গোটাই লৈ যোৰহাটত সাহিত্য সভাৰ সংগঠনত একাণ-পতীয়াকৈ লাগে। তেখেতে পুনৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈ ১৯২০ চনৰ পৰা ১৯২৬ চনলৈকে একেৰাহে ছবছৰ সম্পাদকৰ কাম চলাই যোৰহাটত অসম সাহিত্য সভাৰ ৰাজ্যিক কেন্দ্ৰ স্থাপন কৰে। এই সুদৰ্শন, সভা-গুৱনি, অমায়িক, দীৰ্ঘ-দৃষ্টি আৰু তীক্ষ্ণবুদ্ধিসম্পন্ন লোকজনৰ জাতীয় সাহিত্য-প্ৰেমৰ তুলনা বিৰল। সেইহে তেখেতে দৃঢ়ভাৱে এই বৃহৎ অনুষ্ঠান স্থাপন কৰাত বিশেষ অৰিহণা যোগাব পাৰিলে। যোৰহাটত তেতিয়া তেখেতৰ প্ৰিয়বন্ধু, সহপাঠী আমাৰ দদাইদেউ ৺বিষ্ণু চন্দ্ৰ বৰুৱা এম, এ, বি, এল দেৱৰ জৰিয়তে তেখেতৰ লগত আমাৰো সান্নিধ্য ঘটে। সেই সূত্ৰেই তেখেতে পুৱা-গধূলি সদায় কৰি থকা সাহিত্য সভাৰ কামবিলাকলৈ মোৰো আগ্ৰহ জন্মে। তেখেতৰ পাছৰ সম্পাদক ৺পূৰ্ণানন্দ পাঠক দেৱৰ দিনত কমলা দেৱী শিশু সাহিত্য-পুঁজিৰ পৰা আগবঢ়োৱা পুৰস্কাৰৰ প্ৰতিযোগিতাত মই 'মহাৰাজ নৰনাৰায়ণ' আৰু 'ৰাজস্থানৰ গল্প' পুথি লেখি দুবছৰত দুটা পুৰস্কাৰ লাভ কৰোঁ। ১৯১৭ চনৰ পাছৰ পৰা সাহিত্য সভাৰ যতবোৰ বাৰ্ষিক অধিৱেশন বহিছে, তাৰ সকলোবিলাকলৈকে মই দৰ্শক স্বৰূপে যাবলৈ সুবিধা পাইছিলোঁ। 'ৰবদৈচিলা'ৰ প্ৰতিষ্ঠাপক-সম্পাদক, মোৰ আনজন খুৰা ৺কমল চন্দ্ৰ বৰুৱাই মোক প্ৰতিবাৰেই লগত লৈ যায়। তেখেত আদিৰ পৰাই সাহিত্য সভাৰ সভ্য আছিল আৰু আটাই বিলাক বাৰ্ষিক অধিৱেশনত যোগ দিছিল।

১৯২৯ চনত জাঁজী উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰাৰ পৰাই মই টীয়ক সাহিত্য সভাৰ প্ৰতিনিধি স্বৰূপে বা কাৰ্যনিৰ্বাহক সভাৰ সভ্য স্বৰূপে আৰু বৰ্তমান প্ৰাক্তন সভাপতি স্বৰূপে, ১৯৭৪ চনত মঙলদৈত বহা বাৰ্ষিক অধিৱেশনৰ বাহিৰে আটাই বিলাক বাৰ্ষিক অধিৱেশনত যোগ দি আহিছোঁ। জাঁজীত থকা সময়ত সুসাহিত্যিক ৺ভ্ৰমৰ চন্দ্ৰ শইকীয়াদেৱ জাঁজী সাহিত্য সভাৰ পৰা প্ৰতিনিধি হৈ যোৱাৰ কাৰণে মই টীয়কৰ পৰা যাওঁ। ১৯৩৮ চনতে মোক অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ দায়িত্ব দিয়ে। জাঁজী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ দায়িত্বত থাকি সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ কাম চলোৱা টান হ'ব বুলি ভয়



কৰিছিলোঁ যদিও বাস্তৱ ক্ষেত্ৰত সিমান নহ'ল। যোৰহাটতে থকা সহকাৰী সম্পাদক আমাৰ সোদৰোপম বন্ধু, নিষ্ঠাবান, আশাশুধীয়া সাহিত্যসেৱী অধ্যাপক শ্ৰীযতীন্দ্ৰনাথ গোস্বামী দেৱৰ সহায়ত আমাৰ বছৰটো কোনো খুঁত নোহোৱাকৈ পাৰ হৈ গ'ল। তিনিবাৰমান সাহিত্য সভাৰ উপ-সভাপতি পদতো থাকিবলগীয়া হৈছিল। ১৯৬৬ চনত উত্তৰ লক্ষীমপুৰত বহা বাৰ্ষিক অধিৱেশনৰ সভাপতি নিৰ্বাচিত হোৱাত মই আকৌ আগৰ দৰেই অসুবিধাৰ সন্মুখীন হ'ব লাগে বুলি ভয় কৰিছিলোঁ যদিও আমাৰ বিচক্ষণ ডেকাবন্ধু ৺হৰিপ্ৰসাদ নেওগ প্ৰধান সম্পাদকৰ তৎপৰতাত ভালেখিনি আৱশ্যকীয় কাম সুকলমে সমাধা হৈ যায়। বিশেষকৈ বেজবৰুৱা-শতবাৰ্ষিকী প্ৰস্তুতিৰ আনুষ্ঠানিক কামবিলাক সমাধা কৰা হয়।

১৯১৭ চনত প্ৰায় অঠশ লোকৰ সমাগমত অনুষ্ঠিত হোৱা তেতিয়াৰ বৃহৎ (?) সভাখন এতিয়া লক্ষাধিক লোকৰ সমাগমত, কেইবাখনো উপসভা প্ৰদৰ্শনী, সাংস্কৃতিক অনুষ্ঠানেৰে অনুষ্ঠিত হবলৈ ধৰিছে আৰু প্ৰতিবছৰে ইয়াৰ পয়োভৰ বাঢ়ি গৈছে। ইয়াৰ একাধিক কাৰ্যালয়ত নিয়োজিত বিষয়-বৰীয়াসকলে অসমীয়া ভাষা-সাহিত্যৰ প্ৰসাৰ আৰু প্ৰচাৰৰ কামত বহুত আগবাঢ়ি যাব লাগিছে। এতিয়া প্ৰধান সম্পাদক আৰু সভাপতিসকল কেন্দ্ৰস্থলত সদায় নথকাকৈয়ো সহকাৰী সম্পাদক আৰু কাৰ্যালয়-সহকাৰীসকলৰ জৰিয়তেই সুচাৰুৰূপে সকলো কাম চলাব পাৰিছে। দান, সভাৰ বৰঙনি, সোঁৱৰণী পুঁজি, চৰকাৰৰ আৰ্থিক সহায়, প্ৰকাশ কৰা পুথিৰ পৰা পোৱা ধন আদিৰে পৰিপুষ্ট হোৱা অসম সাহিত্য সভা অসমীয়া জাতিৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান স্বৰূপে বৰ্তি থকাত শঙ্কা কৰিবলৈ ঠাই নাই যদিও ইয়াৰ প্ৰসাৰৰ বাবে আৰু যথেষ্ট ধনৰ আৱশ্যক। দেশৰ সকলো প্ৰকাৰ উন্নতিৰ কাৰণে চেষ্টা কৰা এই অনুষ্ঠানে জনপ্ৰিয় চৰকাৰৰ পৰা মুকলি হাতৰ আৰ্থিক সহায় পালে দেশে শান্তি আৰু প্ৰগতিৰ পথত আগবাঢ়ি যাবলৈ সুবিধা পাব। সাহিত্য-সংস্কৃতি আদিৰ চৰ্চা আৰু সেৱা কৰা সকলে ইয়াত দল, সম্প্ৰদায় আদিৰ ঠেক মনোভাব পৰিহাৰ কৰি অকল অসমীয়া স্বৰূপে বহল মনোভাব লৈ আগবাঢ়িলে অসম সাহিত্য সভা সমগ্ৰ ভাৰতৰে আদৰ্শ-স্থানীয় অনুষ্ঠানত পৰিণত হ'ব। ই সৰ্বভাৰতীয় সংহতি ৰক্ষা কৰাতো যথেষ্ট সহায় কৰিব পাৰিব। সাহিত্য সভাৰ সভাসকলে সাধাৰণ কথাত খাম-খেয়ালিৰ সৃষ্টি নকৰি, সময়ে সময়ে নিৰ্বাচিত গুৰিয়ালসকল যাতে সকলো প্ৰকাৰে উপযুক্ত লোক হ'ব পাৰে, তাৰ নিমিত্তে চেষ্টা কৰা উচিত। সঁচাকৈয়ে যিসকল সাহিত্য-সংস্কৃতিৰ উপাসক, তেওঁবিলাকে কোনো স্বাৰ্থলৈ নাচাই ভালটোকেহে বিচাৰে। তেওঁবিলাক সদায় সত্য আৰু সুন্দৰৰ কাৰণে সজাগ হৈ থাকে। এনে লোকৰ দ্বাৰা পৰিচালিত সাহিত্য সভাই জাতিক আগবাঢ়ি যোৱাত নিশ্চয় প্ৰেৰণা যোগাই থাকিব পাৰিব।

সাহিত্যিক হ'ব নোৱাৰিলেও, আজীৱন সাহিত্য সভাৰ লগত থাকি, সাহিত্য-সেৱকসকলৰ সান্নিধ্য লাভ কৰিবলৈ সমৰ্থ হোৱাটো বৰ ভাগ্যৰ কথা বুলি ভাবিছোঁ। সাহিত্য সভাৰ সৌজন্যত সভাই-সমিতিয়ে ঘূৰি-পকি গোটেই দেশখনকে নিজৰ ঘৰ-খন যেন ভাবিবৰ মন যোৱা হৈছে। সাহিত্য সভাৰ যোগে লগ পোৱাসকল নিজৰ ককাই-ভাই যেন হৈ পৰিছে; যথাৰ্থ গুণীসকলক লগ পাই, নিজে কিমান সৰু সেই কথা উপলব্ধি কৰি বহুত বিষয়ত নিজক সংযত কৰিবলৈ চেষ্টা কৰিব পৰা হৈছোঁ। অযথা আশা-আকাংক্ষা, চিন্তা-ভাৱনা আদিয়ে জুমুৰি দি ধৰিলে, সান্নিধ্য লাভ কৰা গুণী পুৰুষসকললৈ মনত পেলাই সান্ত্বনা লাভ কৰোঁ। নিজৰ সাংসাৰিক

অৱস্থাৰ কথা চিন্তা কৰোঁতে তললৈ আৰু ওপৰলৈ চাই আত্মতুষ্টি লাভ কৰিবলৈ শিকাইছে— সাহিত্য সভাৰ জৰিয়তে লগ পোৱা সমাজৰ বিভিন্ন স্তৰৰ বিভিন্ন অৱস্থাৰ লোকসকলে। সাহিত্যৰ ক্ষেত্ৰত দুখীয়া-চহকীৰ পাৰ্থক্য নাই। সাহিত্য সভাৰ পৰা এনে-ধৰণে নিজে উপকৃত হ'ব পৰা কাৰণেই, যেতিয়াই যলৈকে যাওঁ, য'তে দুআষাৰ কথা ক'বলৈ সুবিধা পাওঁ, ত'তে সাহিত্য সভাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ চেষ্টা কৰাটো কৰ্তব্য বুলি ভাবোঁ। ××× 

## শ্ৰীআনন্দ চন্দ্ৰ বৰুৱা

আমি যোৰহাট চৰকাৰী হাইস্কুলত পঢ়া কালত ১৯২১-২২ চনলৈকে সেই ঠাইত আছিল হেড্ মাষ্টৰৰ বাস-ভৱন— এটা খেৰৰ ঘৰ। চাওঁতে চাওঁতে তাত মূৰ তুলি থিয় হ'ল চন্দ্ৰকান্ত সন্দিকৈৰ নামত এটি আটোম-টোকাৰী মন্দিৰ,— গম্বুজ থকা। ইয়াতে প্ৰতিষ্ঠিত হ'ল অসম সাহিত্য সভাৰ মূল কাৰ্যালয়, পুথিভঁৰাল আৰু সাহিত্য সভা পত্ৰিকাৰ কাৰ্যালয়।

তেতিয়া সাহিত্য সভা ঘৰলৈ সোমাব পৰা সাহস আমাৰ নাছিল। বয়োজ্যেষ্ঠ পূজনীয় সাহিত্যিক-সকললৈ আমাৰ ভয় লাগিছিল। সাহিত্য সভাৰ বছেৰেকীয়া অধিৱেশনবিলাকো সেইদৰে হৈছিল সাহিত্যিক বুলি খ্যাতিমান লোকসকলৰ সমাবেশত। গহীন, গম্ভীৰ আৰু অতি প্ৰশান্ত প্ৰকৃতিৰ ভব্য-গব্য সাহিত্যিকসকল আমাৰ মানত বৰ শ্ৰদ্ধেয় ব্যক্তি আছিল।

লাহে লাহে সাহিত্য সভাৰ ক্ষেত্ৰখন বহল হৈ আহিল। প্ৰথম মুকলি অধিৱেশন দেখিছিলোঁ।— শিৱসাগৰত লক্ষ্মীনাথ বেজবৰুৱাক 'সাহিত্যৰথী' উপাধি দিয়াখন। এখন সাঁচিপতীয়া পুথিৰ আকাৰত লেখা অভিনন্দনখন পাঠ কৰিছিল তেতিয়াৰ প্ৰধান সম্পাদক ৺দেৱেশ্বৰ চলিহাই। নিমাত-নিস্তব্ধ সভা-ঘৰে শ্ৰদ্ধাৰে শুনিলে। অভিনন্দন প্ৰদানৰ সময়ত শঙ্খ, ঘণ্টা, ডবা, বৰ কাঁহ, উৰুলি ধ্বনিৰে কালীপ্ৰসাদ চলিহা স্মৃতি-ভৱনৰ প্ৰাঙ্গন মুখৰিত হ'ল। মন-প্ৰাণ কিবা এটা আনন্দত উথলি উঠিল। মাতৃ ভাষাই যেন সেইদিনা সাক্ষাৎ মূৰ্তি পৰিগ্ৰহ কৰি মোৰ আগত থিয় দিছিলহি, এনে ভাব আজিও জাগি আছে।

আমাৰ জাতীয় জীৱনত সাহিত্য সভা আৰু পত্ৰিকাই যি প্ৰেৰণা যোগালে, তাৰ পৰাই অসম সাহিত্য সভা আজি এটা বিৰাট অনুষ্ঠানত পৰিণত হ'ল। ১৯৬১ চনত বৰপেটাত হোৱা ষট্‌ত্ৰিংশ অধিৱেশনৰ সভাপতি ৰূপে এই নিঃকিনক বৰণ কৰিলে। বিপুল জনতাৰ সমাবেশত হেন্দোল-দোপ হৈ থকা 'শঙ্কৰ ধামত' যিথন পুণ্যতীৰ্থৰ সন্মানিত আসনৰ পৰা ৰাইজক সভাপতি ৰূপে এটি সেৱা যাচিছিলোঁ, তাত বিস্ফোৰণ কৰা ৩৬ টা টোপধ্বনিৰ কম্পনত নিস্তব্ধ হৈ থকা লক্ষ লক্ষ লোকৰ প্ৰাণত স্পন্দিত হোৱা এটি সুমধুৰ সঙ্গীত আজিও বাজিব লাগিছে—

চিৰ চেনেহী মোৰ ভাষা জননী ! .........

## শ্ৰীযজ্ঞেশ্বৰ শৰ্মা

মূকং কৰোতি বাচালম্। তেওঁৰ কৃপা হ'লে যোবায়ো বাক্-শক্তি লাভ কৰে। আমাৰ গাঁৱলীয়া চহা কথাৰে ক'বলৈ গ'লে ভেকুলীৰ পিঠিতো নোম গজে। অসম সাহিত্য সভাৰ দৰে এক বৃহৎ জাতীয় অনুষ্ঠানৰ সভাপতি হোৱাটো মোৰ পক্ষে ঠিক তেনেকুৱা কথাই। যিসকল লোকে এই আসন



অলংকৃত কৰি গৈছে, সেইসকলৰ তুলনাত মোৰ ক্ষুদ্ৰতা মই প্ৰতি মুহূৰ্তে উপলব্ধি কৰি থাকোঁ। গতিকে কিয় মোক ভাল পাই এই সন্মান যাচিলে, তাক ভাবি নাপাওঁ। তথাপি ৰাইজৰ আশীৰ্বাদ আৰু নিৰ্দেশ বুলি ভাবি অতি সন্তৰ্পণে এই দায়িত্ব গ্ৰহণ কৰিছিলোঁ। অসমীয়া ভাষাত নানা বিষয়ক জ্ঞান-বিজ্ঞানৰ পৰিচয়-পুথি প্ৰকাশ কৰাৰ কল্পনা আছিল, আৰু মই থকাৰ ভিতৰতে এই গ্ৰন্থমালাৰ পাঁচখন গ্ৰন্থ ওলাল।

মোৰ এটা ধাৰণা হ'ল যে নিজৰ ঠাইৰ গৌৰৱ বঢ়াবলৈ আৰু কিছু পৰিমাণে সেই ঠাইবিলাকৰ কাৰণে সুবিধা কিছুমান গ্ৰহণ কৰিবলৈ সাহিত্য সভাবিলাক আহ্বান কৰে। টিকু অধিৱেশনত মোৰ এনেকুৱা ধাৰণাহে হ'ল। বস্তুতে সাহিত্য সভাৰ অধিৱেশনবিলাকৰ কৃতকাৰ্যতা কেৱল অভ্যৰ্থনা সমিতিয়ে আয়োজন কৰা অন্ন-ব্যঞ্জনৰ ওপৰত নিৰ্ভৰ কৰে বুলি ভাবে। সাহিত্য সভাই জনসাধাৰণৰ মাজত অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰতি কিছু পৰিমাণে চেতনা জগাই তুলিব পাৰিছে; কিন্তু সি কেৱল চেতনাতহে আছে, কাৰ্যকৰী হৈ উঠা নাই। শাখা সভাবিলাক প্ৰায়েই কেইখনমানৰ বাহিৰে নিষ্ক্ৰিয়, কেৱল বছৰত এদিনহে চকু মেলে। তাহানি Gladstone এ কৈছিল বোলে খৃষ্টানবিলাকৰ ভিতৰত শতকৰা ৯৯ ভাগেই 'once a yearer' অৰ্থাৎ বছৰত এদিনীয়া ( খৃষ্টমাছৰ দিনা )। আমিও তেনেকুৱা হৈছোঁ বুলি সন্দেহ হয়।

পুৰণি পুথি আদি সংগ্ৰহ, মানুহে পাহৰি যোৱা সাহিত্য-সেৱীসকলৰ জীৱনী সংগ্ৰহ আদি লাগতিয়াল কাম বোৰ একোটোৱেই হোৱা নাই বুলিব লাগে। অৱশ্যে কামৰূপ সাহিত্য পৰিষদ ভালেখিনি আগ বাঢ়িছে। ই সকলোৱে অনুকৰণীয়।

আমাৰ জনপ্ৰিয় চৰকাৰেও এই জনপ্ৰিয় বৃহৎ অনুষ্ঠানত যিমান সহায় দিয়া উচিত আছিল, সিমানখিনি দিয়া নাই। সাহায্যপ্ৰাপ্ত মাইনৰ স্কুলতকৈ সাহিত্য সভাই বেছি সাহায্য নাপায়। সেই বুলি চৰকাৰৰ গাত দায় দি বহি থকাটো সভ্যসকলৰ পক্ষে শোভা নাপায়।

অন্ততঃ এক লাখ নহ'লেও ৬০।৭০ হাজাৰ সভ্য কৰিব পাৰিলেও সাহিত্য সভাৰ খৰচ চলাবৰ কাৰণে এটি পুঁজি হৈ উঠে। সভ্যসকলৰ পৰা বেছি টকা উঠিলে চৰকাৰেও দিবলৈ বাধ্য হয়। আন আন প্ৰদেশৰ এনে অনুষ্ঠানবোৰে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ বিলাকৰ পৰা পৰ্যাপ্ত পৰিমাণে সহায় পায়। অসম সাহিত্য সভাৰ হিতাকাঙ্ক্ষী কোনো সভ্য কলিকতালৈ গলে বঙ্গীয় সাহিত্য পৰিষদত ভুমুকি মৰা উচিত। আমাৰ অৱস্থাটো তেতিয়া ভালকৈ বুজিব পাৰিব।

সাহিত্য সভাৰ এটা 'একাডেমিক' অংশ থকা একান্ত আৱশ্যক। নহ'লে সাহিত্য সভাৰ মৰ্যাদা আৰু গৌৰৱ নাথাকিব। চন্দ্ৰকান্ত অভিধান আগতে সাহিত্য সভাৰ পৰাই সম্পাদিত হৈছিল আৰু প্ৰকাশিত হৈছিল। এই দায়িত্ব বিশ্ববিদ্যালয়লৈ দিবলগীয়া হোৱাটোৱেও প্ৰমাণ কৰে যে সাহিত্য সভাৰ গৌৰৱ ক্ষীণ হৈ পৰিছে। সংগ্ৰহ, সংৰক্ষণ আৰু প্ৰকাশ সাহিত্য সভাৰ প্ৰধান দায়িত্ব। সাহিত্য সভাৰ সকলো সভ্যই মাজে-সময়ে এই সম্পৰ্কে চিন্তা কৰা উচিত। সাহিত্য সভাৰ প্ৰতিনিধিৰ দায়িত্ব আন ৰকমৰ প্ৰতিনিধিতকৈ কোনো প্ৰকাৰে লঘু নহয়। নিজকে আমি লঘু কৰা অনুচিত।•

---

• অসম সাহিত্য সভাৰ মাননীয় প্ৰাক্তন সভাপতি যি কেইগৰাকী আমাৰ মাজত আজিও বৰ্তমান, সেই সকলৰ প্ৰতিগৰাকীকে 'অসম সাহিত্য সভা আৰু মই'— এই শিতানটিত তেখেতসকলৰ বক্তব্য দাঙি ধৰিবলৈ অনুৰোধ জনোৱা হৈছিল। অনিবাৰ্য

কাৰণত্ত কেইগৰাকীমান মাননীয় সভাপতিয়ে আমাৰ অনুৰোধৰ প্ৰতি সঁহাৰি জনাব নোৱাৰিলে। ইতিমধ্যে বাগ্মীবৰ শ্ৰীযুত নীলমণি ফুকনৰ পৰলোক-প্ৰাপ্তি ঘটাত আমি অতিশয় মৰ্মাহত হৈছোঁ। তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে অসম সাহিত্য সভাৰ হীৰক জয়ন্তী অনুষ্ঠানটিৰ প্ৰয়াত প্ৰাক্তন সভাপতিসকলক আমি শ্ৰদ্ধাৰে সুঁৱৰিছোঁ আৰু বাকী কেইগৰাকীৰ সু-স্বাস্থ্য আৰু দীৰ্ঘজীৱন কামনা কৰিছোঁ।

—পত্ৰিকা সম্পাদক।


## ঃ শ্বেক্সপীয়েৰ ঃ

বিশ্ববিশ্ৰুত নাট্যকাৰ উইলিয়াম শ্বেক্সপীয়েৰৰ জীৱন-বৃত্ত, তেওঁৰ অমৰ ৰচনাৰাজিৰ পৰিচয় তথা সমালোচনাপূৰ্ণ গ্ৰন্থ অসমীয়া ভাষাত এইখনেই প্ৰথম। এই গ্ৰন্থত কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ আৰু ইংৰাজী বিভাগৰ অধ্যাপক, প্ৰবীণ লেখক শ্ৰীতাৰিণী কান্ত ভট্টাচাৰ্যই শ্বেক্সপীয়েৰৰ জীৱন-বৃত্তান্ত, ইংৰাজী নাটকৰ পৰম্পৰা, শ্বেক্সপীয়েৰৰ গ্ৰন্থৰাজিৰ ৰচনা-বৰ্ষ, মূল আৰু শ্ৰেণী-বিভাগ আদি অধ্যায়ত মহাকবিজনাৰ প্ৰতিভাৰ সম্যক পৰিচয় অসমীয়া পাঠকসকলৰ বাবে দাঙি ধৰিছে। ২২৫ পৃষ্ঠাৰ এই গ্ৰন্থখনৰ মূল্য মাত্ৰ ১০·০০ টকা।

## ঃ ধ্বনি আৰু ৰসতত্ত্ব ঃ

অসম সাহিত্য সভাই প্ৰকাশ কৰা 'পৰিচয় গ্ৰন্থাৱলী'ৰ প্ৰথম গ্ৰন্থ 'ধ্বনি আৰু ৰসতত্ত্ব'। গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যক্ষ ডঃ মুকুন্দ মাধৱ শৰ্মাই গ্ৰন্থখনিত "সংস্কৃত কাব্যৰ পৰা উদাহৰণ দি আৰু আৱশ্যকমতে অসমীয়া ভাষাৰ পৰাও দৃষ্টান্ত দি ধ্বনি আৰু ৰস সম্পৰ্কে আলোচনা কৰিছে— আৰু লগতে কাব্য সম্বন্ধে ভাৰতীয় চিন্তাৰ বিভিন্ন প্ৰস্থানৰ কথাও উনুকিয়াই গৈছে। বহু কথা সামৰি লোৱা এনে পুথি অসমীয়া ভাষাত এয়ে প্ৰথম বুলি ক'ব পাৰি।" পৃষ্ঠা-সংখ্যা ১০+১১৮। মূল্য: ৪·০০ টকা।


# আমাৰ দৃষ্টিত অসম সাহিত্য সভা

শ্ৰীৰাধিকামোহন গোস্বামী

জোনাকী যুগত কলিকতা-প্ৰবাসী কেইজনমান কলেজীয়া ছাত্ৰৰ আশাশুধীয়া চেষ্টা-যত্নৰ ফলতেই অসমীয়া ভাষা-সাহিত্যই স্থায়িত্ব লাভ কৰাৰ বাহিৰেও এটা প্ৰাচীন আৰু সমৃদ্ধ ভাষা হিচাপে স্বীকৃতি লাভ কৰিলে। ইয়াৰ পাছত এই উৎসাহ ক্ষীণ হোৱা যেন দেখিয়েই বোধহয় অসমৰ কেইগৰাকীমান উৎসাহী আৰু ভাষা-প্ৰেমীয়ে অসমীয়া ভাষা-সাহিত্যৰ বহুল প্ৰচাৰৰ কাৰণে আৰু ইয়াৰ চৰ্চা জনপ্ৰিয় কৰাৰ উদ্দেশ্যে ১৯১৭ চনত শিৱসাগৰত অসম সাহিত্য সভা প্ৰতিষ্ঠা কৰে। এই অধিৱেশনে অসমীয়া ভাষা-সাহিত্যপ্ৰেমী বহুতকেই উদগনি দিছিল, প্ৰেৰণা দিছিল। সাহিত্য সভাৰ যোগেদিয়েই ভাৰতীয় আন আন ভাষা-সাহিত্যৰ লগত অসমীয়া ভাষা-সাহিত্যও সমানে আগবাঢ়িব বুলি অসমীয়া সমাজখনে আশা কৰিছিল। সমস্যাবহুল অসমত অসমীয়াসকলৰ সুকীয়া আন কোনো সুপ্ৰতিষ্ঠিত অনুষ্ঠান নাছিল, আৰু সেই বাবেই মনে-প্ৰাণে প্ৰত্যেকজন অসমীয়াই এই অনুষ্ঠানটো নিজৰ বুলি ভাবি আনন্দ পাইছিল। সেই দিনাৰে পৰা কেইবাগৰাকীও বিশিষ্ট কৰ্মীৰ চেষ্টাত সাহিত্য সভাৰ কেইবাটাও অধিৱেশন হোৱা সম্ভৱ হ'ল আৰু সাহিত্য সভাৰ ভৱিষ্যত সম্পৰ্কে সকলোৱেই আশাবাদী হৈ পৰিল। এই কৰ্মীসকলৰ বাবে ভাষা-সাহিত্যৰ ক্ষেত্ৰত এটা ব্ৰত স্বৰূপ হৈ পৰিছিল। বাৰ ল'ৰৰ কাৰণে খিয়লা-খিয়লি বা অৰিয়া-অৰিয়ে কৰ্মীসকলৰ মাজত দেখা দিয়া নাছিল। প্ৰত্যেকজনেই যোগ্যজনক স্বীকৃতি দিয়া আৰু যোগ্যস্থান দিয়া সম্পৰ্কে কেতিয়াও কোনো কাৰ্পণ্য নেদেখুৱাইছিল। সেই কাৰণে সহজভাৱেই বিষয়-ববীয়া নিৰ্বাচিত হৈছিল, আৰু তেওঁলোকেও আন্তৰিকতাৰে সৈতে যিমানখিনি সম্ভৱ, অনুষ্ঠানটিৰ সেৱা কৰি গৈছে।

আজি কিছুমান দিনৰ পৰা সাহিত্য সভাৰ বছৰেকীয়া যিবোৰ অধিৱেশন বহে, তাত অসমৰ আৰু পৰ্বত-ভৈয়ামৰো বহুতকেই সহযোগ কৰা আমি দেখিছোঁ। অধিৱেশনবোৰে দৰ্শকৰ সংখ্যা বঢ়াবৰ বাবে নানা ধৰণৰ আনুষঙ্গিক অনুষ্ঠান কিছুমান সাহিত্য সভাৰ লগত লগ লগাই লোৱাৰ ফলত সাহিত্য সভা বাস্তৱত মেলা হোৱাদি হ'ল বুলি বহুতৰে অভিমত। অকল এয়ে নহয়, সাহিত্য সভাত যি কাৰণতে নহওক, ৰাজনৈতিক নেতাসকল নাহিলে বা তেওঁলোকক নানিলে সভাৰ অঙ্গক্ষত হ'ব বুলি ভবা মানুহৰ সংখ্যাও নিতান্ত কম নহয়। এনে মেলামুখী হোৱাৰ ফলত সভাৰ মূল লক্ষ্যত বাধা সৃষ্টি নাই হোৱা বুলি ক'ব নোৱাৰি। প্ৰতিনিধি বাঢ়িল, আলোচ্য বিষয়ো বাঢ়িবলৈ ধৰিলে। কিন্তু সেই আলোচনাবোৰে প্ৰকৃত বাঞ্ছিত ফল দিছে বুলি বহুতে ভাবিব নোখোজে। সাহিত্যিক হিচাপে স্বীকৃতি পাব লগা বহুতেই এই অধিৱেশনবোৰত

যথাযোগ্য মৰ্য্যাদা নাপায় বুলিও বহুতে কয়। বিষয়-বাবৰ কাৰণে যি প্ৰতিদ্বন্দ্বিতা আমি দেখি আহিছোঁ, তাৰ পৰা আমাৰ স্পষ্ট ধাৰণা হৈছে যে বাস্তৱ কৰ্মৰ মাজেদি সাহিত্য সভাক সমৃদ্ধ কৰাৰ পৰিবৰ্তে বিষয়-বাব বিচৰাসকলে নিজৰ যশ-মান, খ্যাতি-প্ৰতিপত্তি বঢ়াবৰ কাৰণেই সাহিত্য সভাক এখন মঞ্চৰূপে ব্যৱহাৰ কৰিছে। প্ৰতিবাৰৰ অধিৱেশনত লাখে লাখে ধন খৰচ হৈছে; কিন্তু এই খৰচৰ অনুপাতে সাহিত্যৰ বা সাহিত্যিকৰ কি উপকাৰ হৈছে, আমি বুজা নাই। অসমীয়া ভাষা-সাহিত্যক সমৃদ্ধ কৰাৰ মূলতেই হ'ল সাহিত্যিকসকল আৰু তেওঁলোকৰ অৱদান। এওঁ-লোকক সকলো প্ৰকাৰে সাহায্য দিব নোৱাৰিলেও যিখিনি সম্ভৱ, সেইখিনি সাহিত্য সভাই দিয়া উচিত। কিন্তু সাহিত্য সভাই বৰ্তমান এই দিশত যিখিনি কৰিছে, সেয়ে যথেষ্ট নহয়।

আমাৰ ভাষাত বহুত গ্ৰন্থৰ আজিও অভাৱ। উদা-হৰণ স্বৰূপে প্ৰাচীন দৰ্শন আৰু ধৰ্ম-সম্পৰ্কীয় পুস্তক আমাৰ ভাষাত নাই বুলিলেও হয়। লেখিব পৰা মানুহ অসমত নাই, এনে কথা নহয়; কিন্তু ব্যয়বহুল আৰু অনিশ্চিত ভৱিষ্যতৰ ওপৰত নিৰ্ভৰ কৰি আগবাঢ়ি অহা লেখকৰ সংখ্যা তেনেই কম। অথচ এনে গ্ৰন্থৰ অভাৱৰ কথা অসমীয়া মানুহে সদায় অনুভৱ কৰি আহিছে। সেই কাৰণেই এই অভাৱ পূৰণ কৰিবলৈ আমি অন্য ভাষাত প্ৰকাশ হোৱা গ্ৰন্থৰ ওচৰ চাপিব লগা হৈছে। সাহিত্য সভাই এই দিশটোৰ প্ৰতি লক্ষ্য কৰা উচিত হ'ব বুলি আমি ভাবোঁ। কেইখনমান উপন্যাস আৰু চুটিগল্পৰ কিতাপেই এটা ভাষাক সম্পূৰ্ণভাৱে সমৃদ্ধ কৰিব নোৱাৰে।

আজি অসম সাহিত্য সভাৰ ষাঠি বছৰ হ'ল। আমাৰ বোধেৰে ইমান দিনে সাহিত্য সভাৰ নিজা ছপাশাল এখন থাকিব লাগিছিল। কিন্তু নহ'ল। সাহিত্য সভা পত্ৰিকাখনো নিয়মীয়াকৈ প্ৰকাশ নোহোৱাটো এটা দুখৰ কথা। তিনিমহীয়া আলোচনীখনে তিনি মাহ সময় পায়ো নিয়মীয়াকৈ পোহৰ দেখা নাপায়।* সাহিত্য সভা পত্ৰিকা সম্পৰ্কে আমাৰ মত হ'ল— বছৰে বছৰে সম্পাদক সলনি নকৰি এজন উপযুক্ত ব্যক্তিক কিছু বানচ দি স্থায়ী ভিত্তিত সম্পাদনাৰ দায়িত্ব দিব লাগে। প্ৰবন্ধৰ লেখকসকলকো পাৰি-শ্ৰমিক দিলে ভাল প্ৰবন্ধ নোপোৱাকৈ নাথাকে। সাহিত্য সভা পত্ৰিকাখনত কবিতা আৰু গল্প-উপন্যাস নিষিদ্ধ নকৰি এইবোৰৰো স্থান থকা হ'লে বোধহয় বৰ্তমানতকৈ পত্ৰিকাখন জনপ্ৰিয় হ'লহেঁতেন।† অসম-বুৰঞ্জীখন বোধহয় এতিয়াও সম্পূৰ্ণ কৰি লেখিবলৈ বাকী। অসমত থকা বিভিন্ন গোষ্ঠীৰ মানুহক সামৰি লৈ আমি অসমীয়া সমাজ এখন দৃঢ় ভিত্তিত গঢ়ি তোলাৰ আগতে পৰস্পৰে পৰস্পৰক জনাৰ আৱশ্যক আছে। কিন্তু এই বিষয়ে আমি কিমান আগবাঢ়িছোঁ, সেই কথা কোৱা নিষ্প্ৰয়োজন। এই সম্পৰ্কত সাহিত্য সভাৰ এটা দায়িত্ব আছে। অসমৰ হাবিয়ে-বননিয়ে থকা অতীত অসমৰ সম্পদৰাজিৰ বিষয়ে অসমবাসী আজিও অজ্ঞ। আনকি, আহোম স্বৰ্গদেউসকলৰ শাসন-কালৰ বহুত কথা আজি পাহৰণিৰ গৰ্ভত বিলীন হৈ গৈছে। সাহিত্য সভাই অসমৰ বুৰঞ্জী এখন লেখোৱাৰ প্ৰয়োজন আছে বুলি আমি ভাবোঁ। চৰকাৰৰ পৰা ধাৰ লৈ হলেও নিজৰ ছপাখানা এটা পাতি লব পাৰিলে সাহিত্য সভাই বহুত কাম কৰিব পাৰিব বুলি আমাৰ বিশ্বাস।

( ৪৭ পৃষ্ঠাত চাওক )

* চতুস্ত্ৰিংশ বছৰৰ পত্ৰিকা প্ৰতি তিনি মাহৰ মূৰে মূৰে ছপা হৈছে। —পত্ৰিকা সম্পাদক।

† চতুস্ত্ৰিংশ বছৰৰ প্ৰথম সংখ্যা পত্ৰিকাৰ সম্পাদকীয় প্ৰবন্ধত এই সম্পৰ্কে আমি আলোচনা কৰিছিলোঁ।
—পত্ৰিকা সম্পাদক।

# অসম সাহিত্য সভা সম্পৰ্কত

শ্ৰীমোহন চন্দ্ৰ মহন্ত ( যোৰহাট )

এই শতিকাৰ চতুৰ্থ দশকৰ ভিতৰত অসম সাহিত্য সভাৰ বিষয়ে আমাৰ অভিজ্ঞতা এটি আছে। তেতিয়া এই সভাৰ বাৰ্ষিক অধিৱেশন এখনত যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ বৰ্তমান মাজৰ কোঠালি-টোৱেই মানুহেৰে ভৰা নাছিল। বৰ্তমান কালত লাখ-বিলাখ লোকৰ জনস্ৰোত এই সাহিত্য সভাৰ অধিৱেশনলৈ প্ৰবাহিত হোৱা দেখি অসমৰ বাহিৰৰ পৰা অহা আচহুৱা লোকসকল স্তম্ভিত হয়। তেওঁলোকৰ এনে ধাৰণা স্বাভাৱিকতে হৈ উঠে যে, অসমৰ জনসাধাৰণৰ সাহিত্য-প্ৰীতি অতুলনীয় আৰু তেওঁলোক সংস্কৃতি-ক্ষেত্ৰত সকলোৰে অগ্ৰগণ্য। কিন্তু, যদি সমবেত হোৱা জনসাধাৰণৰ প্ৰত্যেককে পাই-গুটীয়াকৈ সোধা হয় যে, তেওঁ এনে অধিৱেশনৰ পৰা কি পাবলৈ আশা কৰি আহিছিল আৰু কি পালে, তেন্তে আমাৰ বিশ্বাস শতকৰা পঁচাশীজনেই সভাৰ আলোচনাত কি কি হ'ল, একোকে ক'ব নোৱাৰিব।

অসমীয়া জাতিৰ উৎসৱ-প্ৰিয়তাও হৈছে এটা বৈশিষ্ট্য। আগৰ অসমৰ ৰাজধানীৰ নামেই আছিল ৰংপুৰ, আৰু ৰংপুৰত হোৱা খেল-ধেমালি আদি চাবলৈ অসমৰ গাঁৱে-ভূঞে, নগৰে-পৰ্বতে অনুষ্ঠিত হোৱা ভাওনা-যাত্ৰা আদিত মানুহৰ ভিৰত বিৰ দি বাট পাবলৈ টান হয়। আমাৰ মনত পৰা দিনত মাঘ-বিহু উৎসৱত বহল ডাঙৰ পথাৰত ম'হ যুঁজ চাবলৈ যোৱা বাইজেৰে পথাৰ নধৰা হৈছিল। তেতিয়া বুঢ়াসকলক কোৱা শুনিছিলোঁ বোলে "ৰাইজ চাবলৈ যাওঁ।" অসম সাহিত্য সভাত সমবেত হোৱা জন-সমুদ্ৰ অসমীয়াৰ এই প্ৰকৃতিৰেই অভিব্যক্তি মাথোন। কাৰণ, আমাৰ দৰে শতকৰা সত্তৰিজন নিৰক্ষৰ আৰু বাকী ত্ৰিছ শতাংশ সাক্ষৰৰ ভিতৰতো আধুনিক সাহিত্যপ্ৰেমী পাঁচজনো হয়নে নহয় সন্দেহজনক। জাতিৰ পক্ষে সকলোতকৈ ডাঙৰ সমস্যা হৈ উঠিছে এই বিৰাট নিৰক্ষৰ অংশটোক লৈ কেনেকৈ জাতীয় উন্নতিৰ পথত জগতৰ উন্নত দেশবোৰৰ লগত সমানে সমানে উধাব পাৰি। ভাৰতবৰ্ষৰ বৈশিষ্ট্য যে ইয়াত নিৰক্ষৰ মানেই অশিক্ষিত বা সংস্কৃতিবিহীন লোক নহয়। আমাৰ জনসাধাৰণক সংস্কৃতিৰ জৰিয়তেহে জাগ্ৰত কৰিব পাৰি বুলি মহাত্মা গান্ধীয়েও বঢ়িয়াকৈ প্ৰমাণ কৰি গ'ল। তেখেতৰ আগতে ভাৰতৰ বিভিন্ন ৰাজ্যত ঘটি উঠা সাংস্কৃতিক বিপ্লৱে নিৰক্ষৰ জনসমাজত প্ৰভাৱ বিস্তাৰ কৰি অহাটো ইতিহাসৰ পাঠকসকলৰ

( ৪৬ পৃষ্ঠাৰ পিছৰ পৰা )

শেষত কওঁ, সাহিত্য সভাৰ প্ৰতি অসম-বাসীৰ যি আগ্ৰহ, আন্তৰিকতা আৰু দান-বৰঙনি আছে, সেই-বোৰৰ উপযুক্ত ব্যৱহাৰ সাহিত্য সভাই কৰিব লাগিব। কৰ্ম-কৰ্তাসকল যশ-মান, খ্যাতি-প্ৰতি-পত্তিৰ বাবে বিষয়-ববীয়া হবলৈ নগৈ 'সেৱা কৰিম'— এই ভাবেৰে আগবাঢ়ি আহিব লাগিব। তেহে সাহিত্য সভাৰ মূল লক্ষ্য আমি ভেদ কৰিব পাৰিম। ××

অবিদিত নহয়। এনেকুৱা পৃষ্ঠভূমিৰ সন্মুখত আধুনিক যুগত ভাৰতৰ সাংস্কৃতিক আদৰ্শৰ লগত খাপ নোখোৱা সাহিত্যিক আদৰ্শৰে আমাৰ নিচিনা নিৰক্ষৰ পিছপৰা দেশ এখনৰ উন্নতি সাধন কৰিব পৰাটো সম্ভৱ নহয়।

ইফালেদি আমাৰ সাহিত্যিক আদৰ্শ এতিয়ালৈকে 'চাহাবী' অৰ্থাৎ পাশ্চাত্য আৰ্হিৰে হৈ আছে। পৰাধীনতাৰ যুগত গত্ লৈ উঠা ঔপনিবেশিক মতবাদৰ নকল বা অনুশীলনেই হৈ আছে আমাৰ তথাকথিত উচ্চ খাপৰ সাহিত্যিকসকলৰ আদৰ্শ। অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰা 'প্ৰকাশ' নামৰ মাহেকীয়া আলোচনীখনৰ সম্পাদকে যোৱা নৱেম্বৰ মাহৰ 'সাহিত্য সমালোচনা' নামৰ সম্পাদকীয় প্ৰবন্ধত তেওঁৰ সাংবাদিক-অভিজ্ঞতাৰেই লেখিছে, "আমাৰ ধাৰণাৰে সাহিত্য এতিয়াও সভ্ৰান্ত পৰ্যায়তে আছে"। প্ৰগতিবাদীসকলে ক'ব, "এনে সাহিত্যক বুৰ্জোৱা সাহিত্য বোলে।" গাঁৱলীয়া অঞ্চলত শিক্ষকতা কৰি থকা এজন বন্ধুৱে লেখিছে, "আধুনিক তথা-কথিত সাহিত্যিকসকলৰ লেখনী সাধাৰণ জনতামুখী নোহোৱাৰ কাৰণেই তেওঁলোকৰ লেখাই জনতাক নোচোঁৱেগৈ; তেওঁলোক ৰাইজৰ পৰা এঘৰীয়া হৈ পৰিছে।" আমাৰ ক্ষুদ্ৰ অভিজ্ঞতাৰে জনাওঁ যে বৰ্তমান সাহিত্যই আমাৰ জনসাধাৰণৰ মতি-গতিৰ নেতৃত্ব দিব পৰা নাই আৰু সাহিত্যিকসকল পৰস্পৰে পৰস্পৰৰ শলাগনিৰে হৈ উঠা আত্ম-তুষ্টিৰ ভাবত মগ্ন হৈ পৰিছে। উন্নত দেশবিলাকৰ সাহিত্যিক আদৰ্শ আৰু আমাৰ দৰে উন্নয়নশীল পিছপৰা দেশৰ সাহিত্যিক আদৰ্শ একে পৰ্যায়ৰ হ'ব নোৱাৰে। অথচ উন্নত দেশৰ সাহিত্য আমাৰ দেশত জাপি দিবলৈ প্ৰয়াস কৰাটোৱেই হৈ উঠিছে আমাৰ বৰ্তমান সাহিত্যিকসকলৰ ঐকান্তিক প্ৰচেষ্টা,— লাগিলে তেনে সাহিত্যৰ ৰস-পান কৰিব পৰা ক্ষমতা শতকৰা পাঁচজনৰো নাথাকক। ফলতঃ এনে সাহিত্যিক আদৰ্শই আমাৰ দেশৰ লোকসকলক দুভাগত ভাগ কৰি পেলাইছে,— আধুনিক শিক্ষিত আৰু এই শিক্ষাৰ ভু নোপোৱা শতকৰা ৯৫ জন সাধাৰণ লোক। আধুনিক অসমীয়া সাহিত্য জনসাধাৰণৰ সাহিত্য নহৈ বিশ্ববিদ্যালয়ৰ শিক্ষা-দীক্ষা পোৱা উচ্চ শিক্ষিত নামধাৰী মুষ্টিমেয় মধ্যবিত্ত শ্ৰেণীৰহে সাহিত্য। যাক সিবিলাকে উচ্চ শ্ৰেণীৰ সাহিত্য বোলে, জনসাধাৰণে তাৰ একোকে নুবুজে। আধুনিক লেখকসকলৰ নেতৃত্ব কৰিছে বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ শিক্ষকসকলে। তেওঁলোকৰ প্ৰতি সশ্ৰদ্ধ সন্মান জনাই কওঁ যে, তেওঁলোকৰ ভাব-ভাষা বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলৰ বাহিৰে আনে বুজিবকে নোৱাৰা হৈ পৰিছে — আছোক নিৰক্ষৰ জনতাই সেইবিলাক নিজে বুজিব পাৰিব অথবা আনৰ হতুৱাই পঢ়াই শুনিবলৈ আগ্ৰহ কৰিব। ফলতঃ আমাৰ সাহিত্য নিচেই ঠেক গণ্ডীৰ ভিতৰতে আবদ্ধ হৈ থাকিব লগীয়া হৈছে। আমাৰ সাহিত্য তথা সংস্কৃতিত ঘটি উঠা এই সমস্যাৰ সমাধান দিব পৰাৰ ওপৰতেই অসমীয়াৰ জাতীয় মহাসভা অসম সাহিত্য সভাৰ কৃতকাৰ্যতা নিৰ্ভৰ কৰিব।

আজিৰ পৰা অৰ্দ্ধশতাব্দীৰ আগতে ১৮৪৮ শকৰ আহিন-কাতি-আঘোণৰ অসম সাহিত্য সভা পত্ৰিকাৰ আৰম্ভণী সংখ্যাৰ সম্পাদকীয়ত পত্ৰিকাৰ সুযোগ্য সম্পাদক স্বৰ্গীয় সাহিত্য-ৰত্ন চন্দ্ৰধৰ বৰুৱাদেৱে এই কাকতৰ বিষয়ে এইদৰে আশা প্ৰকাশ কৰিছিল,— "সম্প্ৰতি এই পত্ৰিকা উলিয়াই সাহিত্য সভাই যে এটি ডাঙৰ আৰু লাগতিয়াল অনুষ্ঠানৰ সূত্ৰপাত কৰিছে, তাক কোনেও নুই কৰিব নোৱাৰে। প্ৰকৃততে সাহিত্য সভাই আজিলৈকে যতখিনি কাম কৰিছে আৰু আগলৈকো কৰিব, তাৰ ভিতৰত কোনো



কামতকৈ ই কম লাগতিয়াল নহয়। ইয়াক সুচাৰু ৰূপে কৰিব পাৰিলে অকল ইয়াৰে পৰা সাহিত্য সভাৰ উদ্দেশ্য ভালেখিনি আগবাঢ়িব।"

অসম সাহিত্য সভাৰ নেতাসকলৰ দ্বাৰা পৰিচালিত উচ্চ খাপৰ আৰু বৰ্তমান জীৱিত হৈ থকা সকলো সাময়িক পত্ৰ-পত্ৰিকাতকৈ দীৰ্ঘজীৱী হৈ মাজতে ড° হেমন্ত কুমাৰ শৰ্মাৰ সম্পাদকতাত অকৃতকাৰ্যতাৰে মাহেকীয়া গতি ধৰাৰ বাহিৰে একেবাৰে তিনিমহীয়া হৈয়ে ওলাই থকা এই কাকতখনে এই বিৰাট ৰূপ ধৰা মহাসভাখনিৰ উদ্দেশ্য সাধনত কিমান দূৰ আগবাঢ়িব পাৰিছে, সেইটি বিশ্লেষণ কৰি চোৱাটো সময়োচিত কাৰ্য হ'ব।

অসম সাহিত্য সভাৰ বৰ্তমান পৰিস্থিতি এনে :—

| | |
|---|---|
| শাখা সভাৰ সংখ্যা | ৪৯৫ |
| স্বীকৃত সভাৰ সংখ্যা | ১৮ |
| আজীৱন সভাৰ সংখ্যা | ৮৪৩ |
| সাধাৰণ সভ্যৰ সংখ্যা | ৪২,০০০ |

আমি ধৰি লৈছোঁ এই বিয়াল্লিছ হাজাৰ সভ্যৰ সকলোৱেই শিক্ষিত আৰু সাহিত্যপ্ৰেমী। এনে স্থলতো অসম সাহিত্য সভা পত্ৰিকাৰ নিচিনা চৌত্ৰিছ বছৰীয়া উচ্চ শ্ৰেণীৰ তিনিমহীয়া আলোচনী কাকতখনৰ বৰ্তমান একো সংখ্যাত ছপা হয় মুঠেই ১৫০০ খনহে। প্ৰতি সংখ্যা ছপা কৰোঁতে খৰচ হয় প্ৰায় চাৰি হাজাৰ টকা। ব্যয় হিচাপে আয় নহয়। ১৯৭৬-৭৭ চনত এই পত্ৰিকাৰ পৰা আয় হৈছিল মাত্ৰ ৩৭১৩ টকা ৪৫ পইচা; পত্ৰিকাৰ বাবে খৰচ হৈছিল ১৫,৬১৯ টকা এপইচা। আনৰ কথা বাদেই, সাহিত্য সভাৰ সভ্য-সদস্য আদিৰেই শতকৰা কেইজনে এই উচ্চ শ্ৰেণীৰ আৰু সাহিত্য সভাৰ উদ্দেশ্য সাধনত একান্ত ব্ৰতী হৈ চলি থকা সভাৰ মুখপত্ৰখন পঢ়ে— বিশেষকৈ বাৰ্ষিক বৰঙনি দি পঢ়ে— তাৰ হিচাপ বিজ্ঞসকলে নিজে নিজেই অঙ্কটো কঁচি উলিয়াই চাওক, আমি তেনে কৰিবলৈ কলম নচলা হৈ পৰিছে। স্বনামধন্য প্ৰথম সম্পাদকজনাই "এই কাগজৰ পৰা কিবা লাভ কৰাটো সাহিত্য সভাৰ অভিপ্ৰায় নহয়; তথাপি চালুকীয়া সাহিত্য সভাৰ পুঁজিত হাত নিদিয়াকৈ ইয়াৰ খৰচখিনি ইয়াৰে পৰা ওলাব লাগিব" বুলি আৰম্ভণিতেই কৰি যোৱা আশা আজি পঞ্চাছ বছৰেও ফলৱতী নহ'লহি। আমাৰ সাহিত্যৰ মূল্য বজাৰত কিমান, তাৰ এয়ে যথেষ্ট পৰিচয় নহয়নে? ××


## অসম সাহিত্য সভাৰ অন্যতম প্ৰকাশন

ককা ৰাগ্মীবৰ নীলমণি ফুকনৰ জীৱদ্দশাত প্ৰকাশিত তেখেতৰ শেষ গ্ৰন্থ

# ঃ বাতৰিৰ বিভূতি ঃ

'বাতৰি' আৰু প্ৰথম অসমীয়া দৈনিক কাকত 'দৈনিক বাতৰি'ৰ আঢ়ৈকুৰিতকৈও অধিক সম্পাদকীয় ৰচনাৰ সঙ্কলন। অসম আৰু অসমীয়া জাতিৰ মঙ্গলামঙ্গল চিন্তাৰ সবল প্ৰকাশস্বৰূপ এই ৰচনাৰাজিত প্ৰায় পঞ্চাছ বছৰৰ আগতেই কৰা বিশ্লেষণ আৰু ভৱিষ্যদ্বাণী এতিয়াও সমানেই চিন্তাৰ বিষয় হৈ আছে। এহাতে এই গ্ৰন্থ স্বাধীনতা-পূৰ্ব কালৰ 'জাতীয় চিন্তা'ৰ ঐতিহাসিক দলিল, আনহাতে ককা ফুকনৰ জীৱনাদৰ্শৰ আৰু ব্যক্তিত্বৰো দলিলস্বৰূপ। তেতিয়াৰ 'দৈনিক বাতৰি'ৰ সহকাৰী সম্পাদক, বুৰঞ্জীবিদ শ্ৰীবেণুধৰ শৰ্মাৰ দ্বাৰা সঙ্কলিত এই গ্ৰন্থখনিত শ্ৰদ্ধেয় শৰ্মা ডাঙৰীয়াৰ এখনি মূল্যৱান ভূমিকাও সংযোজিত হৈছে। "অসমীয়া জাতি আজি বিচলিত হৈ আত্মঘাতী হ'বৰ দিন নাই।" —ককাৰ এই আহ্বান ছত্ৰে-ছত্ৰে ঘোষিত। পৃষ্ঠা-সংখ্যা ১১২ ; মূল্য : ৪'০০ টকা।

# মহাৰাজাধিৰাজ বলৱৰ্মদেৱৰ উলুবাৰী তাম্ৰশাসন

ডঃ প্ৰতাপচন্দ্ৰ চৌধুৰী
ডঃ ধৰ্মেশ্বৰ চুতীয়া

দৰং জিলাৰ নাহৰবাৰী মৌজাৰ ১নং উলুবাৰী গাঁৱৰ মাটিৰ তলত পোৱা তামৰ ফলি তিনিখন (হস্তীযুক্ত ৰাজকীয় মোহৰ খোদিত আঙঠিৰে একেলগ কৰি বন্ধা) প্ৰাগ্‌জ্যোতিষাধিপতি বলৱৰ্মদেৱৰ এতিয়ালৈকে আৱিষ্কৃত তৃতীয় তাম্ৰশাসন। ফলিৰ জোখ: ২৬×১৬½ চেণ্টিমিটাৰ (মাজৰখনৰ প্ৰস্থ: ১৬ চে: মি:), তিনিওখন ফলিৰে চাৰি পৃষ্ঠাত (প্ৰথম আৰু শেষৰ পিঠিত লেখা নাই) মুঠতে ৫৫ শাৰী লেখা আছে। দুই-এঠাইত বাদে ইয়াৰ সমস্ত লিপি পৰিস্ফুট আৰু পঠনীয় অৱস্থাত বৰ্তমান।

আমি জনাত তেজপুৰৰ শ্ৰীচিদানন্দ বৰুৱাই ফলিৰ পাঠোদ্ধাৰৰ প্ৰথম প্ৰয়াস কৰিছিল; অৱশ্যে আমি উক্ত পাঠ দেখা নাই। শ্ৰীবৰুৱাৰ এই প্ৰচেষ্টা অতীব প্ৰশংসনীয়। আমি আশা ৰাখিছোঁ, তেখেতসকলৰ অনুসন্ধিৎসু উদ্যোগৰ ফল স্বৰূপে এনেকুৱা প্ৰচুৰ ঐতিহাসিক সমল পোহৰলৈ আহিব।

গুৱাহাটীৰ অসম বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ সঞ্চালক শ্ৰীবিজয়ভূষণ হাজৰিকাৰ সৌজন্যত শাসন খনৰ পাঠোদ্ধাৰ কৰিবলৈ আমাৰ সুযোগ মিলিছিল। এই পাঠোদ্ধাৰত তেখেতৰ সহায় উল্লেখনীয়। ছন্দালঙ্কাৰ-পুষ্ট, নানোপমা গুণ-বিশিষ্ট প্ৰাঞ্জল সংস্কৃত ভাষাৰ পদ্য আৰু গদ্যত লিখিত শাসনখন অতি মূল্যৱান। কেৱল ঐতিহাসিক দিশৰ পৰাই নহয়, অসমীয়া লিপিৰ ক্ৰমবিকাশ আৰু ভাষা-তত্ত্বৰ ফালৰ পৰাও ইয়াৰ গুৰুত্ব অধিক। অন্যান্য তথ্যক বাদ দিলেও, লিপি-তত্ত্বানুযায়ী বজাজনাৰ ৰাজত্বকাল নৱম শতিকাত পেলাব পাৰি। ফলিত ভুল নগণ্য।

তৃতীয় বলৱৰ্মদেৱৰ প্ৰথমখন তাম্ৰশাসন (উত্তৰ বৰবিল—হাওৰাঘাট: অসম সাহিত্য সভা পত্ৰিকা, পঞ্চদশ বৰ্ষ, ৩য় সংখ্যা, পৃ: ১৮৭-৯৪) ৰাজত্বৰ পঞ্চম বৰ্ষত, দ্বিতীয়খন (কামৰূপ শাসনাৱলী, পৃ: ৭১-৮৮) ৰাজত্বৰ অষ্টম বৰ্ষত আৰু আমাৰ আলোচ্যখন ৰাজত্বৰ ত্ৰয়োদশ বৰ্ষত খোদিত কৰাই হড়প্পেশ্বৰ কটকৰ পৰা হস্তীচিহ্নযুক্ত ৰাজমোহৰ মৰাই ৰাজপত্ৰ কৰি মণ্ডে বিষয়ান্তৰ্গত দিক্কৰৰ (গ্ৰামৰ) পৰা আগতে আবাদ নকৰা অথবা নতুনকৈ খাৰিজ কৰা এক খণ্ড ভূমি [বস্তি, বাৰী, স্থল, জল, গৰু-ম'হৰ চৰণীয়া পথাৰ আৰু পতিত মাটি (বৰবাণি)ৰে সৈতে] অষ্টসীমা নিৰ্দ্ধাৰণ কৰি বজাজনাই ৰবিৰ উত্তৰায়ণৰ পুণ্য ক্ষণত লক্ষহোম যজ্ঞ কৰি গুণৱান ব্ৰাহ্মণ ভৱদেৱক দান কৰিছিল। উক্ত মাটি সকলো ধৰণৰ কৰ-কাটল আৰু ৰাজকীয় দায়ৰ পৰা মুক্ত কৰি বিষয়টোৰ সমস্ত ৰাজকৰ্মচাৰী আৰু মুখ্য প্ৰজাবৰ্গক জনোৱা হৈছিল, যেন সেইসকল দান-পত্ৰৰ সাক্ষীহে আছিল, আৰু এই ৰাজশাসনৰ চৰ্তাৱলী যেন সাৱধান বাণীহে।



দীঘলীয়া ৰাজত্বকালত ৰজা বলৱৰ্মাই নানা ঠাইত মাটি-বৃত্তি দান কৰি নিজৰ ৰাজ-শক্তিৰ লগতে ভাৰতীয় সভ্যতা, কলা-কৃষ্টিৰ পৃষ্ঠপোষকতাৰ সুন্দৰ উদাহৰণ দাঙি ধৰিছে।

ৰাজপত্ৰত আগতে আৱিষ্কৃত শাসন দুখনৰ নিচিনাকৈ ৰজা বলৱৰ্মদেৱৰ উপৰিপুৰুষৰ বংশানুক্ৰমিক ইতিবৃত্ত সন্নিবেশ কৰা দেখা পাইছোঁ। পৈতামহ কটক বা হড়প্পেশ্বৰ নগৰৰ বিতোপন ৰাজপ্ৰাসাদৰ বৰ্ণনাও ইয়াত দিয়া হৈছে, আৰু নগৰখন যে সুৰক্ষিত কৰা হৈছিল, তাৰ বৰ্ণনাও পৰৱৰ্তী ৰজা ৰত্নপাল আৰু গোপালৰ শাসন-লিপিত পাইছোঁ। ইয়াৰ অৰ্থ এইটো নহয় যে আগৰ ৰাজধানী প্ৰাগজ্যোতিষপুৰৰ গুৰুত্ব কমি গৈছিল। এই প্ৰাচীন ৰাজধানীখনকেই ৰজা ৰত্নপালে নতুনকৈ সুৰক্ষিত কৰা বৰ্ণনা ৰৰ্ণাও শাসন-লিপিত সুন্দৰকৈ দিয়া আছে। গতিকে ক'ব লাগিব, সপ্তম শতিকাৰ কামৰূপৰ ৰজা মহাপৰাক্ৰমী ভাস্কৰবৰ্মাৰ ৰাজত্বৰ উত্তৰ কালত আৰু এখন নতুন ৰাজধানী ঠন ধৰি উঠে: ইয়েই প্ৰত্নতাত্ত্বিক সমলেৰে ভৰপূৰ বৰ্তমান তেজপুৰৰ ভৌগোলিক সীমাৰ ভিতৰত অৱস্থিত হড়প্পেশ্বৰ নগৰ, যিখন প্ৰাচীন অসমৰ দ্বিতীয় ৰাজধানীৰূপে সকলো কালৰ পৰাই পৰিগণিত হৈছিল। খননকাৰীৰ কোদাল আৰু ঐতিহাসিকসকলৰ অনুসন্ধানে প্ৰাচীন অসমৰ যুগ্ম ৰাজধানী দুখনৰ সৌজন্যত গঢ়ি উঠা ভাৰতীয় সভ্যতাৰ এটি তাৎপৰ্যপূৰ্ণ অধ্যায়ৰ বতৰা দিব বুলি আশা কৰিব পাৰি।

ভৱদেৱ ব্ৰাহ্মণক দান দিয়া ভূখণ্ডৰ অৱস্থিতি সম্বন্ধে খাটাং সিদ্ধান্ত দিয়া টান। আন কথাত, ব্ৰহ্মপুত্ৰৰ উত্তৰ কূলৰ মণ্ডে-বিষয়ান্তৰ্গত দিক্কৰৰ চিনাক্তকৰণত দ্বিমত থাকিব পাৰে। আমাৰ ধাৰণা, দিক্কৰ ভূমি বৰ্তমানৰ দিকৰাই অঞ্চল, যি ঠাই নাতিদূৰত নাগশঙ্কৰ দেৱালয় অৱস্থিত। মণ্ডে এতিয়াৰ মিজিকা (প্ৰাকৃতত মণ্ডেৰ পৰা মেজি বা মিজিকাৰ উৎপত্তি অসমীচীন যেন নালাগে)। মাটিৰ তিনি সীমাত থকা দিমগো জোল বা বিলৰ চিনাক্তকৰণো সিমান উজু নহয়; এই দীঘলীয়া বিলখন উক্ত নামৰ নদীৰ পৰা উদ্ভৱ হৈছিল আৰু বাৰিষা কালত হয়তো নদী আৰু বিল সংলগ্ন হৈ পৰিছিল। আচলতে নদীৰ নাম দিমৌ বা দিম্‌দেহে আছিল (ঠিক মণ্ডলদৈ নদীৰ নিচিনা)। সি যি কি নহওক, এই নামৰ লগত মিলি যোৱা নদী বা বিল আমি জনাত এই জিলাখনত নাই। মুঠৰ ওপৰত, নাগশঙ্কৰৰ উত্তৰ-পূব দিশত অৱস্থিত দিক্‌ৰাই নদীৰ পাৰৰ দিক্‌ৰাই গ্ৰামৰ পৰা উক্ত শাসনৰ দ্বাৰা মাটি ব্ৰহ্মোত্তৰ কৰি দিয়া হৈছিল – এনে অনুমান কৰিব পাৰি। যি ঠাইত বৰ্তমান শাসনখন পোৱা গৈছে, সেই ঠাইখনো (উলুবাৰী) দান দিয়া ভূমিৰ পৰা সম্ভৱতঃ বেছি দূৰত নাছিল। দিক্‌ৰাইত দান পোৱা ব্ৰাহ্মণৰ বংশৰ কোনোবা এঘৰৰ পৰা হয়তো এই ৰাজ-শাসনখন নিখোজ হ'বলৈ পায়। কিন্তু এইটো কেৱল আমাৰ ধাৰণাহে। প্ৰাকৃতিক দুৰ্যোগ, নদ-নদীৰ গতি পৰিবৰ্তন আৰু স্থানাদি নামৰ ভাষিক সাল-সলনিৰ লগতে নতুন নতুন নামকৰণে পুৰণি মানচিত্ৰৰ অভাৱত সঠিক চিনাক্তকৰণত সদায়ে বিঘি-পথালি দিব।

তলত তামৰ ফলি তিনিখনৰ শুদ্ধ পাঠৰ সৈতে অসমীয়া অনুবাদ সন্নিবিষ্ট হৈছে। আমাৰ পাঠ আৰু অনুবাদ যে একেবাৰে নিৰ্ভুল হৈছে, এই উক্তি কৰিবৰ সাহস নাই। গতিকে ভুল-ভ্ৰান্তি আঙুলিয়াই দিলে ঐতিহাসিক তথা গৱেষকসকল উপকৃত হ'ব।

শাসনৰ পাঠ :—

প্ৰথম ফলি ঃ ভিতৰ ফাল


১। ৎ স্বস্তি ভৰতুভৰতিমিৰভিদ্বৰং তেজো ৰৌদ্ৰং প্ৰশান্তয়ে জগতঃ। পৰিৱৰ্ত্ততে সমগ্ৰং কল্পা-
২। -ন্তনিশাৱসানে যৎ ॥ ১ ॥ সুৰকৰিমদচন্দ্ৰকিতং সলিলং লৌহিত্যৱাৰিধেৰমলম্[১]। কৈলাসকট-
৩। -ক- মৃগমদৱাসিতমপহৰতু স্থৱিতং ৱঃ[২] ॥ ২ ॥ প্ৰলয়পয়োধৌ মগ্নমুদ্ধৰতো ৱসুমতীমুপে-
৪। -ন্দ্ৰস্য। নৰক ইতি সূনুৰাসীদসুৰসুহৃৎ-ক্ৰোড়ৰূপধৃতঃ[৩] ॥ ৩ ॥ ত্ৰৈলোক্যৱিজয়তুংগং যেনাপহৃ-
৫। -তং যশো[৪]মহেন্দ্ৰস্য। অদিতেঃ কুণ্ডলযুগলং কপোলদোলায়িতং হৰতা ॥ ৪ ॥ তাম্বুল[৫]ৱল্লী-
৬। -পৰিণদ্ধপূগং কৃষ্ণাগুৰুস্কন্ধ-নিৱেশিতৈলং। স কামৰূপে জিতকাম-
৭। -ৰূপো[৬] প্ৰাগ্‌জ্যোতিষাখ্যং[৭] পুৰমধ্যুৱাস ॥ ৫ ॥ মদান্ধগন্ধদ্বিপকৰ্ণতাল-নৃ-
৮। -ত্তান্মুৰোপৱনে স তস্মিন্[৮]। ৱসন্[৯]সমাসাদ্য মুৰাৰিচক্ৰং ৰণে ৰণৈ-
৯। -ষী দিৱমাৰুৰোহ ॥ ৬ ॥ ভূপালমৌলিমণিচুম্বিতপাদপীঠস্তস্যাত্ম-
১০। -জোভুৱ্‌ভগদত্তনামা। ৰাজা প্ৰজাৰঞ্জন[১০]-লব্ধৱৰ্ণো ৱৰ্ণাশ্ৰমাণাং গুৰুৰেকৱীৰঃ ॥ ৭ ॥ উপ-
১১। -গতৱতি সুৰলোকং তস্মিন্তস্যানুজোভৱদ্ভূমেঃ[১১]। পতিৰমলভক্তিৰীশে যং প্ৰাহুৰ্ব্বজ্ৰদত্ত ই-
১২। -তি কৱয়ঃ[১২] ॥ ৮ ॥ তদ্বংশে ৱনদ্ৱ[১৩]প্ৰাপ্যৱিথীকৃতসাগৰাং মহীম্ভুক্‌ত্বা[১৪]। অস্তঙ্গতেষু ৰাজসু সান্ত-
১৩। -স্তোভৱন্নৃপতিঃ ॥ ৯ ॥ পালকৱিজয়প্ৰভৃতিষু সমতিক্ৰান্তেষু তস্যাৱশেষু। অভৱদ্ভুৱি নৃপচ-
১৪। -ন্দ্ৰো দ্বিষজ্জৱো হৰ্জ্জৰো নাম ॥ ১০ ॥ অহমহমিকয়া ৱিৱন্দিষূণাংসংসদি[১৫] যস্য নৱপ্ৰভা-

দ্বিতীয় ফলি ঃ প্ৰথম পৃষ্ঠা


১৫। -প্ৰতানৈঃ। ন মুকুটমণয়ো ৱিভান্তি ৰাজ্ঞাং ৰৱিকৰসম্বলিতা[১৬] ইৱ প্ৰদীপাঃ ॥ ১১ ॥ তস্যাত্মজঃ শ্ৰীৱ-
১৬। -নমালদেৱো ৰাজা চিৰং ভক্তিপৰো ভৱেভূৎ। ৱিশালৱক্ষাস্তনুবৃত্তমধ্যঃ পিনদ্ধকণ্ঠঃ পৰি-
১৭। -ঘাভৱাহুঃ ॥ ১২ ॥ ন ক্ৰুদ্ধং ৱিকৃতাস্য[১৭] ন চ হসিতং ন চ ৱচঃ শ্ৰুতং নীচাং[১৮]। ন চ কিঞ্চিদ্ৰুক্ত[১৯]মহিতং ম-
১৮। -হিতং শীলং সদৈৱ যস্যাভূৎ ॥ ১৩ ॥ যেনাতুলাপি সতুলা জগতি ৱিশালাপি ভূৱিকৃতশালা। প-
১৯। -ঙক্তিঃ প্ৰাসাদানামকৃত ৱিচিত্ৰাপি সচ্চিত্ৰাঃ ॥ ১৪ ॥ তস্যাত্মজঃ[২০] শ্ৰীজয়মাল-
২০। -দেৱঃ ক্ষীৰাম্বুৰাশেৰিৱ শীতৰশ্মিঃ[২১]। ৰভূৱ যস্যাস্খলিতং ভ্ৰমন্তি য-

---


১। মূলত আছে °ৰমলং ২। °মূলত আছে °হৰিতন্বঃ ৩। মূলত আছে °ভৃতঃ ৪। মূলত আছে যশো° ৫। মূলত আছে তম্বূল° ৬। মূলত আছে °ৰূপ ৭। মূলত আছে °প্ৰাগ্‌জ্যোতিশাখ্যং ৮। মূলত আছে °তস্মিং ৯। মূলত আছে °ৱসন্সমাসাদ্য ১০। মূলত আছে °ৰংজন ১১। মূলত আছে °ভদ্ভূমেঃ ১২। মূলত আছে °কৱয় ১৩। মূলত আছে °ৱনপ্ৰাপ্যৱিথী° ১৪। মূলত আছে °ভুক্তা ১৫। মূলত আছে °ৱিৱন্দিশূণাম্সংসদি° ১৬। মূলত আছে °সংৱলিতা ১৭। মূলত আছে °ৱিকৃতাসং ; ১ম আৰু ২য় ফলিত আছে °ৱিকৃতাস্য ১৮। মূলত আছে °শ্ৰুতন্নীচাং ; ১ম আৰু ২য় ফলিত আছে °শ্ৰুতং নীচাং ১৯। মূলত আছে °কিংচিদ্ৰুক্ত°; ১ম আৰু ২য় ফলিত আছে °কিঞ্চিদ্ৰুক্ত° ২০। মূলত আছে °তস্মজঃ° ; ১ম আৰু ২য় ফলিত যথাৰ্থভাৱেই °তস্যাত্মজঃ° আছে ২১। মূলত আছে °শীতৰশ্মি




প্ৰথম ফলি ঃ দ্বিতীয় পৃষ্ঠা



দ্বিতীয় ফলি ঃ প্ৰথম পৃষ্ঠা



দ্বিতীয় ফলি ঃ দ্বিতীয় পৃষ্ঠা



তৃতীয় ফলি ঃ প্ৰথম পৃষ্ঠা



-শাংসি কুন্দেন্দুসমপ্ৰভাণি[২২] ॥ ১৫ ॥ সশ্ৰীমান্[২৩]ৰনমালোপি ৰাজা ৰাজীৱলোচনঃ ।
অৰেক্ষ্য ৱিনয়োপেতং তনুজং[২৪] প্ৰাপ্তযৌৱনম্ ॥ ১৬ ॥ ছত্ৰং[২৫] শশধৰধৱলং চামৰ-
-যুগলান্বিতং প্ৰদায়াস্মৈ । অনশনৱিধিনা ধীৰস্তেজসি মাহেশ্বৰে লী-
-নঃ[২৬] ॥ ১৭ ॥ প্ৰাপ্তৰাজ্যোন তেনোঢ়া ৰাজ্ঞা শ্ৰীৱীৰবাহুনা । কুলেন কান্ত্যা ৱয়সা অম্বানামাত্মনঃ
সমা ॥ ১৮ ॥
তেনোদপাদি তস্যামৱশাৱিৰ পাৰকঃ[২৭] প্ৰয়োগৱিদা । বলৱৰ্ম্মেতি প্ৰথিতঃ শ্ৰীমত্তনয়ঃ সমগ্ৰ-
-গুণযুক্তঃ ॥ ১৯ ॥ অসিত-সৰোৰুহচলদলনিভনয়নঃ[২৮] পীনকন্ধৰঃ সুভুজঃ । অভিনৱদিনকৰকৰহ-
-তৱিদলিতনৱনলিনকান্তিসচ্ছায়ঃ ॥ ২০ ॥ গচ্ছতি তিথিমতি কালে স কদাচিৎ কৰ্ণ্ণাৎ ৱিপাকৱশা-

দ্বিতীয় ফলি ঃ দ্বিতীয় পৃষ্ঠা

-ৎ । ৰাজা কষ্টভিভূতো লজ্জিতা[২৯]ভিৰক্ষা ৰণস্তম্ভঃ ॥ ২১ ॥ নিসাৰং সংসাৰং জলধৰলোলঞ্চ জীৱিতং পু-
-ংসাং[৩০] । ৱিগণয্য ৱীৰবাহুঃ[৩১] কৰ্ত্তব্যমচিন্তয়চ্ছেদং[৩২] ॥ ২২ ॥ অথ পুণ্যেহনি নৃপতিস্তনয়মমুদগ্ৰৱিগ্ৰহং-
ৱিধিৱৎ । কেশৰি[৩৩] কিশোৰসদৃশং সিংহাসন-মৌলিতামনয়ৎ ॥ ২৩ ॥ তদনন্তৰমধিগম্য প্ৰাজ্যং তদ্ৰা-
-জ্যমাজ্যমিৱ বহ্নিঃ । বলৱৰ্ম্মাপি দিদীপে প্ৰোৎসাৱিত[৩৪]সকলৱিপুতিমিৰঃ ॥ ২৪ ॥ অভৱঞ্জয়[৩৫]কৰিকুম্ভস্থ-
-লিতোৰ্ম্মৌৰমলৱাৰিধেস্তস্য । লৌহিত্যস্য সমীপে তদেৱ পৈতামহং কটকং ॥ ২৫ ॥ তত্ৰ শ্ৰীমতী হড়প্পে-
-শ্বৰ[৩৬] নামনি কটকে কৃতৱসতি কংখাত্তাসিলজ্জামৰীচিনিচয়মেচকিতেন ৰা-
-হুনা । ৱিজিতসকলদিক্‌চক্ৰ[৩৭]ৱালো ধীৰঃ প্ৰধনে ভীকৰয়শসি তীক্ষ্ণো ৱিপু-
-ষু মৃদুতৰোগুৰুষু[৩৮] । সত্যৱাগ্‌ৱিসম্বাদী[৩৯] কৃত্থাৱিকথনঃ[৪০] শ্ব্‌লক্ষ্ণো মাতাপি-
-তৃপাদানুধ্যাতধৌতকল্মষঃ[৪১] পৰমেশ্বৰঃ পৰমভট্টাৰকো মহাৰাজা-
-ধিৰাজঃ শ্ৰীবলৱৰ্ম্মদেৱঃ কুশলী ॥ ● ॥ উত্তৰকূলে মন্ত্ৰৱিষয়ান্তঃপাতি দিক্কৰ[৪২]তোপ-
-কৃষ্ট[৪৩]ধান্যম্বিসহস্ৰোৎপত্তিক ভূমৌ । যথাযথং সমুপস্থিত ব্ৰাহ্মণাদিৱিষয়কৰণ-ৱ্যৱহা-
-ৰিক-প্ৰমুখজানপদান্ । ৰাজ-ৰাজ্ঞী-ৰাণকাধিকৃতাননান্যপি ৰাজনক-ৰাজপুত্ৰ-ৰাজৱল্ল-

মূলত আছে "প্ৰভুণি ; ১ম আৰু ২য় ফলিত শুদ্ধভাৱেই "প্ৰভাণি আছে । ২৩। মূলত আছে "শ্ৰীৰ্যনৱালোপি" ২৪। মূলত আছে "তনূজং ২৫। মূলত আছে "ছত্ৰং—" ২৬। মূলত আছে "লীন ২৭। মূলত আছে "পাৰক—" ২৮। মূলত আছে "নয়ন" ২৯। মূলত আছে "লংবিত—" ৩০। মূলত আছে "পুন্সাং । ১ম ফলিত "পুন্সান্" আৰু ২য় ফলিত "পুহ্‌সাং" আছে । ৩১। মূলত আছে "ৱীৰবাহু" । মূলত আছে "চ্ছেদং" ৩৩। মূলত আছে "কেসৰি-" ৩৪। মূলত আছে "প্ৰোচ্ছাবিত" ৩৫। মূলত আছে "অভঞ্জকৰি" ৩৬। হৰ্জৰবৰ্মাৰ শাসনত হটপ্পেশ্বৰ, ৰনমালবৰ্মাৰ তেজপুৰ শাসনত হড়প্পেশ্বৰ, আৰু বৰ্মাৰ নগাঁও শাসনত হাৰুপেশ্বৰ (পদ্মনাথ বিদ্যাবিনোদৰ মতে হৰ্ণলি চাহাবে হটপ্পেশ্বৰৰ ঠাইত পঢ়িছে হাৰুপেশ্বৰ পঢ়িছে।) ৩৭। মূলত আছে "দিকক্ৰ" ৩৮। মূলত আছে "মৃহতগ্ৰাগুৰু" মূলত আছে "ৱিসংবাদী" ৪০। মূলত আছে "ৱিকথনঃ । মূলত আছে "কল্মশঃ ৪২। প্ৰথম দৃষ্টিত শব্দটো "দিজ্জৰ" যেন লাগে ৪৩। অপকৃষ্ট পদটোৰ অৰ্থ বিভিন্ন প্ৰকাৰে কৰা হৈছে । ড° হৰ্ণলিয়ে 'অপকৃষ্ট' ভূমিৰ অৰ্থ কৰিছে 'inferior land.' পদ্মনাথ বিদ্যাবিনোদে ইয়াৰ অৰ্থ দিছে 'খাৰিজ কৰা ।' (কামৰূপ শাসনাৱলী, পৃ. ১০৭)।

৪০। -ভপ্ৰভৃতীন্ । যথাকালভাৱিনোপি সৰ্ব্বান্[৪৪]মাননাপূৰ্ব্বকং সমাদিশতি । ৱিদিতমস্তুভৱতাং[৪৫] । ভূমি-
৪১। -ৰিয়ং ৱাস্তু-কেদাৰ-স্থল-জল গোপ্ৰচাৰাৱকৰাম্বাপেতা যথাসংস্থা স্বসীমোদেশ পৰ্য্যন্তা হ-

## তৃতীয় ফলি ঃ প্ৰথম পৃষ্ঠা

৪২। -স্তিবন্ধ নৌকাবন্ধ চৌৰোদ্ধৰণ-দণ্ডপাশোপৰিকৰ নানানিমিত্তোৎখেটন-হস্ত্যশ্বোষ্ট্ৰগোম-
৪৩। -হিষাজাৱিকপ্ৰচাৰ প্ৰভৃতীনাং[৪৬] ৱিনিৱাৰিত সৰ্ব্বপীড়া ।[৪৭] শাসনীকৃত্য ॥ যো জাতৱেদসমপি-
৪৪। -ষিক্তবৰ্চ্চসোচ্চৈৰ্দ্দেৱ গুহাসমহসা ৱিশ্ব ৱিষ্ণুদেৱঃ । আসীদসাৱিহ পৰাশৰৱংশজন্মা ।[৪৮]
৪৫। কাণ্ৱোযজুৰ্ম্মিগদতাম্লগতি প্ৰসিদ্ধঃ ॥ ২৬ ॥ সভাং কলাভিৰমলো ন তুলাংৱিকচঃ ।[৪৯] ৱন্দ্যো গু-
৪৬। -ণৈঃ শ্ৰমণকৈক্ৰুৰদেৱ অস্মাৎ ॥ নিৰ্দ্ধূতকল্মষমসীমসৃণো[৫০] ৱভূৱ । দুগ্ধাম্বুধেৰিৱ শ-
৪৭। -শী নয়নাভিৰামঃ ॥ ২৭ ॥ দেৱাচাৰ্য্যাস্য তাৱেৰ[৫১] শান্তনোৰিৱ জাহ্নৱী ।
৪৮। তস্য সাধ্বভৱৎপত্নী[৫২] উষা নাম যশস্বিনী [৫৩] ॥ ২৮ ॥ তস্মাদভূৱ[৫৪] সুকৃতী-
৪৯। ভৱদেৱনামা । কামস্যসৰ্ব্বজগতামভিবৃদ্ধিহেতুঃ ॥ ইত্থ[৫৫]ম্বিচি-
৫০। -ত্ৰা যশসা[৫৬]শশভৃৎকলাৱান্ । জ্ঞানে জগাম[৫৭]গুণিনস্ সহ মৈত্ৰভাৱং[৫৮] ॥ ২৯ ॥
৫১। উদক্[৫৯]সঙ্ক্ৰমনেপুণ্যে ৱৰ্ষেত্ৰয়োদশে ময়া । লক্ষহোমে[৬০] দ্বিজায়াস্মৈ দত্তা ক্ষেমমভি-
৫২। -প সত্তা ॥ ৩০ ॥ সীমা পূৰ্ব্বেণ দিমগ্দোজোলপূৰ্ব্বপাটঃ । পূৰ্ব্বদক্ষিণেন সৈৱ[৬১] জোলঃ । ৱেতস ৱৃ-
৫৩। -ক্ষৌ । দক্ষিণেন পায়লিৱৃক্ষঃ । দক্ষিণ-পশ্চিমেন নৱপত্তিকাৱিত ধৰ— পূৰ্ব্বপাটঃ ।
৫৪। পশ্চিমেন সপ্তপৰ্ণৱৃক্ষঃ । জোলশ্চ । পশ্চিমোত্তৰেণ জড়িৱৃক্ষঃ । উত্তৰেণ দিমগ্দো-
৫৫। জোলঃ । মন্দাৰ ৱৃক্ষৌ । উত্তৰপূৰ্ব্বেণ চৰ্ম্মৱৃক্ষ [৬২] ইতি ॥

অনুবাদ :—

প্ৰণাম ! পৃথিৱীৰ অন্ধকাৰ নাশকাৰী ৰুদ্ৰৰ তেজ জগতৰ শান্তিৰ কাৰণ হওক; (যাৰ কাৰণে) নিশাৰ পাছত (প্ৰভাত) হোৱাৰ নিচিনাকৈ কল্পান্তত সকলো পৰিৱৰ্তন হৈ আছে ॥ ১ ॥

যি দেৱহস্তীবোৰৰ মদস্ৰাৱৰ দ্বাৰা ময়ূৰৰ চকাৰ দৰে শোভা পাইছে আৰু যি কৈলাসৰ পাৰদেশৰ অধিবাসী হৰিণৰ কস্তুৰীৰ গোন্ধেৰে সুৱাসিত, সেই লৌহিত্যৰ নিৰ্ম্মল পানীয়ে তোমালোকৰ পাপ দূৰ কৰক ॥ ২ ॥

প্ৰলয়-জলত বুৰ গৈ থকা বসুমতীৰ উদ্ধাৰকৰ্তা উপেন্দ্ৰৰ নৰক নামে এজন অসুৰ সুহৃৎ পুত্ৰ আছিল, ॥ ৩ ॥

[৪৪]। মূলত আছে "সৰ্ব্বাম্মননা —" [৪৫]। মূলত আছে "ৱিদিত ভৱতাং"। [৪৬]। মূলত আছে "প্ৰভৃতী-নাম্বিনি—" [৪৭]। এই যতি (।) চিনটোৰ কোনো প্ৰয়োজন নাই। [৪৮]। যতি (।) চিনটো অপ্ৰয়োজনীয় [৪৯]। মূলত আছে "নতুলাম্বিকচ"।" পিছৰ যতি চিনটো বোধহয় বৃত্ত বা চৰণ বুজাবলৈ ব্যৱহৃত হৈছে। পৰৱৰ্তী আঠাইকেইটা শ্লোকতেই এই নিয়ম কৰিছে। [৫০]। মূলত আছে "কল্মশমসীমশৃণো। [৫১]। মূলত আছে "তাৰিৱ—" [৫২]। মূলত আছে "ভৱতপত্নী"। [৫৩]। মূলত আছে "যসস্বিনী"। [৫৪]। প্ৰথম আখৰ দুটাত ঘঁহোৱাৰ চিন আছে। প্ৰথম বৰ্ণটো দেখাত 'স্তু' যেন লাগে। দ্বিতীয় বৰ্ণটো উঠি গৈছে, কেৱল 'া' হে অৱশিষ্ট। [৫৫]। মূলত আছে "ইৎথ—"। [৫৬]। মূলত আছে "যসসা"। [৫৭]। 'গুণিন'ৰ 'গু' বৰ্ণটো 'ন'ৰ তলত লেখা হৈছে। সম্ভৱতঃ বাদ পৰি গৈছিল। [৫৮]। মূলত আছে "সৈত্ৰভাৱং-"। [৫৯]। মূলত আছে "উদৎসঙ্ক্ৰমনে-"। [৬০]। মূলত আছে "লক্ষাহোমে-"। [৬১]। 'সৈৱ'ৰ 'ৱ' বৰ্ণটো প্ৰথম দৃষ্টিতে 'চ' যেনো লাগে। [৬২]। 'চৰ্ম্মবৃক্ষ'ৰ 'চ' বৰ্ণটো প্ৰথম দৃষ্টিতে 'ৱ' যেন লাগে।



ৰিজনে অদিতিৰ কপোলত দোলন দি থকা কুণ্ডল যোৰ হৰণ কৰি ত্ৰিভুৱন বিজয়ী উন্মত্ত-শিৰ ইন্দ্ৰৰ লজ্জা অপহৰণ কৰিছিল ॥ ৪ ॥

কামদেৱতকৈও অধিক ৰূপৱান তেওঁ (নৰকে) কাম-ৰূপৰ প্ৰাগ্‌জ্যোতিষ নামে নগৰত বাস কৰিছিল, যি (নগৰৰ) তামোল গছবোৰ পাণ লতাৰে অৱ-গুণ্ঠিত আছিল আৰু ক'লা অগৰু গছৰ ডালবোৰ এলাচি লতাৰে পৰিৱেষ্টিত আছিল ॥ ৫ ॥

যি ঠাইৰ উপবনত মদান্ধ-গন্ধ গজৰ কাণৰ জোকা-ৰণিৰ তালে তালে ম'ৰা চৰাইবোৰে নাচ দিছিল, সেই ঠাইতে (প্ৰাগ্‌জ্যোতিষপুৰত) বাস কৰি যুদ্ধপ্ৰিয় (নৰক) বিষ্ণুচক্ৰৰ দ্বাৰা আহত হৈ মৃত্যু-মুখত পৰে ॥ ৬ ॥

তেওঁৰ পুত্ৰৰ নাম আছিল ভগদত্ত, যাৰ পাদপীঠ ৰজাসকলৰ শিৰোৰত্নৰ দ্বাৰা চুম্বিত হৈছিল, যি প্ৰজাক সন্তোষ দিয়াত পাৰ্গত, যি সকলো বৰ্ণ আৰু আশ্ৰমৰ গুৰুতুল্য আৰু যি অদ্বিতীয় বীৰ আছিল ॥ ৭ ॥

তেওঁ স্বৰ্গী হোৱাত তেওঁৰ ভাতৃ ৰজা হৈছিল, যাৰ মহাদেৱত নিৰ্মল ভক্তি আছিল আৰু যাৰ নাম কবিসকলে বজ্ৰদত্ত বুলি কয় ॥ ৮ ॥

সেই বংশত বনৰূপ প্ৰাচীৰ আৰু সাগৰ-ৰূপ গাৰৈৰ সীমা কৰি ৰাজ্য ভোগ কৰি অনেক ৰজাৰ মৃত্যু হোৱাৰ পাছত সালস্তম্ভ ৰজা হৈছিল ॥ ৯ ॥

পালক, বিজয় আদি সেই বংশৰ ভালেমান ৰজা পাৰ হৈ যোৱাৰ পাছত শত্ৰুনাশকাৰী হৰ্জৰ নামে এজনা চন্দ্ৰতুল্য ৰজা হৈছিল ॥ ১০ ॥

'মই আগে', 'মই আগে' (এই বুলি) প্ৰাৰ্থনা কৰাত ইচ্ছুক ৰজাসকলৰ মুকুট-মণি তেওঁৰ (হৰ্জৰৰ) বাতুল পাদ-নখৰ কান্তিৰ আগত বেলিৰ পোহৰত জোনাকী চাকিৰ দৰে হীনপ্ৰভ হৈছিল ॥ ১১ ॥

তেওঁৰ পুত্ৰ শিৱভক্ত বনমালদেৱ বহুদিন ৰজা হৈ আছিল; তেওঁৰ বুকু বহল, কঁকাল সৰু, কিন্তু বৃত্তাকাৰ, কণ্ঠ দৃঢ় আৰু বাহু পৰিঘৰ নিচিনা আটিল আছিল ॥ ১ ॥

তেওঁৰ মুখ খণ্ডে বিকৃত কৰা নাছিল আৰু (মুখত) হাঁহি নোহোৱা হোৱা নাছিল, নীচ লোকৰ মুখত শুনাৰ দৰে কোনো উক্তি (তেওঁ) নকৰিছিল, তেওঁ অহিত কথা নকৈছিল আৰু তেওঁৰ চৰিত্ৰ সদায় মহান আছিল ॥ ১৩ ॥

তেওঁ শাৰীয়ে শাৰীয়ে এনে কিছুমান ৰাজপ্ৰাসাদ নিৰ্মাণ কৰাইছিল, জগতত যি তুলনাহীন হ'লেও ঠিক জোখত নিৰ্মিত, সুবৃহৎ হ'লেও বহুত শালা (কোঠা) যুক্ত, আৰু বিচিত্ৰ হ'লেও (য'ত) সুন্দৰ ছবি লগোৱা আছিল ॥ ১৪ ॥

ক্ষীৰ সাগৰৰ পৰা চন্দ্ৰ উদয় হোৱাৰ নিচিনাকৈ তেওঁৰো শ্ৰীজয়মালদেৱ নামৰ এজন পুত্ৰ জন্মিছিল, যাৰ কুন্দ ফুল আৰু চন্দ্ৰৰ প্ৰভাতুল্য নিৰ্মল যশোৰাশি (আজিও) অবিচলিতভাৱে বৈ আছে ॥ ১৫ ॥

সেই কমল-লোচন ৰজা শ্ৰীযুক্ত বনমালে পুত্ৰক (জয়মালক) উপযুক্তভাৱে শিক্ষিত আৰু যৌৱনপ্ৰাপ্ত দেখি, ॥ ১৬ ॥

চন্দ্ৰৰ দৰে শুকুলা ৰাজছত্ৰ এযোৰ চামৰেৰে সৈতে প্ৰদান কৰি অনশন ব্ৰত ধৰি বীৰজনা (বনমাল) মহাদেৱত লীন গৈছিল ॥ ১৭ ॥

ৰাজ্যভাৰ বহন কৰি সেই শ্ৰীবীৰবাহুৱে (জয়মালে) বংশ, ৰূপ আৰু বয়সত নিজৰ অনুৰূপ অম্বা নামে যুৱতীক বিবাহ কৰিছিল ॥ ১৮ ॥

প্ৰয়োগবিদ্যা জনা ৰজাই (জয়মালে) সেই ৰাণীত হুতাশনৰ কাঠৰ (অৰণি) ঘঁহনিত ওলোৱা জুই-সদৃশ বলৱৰ্ম নামে বিখ্যাত সৰ্বগুণযুক্ত শ্ৰীমান পুত্ৰ জন্মাইছিল ॥ ১৯ ॥

তেওঁৰ চকু নীলপদ্মৰ চঞ্চল পাহিৰ নিচিনা, কান্ধ সুপুষ্ট, বাহু সুঠাম আৰু দেহ-শ্ৰী নবোদিত সূৰ্যৰ কিৰণ-স্পৰ্শত প্ৰস্ফুটিত নৱ-পদ্মৰ দৰে আছিল ॥ ২০ ॥

দিন দিনকৈ (বহু) কাল অতিবাহিত হোৱাৰ

(পাছত) যুদ্ধত স্তম্ভ সদৃশ সেই ৰজা (বীৰবাহু) কোনো সময়ত কৰ্মৰ বিপাকত বৈদ্যৰ চেষ্টা বিফল-কাৰী (দুৰাৰোগ্য) ৰোগৰ দ্বাৰা আক্ৰান্ত হৈছিল ॥ ২১ ॥

সংসাৰ অসাৰ আৰু মানৱ জীৱন জলবিন্দুৱৎ (কচুপাতৰ পানীৰ দৰে) চঞ্চল বুলি গণ্য কৰি বীৰবাহুৱে শেষ কৰ্তব্য চিন্তা কৰিছিল ॥ ২২ ॥

ইয়াৰ পাছত শুভদিনত ৰজাই সিংহ পোৱালিৰ দৰে আৰু উন্নত দেহৰ পুত্ৰক যথানিয়মে সিংহাসনত আৰোহণ কৰাই মুকুট পিন্ধাইছিল ॥ ২৩ ॥

ইয়াৰ পাছত বলৱৰ্ময়ো অন্ধকাৰৰূপ শত্ৰুকুল নাশ কৰি প্ৰভূত ৰাজ্য লাভ কৰি প্ৰচুৰ ঘিউ পাই দপ্‌দপ্‌ কৰে জ্বলি উঠা জুইৰ দৰে দীপ্ত হৈ উঠিল ॥ ২৪ ॥

যাৰ ঢৌ বিজয়হস্তীৰ কুম্ভৰ পৰা ওলোৱা মদ-জলেৰে মিহলি হৈছিল, নিৰ্মল জল-প্ৰবাহ সেই লৌহিত্য নদৰ পাৰত তেওঁৰ পিতৃপুৰুষে স্থাপন কৰা কটক আছিল ॥ ২৫ ॥

গদ্যাংশ :

সেই ঐশ্বৰ্যশালী হড়প্পেশ্বৰ নামে কটকত বাস কৰি যি জনাই (ৰজাই) উন্মুক্ত তৰোৱালৰ ঘঁহনিত ক'লা পৰা বাহুৰ দ্বাৰা সকলো দিক্‌বিদিক্‌ জয় কৰিছিল, সেই যুদ্ধত স্থিৰ, কলঙ্কৰ প্ৰতি ভীৰু, শত্ৰুৰ প্ৰতি উগ্ৰ, গুৰুজনৰ প্ৰতি অতিশয় নম্ৰ, সত্যবাদী, বিসংবাদ-বিমুখ, কৰ্মত অহঙ্কাৰহীন, অতি দানশীল মাতা-পিতাৰ পদসেৱাৰ দ্বাৰা নিষ্পাপ, পৰমেশ্বৰ পৰমভট্টাৰক মহাৰাজাধিৰাজ কল্যাণীয় শ্ৰীবলৱৰ্মদেৱ ॥ × ॥

উত্তৰ কূলত (ব্ৰহ্মপুত্ৰৰ) মঞ্জে বিষয়ান্তৰ্গত দিক্‌ৰ (গ্ৰামৰ পৰা খাৰিজ কৰা) অনাবাদী (অপকৃষ্ট) দুই হাজাৰ ধান উৎপন্ন হোৱা ভূমি সম্পৰ্কে। ইয়াত উপস্থিত (ওচৰত) থকা ব্ৰাহ্মণাদি বিষয়কৰণ, ব্যৱহাৰিক, প্ৰধান (মুখিয়াল) জনপদবাসী, ৰজা, ৰাণী, ৰাজনক সম্বন্ধীয় আন আন কৰ্মচাৰী, ৰাজনক, ৰাজপুত্ৰ, ৰাজবল্লভ প্ৰভৃতিক আৰু (এই ঠাইৰ) ভৱিষ্যত অধিবাসীসকলক যথাযোগ্য সন্মানেৰে আদেশ কৰে :

আপোনালোকে এই কথা জানিব : বস্তি, বাৰী-মাটি (ফৰিঙ্গতি), স্থল, জল, গৰু-চৰণীয়া পথাৰ, পতিত মাটিৰে সৈতে নিৰ্দিষ্ট সীমা ধাৰ্য কৰা পৰ্যন্ত যথা-সংস্থ (গোটেই ভূ-খণ্ড) হস্তীবন্ধনকাৰী, নৌকাবন্ধন কাৰী, চোৰ ধৰা বিষয়া, কৰায়ত্তদণ্ড বিধানকাৰী, উপৰিকৰ, উৎখেটক আদি নানা উপায়ে কৰ আদায়কাৰী, হাতী, ঘোঁৰা, উট, গৰু, ম'হ, ছাগলী আদি জন্তবোৰ চৰোৱা আদি উপদ্ৰৱৰ পৰা মুক্ত কৰা হ'ল— এই শাসন যোগে।

পুনৰ পদ :

ইয়াত পৰাশৰ-বংশত (গোত্ৰত) ওপজা কাণ্ব (শাখাৰ) যজুৰ্বেদাধ্যায়ীসকলৰ ভিতৰত জগৎ-প্ৰসিদ্ধ বিষ্ণুদেৱ নামৰ এজন ব্ৰাহ্মণ আছিল, যিজনে নিজ-মাহাত্ম্য আৰু বৈদিক জ্ঞানোদ্ভূত প্ৰতিভাৰে স্বয়ং অগ্নিদেৱতাৰ (কাৰ্ত্তিকো) চেৰ পেলাব (উপহাস কৰিব) পাৰিছিল ॥ ২৬ ॥

এওঁৰ পৰাই ধ্ৰুৱদেৱৰ জন্ম হৈছিল, (যি আছিল) শুদ্ধ জ্ঞানৰূপ-কলাসিক্ত হৈ নিৰ্মল, অতুলজন্মা, নিজ শ্ৰমোপাৰ্জিত গুণৰ বাবে সৰ্বজনবন্দনীয়, (আৰু যি আছিল বা হৈ পৰিছিল) ক্ষীৰ সাগৰৰ পৰা উত্তৰ হোৱা চন্দ্ৰৰ নিচিনা কালিমাৰহিত চিকন (দ্বিতীয় চন্দ্ৰতুল্য) ॥ ২৭ ॥

বৃহস্পতিৰ (পত্নী) তাৰা আৰু শান্তনুৰ (পত্নী) জাহ্নৱীৰ দৰেই উষা নামেৰে তেওঁৰ এগৰাকী সাধ্বী, যশস্বিনী পত্নী আছিল ॥ ২৮ ॥

তেওঁৰ পৰাই ভৱদেৱ নামৰ এজন গুণৱান পুত্ৰৰ জন্ম হৈছিল। '(এৱেঁই) জগতৰ সকলো অভিলাষ বৃদ্ধিৰ কাৰণ'— এই ভাবিয়ে চন্দ্ৰকলাৰ দৰে যশস্বীজনে পত্নীৱৎ এই গুণৱানজনৰ বন্ধুত্ব গ্ৰহণ কৰিছিল,



...টো আমি জানো ॥ ২৯ ॥

...ৰাজ্যৰ ত্ৰয়োদশ বছৰত (ৰবিৰ) উত্তৰায়ণৰ ...গুণত লক্ষহোম (যজ্ঞ) (সম্পন্ন কৰি) কল্যাণ ...কামনাৰে মোৰ দ্বাৰা (উক্ত ভূমি) এই ব্ৰাহ্মণক ...ন কৰা হ'ল ॥ ৩০ ॥

(প্ৰদত্ত ভূমিৰ) সীমা : পূবে দিমগেদো বিলৰ ...পাৰ। পূব-দক্ষিণে সেই একেই বিল। দুজোপা ...(ভেহ বা থেকেৰা টেঙাৰ) গছ। দক্ষিণে এজোপা পায়সি (পাৰসি বা পাকল) গছ। দক্ষিণ-পশ্চিমে নৰপতিয়ে (? ৰজাই) বন্ধোৱা সীমাৰ গড়-আলিৰ পূব ফাল। পশ্চিমে এজোপা দেৱদাৰু (সৰল) গছ আৰু এখন বিল। পশ্চিম-উত্তৰে এজোপা জৰি (পাকৰি) গছ। উত্তৰে দিমগেদো বিল। (আৰু) দুজোপা মদাৰ গছ। উত্তৰ-পূবে এজোপা চৰ্ম (ভূৰ্জ) গছ। ইতি ॥


## ঃ ছেম্যুৱেল জনছনৰ জীৱনী ঃ

বিশ্ববিশ্ৰুত জীৱনীকাৰ জেম্‌ছ বছৱেলে লেখা 'Life of Johnson' বিশ্বৰ জীৱনী-সাহিত্যত এখন অবিস্মৰণীয় গ্ৰন্থ। 'Cambridge History of English Literature' অত কোৱা হৈছে "Boswell's Johnson is incontestably the greatest biography in any language." অধ্যাপক ৰায়হান শ্বাহৰ দ্বাৰা অনূদিত আৰু অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত এই গ্ৰন্থখনে অসমীয়া ভাষাৰ এটি ডাঙৰ অভাৱ পূৰণ কৰিছে। প্ৰায় দুশ পৃষ্ঠাৰ এই গ্ৰন্থখনৰ মূল্য মাত্ৰ ৫'০০ টকা।

## ঃ নাটক ঃ

সাম্প্ৰতিক কালত নাট্য সাহিত্য সম্পৰ্কে আমাৰ ভাষাত একাগ্ৰতীয়া চৰ্চা কৰোঁতাসকলৰ ভিতৰত ড° শৈলেন ভৰালী অন্যতম। অতিশয় নিষ্ঠাৰে সৈতে তেখেতে নাটক-সম্পৰ্কীয় বিভিন্ন আলোচনা এই গ্ৰন্থত দাঙি ধৰিছে। নাটকৰ সংজ্ঞা, শ্ৰেণীবিভাগ, নাটক আৰু ৰঙ্গমঞ্চ, প্ৰাচীন ভাৰতত ৰঙ্গমঞ্চ আৰু অভিনয়, আধুনিক অসমীয়া নাটক আদি বিভিন্ন দিশৰ আলোচনাৰে যুগুতোৱা এই গ্ৰন্থৰ মূল্য ৩'৫০ টকা। পৃষ্ঠা-সংখ্যা— ১০৪।

# আহাৰ্যাভিনয় আৰু অঙ্কীয়া ভাওনা

( দ্বিতীয় সংখ্যানুৱৰ্তী )

ডঃ নাৰেন কলিতা

বয়স-বিষয়ত অঙ্কীয়া ভাওনাত দেখা যায় চৰিত্ৰ যি বয়সৰ, ভাৱৰীয়াও সমবয়সৰ হ'ব লাগে। বুঢ়া মানুহক কেতিয়াও ডেকাৰ ভাও দিয়া নহয়। অৱশ্যে যাৰ স্বাস্থ্য অটুট আছে, মুখমণ্ডল নিপোটল আৰু তেজস্বী, অঁাহ-পাহ কোমল, তেনে লোকক বয়স হ'লেও ডেকাৰ ভাও দিয়া হয়। ডেকাক বুঢ়াৰ ভাও দিব পাৰি যদিও মুখত ৰং-ৰৱণেৰে বাৰ্দ্ধক্যৰ চিন অঁাকি বুঢ়াৰ আকৃতি কৰি দিব লাগে।[৪৫] বালকৰ ভাও বালককে দিয়া হয়।

খনিকৰসকলে ৰৱণ ভাগ ভাগ কৰি থবলৈ সুকীয়া সুকীয়া চুঙা বা মৈলাম ব্যৱহাৰ কৰিছিল। ৰৱণ ঘহোঁতে হাতৰ তলুৱা ব্যৱহাৰ কৰিছিল। কিন্তু লিখনী কৰিবলৈ অৰ্থাৎ মুখ-গা ৰৱণেৰে ৰনকাবলৈ লিখনী ব্যৱহাৰ কৰিছিল। লিখনী দুবিধ— মিহি লিখনী আৰু চাট্ লিখনী। মিহি লিখনী মেকুৰীৰ নোমেৰে কৰিছিল। বঁাহৰ শলাকাঠি এডালৰ এমূৰত গুণা বা মুগা বা অন্য সূতাৰে নোমখিনি অঁাটি বান্ধি হাঁহ বা পাৰ চৰাইৰ পাখিৰ গুবিভাগৰ পৰা কৰা সৰু চুঙ্গি এটাৰ ৰহল ফুটাটোৰে প্ৰস্তুত শলা-ডাল হেঁচি সুমুৱাই দি ঠেক ফুটাটোৰে বাহিৰ উলিয়াই দিব লাগে। এইডাল মিহি লিখনী। সাধাৰণতে মিহি লিখনীৰ কামেই বেছি। কিয়নো কপালত লতা বছা বা তিলক দিয়া আদি লিখনীৰ কাম বৰ সূক্ষ্ম; গতিকে এইবিধ লিখনীৰ বিশেষ প্ৰয়োজন। মৰাপাটৰ ডাঙৰ থোপা এটা কৰি এডাল শলাত বান্ধি চাট্ লিখনী কৰা হয়। এইবিধ লিখনী ডাঠ হয়। কোনো কোনোৱে ছাগলীৰ ডাঢ়ি আৰু নোমেৰেও লিখনী কৰিছিল। কিন্তু ছাগলীৰ ডাঢ়িৰে কৰা লিখনী বৰ ডাঠ আৰু টান হয়। সেইবাবে তাৰ ব্যৱহাৰ খুব কম আছিল। চুঙ্গিত নভৰোৱাকৈয়ো লিখনী কৰিছিল।

ভাওনাত চৰিত্ৰৰ ৰৱণৰ ক্ষেত্ৰত ঠাইবিশেষে খনিকৰ-ভেদে কিছু পাৰ্থক্য দেখিবলৈ পোৱা যায়। তথাপি ভালেকেইজন খনিকৰৰ লগত আলোচনা কৰি

৪৫। নাট্যশাস্ত্ৰমতে ডেকাই বুঢ়াৰ আৰু বুঢ়াই ডেকাৰ ভাও কৰিলে সেই অভিনয়ক বিৰূপ বোলে। ৩৫ তম্ / ৩০



ধনি পোৱা হ'ল, তাকে তলত উল্লেখ কৰা হৈছে :--

ৰ :— দেৱতা [৪৬], নাৰী[৪৭], ক্ষত্ৰিয় বীৰ[৪৮], আদি ক্ষত্ৰিয় আচাৰ্য, নাৰদ[৪৯] আদি ভক্ত, কৌৰৱ, ঋষি-মুনি[৫০], ৰাজচক্ৰৱৰ্তী[৫১], ৰাক্ষস কুলৰ হ'লেও ভক্ত হোৱা কাৰণে বিভীষণ, হনুমান[৫২], ৰাজকুঁৱৰী, দেৱকন্যা[৫৩]।

শ্যাম :— কৃষ্ণ, অৰ্জুন, কামদেৱ, সাত্যকী, ৰামচন্দ্ৰ[৫৪] বৰুণ[৫৫], ভৰত, শিশুপাল, পৰশুৰাম,

না, শা, মতে ৰুদ্ৰ, অৰ্ক, দ্ৰুহিন ( ব্ৰহ্মা ) আৰু স্কন্দ— 'তপনীয় সমপ্ৰভ' অৰ্থাৎ জুয়ে পোৱা সোণৰ দৰে (পীত ৰক্তাভ)। -ত্ৰয়োবিংশ / ৯০। মহাপুৰুষ শঙ্কৰদেৱৰ নাট আৰু কাব্যতো ব্ৰহ্মাৰ ৰৱণ গৌৰ বুলি পোৱা যায়—

ক] 'গৌৰাঙ্গ অঙ্গ ৰঙ্গ বিপৰীত।' —ৰুক্মিণীহৰণ নাট।

খ] 'সুবৰ্ণ গৌৰাঙ্গ যেন জ্বলে কলেৱৰ।' অনাদি পাতন / পদ ১৩৭।

সাধাৰণতে নাৰীসকল গৌৰাঙ্গ। গৌৰ বৰ্ণটো পীত ( হাইতাল ) আৰু ৰক্ত ( সেন্দুৰ ) ৰ মিশ্ৰণ। প্ৰাচীন নাট, কাব্য আদিত নাৰীদেহৰ ৰৱণ দেখুৱাবলৈ যিখিনি উপমা ব্যৱহাৰ কৰা হৈছে, তাৰ পৰা পীত-ৰক্তাভ অৰ্থাৎ গৌৰ ( সম্ভৱ ৰক্তৰ পৰিমাণ কিঞ্চিৎ অধিক ) বৰ্ণৰ তাৎপৰ্যকে বুজিব পাৰি। তলত কেইটামান চৰিত্ৰৰ কথা উল্লেখ কৰা হ'ল—

ক] শৈব্যা : 'তপ্ত সুবৰ্ণৰ বৰ্ণ শৰীৰৰ কান্তি' / হৰিশ্চন্দ্ৰ উপাখ্যান / পদ ৩৭৮

খ] মোহিনী : 'তপ্ত সুবৰ্ণৰ সম জ্বলৈ দেহা নিৰুপম' / কীৰ্তন / পদ ৫৪১ আৰু অমৃত মথন / পদ ৬৭০

গ] ৰুক্মিণী : 'সৰ্বাঙ্গে সুন্দৰী যেন সুবৰ্ণ প্ৰতিমা' / ৰুক্মিণীহৰণ কাব্য / পদ ২৫

ঘ] সুভদ্ৰা : 'সাজিলা সুভদ্ৰা তনু সুবৰ্ণ গৌৰাঙ্গ' / কীৰ্তন ( ওৰেষা ) / পদ ২১৫৬

ঙ] সীতা : 'সুবৰ্ণ গৌৰাঙ্গ তনু সীতা গোসাঁনীৰ'/ৰামায়ণ/আদি/পদ ১৩৮৩

আইভেটি ন-সত্ৰত সংৰক্ষিত 'সচিত্ৰ পাৰিজাতহৰণ নাট'খনত ( ১৭৫৮ শক ) বসুমতীক যথাৰ্থভাৱে হৰিৎ বৰ্ণেৰে দেখুৱাইছে।

না, শা, ৰ লগত একে। ত্ৰয়োবিংশ / ১০৭ খ। অঙ্কীয়া ভাওনাত ডাঠ গোলাপী বৰ্ণও ব্যৱহাৰ কৰে।

উল্লেখিত আইভেটি ন-সত্ৰৰ পুথিখনৰ বিভিন্ন চিত্ৰত নাৰদক ধৱল কৰি দেখুৱাইছে যদিও এখন চিত্ৰত গোলাপী ৰৱণ দিছে।

নিত্যাং তু বদৰপ্ৰভা — না, শা, / ত্ৰয়োবিংশ / ১০১ খ

পদ্ম, শ্যাম বা গৌৰ যি কোনো ৰৱণ প্ৰয়োগ কৰিব পাৰে। না, শা, / ত্ৰয়োবিংশ / ৯৯।

না, শা, মতে বানৰবিলাক নানা বৰ্ণৰ—ত্ৰয়োবিংশ / ৯৪। মাধৱ কন্দলীৰ ৰামায়ণত ( কিষ্কিন্ধ্যা আৰু লঙ্কাকাণ্ড) বানৰসকলৰ বিভিন্ন ৰৱণৰ কথা পোৱা যায়। যেনে.— তাম্ৰৱৰণ ( ৩৭৮০ ), আঙ্গাৰৰ বৰ্ণ অৰ্থাৎ ক'লা ( ৩৭৮১, ৩৮০৮ ), কাঞ্চনাভ ( ৩৭৮৩ ), পদ্মকেশৰ বৰ্ণ অৰ্থাৎ ৰঙা ( ৩৮০৯, ৪৮৭৩ ) আৰু শ্বেত বা ধৱল ( ৪৮৭৬ ) আদি।

কন্দলী ৰামায়ণত আছে— 'পদ্মৰ ভিতৰ যেন শৰীৰৰ কান্তি।'- অযোধ্যা' ২৪৭৬

কন্দলী ৰামায়ণত আছে— 'তনু দুৰ্বাদল শ্যাম।'— আদিকাণ্ড/৬৯৯, ৭১৮, ১৩৮৩।

না, শা, মতে শ্বেত ( বগা )। সোম ( চন্দ্ৰ ), বৃহস্পতি, শক্ৰ, ( ইন্দ্ৰ ), তাৰকাগণ, সমুদ্ৰ আৰু গঙ্গাৰ

নাগবিলাক[৫৬] লৱ-কুশ[৫৭]।

ক'লা :— জৰাসন্ধ[৫৮], যম-অসুৰ-দানৱ[৫৯], কীচক আৰু যক্ষ[৬০]।[৬১]

পীত :— শকুনি, গান্ধাৰী, ইন্দ্ৰ, ব্ৰহ্মা[৬২]।

ধৱল :— ভীম, বলোভদ্ৰ[৬৩], গোপশিশু[৬৪], ব্ৰাহ্মণ আৰু ব্ৰাহ্মণ-পত্নী[৬৫], ৰুদ্ৰ[৬৬], ক্ষুদ্ৰ ৰজাসকল[৬৭], বয়সস্থ বা বৃদ্ধ নাৰী-পুৰুষ, সাধাৰণ নাৰী[৬৮], ৰাজকুঁৱৰীৰ সখী[৬৯], নাগপত্নী, দ্ৰোণ।

ডাঠ গোলাপী :– কল্কীৰ[৭০]।

ৰক্ত :— কৰ্ণ, অগ্নি[৭১], বিশ্বামিত্ৰ।

---

বৰণ শ্বেত। ত্ৰয়োবিংশ/৯১।

৫৬। না, শা, মতে বাসুকি শ্যাম আৰু অন্য নাগবোৰ নানা বৰ্ণৰ। ত্ৰয়োবিংশ / ৯৪। অঙ্কীয়া ভাওনাত ধৱল ব্যৱহাৰ কৰিছিল। বৈষ্ণৱ কাব্যতো বাসুকি আৰু অনন্তক ধৱল বুলি পোৱা যায়। যেনে—

ক] বাসুকি : 'ধৱল পৰ্বত সম সুন্দৰ শৰীৰ।' ৰুক্মিণীহৰণ কাব্য / ৭১৯

খ] অনন্ত : 'মৃণাল ধৱল যেন শৰীৰ।' কীৰ্ত্তন / পদ ১০৮৩।

৫৭। 'ৰামৰ সমান শ্যাম তনু কৰে কান্তি।'— ৰামায়ণ / উত্তৰাকাণ্ড / পদ ১০৬।

৫৮। ঠাইবিশেষে ৰক্তৰ ব্যৱহাৰ আছিল। ইয়াৰ কাৰণে কেৱল সেন্দুৰ ব্যৱহাৰ কৰিছিল।

৫৯। না, শা, মতে যম, অসুৰ আৰু দানৱৰ বৰণ শ্যাম। ত্ৰয়োবিংশ / ৯৩। কন্দলী ৰামায়ণত ৰাক্ষসবিলাক ক'লা বুলি উল্লেখ কৰিছে। অৰণ্য কাণ্ড / পদ ২৬৮১, ২৮৪৯। ৰাৱণো ক'লা— 'কালমেঘ খণ্ড যেন শৰীৰৰ বৰ্ণ।' অৰণ্যকাণ্ড / ২৯৯২। কিন্তু ৰাক্ষসৰ তিৰোতাবোৰ নানা বৰ্ণৰ—

'আলতাৰ বৰ্ণ কেহো পিঙ্গলীয়া কালী।
কতোহো কপিলী, বগী, হাণ্ডী যে শৃগালী॥ সুন্দৰাকাণ্ড / ৪১৭১

যমদূতবোৰ 'আঙ্গাৰৰ পুঞ্জ' অৰ্থাৎ ক'লা—

'ভয়ঙ্কৰ দেহা যেন আঙ্গাৰৰ পুঞ্জ।' অজামিল উপাখ্যান / পদ ১০১

'বিকট পিঙ্গট দেহা কুৰূপ সৰ্বাঙ্গ।' ঐ / পদ ১০৩

'কৃষ্ণবৰ্ণ কায় দেখি ধাতু যায়।'—কীৰ্ত্তন / পদ ১৭৭

৬০। না, শা, মতে যক্ষৰ বৰণ গৌৰ। ত্ৰয়োবিংশ / ৯০

৬১। কোনো খনিকৰে শ্যাম আৰু ক'লাৰ মাজত সিমান পাৰ্থক্য নাৰাখিছিল।

৬২। ওপৰত উল্লেখ কৰা ৪৬ নং টোকা দ্ৰষ্টব্য।

৬৩। 'প্ৰথমে নিৰ্মিলা বলভদ্ৰ শুক্ল কায়।'— কীৰ্ত্তন (ওৰেষা) / ২১৫৪

৬৪। খনিকৰে নানা বৰ্ণ প্ৰয়োগ কৰিছিল।

৬৫। না, শা, মতে ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়সকলৰ বৰণ সদায় গৌৰ। ত্ৰয়োবিংশ / ১০৭

৬৬। 'তমোগুণে ভৈলা ৰুদ্ৰ ৰূপ মনোহৰ / স্ফটিকতো অধিক ধৱল কলেৱৰ॥' —অনাদি পাতন / পদ ১৩১

৬৭। নানা বৰ্ণৰ হ'ব পাৰে।

৬৮। অযোধ্যাৰ নাৰীসকলৰ প্ৰসঙ্গত আছে—'ৰমণীৰ বদন নিৰ্মল শশধৰ।' ৰামায়ণ / অযোধ্যা / ১৫০০

৬৯। গৌৰ বৰ্ণ ব্যৱহাৰ কৰিব পাৰে। 'সচিত্ৰ পাৰিজাত হৰণ নাট'খনত ইন্দুমতীক ৰক্তাভ (পাতল) আৰু শ্বেত দুয়ো বৰ্ণেৰে বেলেগে বেলেগে আঁকিছে।

৭০। গৌৰ বৰ্ণ ব্যৱহাৰ কৰিব পাৰে। কল্কীৰ উদ্ধত কাৰণে ঠাইবিশেষে নীল ব্যৱহাৰ কৰিছিল।

৭১। নাট্য শাস্ত্ৰমতে পীত বৰ্ণৰ। ত্ৰয়োবিংশ / ৯২



গাইতেটি ন-সত্ৰত সংৰক্ষিত 'সচিত্ৰ পাৰিজাতহৰণ' নাটখনত তিনি ঠাইত বহুৱাৰ[৭২] চিত্ৰ অঙ্কন কৰিছে। তিনিও ঠাইতে নাৰদৰ কাষত বহুৱাক অঙ্কন কৰিছে। এখন চিত্ৰত বহুৱাৰ বৰণ লা-বুলীয়াকৈ দেখুৱাইছে। আন এখনত মুখখনত ক'লা বৰণ আৰু হাত আৰু ভৰিৰ যি অংশ ওলাই আছে, তাত বঙা বৰণ দিছে। তৃতীয়খনত বহুৱাজনৰ বৰণ ঠিক ক'লাও নহয়, আনফালে লা-বুলীয়াও নহয়।

মহাপুৰুষ শঙ্কৰদেৱে ৰচনা কৰা বিভিন্ন পদ-পুথিত ভালেমান চৰিত্ৰৰ গাৰ বৰণৰ কথা পোৱা যায়। তেৰাই যি প্ৰসঙ্গত চৰিত্ৰৰ বৰণৰ কথা উল্লেখ কৰিছে, তাত প্ৰায়ে উপমাৰ ছলেৰেহে বৰণৰ কথা কৈছে। গতিকে এই ক্ষেত্ৰত উপমেয় বস্তুটিৰ বৰণলৈ মন কৰিলেই চৰিত্ৰৰ বৰণ পোৱা যাব। তলত তাৰে কিছুমান চৰিত্ৰ উল্লেখ কৰা হ'ল :—

১। হৰিশ্চন্দ্ৰ — 'চন্দ্ৰ যেন জ্বলে মুখ'[৭৩] অৰ্থাৎ পীতাভ।

২। ঋষি-মুনি—'দেহা যেন অগ্নিপুঞ্জ'[৭৪] অৰ্থাৎ ৰক্তাভ।

৩। চণ্ডাল আৰু চণ্ডালৰ দাস— ক'লা[৭৫]।

৪। প্ৰহ্লাদ, বৈকুণ্ঠৰ চৈধ্য পাৰিষদ, ধন্বন্তৰী আৰু বিষ্ণুদূত — শ্যাম[৭৬]।

---

৭২। বহুৱা হৈছে চাকৰ। গুৰু অঙ্কীয়া নাটত ক'তো বহুৱা নাই। এই চৰিত্ৰটোৰে প্ৰথমে গোপাল আতাৰ 'জন্ম যাত্ৰা' নাটত প্ৰবেশ কৰে আৰু ই তেতিয়াৰ পৰাই দৰ্শকসকলক আমোদ দি আহিছে। দৰ্শকসকলৰ ভিতৰত প্ৰায় সকলোৱেই বহুৱাটোক ৰজাৰ দূত বুলি ভাবে। গুৰু-অঙ্কত দূত চৰিত্ৰটোও নাই। সাধাৰণতে যিটো দেখা যায়, বহুৱাই (দৰ্শকসকলে অভিহিত কৰা দূতে) নিম্ন ৰুচিৰ কথা-বতৰা আৰু বিকৃত ভাৱ-ভঙ্গীৰে দৰ্শকসকলক নিম্ন পৰ্যায়ৰ হাস্যৰসৰ যোগান ধৰে। বহুৱা নাথাকিলে দৰ্শকে ভাওনাকে ভাল হৈছিল বুলি নোকোৱা বা কৰ নোখোজা উদাহৰণ বুৰঞ্জীতো আছে। স্বৰ্গদেউ কমলেশ্বৰসিংহৰ দিনতে ১৭২৭ শকৰ চ'ত মাহৰ ৩ তাৰিখে দিহিঙৰ ন-মটীয়া মহন্তই ৰজা আৰু বিষয়াসকলৰ মনোৰঞ্জনৰ কাৰণে তিনি দিনীয়াকৈ 'অক্ৰূৰাগমন ভাওনাখন' পাতিছিল। কিন্তু দৰ্শকসকলে ভাওনাখন ভাল হোৱা নাছিল বুলি কৈছিল, 'বহুৱা নাই, ভাৱ ঠিক নহৈছিল।' (তুংখুঙীয়া বুৰঞ্জী, দফা ৩৩২)। এইখিনিতে কৈ থোৱা ভাল হ'ব নিশ্চয় যে ভাওনাত যদিও দূতক বহুৱা সজাই দিয়া হয়, আচলতে দূতজন বহুৱাৰ বিকল্প বা দূতেই বহুৱা আৰু বহুৱাই দূত নহয়।

৭৩। হৰিশ্চন্দ্ৰ উপাখ্যান / পদ ১৬৯। ৭৪। ঐ / পদ ৭৭

৭৫। চণ্ডাল : 'যেন অঙ্গাৰৰ বৰ্ণ জ্বলৈ কলেৱৰ।' ঐ / পদ ৩৩৭

চণ্ডালৰ দাস : 'মহা কৃষ্ণ বৰ্ণ ভৈলা পিশাচৰ বেশ।' ঐ / পদ ৩৭৭। ইয়াৰ পৰা বুজিব পাৰি যে পিশাচৰ বৰণ ক'লা। না, শা, মতে পিশাচৰ বৰণ শ্যাম। —ত্ৰয়োবিংশ / ৯৩

৭৬। প্ৰহ্লাদ : 'পীতবস্ত্ৰে শোভে আতি শ্যামল শৰীৰ।' — ভাগৱত / অষ্টম (বলিছলন)। পদ ১১৮৪

চৈধ্য পাৰিষদ : 'মাধৱৰ মূৰ্তি যেন দেখি নিৰন্তৰ।
ষোড়শ বৰিষ সবে শ্যাম কলেৱৰ।' ঐ। পদ ১১০৪

ধন্বন্তৰী : 'শ্যাম কলেৱৰ পীতবস্ত্ৰ পৰিধান।' —ভাগৱত / অষ্টম (অমৃত মথন)। পদ ৩১৫

বিষ্ণুদূত : 'সবায়ো সুন্দৰ শ্যাম কলেৱৰ।' —কীৰ্তন / পদ ১৭৯

... ... ...

'সবে শ্যাম তনু তাতে শোভে পীতবাস।' —অজামিল উপাখ্যান / পদ ১১৯

৫। বামন— পীত-ৰক্তাভ,— তপনীয়-সমপ্ৰভ[৭৭]।
৬। উদ্ধৱ— শ্বেত[৭৮]।
৭। বিদ্যাধৰ— সত্তৰ ৰক্তাভ[৭৯]।
৮। ছদ্মবেশী ( ৰাজ্যভ্ৰষ্ট ইন্দ্ৰাদি দেৱতাসকল ) ভস্ম-বিভূষিত।[৮০]
৯। সন্ন্যাসী— ভস্ম[৮১]।

বনবাসী চৰিত্ৰৰ ক্ষেত্ৰত চৰিত্ৰটোৰ মূল বৰণটোকে সৰ্বাঙ্গত ঘঁহিব পাৰিছিল। ঋষি-মুনিসকলে গাত ভস্ম-ধূলাৰ পৰিবৰ্তে গৌৰ বৰ্ণৰ প্ৰলেপ লব পাৰিছিল। ইচ্ছা কৰিলে গেৰুৱা মাটিও সানিব পাৰিছিল। শ্বেত আৰু গৌৰ বৰ্ণৰ ভিতৰুৱা চৰিত্ৰ কিছুমানৰ ক্ষেত্ৰত খনিকৰসকলে যি কোনো বৰ্ণ ব্যৱহাৰ কৰিছিল। খনিকৰে নিজৰ বিচাৰ-বুদ্ধিৰে চৰিত্ৰৰ বৰণ ইফাল-সিফাল কৰিছিল; কিন্তু ৰগাৰ সলনি ক'লা বা ৰঙাৰ সলনি নীলা ব্যৱহাৰ নকৰিছিল। নাট্যশাস্ত্ৰই অৱশ্যে উল্লেখ কৰিছে যে আৱশ্যক বুজি বা ইচ্ছাবশতঃ চৰিত্ৰৰ দেশ,জাতি আৰু বয়সলৈ লক্ষ্য ৰাখি বৰণৰ ইফাল-সিফাল কৰিব পাৰি আৰু বৰ্ণ-প্ৰলেপ দিয়াৰ সময়ত নাট্য-প্ৰয়োগকুশল চিত্ৰকৰজনে চৰিত্ৰৰ কৰ্মভূমি, জন্ম-জাতিলৈ লক্ষ্য ৰাখিব লাগে।[৮২] ভাওনাত খনিকৰসকলেও চৰিত্ৰৰ কৰ্মভূমি আৰু সময় আদিলৈ লক্ষ্য ৰাখিছিল। কৰ্মভূমি মানে চৰিত্ৰই কোন ঠাইত ( বন বা ৰাজসভা অথবা শ্মশান ) অৱস্থান কৰি নিজৰ কাম-কাজ সম্পাদন কৰিছে। সময় হৈছে চৰিত্ৰ ৰজা, ৰাজকোঁৱৰ আদি পদত থকা কাল, বনবাসত থকা কাল আদি। কিন্তু নাট্যশাস্ত্ৰই উল্লেখ কৰাৰ দৰে কৰ্মভূমি দক্ষিণ বা পাঞ্চাল, ওড্ৰ, মগধ আদি দেশজ বৈশিষ্ট্যলৈ লক্ষ্য ৰাখি চৰিত্ৰৰ বৰণ ঘঁহা নহৈছিল। ভাওনাত চৰিত্ৰবোৰৰ সাধাৰণ চিনাকি হয় দেৱতা,মানৱ,দানৱ হিচাপে; আৰু মানুহৰ ভিতৰতো ৰজা-ৰাজকোঁৱৰ, মন্ত্ৰী-পুৰোহিত, ঋষি-মুনি হিচাপে। গুৰু-অঙ্কীয়া নাটৰ আৰ্হিত ৰচিত কোনো কোনো নাটকত কাশীৰাজ, ভোজৰাজ বা তেনেধৰণৰ স্থানভিত্তিক চৰিত্ৰ পোৱা যায় যদিও নাট্যশাস্ত্ৰই ঠাইবিশেষৰ চৰিত্ৰৰ বৈশিষ্ট্যৰ বিধান দিয়াৰ দৰে বৰণ প্ৰয়োগ কৰা নহৈছিল। খনিকৰে নিজা বিচাৰ-বুদ্ধি প্ৰয়োগ কৰি বৰণ ঘঁহি দিছিল। অৱশ্যে এইটো ঠিক যে ভাও অনুপাতে বৰণ প্ৰয়োগ কৰিলে সেই বৰণকে চাই দৰ্শকে চৰিত্ৰ চিনি উলিয়াব পৰা হ'ব লাগিছিল।

খনিকৰসকলে চৰিত্ৰৰ মুখত বৰণ ঘঁহি উঠি লিখনী কৰিছিল। লিখনী কৰিলে মুখৰ জেউতি বাঢ়ে। লিখনী কৰোঁতে খনিকৰসকলে ভাৱৰীয়াজনৰ মুখমণ্ডল, কপালখনৰ আকাৰ আৰু প্ৰকৃতিলৈ বিশেষভাৱে লক্ষ্য ৰাখিছিল। লিখনী কৰা কাৰ্য কেইবাটাও ভাগত ভগাব পাৰি। যেনেঃ—

১। লতা কটা বা লতা বহা :— কপালত দুই চেলাউৰিৰ ওপৰেদি অপাঙ্গৰ সামান্য আঁতৰ কৰি দুই হনুৰ সামান্য তললৈকে বিভিন্ন ভঙ্গীত তিলক-মালা অঙ্কন কৰা কাৰ্যক লতা কটা বা বহা বোলে।[৮৩] ইয়াক কোনো কোনোৱে কেৱল তিলক বুলি কয়। চেলাউৰিৰ ওপৰত লতা বাছি দিলে তাৰ সৌন্দৰ্য বাঢ়ে। অৱশ্যে সকলো চৰিত্ৰকে লতা বাছি দিয়া নহৈছিল। সাধাৰণতে দেৱতাসকল, কোনো কোনো ৰজা,ৰাজকোঁৱৰ, ৰাম,কৃষ্ণ, অৰ্জুন, লক্ষ্মণ আদি আৰু ৰাজকুঁৱৰীসকলৰ কপালত লতা বাছি দিয়া হৈছিল। হনুৰ ওচৰত যি তিলক-চক্ৰ (৪ বা ৬ সংখ্যক তিলকেৰে) সজোৱা হৈছিল, তাক ফুল এপাহৰ দৰে দেখা গৈছিল। ফুলৰ কোৰৰ দৰে তিলক-চক্ৰ বা বৃত্তৰ মাজত আন এটা তিলক আঁকা হৈছিল। তিলক-চক্ৰ বা বৃত্ত বগা ৰঙেৰে বোলালে তাৰ মাজৰ তিলকটো ৰঙা ৰঙেৰে সজাইছিল। লতা কটাৰ বিভিন্ন ৰীতি আছিল আৰু খনিকৰসকলে নিজৰ ইচ্ছানুসৰি লতাৰ নক্সা কৰিছিল। দুই চেলাউৰিৰ ওপৰফালে তিলক আঁকি আঁকি হনুৰ ওচৰত ফুলৰ দৰে লিখনী কৰা ৰীতিটোৱেই সাধাৰণতে প্ৰচলিত ৰীতি আছিল। ভাৱৰীয়াকৈয়ো লতা কটা হৈছিল আৰু ওভোতাকৈ তো তুলি দুটা চোৰ মিলন-বিন্দুত তিনিটা ফোঁটেৰে ত্ৰিকোণাকাৰ কৰিও লতা দিয়া হৈছিল। লতা বহাৰ বিভিন্ন ভঙ্গী এতিয়াও আছে।

২। উৰ্দ্ধপুণ্ড্ৰঃ— ঠাইবিশেষে ইয়াক উৰ্দ্ধৰেখা আৰু ঠাইবিশেষে ৰামানন্দ বোলে। ৰামানন্দ শব্দটো স্বয়ং ভগৱানৰ নামৰ প্ৰতীকত ব্যৱহৃত আৰু বিশেষ অৰ্থব্যঞ্জক। সাধাৰণতে ৰাম-লক্ষ্মণ, কৃষ্ণ-বলোৰাম, অৰ্জুন, উদ্ধৱ-দাৰুক, নাৰদ, ভগৱানৰ লগত ভক্তভাৱে জড়িতসকল আৰু উৰ্দ্ধৰেতা ঋষি-মুনিৰ কপালত উৰ্দ্ধপুণ্ড্ৰ বা ৰামানন্দ লিখনী কৰা হয়। ভীষ্ম, দ্ৰোণ আৰু যুধিষ্ঠিৰৰ কপালত সাধাৰণ বগা ফোঁট এটা দিও লিখনী কৰে। উৰ্দ্ধপুণ্ড্ৰ ভাগ দুই চেলাউৰিৰ মাজৰ পৰা ওপৰলৈ ইংৰাজী 'ইউ' আখৰটোৰ দৰে আঁকা হয় আৰু ঠাইবিশেষে তাৰ ভিতৰত ( কিছু ওপৰলৈ ) তলভাগ জোঙা আৰু সামান্যভাৱে বৈ পৰা তিলক এটা দিয়ে। এই তিলকটোৰ তলত আন এটা সুবলিত ফোঁট আৰু তাৰ চাৰিওফালে এটা বৃত্ত আঁকি দিয়া হয়। সাধাৰণতে বগা বৰণ ব্যৱহাৰ কৰা হয়, নাইবা তেনে উজ্জ্বল বৰণো ব্যৱহাৰ কৰিব পাৰি।

৩। তিলক বা ফোঁট :— ই দুবিধ। সুবলিত আৰু চৰাচৰ। তিৰোভাৰ তিলক সাধাৰণতে সুবলিত (গোল), আৰু কাৰো আদিত এনে সুবলিত তিলকৰ মাজভাগ বগা চন্দনেৰে জেউতি চৰোৱাৰ উল্লেখ পোৱা যায়।[৮৪] গোটেই কপাল চানি আঁকা

৭৭। 'শুদ্ধ সুৱৰ্ণৰ বৰ্ণ প্ৰকাশে শৰীৰ।' —ভাগৱত / অষ্টম / ( বলিছলন ) পদ / ৯২৩
... ... ... ...
'অগনিৰ শিখা প্ৰায়। শৰীৰ জ্বলন্তে যায়॥' ঐ / ৯৪৪
৭৮। 'পদ্ম সম শোভে মুখমণ্ডল।' —কীৰ্তন / পদ ১২৪৯
... ... ...
'জ্বলৈ যেন পদ্ম সম বদনমণ্ডল।' —দশম / পদ ২৩৩১
৭৯। 'প্ৰকাশে শৰীৰ যেন নৱ দিবাকৰ।' —দশম / পদ ১৫৬০
৮০। বলিছলন ( ভাগৱত ) / পদ ৮০৭
৮১। 'ভস্ম বিভূষিত অঙ্গ অধিকে সুহাই' / ৰামচৰণ / পদ ১৪৬৬
৮২। ত্ৰয়োবিংশ / ১০১-৪



৮৩। নাৰীসকলৰ অলঙ্কাৰৰ ভিতৰত নাট্যশাস্ত্ৰই তিলকৰ উল্লেখ কৰিছে। তিলক নানা প্ৰকাৰৰ ( নানা শিল্প প্ৰযোজিতঃ ) হ'ব পাৰে। তিলকসমূহ ফুলৰ আকৃতিৰ হ'ব লাগে—
ললাট তিলকশ্চৈৱ নানা শিল্প প্ৰযোজিতঃ /
ভ্ৰূকক্ষোপৰিগুচ্ছশ্চ কুসুমানুকৃতিৰ্ভৱেৎ॥ ত্ৰয়োবিংশ / ২২
নাট্যশাস্ত্ৰই গণ্ড-প্ৰদেশৰ অলঙ্কাৰ হিচাপে তিলক আৰু পত্ৰলেখা অন্তৰ্ভুক্ত কৰিছে ( ঐ/২৬ )। পত্ৰলেখাক নিসন্দেহে লতা কটা বুলি চিনাক্ত কৰিব পাৰি।
৮৪। 'কপালে তিলক দিলা কৰি সুবলিত।'
'সিন্দূৰৰ মাজে দিলা চন্দন ধৱল॥' — ৰামায়ণ ( আদিকাণ্ড )/১৩৩১-২

ফোঁটটোক চৰাচৰ ফোঁট বোলা হয়। দ্বিজ[৮০] আৰু ঋষি-মুনিসকলৰ[৮১] চৰাচৰ ফোঁট থকাৰ কথা কাব্য, নাট আদিত পোৱা যায়।

৪। ৰেখা :— ৰেখা হৈছে কপালত পথালিকৈ টনা তিনি ধাৰ ৰেখা। বীৰসকলৰ কপালত এনে ৰেখা কেৰেচীয়াকৈ দিয়ে আৰু ই পথালিকৈ টনা ৰেখাতকৈ চুটি। এনে ৰেখা দুই বা তিনি ধাৰ অঙ্কন কৰা দেখা যায়।

স্ত্ৰী-চৰিত্ৰৰ কপালৰ ফোঁট সেন্দূৰেৰে দিয়া হয়। মহাদেৱৰ কপালত ৰেখাৰ উপৰি ত্ৰিনয়ন দিয়া হয়। আজি-কালি বৰণৰ সলনি ৰাংপতাৰেও ফোঁট দিয়া দেখা যায়। ফোঁটৰ আকাৰত ৰাংপতা কাটি লোৱা হয়। জয়মঙ্গলে এইবিধ কলাক বিশেষকচ্ছেদ্য বুলিছে।

•

৫। নাসিকা অলঙ্কাৰ :— দুই চকুৰ প্ৰান্তত নাকে যি ঠাইত ভাঁজ লৈছে, তাত আৰু নাকৰ পাহিত এই বিধ অলঙ্কাৰ লিখনী কৰা হয়।

আগৰ দিনত ভাৱৰীয়াৰ ওঁঠ বোলোৱা হৈছিল সেন্দূৰেৰে। চকুৰ তল-পিৰিকটিত সেন্দূৰেৰে পাতল ৰেখা টানি অঞ্জন দিয়া হৈছিল। সেইদৰে চেলাউৰি বোলোৱা হৈছিল নীলেৰে। নীল খুৰ ডাঠকৈ গুলি লৈ ব্যৱহাৰ কৰিছিল। অৱশ্যে কোনো কোনো খনিকৰে চেলাউৰি বোলাবলৈ ইতিপূৰ্বে উল্লেখ কৰি অহা লাউৰ ছাই ব্যৱহাৰ কৰিছিল।

আজি-কালিৰ ৰাসায়নিক ৰং-বৰণবোৰৰ তুলনাত আগৰ দিনৰ ৰং-বৰণ সিমান স্থায়ী নাছিল; অলপতে খহি পৰিছিল বা ঘামে ধুই নিছিল। আজি-কালি প্ৰস্তুত বৰণ পোৱা যায় আৰু ইয়াক ব্যৱহাৰ কৰাও বৰ উজু।

আগৰ দিনত অঙ্গবস্ত্ৰ ব্যৱহাৰ নকৰিলে অথবা আৰ্থিক হীনতাৰ কাৰণে পোছাক যুগুতাব নোৱাৰিলে খনিকৰে অঙ্গবস্ত্ৰৰ আহিত ভাৱৰীয়াৰ গা ৰনকাই দিছিল। গা ৰনকালে নাভীৰ পৰা ওপৰ ভাগতহে লিখনী কৰা হৈছিল। চৰিত্ৰৰ মূল বৰণেই গাৰ পৰ্ৱতী-বৰণ হৈছিল। অসুৰ ভাৱৰীয়াৰ গা ৰনকাই দিয়া হৈছিল। গাৰ মূল বৰণ হিচাপে নীলা বা ক'লা বৰণ ব্যৱহাৰ কৰিলে বগা বৰণেৰে গা ৰনকাইছিল। বৃদ্ধ লোকৰ শোটোৱা পৰা ছাল বা হনুমানৰ জুয়ে-পোৰা মুখখন নীলেৰে ৰনকাই দিছিল। এই কামটো কৰিবলৈ যাওঁতে লিখনীডাল নীলত ডুবাই ধৰি পাছত টানকৈ চেপি শুকান কৰি মুখত পাতলকৈ বাৰ্দ্ধক্যৰ সাঁচ আঁকিছিল বা জুয়ে পোৰাৰ চিন দিছিল।

এনেদৰে বৰণ ঘঁহি আৱশ্যক অনুযায়ী চৰিত্ৰক ডাড়ি-গোঁফ পিন্ধোৱা হৈছিল। এবিধ গোঁফ বৰণেৰেও আঁকা হৈছিল। মাইকী মানুহৰ মূৰ কাটকৈয়াওঁতে ছিগি পৰা চুলি ডাড়ি-গোঁফৰ কাৰণে ব্যৱহাৰ কৰা হৈছিল। উল্লেখযোগ্য যে আগৰ দিনত ভাৱৰীয়াই ডাড়ি-গোঁফৰ কাৰণে মাইকী মানুহৰ ছিগা চুলি গোটাই ৰাখিছিল। চুলি বেছি পৰিমাণে আৱশ্যক হ'লে ওচৰ-পাজৰৰ গাঁও-ভূঁইৰ মাইকী মানুহৰ চুলিও বিচাৰি আনিছিল। অসমীয়া মাইকী মানুহে ছিগা চুলি চৰাই-চিৰিকতিয়ে নি ক'ৰবাত পেলায়গৈ বুলি



কাটকৈয়াই হোৱাৰ পাছতে চুলিখিনি টুপলি কৰি ঘৰৰ চালত বা বেৰৰ খুটাৰ চেপত সুমুৱাই থোৱা নিয়ম এতিয়াও প্ৰচলিত হৈ আছে। মাইকী মানুহৰ প্ৰতি ঘৰতে এনে চুলি পৰ্যাপ্ত পৰিমাণে পোৱা গৈছিল আৰু তাকে ভাৱৰীয়াই ডাড়ি-গোঁফ বা জঁটলা চুলি-ডাড়িৰ কাৰণে গোটাই আনিছিল। সেই চুলি খনিকৰক দিলে, তেওঁ যাৰ যেনে ডাড়ি-গোঁফ বা চুলি লাগে দিছিল। খনিকৰে চুলিখিনি ভালকৈ ফঁহিয়াই ডোল এডালত আঠা দি লগাই ডাড়ি-গোঁফ কৰিছিল আৰু ভাৱৰীয়াই ডোলডালৰ দুয়োটা মূৰ কাণৰ ওপৰেদি পাৰ কৰি নি মূৰৰ পিছ ফালে বান্ধি লৈছিল। জঁটীয়া ডাড়িৰ কাৰণে ডোলৰ পৰিবৰ্তে বেঁতৰ সূত ব্যৱহাৰ কৰাৰো নিয়ম আছিল। গোঁফৰ সমানে দীঘল আন এসূত বেঁত ডাড়িৰ কাৰণে ব্যৱহাৰ কৰা বেঁত-সূতৰ লগত লগ লগাই দিছিল। নাকৰ তলত গোঁফকোছা দাং খাই নাথাকিবৰ কাৰণে নাক-বালিৰ দৰে বান্ধি ৰখাৰ ব্যৱস্থাও কৰিছিল। চুঁৰী পছৰ নোমেৰেও ডাড়ি-গোঁফ তৈয়াৰ কৰা হৈছিল। ভোৰোকাৰ ডাড়ি-গোঁফৰ কাৰণে চুঁৰী পছৰ নোম বেছি প্ৰশস্ত আছিল।

ক্ষত্ৰিয় বীৰসকলে গোঁফ ব্যৱহাৰ কৰিছিল, ডাড়ি ব্যৱহাৰ নকৰিছিল।[৮৭] চৰিত্ৰৰ বয়স আৰু আশ্ৰম অনুযায়ী ক'লা, বগা আৰু পিঙ্গল— এই তিনি বৰণীয়া ডাড়ি-গোঁফ পোৱা যায়। নাট্যশাস্ত্ৰই[৮৮] চাৰি প্ৰকাৰ শ্মশ্ৰুৰ কথা কৈছে। যেনে, ১) শুদ্ধ (বগা) ২) শ্যাম (ক'লা) ৩) বিচিত্ৰ আৰু ৪) ৰোমশ। নাট্যশাস্ত্ৰমতে চৰিত্ৰৰ দেশ,কৰ্ম, ক্ৰিয়া অনুসৰি শ্মশ্ৰু ব্যৱহাৰ কৰিব লাগে। অভিনৱগুপ্তৰ মতে শুদ্ধ শ্মশ্ৰু হৈছে 'ক্ষুৰেণ সৰ্বদা বাসিতম্'। কিন্তু শুদ্ধ শ্মশ্ৰু বগা অৰ্থতহে প্ৰয়োগ কৰিব লাগে; নহ'লে খুৰাই পেলোৱাৰ পাছত মুখত শ্মশ্ৰু পিন্ধাইছে বুলি ক'ব নোৱাৰি। যিহেতু শুদ্ধ শ্মশ্ৰু এবিধ শ্মশ্ৰুয়েই, গতিকে তাক বগা বুলি ব্যৱহাৰ কৰাটোৱেই উচিত হ'ব যেন লাগে। শ্যাম শ্মশ্ৰু সাধাৰণতে ক'লা আৰু বিচিত্ৰ শ্মশ্ৰু বিশেষ সাজ লগাই পিন্ধা শ্মশ্ৰু। ভোৰোকাৰ ডাড়ি-গোঁফেই হৈছে ৰোমশ শ্মশ্ৰু। ভাওনাত ঋষি-মুনিয়ে ভোৰোকাৰ ডাড়ি লব লাগে। এনে ডাড়ি পিঙ্গল বৰ্ণৰ আৰু ইয়াত গোঁফ থাকে। মন্ত্ৰী, ভীষ্ম-দ্ৰোণ আদি আচাৰ্য আৰু বৃদ্ধ লোকসকলে বগা ৰোমশ ডাড়ি-গোঁফ ল'ব লাগে। প্ৰাচীন কাব্য-নাট আদিত ভোৰোকাৰ ডাড়ি-গোঁফৰ উল্লেখ প্ৰচুৰ পৰিমাণে পোৱা যায়।[৮৯] চণ্ডালবোৰৰ তাম্ৰ বৰ্ণৰ ডাড়ি-গোঁফ (ৰোমশ) থকাৰ কথাও পোৱা যায়।[৯০] সেইদৰে অসুৰবোৰ পিঙ্গল ডাড়ি-গোঁফ থকাৰ উল্লেখ

৮৫। 'ভোৰোকাৰ ডাড়ি নখ চৰাচৰ ফোঁট।' — পত্নী-প্ৰসাদ নাটত দ্বিজসকল
'ৰঙ্গে তিলক কপালক চানি।'— ৰুক্মিণীহৰণ কাব্যত বেদনিধি
'লৰবন্ত দান্ত ফোঁটা কৰে চৰাচৰ।'— ইন্দ্ৰৰ বৃদ্ধ ব্ৰাহ্মণ-বেশ : ৰামায়ণ (আদিকাণ্ড) / ১১০১

৮৬। 'জকমক কৰে দান্ত চৰাচৰ ফোঁট।' দুৰ্বাসা—ৰামায়ণ (উত্তৰা) / ৫৪৮

৮৭। ৰুক্মিণীহৰণ নাট আৰু কাব্য উভয়তে কৃষ্ণই ৰুক্মবীৰৰ ডাড়ি-গোঁফ খুৰাই পেলোৱাৰ কথা অৱশ্যে পোৱা যায়।

৮৮। শ্মশ্ৰু কৰ্ম প্ৰযুঞ্জীত দেশ কৰ্ম ক্ৰিয়ানুগম্ /
শুদ্ধং শ্যামং বিচিত্ৰং চ তথা ৰোমশমেৱ চ ॥ ত্ৰয়োবিংশ / ১০৯
চতুৰ্বিধং ভৱেৎ শ্মশ্ৰু নানাৱস্থান্তৰাশ্ৰয়ম্ / ঐ / ১১০ ক

৮৯। মাধৱ কন্দলীৰ ৰামায়ণত বৃদ্ধ ব্ৰাহ্মণ (আদিকাণ্ড / ১১০৯), অগস্তি (অৰণ্য/ ২৭৭২), দুৰ্বাসা (উত্তৰা/ ৭২৬৫) আদি ঋষি, 'পত্নীপ্ৰসাদ নাট'ত যজ্ঞ-কাৰ্যত ৰত ব্ৰাহ্মণসকলৰ ভোৰোকাৰ ডাড়ি থকাৰ কথা উল্লেখ আছে।

৯০ 'তাম বৰ্ণ গোঁফ-ডাড়ি সোহা অলঙ্কাৰ। হাতে যাঠি ধৰি যেন ৰাক্ষস আকাৰ' ॥ হৰিশ্চন্দ্ৰ উপাখ্যান/ পদ ৩৩৯
'ডাড়ি-গোঁফ ভোৰোকাৰ দেখি আসৈ ৰাত্তি' / ঐ / পদ ৩৭৭

আছে।[২১] ভাওনাত ৰাজমন্ত্ৰীয়ে কেৱল বগা গোঁফকে লগোৱা দেখা যায়। না, শা, মতে মন্ত্ৰী, শিল্পী আদিয়ে শুষ্ক; সিদ্ধ-বিদ্যাধৰ আদি দিব্য-পুৰুষ, ৰজা, ৰাজ-কোঁৱৰ, বিষয়া আৰু ডেকাসকলে বিচিত্ৰ; দুখিতজন আৰু তপস্বী আদিয়ে শ্যাম; আৰু বেদবিদ ঋষি, দীৰ্ঘব্ৰতী তাপসসকলে ৰোমশ শ্মশ্ৰু ব্যৱহাৰ কৰিব লাগে।[২২] কোনো কোনো খনিকৰে দেৱতাসকলক ডাড়ি-গোঁফ নিদিছিল; কিন্তু ব্ৰহ্মা আৰু নাৰদক বগা ডাড়ি-গোঁফ (ৰোমশ) দিছিল। আমি আন প্ৰসঙ্গত উল্লেখ কৰা 'সচিত্ৰ পাৰিজাতহৰণ নাট'-খনিৰ এখন চিত্ৰত নাৰদক ভোবোকাৰ ডাড়ি-গোঁফেৰে দেখুৱা হৈছে।• ×××

২১। 'বিকট পিঙ্গট গোম্ফ ডাড়ি ভয়ঙ্কৰ' ॥ দশম / ৭৩৪

২২। ত্ৰয়োবিংশ / ১১০-৫।

• 'আহাৰ্যাভিনয় আৰু অঙ্কীয়া ভাওনা' প্ৰবন্ধটিত আমাৰ নিজা অৱহেলাৰ কাৰণে এটা অক্ষমনীয় ভুল বৈ গ'ল নিতান্ত অজ্ঞাতসাৰে। দৰাচলতে 'জয়মঙ্গলা' হৈছে বাৎসায়নৰ কামসূত্ৰৰ ওপৰত যশোধৰে লেখা এটি টীকাহে। এগৰাকী অজ্ঞাতনামা লেখকৰ উপৰিও কামসূত্ৰৰ চাৰিটা টীকা ৰচিত হৈছিল আৰু তাৰ ভিতৰত 'জয়মঙ্গলা' অন্যতম। আমাৰ ভুলৰ কাৰণে পাঠকসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলোঁ।

—লেখক।


ঃ জগন্নাথ বৰুৱা ঃ

উনবিংশ শতিকাতে যিজন পুৰুষে অসমীয়া শিক্ষিত মানুহৰ স্বাধীন ব্যৱসায়ৰ আহি দেখুৱাই গৈছে, যিজন পুৰুষ অসমীয়া লেখকৰ বাবে দেশহিতৈষণাৰ জ্বলন্ত আদৰ্শ স্বৰূপ, সেইজন বি. এ. জগন্নাথৰ জীৱনী হ'ল 'জগন্নাথ বৰুৱা'। অধ্যাপক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীৰ দ্বাৰা ৰচিত এই গ্ৰন্থক যোৱা শতিকাৰ শেহ ভাগৰ অসমৰ সামাজিক তথা ৰাজনৈতিক অৱস্থাৰ দলিল বুলিব পাৰি। গ্ৰন্থখনৰ 'পৰিশিষ্ট' অংশই যিকোনো অনুসন্ধিৎসু পাঠকৰ দৃষ্টি নিবদ্ধ কৰিব। পৃষ্ঠা-সংখ্যা — ১২০। মূল্য মাত্ৰ ৫'০০ টকা।


# অসমীয়া মুছলমানৰ সংস্কৃতি

ড° ইৰ্‌শ্বাদ আলি

পৃথিৱীৰ বিভিন্ন ঠাইৰ মুছলমানসকলৰ সাংস্কৃতিক জীৱনত স্থানীয় সংস্কৃতিৰ বহুতো উপাদান সোমাই পৰিছে। ভাৰতীয় মুছলমানসকলো ইয়াৰ ব্যতিক্ৰম নহয়। ভাৰতীয় মুছলমানৰ ধৰ্মীয়, সামাজিক আৰু সাংস্কৃতিক জীৱন ভাৰতীয় পৰিৱেশত কাৰ্যকৰী বিভিন্ন ঐতিহাসিক, সামাজিক আৰু সাংস্কৃতিক শক্তিৰ দ্বাৰা নিয়ন্ত্ৰিত। ইছলামীয় ঐতিহ্য আৰু ইন্দো-ইছলামীয় ঐতিহ্যৰ সুদীৰ্ঘ পাৰস্পৰিক ক্ৰিয়াৰ ফলত ভাৰতীয় মুছলমানৰ সমাজ আৰু সংস্কৃতিয়ে গঢ় লৈছে। ইন্দো-ইছলামীয় ঐতিহ্য হ'ল পৰম্পৰাগতভাৱে প্ৰচলিত জনবিশ্বাস, অলিখিত ৰীতি-নীতি, লোকাচাৰ ইত্যাদিৰ ভেটিত প্ৰতিষ্ঠিত এটা ঐতিহ্য। এই ঐতিহ্যৰ সৃষ্টি হৈছে ইছলাম আৰু হিন্দু ধৰ্মৰ পাৰস্পৰিক ক্ৰিয়াৰ ফলস্বৰূপে। ভাৰতীয় মুছলমানসকলৰ দৈনন্দিন জীৱনত ইছলামীয় ঐতিহ্যতকৈ ইন্দো-ইছলামীয় ঐতিহ্যৰ প্ৰভাৱহে বেছি।[১] ইছলাম আৰু হিন্দু ধৰ্মৰ পাৰস্পৰিক ক্ৰিয়াৰ ফলস্বৰূপে অসমতো এক প্ৰকাৰৰ ইন্দো-ইছলামীয় ঐতিহ্যৰ সৃষ্টি হৈছে। ইছলামী ঐতিহ্য আৰু ইন্দো-ইছলামী ঐতিহ্যৰ পাৰস্পৰিক ক্ৰিয়াৰ ফলত অসমীয়া মুছলমানৰো সমাজ আৰু সংস্কৃতিয়ে গঢ় লৈছে।

অসমীয়া মুছলমান আৰু অন্যান্য অসমীয়া লোকৰ জীৱন-ধাৰণৰ পদ্ধতিৰ মাজত প্ৰভেদ নিচেই কম। অসমীয়া মুছলমানৰ দৈনন্দিন জীৱনত ইছলামীয় সংস্কৃতিৰ প্ৰভাৱতকৈ থলুৱা সংস্কৃতিৰ প্ৰভাৱহে বেছি প্ৰকট। অসমীয়া মুছলমানৰ পাৰিবাৰিক জীৱনলৈ লক্ষ্য কৰিলে দেখা যায় যে অসমীয়া হিন্দু সমাজত প্ৰচলিত অনেক নীতি-নিয়ম অসমীয়া মুছলমানসকলে পালন কৰি আহিছে। অসমীয়া মুছলমানৰ অধিকাংশ আত্মীয়তামূলক শব্দ (Kinship terminology) অসমীয়া হিন্দুৰে সৈতে একে। হিন্দু সমাজৰ দৰে ঠাইবিশেষে মুছলমান সমাজতো কিছুমান আত্মীয়ক দেখা কৰা, কথা-বতৰা পতা ইত্যাদি নিষিদ্ধ। এই বিশেষ আত্মীয়সকল হ'ল— শহুৰ, বোৱাৰী আদি। সাধাৰণতে ভাই-বোৱাৰীয়ে জেঠালৰ সৈতে কথা-বতৰা নকয় বা আগলৈ নোলায়।[২]

অসমীয়া হিন্দুসকলৰ মাজত প্ৰচলিত অনেক লোক-বিশ্বাস আৰু নীতি-নিয়মৰ প্ৰচলন অসমীয়া মুছলমান সকলৰ মাজতো আছে। জন্ম, বিবাহ আৰু মৃত্যু সম্বন্ধীয় যিবোৰ লোকবিশ্বাস আৰু নীতি-নিয়মৰ প্ৰচলন অসমীয়া মুছলমানসকলৰ মাজত আছে, সেইবোৰ লোকবিশ্বাস আৰু নীতি-নিয়মৰ লগত ইছলামীয় ঐতিহ্যৰ সম্পৰ্ক নাই।

অসমীয়া মুছলমানসকলৰ মাজতো সন্তান জন্মৰ পাছত প্ৰসূতি আৰু সন্তানক ভূত-প্ৰেত ইত্যাদিৰ পৰা ৰক্ষা কৰিবলৈ প্ৰসূতিৰ বিছনাৰ তলত এখন

দা বা কটাৰী ৰখা প্ৰথাৰ প্ৰচলন আছে। মুছলমান সকলেও কেঁচুৱাৰ নাই সৰিলেহে কেঁচুৱাক বাজলৈ আনে আৰু ইয়াকে 'বাজলৈ ওলোৱা' বুলি কয়। প্ৰথম সন্তান জন্ম হ'বৰ সময়ত তিৰোতা মাকৰ ঘৰলৈ যোৱাটো অসমৰ এটা সামাজিক প্ৰথা। অসমীয়া মুছলমানসকলৰ মাজতো এই প্ৰথাৰ প্ৰচলন আছে। অসমীয়া লোকাচাৰ অনুসৰি পুষ্পিতা ছোৱালীক নিলগকৈ ৰখা হয়। অসমীয়া মুছলমানৰ মাজতো, বিশেষকৈ গাঁও অঞ্চলত এনে নিয়মৰ প্ৰচলন আছে।

অনেক থলুৱা বৈবাহিক নীতি-নিয়ম আৰু লোক-বিশ্বাসৰ প্ৰচলন অসমীয়া মুছলমান সমাজতো দেখা যায়।[৩] অসমীয়া মুছলমানসকলেও মৃতকক গা ধুওৱা ঠাইডোখৰত বগৰী গছৰ জেং এডাল পুতি থয়। মুছলমানসকলে মৃতকৰ কাম-কাজ তিনি দিনীয়া, দহ দিনীয়া বা মাহেকীয়া হিচাপে পতাটো অসমীয়া হিন্দু-সমাজৰ প্ৰভাৱ। ইছলামীয় নীতি অনুসৰি চল্লিছ দিনৰ পাছতহে মৃতকৰ আত্মাৰ সদ্গতি কামনা কৰি ধৰ্মীয় অনুষ্ঠান সমাপন কৰিব লাগে। উল্লেখ কৰা লোকবিশ্বাস আৰু নীতি-নিয়মৰ উপৰিও আৰু অনেক থলুৱা নীতি-নিয়মৰ প্ৰচলন অসমীয়া মুছলমান সমাজত দেখা যায়।[৪]

জীৱন-ধাৰণৰ পদ্ধতি, পোছাক-পৰিচ্ছদ, আ-অলঙ্কাৰ ইত্যাদি বিভিন্ন ক্ষেত্ৰত অসমীয়া মুছলমানৰ স্বকীয়া চিনাকি বিচাৰি পোৱা নাযায়। অসমীয়া হিন্দু-মুছলমানৰ কথ্য ভাষা একে। কিন্তু পাৰিবাৰিক জীৱনত অসমীয়া মুছলমানসকলে অনেক আৰবী, ফাৰ্চী আৰু উৰ্দ্দু শব্দ কথ্য ভাষাৰ সৈতে ব্যৱহাৰ কৰে। এনেবোৰ শব্দ মুছলমানসকলে বুজিব পাৰে; কিয়নো ধৰ্ম চৰ্চাৰ প্ৰয়োজনত আৰু ঐতিহ্যগতভাৱে মুছলমান সকলৰ মাজত আৰবী, ফাৰ্চী আৰু উৰ্দ্দু শব্দবোৰ প্ৰচলিত হৈ আহিছে।[৫]

প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে অসমীয়া সংস্কৃতিতো ইছলামীয় সংস্কৃতিৰ প্ৰভাৱ লক্ষ্য কৰা যায়। ৰাজকীয় আৰু সামাজিক নীতি-নিয়ম, আদব-কায়দা, খোৱা-বোৱা, পিন্ধা-উৰা আদিৰ উপৰিও অসমীয়া ভাষা-সাহিত্যত ইছলামীয় সংস্কৃতিৰ প্ৰভাৱ পৰিছে। আহোম স্বৰ্গদেউ গদাধৰসিংহই মুছলমান ৰজাৰ মাটি জৰীপ কৰা প্ৰথা উন্নত বুলি গণ্য কৰি অসমতো তেনে ধৰণে জৰীপ আৰম্ভ কৰিছিল। বিভিন্ন অসমীয়া বিষয়-বাবৰ সৈতে প্ৰাচীন মোগল চৰকাৰৰ বিষয়-বাবৰ সাদৃশ্য আছে। ইছলামীয় পৰ্দা-প্ৰথা সম্ভ্ৰান্ত হিন্দু পৰিয়ালতো প্ৰচলন হ'বলৈ ধৰিলে। পৰ্দা-প্ৰথা অসমীয়া সমাজত আভিজাত্যৰ চিনাকি ৰূপে পৰিগণিত হ'ল। বিভিন্ন বাদ্য-যন্ত্ৰ, প্ৰসাধন সামগ্ৰী, জোতা, অলঙ্কাৰ ইত্যাদিয়ে মুছলমানৰ আগমনৰ লগে লগে অসমতো প্ৰসাৰতা লাভ কৰিলে। সূত্ৰধাৰী নৃত্যৰ সাজ-সজ্জাৰ সৈতে মোগল পোছাকৰ সাদৃশ্য আছে। অসমীয়া সাজ-পোছাকত মোগল সাজ-পোছাকৰ প্ৰভাৱ উল্লেখযোগ্য।

অনেক আৰবী-ফাৰ্চী শব্দও অসমীয়া ঘৰুৱা জীৱনত সোমাই পৰিছে। এনেবোৰ শব্দ অসমীয়াত ব্যৱহাৰ হোৱাৰ এটা বিশেষ কাৰণ হৈছে অসম-মুছলমানৰ ৰাজনৈতিক সম্বন্ধ। অসমীয়া সাহিত্যত চুফীবাদেও প্ৰৱেশ লাভ কৰিছিল—দ্বিজৰামৰ 'মৃগাৱতী চৰিত'ৰ জৰিয়তে।[৬]

খাচি আৰু বড়ো-কছাৰী জনজাতীয় সমাজতো ইছলামীয় সংস্কৃতিৰ প্ৰভাৱ পৰিছে। খাচিসকলৰ মৈদামৰ লাস-বেশত মুছলমানসকলৰ 'তাজিয়াৰ' (মহৰম পৰ্বৰ শেষৰ দিনা লৈ ফুৰোৱা হাচান-হুচেনৰ নকল কবৰ) প্ৰভাৱ পৰিছে বুলি অনুমান কৰা হয়।[৭] বড়ো-কছাৰীসকলৰ খেৰাই পূজাৰ অনেক দেৱ-দেৱীৰ ভিতৰত এজন দেৱতাৰ নাম নবাব [illegible] বা মুছলমানৰ দেৱতা। পূজাৰীয়ে এই দেৱতাৰ সন্মুখত লেংটি নমৰাকৈ পশ্চিমৰ পিনে মুখ কৰি 'বিছ্‌মিল্লাহ' (আল্লাৰ নামত) বুলি কুকুৰা [illegible] দিয়ে।[৮]

অঞ্চলবিশেষে অসমীয়া মুছলমানৰ মাত-কথা আৰু [illegible] নীতি-নিয়মৰ অনেক তাৰতম্য আৰু পাৰ্থক্য আছে। তেনেদৰে অসমীয়া হিন্দুসকলৰ মাজতো অঞ্চলবিশেষে মাত-কথা আৰু নীতি-নিয়মৰ পাৰ্থক্য আৰু তাৰতম্য দেখা যায়। অঞ্চলবিশেষে অসমীয়া [illegible] সংস্কৃতিৰ তাৰতম্য আৰু পাৰ্থক্যই একোটা সম্প্ৰদায়ৰ মাজত তাৰতম্য আৰু পাৰ্থক্যৰ সৃষ্টি কৰিছে। উল্লেখযোগ্য যে গোৱালপাৰাৰ পশ্চিম অঞ্চলৰ মুছলমানসকলৰ সাংস্কৃতিক জীৱনৰ লগত [illegible] বঙ্গৰ গ্ৰাম্যিক সংস্কৃতিৰ ভালেখিনি সাদৃশ্য আছে।[৯]

বাস্তৱিক আনুভবিক সত্যতাই (actual empirical reality) সূচায় যে অসমীয়া মুছলমান সম্প্ৰদায় এটা হ'লেও ই বহুবিভক্ত। ভাষা, সামাজিক নীতি-নিয়ম, অৰ্থনৈতিক আৰু ধৰ্মীয় পাৰ্থক্য ইত্যাদিয়ে অসমীয়া মুছলমানসকলক কিছুমান সমষ্টিত বিভক্ত কৰিছে। সেয়েহে নৃতত্ত্ববিদ আৰু সমাজ-বিজ্ঞানী সকলে সমগ্ৰ ভাৰতবৰ্ষৰ মুছলমানসকলক এটা সম-জাতীয় (homogeneous) মুছলমান সম্প্ৰদায় বুলি কব পাৰিনে— এনে প্ৰশ্নৰ অৱতাৰণা কৰিছে।[১০]

অসমীয়া হিন্দু-মুছলমানৰ মাজত সামাজিক আৰু সাংস্কৃতিক সাদৃশ্যই দুয়োটা সম্প্ৰদায়ৰ মাজত ঘনিষ্ঠতা, সম্প্ৰীতি আৰু সদ্ভাব সৃষ্টিত বিশেষভাৱে সহায় কৰিছে। অতীতৰ পৰাই অসমীয়া হিন্দু-মুছলমানে ওচৰ-চুবুৰীয়া হিচাপে বাস কৰি আহিছে আৰু এনে অৱস্থাই এই দুই সম্প্ৰদায়ৰ মাজত একতা আৰু সহৃদয়তাৰ ভাৱ সৃষ্টিত সহায় কৰিছে। আহোম ৰজাসকলে হিন্দু জাতি আৰু হিন্দু-মুছলমানৰ মাজত সম্প্ৰীতি আৰু সদ্ভাব সৃষ্টিৰ উদ্দেশ্যে বিভিন্ন হিন্দু জাতি, হিন্দু আৰু মুছলমান ধৰ্মৰ মানুহক একে গাঁৱতে বসতি কৰাইছিল।[১১]

নৃতত্ত্ববিদ Colson ৰ মতে দৈনন্দিন জীৱনত ঘনিষ্ঠতা থকা দুটা সম্প্ৰদায়ৰ লোকৰ মনত পৰস্পৰৰ স্বভাৱ, ৰীতি-নীতি, আকাঙ্ক্ষা, অনুপ্ৰেৰণা ইত্যাদিৰ বিষয়ে সদ্ভাব থকাৰ উপৰিও এইবোৰক পৰস্পৰে সমাদৰ কৰে। এনে এটা পৰিবেশত ঘনিষ্ঠভাৱে বসবাস কৰা দুটা সম্প্ৰদায়ে উক্ত পৰিবেশৰ বিভিন্ন পৰিস্থিতিত সমানে অংশ গ্ৰহণ কৰে। এনে পৰিবেশত দুটা সম্প্ৰদায়ৰ লোকৰ মাজত সংস্পৰ্শ থকাৰ উপৰিও তেওঁলোকৰ আচাৰ-ব্যৱহাৰৰ মাজতো অনেক সাদৃশ্য থকা দেখা যায়। সেয়েহে দুয়োটা সম্প্ৰদায়ৰ লোকক এটা উমৈহতীয়া সংস্কৃতিৰ অংশ-গ্ৰহণকাৰী বুলি কব পাৰি। অসমীয়া হিন্দু-মুছলমানৰ ক্ষেত্ৰতো Colson ৰ নিৰীক্ষণ প্ৰযোজ্য।[১২]

## টোকা আৰু প্ৰসঙ্গ-পুথি

১। A. R. Momin, 'Muslim Caste : Theory and Practice', Econom ic and Political weekly, Vol. X, 14, 1975. P. 580-582.

২। কিছুমান আত্মীয়ই পৰস্পৰক দেখা নকৰা আৰু কথা-বতৰা নপতাটো এক প্ৰকাৰৰ আত্মীয়তা-প্ৰথা (Kinship usage)। এই প্ৰকাৰৰ আত্মীয়তা-প্ৰথাক পৰিহাৰ্য সম্বন্ধ (avoidance) বুলি কোৱা

হয়। পৃথিৱীৰ বিভিন্ন সমাজত এই প্ৰকাৰৰ আত্মীয়তা-প্ৰথাৰ প্ৰচলন আছে। পৰিহাৰ্য সম্বন্ধৰ বিষয়ে নৃতত্ত্ববিদসকলে বিভিন্ন ধৰণৰ ব্যাখ্যা আগবঢ়াইছে। ইয়াৰে ভিতৰত Radcliffe-Brown এ আগবঢ়োৱা ব্যাখ্যাই আটাইতকৈ বেছি যুক্তিসঙ্গত। Radcliffe-Brown ৰ মতে যেতিয়া মানুহ পৰস্পৰৰ সংস্পৰ্শলৈ আহে, তেতিয়া তেওঁলোকৰ মাজত সহযোগিতা আৰু সংঘৰ্ষ উভয়ৰেই সম্ভাৱনা থাকে। সংঘৰ্ষৰ পৰা হাত সাৰিবলৈ হ'লে ঘনিষ্ঠতা নিবাৰণ কৰিব লাগিব। পৰিহাৰ্য সম্বন্ধই ঘনিষ্ঠতা নিবাৰণ কৰি সমাজৰ লোকক সংঘৰ্ষৰ পৰা আঁতৰাই ৰাখে।

৩। অসমীয়া হিন্দুৰ দৰে মুছলমানসকলৰ মাজতো দৰাৰ ঘনিষ্ঠ বন্ধু এজন দৰা-ধৰা বা তামুলী হয়। অসমীয়া হিন্দু সমাজৰ দৰে মুছলমান সমাজতো দৰাই নিকাহৰ অন্তত কইনাৰ আত্মীয়-স্বজনক তামোল-পাণেৰে মান ধৰিব লাগে। মুছলমান কইনাজনীয়েও দৰা-ঘৰলৈ গৈ দৰাৰ আত্মীয়-স্বজনক তামোল-পাণেৰে মান ধৰে। অসমীয়া হিন্দু-সমাজৰ দৰে মুছলমান সমাজতো বিবাহ-অনুষ্ঠানৰ সৈতে জৰিত বিভিন্ন নীতি-নিয়ম আৰু ক্ৰিয়া-কাণ্ডত তিৰোতাসকলে বিশেষভাৱে অংশ গ্ৰহণ কৰে। নিকাহৰ দিন ধাৰ্যৰ ক্ষেত্ৰত থলুৱা সংস্কৃতিৰ প্ৰভাৱ দেখা যায়। হিন্দুসকলৰ দৰে মুছলমানসকলেও সাধাৰণতে বহাগ, জেঠ, আঘোণ, মাঘ আৰু ফাগুণ মাহত বিয়াৰ দিন ধাৰ্য কৰে আৰু ল'ৰা-ছোৱালীৰ জন্ম-মাহত বিয়াৰ দিন ধাৰ্য নকৰে। নিকাহৰ দিন ধাৰ্যৰ ক্ষেত্ৰত পঞ্জিকাৰো সহায় লোৱা হয়।—A. N. M. Irshad Ali, 'Kinship and Marriage among the Assamese Muslims' : Family kinship and Marriage among Muslims of India ( Imtias Ahmed ed. ), 1976, pp. 1—23

৪। আব্দুছ ছাত্তাৰ, 'সামাজিক আচাৰ-ব্যৱহাৰৰ ক্ষেত্ৰত অসমীয়া হিন্দু-মুছলমানৰ ঘনিষ্ঠতা' নীলাচল, প্ৰথম বছৰ, প্ৰথম সংখ্যা, এপ্ৰিল, ১৯৬৯, পৃঃ ২২৮-৩০ :

৫। চৈয়দ আব্দুল মালিক, 'অসমীয়া মুছলমানৰ ঘৰুৱা ভাষা', অসম সাহিত্য সভা পত্ৰিকা, সপ্তদশ বছৰ, দ্বিতীয় সংখ্যা, পৃঃ ৫১—৫৪।

৬। এম্ ইব্ৰাহীম আলি, 'অসমীয়া মুছলমানৰ সমাজ-সংস্কৃতিলৈ অবদান,' Souvenir : 1975, পৃঃ ৩—৪ ; আব্দুছ ছাত্তাৰ, 'সংমিশ্ৰণত অসমীয়া সংস্কৃতি,' ১৯৭২ : বিৰিঞ্চি কুমাৰ বৰুৱা, 'অসমীয়া ভাষা আৰু সংস্কৃতি' ; Dr. Mohini Saikia, 'Assam-Muslim Relations and its Cultural Significance', ( Ph. D. Thesis, 1967 ) ; E. A. Gait, 'A History of Assam'; J. P. Wade, 'An Account of Assam.'

৭। Hamlet Bareh, 'The History and Culture of Khasi People,' 1967, P. 392.

৮। ভবেন নাৰ্জাৰী, 'বড়ো-কছাৰী সমাজ আৰু সংস্কৃতি,' ১৯৬৬, পৃঃ ২৪৯।

৯। গোৱালপাৰা জিলাৰ লগত উত্তৰ বঙ্গৰ সাংস্কৃতিক সাদৃশ্যৰ বিশদ আলোচনাৰ বাবে চাওক ড° বীৰেন্দ্ৰ নাথ দত্তৰ ( সঙ্কলন আৰু সম্পাদনা ) 'গোৱালপৰীয়া লোকগীত সংগ্ৰহ,' ১৯৭৪ ( পাতনি )।

১০। Imtiaz Ahmed, 'For a Sociology of India,' Contributions to Indian Sociology, New Series, Vol VI, 1972, P.P. 172-77.

১১। 'দেওধাই অসম বুৰঞ্জী'ত গাঁও সংগঠনৰ বৰ্ণনা এনেদৰে আছে :— "ব্ৰাহ্মণ ২ ঘৰ, গণক ২ ঘৰ, কাঠৰ ২ ঘৰ, কলিতাৰ ২ ঘৰ, কেওঁটৰ ২ ঘৰ, কোঁচ ২ ঘৰ, চুটিয়া ২ ঘৰ, বুৰুক ২ ঘৰ, ৰবীয়া ২ ঘৰ, অহম ২ ঘৰ, গৰীয়া ২ ঘৰ, মৰীয়া ২ ঘৰ, ডোম ২ ঘৰ, হাৰি ২ ঘৰ, এই ক্ৰমে পাতিলে" ( পৃঃ ১১৯-২০ )।


১২। Elizabeth Colson, 'The Makah Indians,' 1953, P. 88.

# স্বৰ্গদেৱ শিৱসিংহৰ দিনৰ তিনিটা মুদ্ৰা

শ্ৰীসতীশ চন্দ্ৰ ভট্টাচাৰ্য

যোৱা অক্টোবৰ মাহত আমি গহপুৰলৈ ফুৰিবলৈ যাওঁতে মধ্য ছয়দুৱাৰ উচ্চ ইংৰাজী স্কুলৰ শিক্ষক, বাহাগাঁও-নিবাসী শ্ৰীযুত গিৰীশ চন্দ্ৰ বৰঠাকুৰৰ ঘৰত আদিনীয়া সম্পদ কিবা-কিবি থকাৰ সংবাদ পাই চাবলৈ গৈছিলোঁ। শ্ৰীযুত বৰঠাকুৰৰ পৰিয়াল শিৱসিংহ স্বৰ্গদেৱৰ দিনত স্থাপিত কলংপুৰ মৌজাৰ কল্যাণী দেৱালয়ৰ[১] পুৰুষানুক্ৰমে পূজাৰী। এওঁৰ ঘৰত অন্যান্য দুই-এপদ বস্তুৰ উপৰিও তিনিটা পুৰণি মুদ্ৰা দেখা পাই অধ্যয়নৰ বাবে আনিছিলোঁ।


তিনিওটা মুদ্ৰা আহোম স্বৰ্গদেউ শিৱসিংহৰ দিনৰ। কেউটা ৰূপৰ টকীয়া মুদ্ৰা। ইয়াৰ লিপি অসমীয়া, ভাষা সংস্কৃত। মুদ্ৰা কেইটাৰ পাঠ এনেধৰণৰ :— ( চন্দ্ৰবন্ধনীৰ ভিতৰত দিয়া সংখ্যাই শাৰী বুজাইছে ) :



দ্বিতীয়

তৃতীয়

প্ৰথম



। প্ৰথম মুদ্ৰা । • সমুখ পিঠি :

( ১ ) শ্ৰী শ্ৰী মং
( ২ ) স্বৰ্গদেৱ শি
( ৩ ) ৱ সিংহ নৃপস্য
( ৪ ) শাকে ১৬৩৭

বিপৰীত পিঠি :

( ১ ) শ্ৰী শ্ৰীহৰ
( ২ ) গৌৰী পদা
( ৩ ) ম্বুজ মধু ক
( ৪ ) ৰস্য

---

১। এই দেৱালয়ৰ সকলো দিশ সামৰি প্ৰবন্ধ এটি যুগুত কৰি থকা হৈছে। —লেখক।

• ক) এই মুদ্ৰাটোৰ পাঠ সৰ্বানন্দ ৰাজকুমাৰ ভাণ্ডাৰীয়াই উদ্ধাৰ কৰি গৈছে। দ্ৰষ্টব্য : 'অসমীয়া সংস্কৃতি', প্ৰথম প্ৰকাশ : পৃষ্ঠা : ১৯৭। খ) ওপৰৰ ছবিৰ ক্ৰম লেখকৰ নিজা। —পত্ৰিকা সম্পাদক।

| | | | |
|---|---|---|---|
| । দ্বিতীয় মুদ্ৰা । | (১) শ্ৰী শ্ৰী শিৱ | | (১) শ্ৰী শ্ৰীহৰ |
| | (২) সিংহ নৃপ মহি | | (২) গৌৰী পদপ |
| | (৩) ষী শ্ৰীফুলেশ্ব | | (৩) ৰায়ণায়া: |
| | (৪) ৰী দেব্যা: | | (৪) শাকে ১৬৪৭ |
| । তৃতীয় মুদ্ৰা । | (১) শ্ৰী শ্ৰী শিৱ | | (১) শ্ৰী শ্ৰীহৰ |
| | (২) সিংহ নৃপ তথ্ব | | (২) গৌৰী পদ |
| | (৩) ল্লভ শ্ৰীমদম্বি | | (৩) পৰায়ণানাং |
| | (৪) কা দেৱীনাং | | (৪) শাকে ১৬৫৮ ২৩ |

কেইটামান ব্যতিক্ৰমৰ বাহিৰে আহোম নৃপতিসকলৰ মুদ্ৰাবোৰ সাধাৰণতে আঠ চুকীয়া। প্ৰাপ্ত মুদ্ৰা কেইটাও অষ্টবাহু সম্বলিত। আহোম যুগৰ মুদ্ৰাবোৰ কিয় অন্য মুদ্ৰাৰ দৰে গোলাকাৰ নহৈ আঠ চুকীয়া হ'ল, এই সম্পৰ্কে থোৰতে উনুকিয়াই দিয়াটো বোধ হয় অপ্ৰাসঙ্গিক নহ'ব। অসমৰ মুদ্ৰাৰ ওপৰত এক মাত্ৰ প্ৰামাণ্য গ্ৰন্থ ৰচোঁতা মুদ্ৰাবিদ এ, ডব্লিউ, বোথাম চাহাবে কৈ গৈছে যে যোগিনীতন্ত্ৰৰ (ৰচনাকাল ষষ্ঠদশ শতাব্দী) এটা শ্লোক অনুসৰি আহোম ৰাজ্য আঠ কোণীয়া হোৱা বাবে ৰজাসকলে আঠ কোণীয়া মুদ্ৰা মাৰিছিল।[২] বুৰঞ্জীবিদ গেইট চাহাবে এই মত উল্লেখ কৰাৰ লগতে কৈছে যে আহোম সাম্ৰাজ্যৰ অধীনত আঠখন ৰাজ্য আছিল বাবেও আঠ কোণীয়া মুদ্ৰা মৰা হ'ব পাৰে।[৩] অসমৰ মুদ্ৰা বিশেষজ্ঞ সৰ্বানন্দ ৰাজকুমাৰে বিস্তৃত ব্যাখ্যাৰ অন্তত উভয় মতকে খণ্ডন কৰি যুক্তি প্ৰদৰ্শন কৰিছে যে, "টাই-আহোমসকলৰ মতে পৃথিৱীৰ আঠটা দিশ (ঊৰ্দ্ধ আৰু অধঃ বাদে) হোৱাৰ কাৰণে আৰু অতীজত স্বৰ্গৰাজ লেঙ্‌দেনে তেওঁৰ নাতি খুন্‌লুঙ্‌ আৰু খুন্‌লাইক পৃথিৱীৰ অধিপতি হ'বলৈ স্বৰ্গৰ পৰা (৫৬৮ খৃ: ?) নমাই পঠোৱাৰ কাৰণে সম্ভৱ স্বৰ্গদেউসকলে আঠ কোণীয়া মুদ্ৰা মৰাইছিল"।[৪]

মুদ্ৰা তিনিটাৰ বাকী বৈশিষ্ট্যবোৰ তলত আলোচনা কৰা হ'ল :—

১। ইবোৰৰ ওজন এক তোলাতকৈ কিঞ্চিৎ কম অৰ্থাৎ ৯৪½ ৰতিৰ পৰা ৯৫ ৰতিলৈকে পোৱা গৈছে।[৫]

২। Catalogue of the Provincial Coin Cabinet, Assam; 2nd Edition, পৃষ্ঠা ৪৪৭
৩। A History of Assam, ৩য় সংস্কৰণ, ১৯৬৩, পৃষ্ঠা ২৭৬
৪। পুৰণি অসমৰ মুদ্ৰা : 'অসমীয়া সংস্কৃতি' শীৰ্ষক গ্ৰন্থত অন্তৰ্ভুক্ত, পৃষ্ঠা ১৭৬। (পৃষ্ঠা, ১১০ : প্ৰথম প্ৰকাশ। — পত্ৰিকা সম্পাদক)।
৫। আহোম নৃপতিসকলৰ মুদ্ৰাৰ টকীয়া ওজন প্ৰায় ১৭৫ গ্ৰেইন বুলি বোথাম চাহাবে তাহানিতে দেখুৱাই গৈছে (২ নং দৰে একে, পৃষ্ঠা, ৪৪৯); গেইট চাহাবেও এইবোৰৰ ওজন ভাৰতীয় ওজনেৰে এক তোলা (এক আউন্সৰ ⅜ ভাগ) অৰ্থাৎ ৯৬ ৰতি বুলি কৈছে (৩ নং দৰে, পৃষ্ঠা ২৭৬)। ১৭৬ গ্ৰেইনতকৈ কম ওজনৰ ভালেমান মুদ্ৰাৰ বিশ্লেষণ বোথাম চাহাবৰ কিতাপত সন্নিবিষ্ট হৈছে।



২। আয়তনৰ ফালৰ পৰাও তিনিওটাৰ মাজত তাৰতম্য আছে। প্ৰথমটোৰ আয়তন ২৬ মিলিমিটাৰ আৰু বাকী দুটাৰ প্ৰত্যেকৰে ২৩ মিলিমিটাৰকৈ।

৩। প্ৰথমটোত মুদ্ৰা মৰা বছৰৰ উল্লেখ প্ৰথম পিঠিতে পাই; কিন্তু বাকী দুটাত বিপৰীত পিঠিত অৰ্থাৎ উপাস্য দেৱতাৰ নাম সন্নিবিষ্ট পিঠিতহে ই উৎকীৰ্ণ হৈছে। দ্বিতীয় আৰু তৃতীয় মুদ্ৰা দুটাত ৰজা তথা তেওঁৰ মহিষীৰ নাম লেখাৰ অন্তত বছৰ লেখিবলৈ ঠাইৰ অভাৱত যে এয়া হৈছে, সি সন্দেহাতীত। এই খিনিতে বোথাম চাহাবৰ কথাৰ লগত সামান্য প্ৰভেদ পৰিলক্ষিত হোৱাটো লক্ষ্যনীয়।[৬]

৪। আখৰবোৰ গড়ে তিনি আৰু চাৰি মিলিমিটাৰ আয়তনৰ। আটাইখিনি একে সমানে স্পষ্ট তথা উজ্জ্বল।

৫। পাখি থকা সিংহৰ ছবি আহোম যুগৰ মুদ্ৰাৰ এক বৈশিষ্ট্য। সদ্যপ্ৰাপ্ত মুদ্ৰাকেইটাও ইয়াৰ ব্যতিক্ৰম নহয়। প্ৰথমটোত উক্ত ছবি সমুখ পিঠিত আৰু বাকী দুটাত বিপৰীত পিঠিত উৎকীৰ্ণ। আকৌ প্ৰথম আৰু দ্বিতীয়টোত ই সোঁ-মুখী, তৃতীয়টোত বাওঁ-মুখী।

৬। প্ৰত্যেকটোৰে দুয়ো পিঠিত কাষে-কাষে ফুট-ফুটকৈ অলঙ্কৰণ কৰা আছে। তাৰ উপৰি, প্ৰথমটোৰ বিপৰীত ফালে নিম্নাংশত অৰ্থাৎ চতুৰ্থ শাৰীৰ 'ৰসা' আখৰ দুটাৰ উভয় পাৰ্শ্বত ৭ টাকৈ ফুটৰ সমষ্টি আছে। দ্বিতীয়টোত এনে ফুট বিপৰীত ফালে মাত্ৰ ৭টা, তৃতীয়টোত ই সমূলি অৱৰ্তমান।

৭। তৃতীয়টোত শকৰ তলতে ২৩ সংখ্যাটো উৎকীৰ্ণ হৈছে।

স্বৰ্গদেৱ শিৱসিংহ ১৬৩৬ শক বা ইং ১৭১৪ চনৰ পৰা ১৬৬৬ শক অৰ্থাৎ ইং ১৭৪৪ চনলৈ মুঠতে ৩০ বছৰ কাল সিংহাসনত অধিষ্ঠিত আছিল।[৭] এইজনা ৰজাৰ ছত্ৰভঙ্গ যোগ সমাগত বুলি জ্যোতিষীয়া পণ্ডিত সকলে কোৱাত পৰ্বতীয়া গোসাঁই আৰু আন আন মন্ত্ৰীসকলৰে পৰামৰ্শ কৰি স্বৰ্গদেৱে ক্ৰমান্বয়ে তেওঁৰ তিনিগৰাকী মহিষীক ৰাজ্য শাসন কৰিবলৈ কৰ্তৃত্ব দান কৰাৰ কথা অকল ইতিহাস-সম্মতই নহয়, সৰ্বজনবিদিতো। সেই অনুক্ৰমে তেওঁৰ তিনিগৰাকী ৰাণী ক্ৰমে ফুলেশ্বৰী বা প্ৰমথেশ্বৰী, অম্বিকাদেৱী আৰু সৰ্বেশ্বৰীয়েও ৰাজ্য-শাসনৰ ৰাঘজৰী হাতত লোৱাৰ লগে লগে নিজ নিজ নামত মুদ্ৰা মৰাৰ অধিকাৰ লাভ কৰিছিল।

আমাৰ আলোচ্য ১৬৩৭ শক অৰ্থাৎ ১৭১৫ ইং চনৰ মুদ্ৰাটোত এফালে অকল স্বৰ্গদেৱ আৰু আনফালে তেওঁৰ উপাস্য দেৱতাৰ নাম খোদিত আছে। এতেকে এইটো মুদ্ৰা তেওঁৰ ৰাজত্বৰ দ্বিতীয় বছৰতে মৰাটো প্ৰমাণিত।

দ্বিতীয়টো ১৬৪৭ শক অৰ্থাৎ ১৭২৫ খৃষ্টাব্দৰ হোৱা হেতু ই বৰ-ৰজা ফুলেশ্বৰীয়ে শাসন-ভাৰ লোৱাৰ দ্বিতীয় বছৰত খোদিত হোৱাৰ ইঙ্গিত দিছে। প্ৰসঙ্গ-ক্ৰমে স্মৰ্তব্য যে এইজনা বৰ-ৰজায়েই ১৬৫১ শক (খৃ: ১৭২৯ চন) ত গড়গাঁৱত পোন প্ৰথম, ৰাবৰ

( ৭৪ পৃষ্ঠাত চাওক )

৬। All the full coins are on the same lines, the obverse containing the name of the king and the date of the coin, while the reverse contains an expression of the king's devotion to particular deities.— Catalogue of the Provincial Coin Cabinet, Assam, পৃষ্ঠা ৪৪৭।
৭। গুণাভিৰাম বৰুৱাই তেওঁৰ 'আসাম বুৰঞ্জী'ত স্পষ্টকৈ কৈছে যে এওঁ মুঠতে ৩০ বছৰ, ৩ মাহ, ১১ দিন সিংহাসনত অধিষ্ঠিত আছিল। —প্ৰকাশন পৰিষদৰ সংস্কৰণ, পৃষ্ঠা—৯৯।

# চৰ্য্যাপদৰ সমকালীন অসমীয়া ভাষা

( পূৰ্বানুবৰ্তী )

শ্ৰীৰাপ চন্দ্ৰ মহন্ত

চৰ্যাপদত শৌৰসেনী আৰু মহাৰাষ্ট্ৰী অপভ্ৰংশৰ পশ্চিম ভাৰতীয় ৰূপ :

১) সংজ্ঞা শব্দ আৰু কাৰকৰ বিভক্তি-প্ৰয়োগ সম্বন্ধে বিশ্লেষণ কৰিলে চৰ্যাপদত বৰ্তমানৰ কথিত আৰু লিখিত ভাষা মৰাঠী আৰু গুজৰাটীৰ প্ৰাচীন লক্ষণো প্ৰকাশ পাব পাৰে; কিন্তু আলোচনা সেই স্তৰলৈকে বহলালে জটিলতা আৰু বৃদ্ধি পাব। সেই বাবে অতি চমুকৈ সেই ভাষা দুটাৰ কিছু উদাহৰণ দাঙি ধৰা হৈছে। জিজ্ঞাসুসকলে চৰ্যাপদত তেনে লক্ষণৰ সাদৃশ্য বিচাৰি চাবলৈ তাৰ পৰা সুবিধা পাব।

( ক ) অতীত কালৰ ক্ৰিয়াত 'ল' বিভক্তি মাগধী অপভ্ৰংশজনিত ভাষাৰ নিচিনাকৈ মৰাঠী ভাষাতো প্ৰয়োগ হয়। ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰ নামদেৱৰ মৰাঠী বাক্য তলত উদাহৰণ স্বৰূপে দিয়া হ'ল :— 'শিংপি আচে কুলী জন্ম ঝালা' ( দৰ্জীৰ কুলত জন্ম দিলা )। ইয়াত 'চে' ষষ্ঠী বিভক্তিৰ চিন। কুলী = কুলত, সপ্তমীৰ 'ই' বিভক্তি চিনৰ ঠাইত 'ঈ' হৈছে। ঝালা = দিলা। চৰ্যা আৰু বৰ্তমান অসমীয়াৰ লগত তুলনা কৰি চাবৰ সুবিধাৰ কাৰণে তলত চতুৰ্দশ শতিকাৰ মৰাঠী, বৰ্তমান মৰাঠী আৰু তাৰ অসমীয়া ৰূপ দিয়া হৈছে :—

| নামদেৱৰ মৰাঠী | বৰ্তমান মৰাঠী | অসমীয়া অৰ্থ |
|---|---|---|
| একল | একলী | অকল (একমাত্ৰ) |
| বেধিলা | বেধলে | টানিলে |
| আনিলৈ | আনিলে | আনিলে |
| চালিলা | চাললা | চলিল, গ'ল |
| অনুভৱল্যা | অনুভৱিল্যা | অনুভৱ কৰিলে |
| সীকৱীলা | শিকৱিলা | শিকালে, পঢ়ালে |

( ৭৩ পৃষ্ঠাৰ পিছৰ পৰা )

বাবে আহোম নৃপতিসকলৰ পৰম্পৰা ভঙ্গ কৰি পাৰ্চী ভাষাত চাৰি চুকীয়া মূদ্ৰা মৰাইছিল। ইয়াৰ পাছত অসমীয়া মূদ্ৰাৰ ওপৰত নতুন পৰীক্ষা-নিৰীক্ষা চলোৱা ৰাজেশ্বৰসিংহ স্বৰ্গদেৱে এই আদৰ্শকো গ্ৰহণ কৰিছিল।৮

তৃতীয় মূদ্ৰাটো ১৬৪৮ শক ( ইং ১৭৩৬ খৃ: ) ৰ। গতিকে ই অম্বিকা দেৱীয়ে ৰৰৰজা উপাধি লৈ ৰাজ্য চলোৱাৰ সাক্ষ্য বহন কৰিছে। তাৰ উপৰি, শকৰ তলত উৎকীৰ্ণ ২৩ সংখ্যাটোৱে ঘোষণা কৰিছে যে ই শিৱসিংহ স্বৰ্গদেৱৰ ৰাজত্বৰ ত্ৰয়োবিংশ বছৰত খোদিত। × × ×

৮। Catalogue of the Provincial Coin Cabinet, Assam : পৃষ্ঠা— ৪৪৮



...আৰু সম্প্ৰদান কাৰকত স, লা আৰু তে বিভক্তি ...। কৰণ কাৰকত নে, এ আৰু ঈ বিভক্তি হয়। ...কৰণ কাৰকত ই আৰু অঁ বিভক্তি হয়। ...শব্দ এনে ধৰণৰ:—মুঝা, মাঝা, মাঝে=মোৰ; ...চা, আমচা=আমাৰ; তুঝা, তুঝী=তোৰ; তুম্চী ...চী=তোমাৰ, তইতৰ ইত্যাদি। ...মান ক্ৰিয়াৰ উদাহৰণ:—ৰাচিলা=ৰচিলা, ৰক্ষিলা =ৰক্ষিত কৰিলা; ভৰাইলে=ভৰালে।

...দশ শতিকাৰ আগ ভাগত সংস্কৃতৰ পৰা ডিঙ্গল ...লৈ (গুজৰাটী আৰু ৰাজস্থানী ভাষাৰ প্ৰাচীন ...ৰূপ শৌৰসেনী অপভ্ৰংশৰ স্থানীয় ৰূপটোক ডিঙ্গল ...বলা হয়) অনুবাদ কৰা এটা উদাহৰণ তলত দিয়া ...হৈছে :—

...কেসুয়কলী অতি বাকুণ্ডী আঙ্কুডী মমণচী জাণি।
...বিৰহিণিনাং ইণি কালিজ কালিজ্জ কাটই তাণি।

...কেসুয়কলী = পলাশ ফুলৰ কলি; বাকুণ্ডী = ...বেঁকা; আঙ্কুডী = অঙ্কুশ; জাণি = যেন, নিচিনা, ...; মমণচী = মন্মথৰ; বিৰহিণিনাং = বিৰহিনী ...সকলৰ; ইণি = ইয়াৰে; তাণি = তেওঁ ( মদনে ); ...কালিজ কাটই = কলিজা কাটে] অৰ্থাৎ বেঁকা পলাশ ফুলৰ কলি মদনৰ অঙ্কুশ যেন। ইয়াৰেই তেওঁ বিৰহিনী-সকলৰ হৃদয় বিদীৰ্ণ কৰে।

...দশ শতিকাৰ নৰসী মেহতাৰ গুজৰাটী ভাষাৰ উদাহৰণ তলত দিয়া হৈছে :—

বৈষ্ণৱ জন তো তেনে কহিয়ে জো পীৰ
পৰাঈ জাণে ৰে।
পৰ দুঃখে উপকাৰ কৰে তোয় মন
অভিমান ন আণে ৰে।

...ইয়াত শব্দৰ প্ৰয়োগ মন কৰিবলগীয়া। 'তো' ...হয় হিন্দী, বঙলা আৰু অসমীয়া কেউটা ভাষাতে ...একেদৰেই ব্যৱহাৰ কৰা হয়। তেনে = তেওঁক; কহিয়ে = কয়; জো = যিজনে; পীৰ = পীড়া, দুখ; জাণে = জানে, বুজে; তোয় = তথাপি, তেও বুলি; আণে = আনে।

গ) চতুৰ্দশ শতিকাৰ ৰাজস্থানী অপভ্ৰংশৰ এটা উদাহৰণ তলত দিয়া হৈছে জিন পদ্মসূৰিৰ 'স্থূলিভদ্ৰফাগু' নামৰ পুথিৰ পৰা :—

ঝিৰিমিৰি ঝিৰিমিৰি ঝিৰিমিৰি এ মেহা ৰৰসন্তি।
খলহল খলহল খলহল এ ৱাহলা বহন্তি ॥

মেহা, মেহ = মেঘ; ৰৰসন্তি = বৰষে; খলহল = খলখল, কলকল; ৱাহলা = প্ৰৱাহ, সোঁত, জলধাৰা; বহন্তি = বয়।

ঘ) চতুৰ্দশ শতিকাৰ অমীৰ খুসৰুৱে লেখা খড়ীবোলী হিন্দীৰ উদাহৰণ তলত দিয়া হৈছে :—

গোৰী সোৱে সেজপৰ মুখপৰ ডাৰে কেস।
চল খুসৰু ঘৰ অপনে ৰৈণ ভঈ চহুঁ দেস ॥

( গোৰী শোৱে বা শুইছে; সেজপৰ = শয্যাত; মুখপৰ ডাৰে কেস = মুখৰ ওপৰত চুলি পেলাই বা চুলিৰে মুখ ঢাকি; খুসৰু অপনে ঘৰ চল = খুসৰু নিজৰ ঘৰলৈ ব'ল বা যা; ৰৈণ ভঈ = ৰজনী ( ৰাত্তি ) হ'ল; ৰাতি স্ত্ৰীলিঙ্গ শব্দ কাৰণে 'ভঈ' ক্ৰিয়াও স্ত্ৰীলিঙ্গ হ'ল; চহুঁ দেস = চাৰিও দিশ।

(২) এই পৰ্যন্ত মৰাঠী, গুজৰাটী, ৰাজস্থানী আৰু খড়ীবোলী হিন্দীৰ যিবোৰ নিয়ম আৰু উদাহৰণ দাঙি ধৰা হ'ল, সেইবোৰৰ বহুতৰ লগতে চৰ্যাপদৰ কিছুমান নিয়ম আৰু শব্দৰ সাদৃশ্য বিচাৰিলে পোৱা যাব; কিন্তু এনে সাদৃশ্য থাকিলেও এইটো প্ৰায় নিশ্চিত যে বঙলা, অসমীয়া আৰু মৈথিলী ভাষাৰ চতুৰ্দশ শতিকাৰ বাক্যৰ গঢ় আৰু শব্দাৱলী গুজৰাটী, ৰাজস্থানী আৰু খড়ীবোলীৰ লগত অৰ্থাৎ শৌৰসেনী অপভ্ৰংশজাত ভাষাৰ লগত যি পৰিমাণে মিলে যেন দেখা যায়, সেই পৰিমাণে চৰ্যাপদৰ লগত মিলা যেন দেখা নাযায়। ইয়াৰ দুটা কাৰণ হ'ব পাৰে। এটা হ'ল চৰ্যাপদৰ ৰচনা ত্ৰয়োদশ-চতুৰ্দশ শতিকা

পৰ্যন্ত হৈ থকা নাছিল। চৰ্যাপদ বঙলা আৰু অসমীয়া ভাষাৰ প্ৰাচীন ৰূপ হ'বলৈ হ'লে তাৰ এই ৰূপটো অষ্টম-নৱম শতিকা মানতকৈ পাছলৈ আহিব নোৱাৰিব; কিয়নো চৰ্যাপদৰ ভাষাৰ গঢ় বহুত পুৰণি। দ্বিতীয়টো কাৰণ এয়ে যে—চৰ্যাপদত মাগধী অপভ্ৰংশৰ উপৰিও শৌৰসেনী প্ৰভাৱ বহু-পৰিমাণে আছে। বঙলা, অসমীয়া আৰু মৈথিলী ভাষাত এনেকুৱা শৌৰসেনী প্ৰভাৱ অতি সামান্য পৰিমাণেহে আছে। এনে স্থলত চৰ্যাপদকে বঙলা, অসমীয়া আৰু মৈথিলী প্ৰভৃতি ভাষাৰ মূল ৰূপ বুলি ধৰিব নোৱাৰি।

**নাথ-পন্থী লোকভাষা** — চৰ্যাগীত ৰচনা কৰো'তা সকলৰ মাজত কামৰূপ আৰু বঙ্গত স্থায়ীভাৱে বাস কৰা লোক এজনো নাছিল; কিন্তু চৰ্যাপদৰ ভাষাৰ লগত বঙ্গ আৰু অসমৰ লোকভাষাৰ সাদৃশ্য নোহোৱাৰ বা কম হোৱাৰ বিশেষ কাৰণ সিয়েই নহয়। কিয়নো সুকীয়া সুকীয়া ঠাইৰ পৰা অহা চৰ্যাগীতিকাৰসকলৰ ভাষাৰ মাজত বিশেষ পাৰ্থক্য চকুত নপৰে। সকলো ঠাইৰ পৰা অহা চৰ্যাগীতিকাৰ সকলে বিহাৰ ৰাজ্যৰ মগধ অঞ্চলত বাস কৰিছিল আৰু তেওঁলোক সকলোৰে ভাষাত শৌৰসেনী অপ-ভ্ৰংশৰ প্ৰভাৱো পৰিছিল। আন হাতে ত্ৰয়োদশ শতি-কাৰ মাজ ভাগতেই ইছলাম-আক্ৰমণৰ ফল স্বৰূপে বৌদ্ধ বিহাৰসমূহ নষ্ট হৈছিল কাৰণে চৰ্যাগীতৰ ৰচনাও তাৰ আগতে হোৱা যেন ধাৰণা হয়। এনে স্থলত ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰ অসমীয়া ভাষাৰ লগত চৰ্যাপদৰ সম্পৰ্ক নথকাটোৱেই স্বাভাৱিক। বৌদ্ধ সকলৰ আদৰ্শৰ ভিন্নতাও এই ক্ষেত্ৰত অসমীয়া ভাষাৰ লগত চৰ্যাপদৰ ভাষাৰ সম্পৰ্কহীনতাৰ এটা কাৰণ হ'ব পাৰে।

চতুৰ্দশ শতিকাৰ মৈথিলী আৰু বঙলা সাহিত্যতো চৰ্যাপদৰ অনুৰূপ ভাৱৰ প্ৰতিনিধিত্ব কৰা বৌদ্ধ সাহিত্যৰ পোনপটীয়া প্ৰভাৱ দেখা নাযায়; কিন্তু বৌদ্ধ সিদ্ধৰ তালিকাত নাম থাকিলেও তাৰ পৰা ফাটি অহা মৎস্যেন্দ্ৰনাথ আৰু গোৰখনাথ প্ৰভৃতি নাথপন্থীসকলে যোগমাৰ্গ-বিষয়ক সাহিত্য লোক-ভাষাত ৰচনা কৰাৰ আদৰ্শ দাঙি ধৰিছিল। সেই বাবে দ্বাদশ-চতুৰ্দশ শতিকা মানৰ যোগমাৰ্গী সাহিত্য হিন্দী আৰু বঙলা ভাষাত পোৱা যায়। যোগমাৰ্গী সকলৰ সাহিত্য ধৰ্মদেৱতা, নিৰঞ্জন-পুৰুষ, শক্তি আৰু শিৱৰ উপাসনা-মাৰ্গৰ সাহিত্য ৰূপেও প্ৰকাশ পাইছিল। মহাৰাষ্ট্ৰত জ্ঞানেশ্বৰ, নামদেৱ আদি নাথ-পৰম্পৰাৰ লোক ব্যৱকৰী বৈষ্ণৱ ৰূপে পৰিচিত হ'ল। দক্ষিণ ভাৰতৰ আলৱাৰ বৈষ্ণৱসকলৰ দৰে উত্তৰ ভাৰততো বৈষ্ণৱসকলে লোকভাষাত সাহিত্য ৰচনা কৰিবলৈ ল'লে।

খৃঃ নৱম শতিকা মানৰ পৰা সমগ্ৰ ভাৰত জুৰি যোগ-মাৰ্গী নাথসকল জনপ্ৰিয় হৈ আহিব পাৰে। তেওঁ-লোকে নিজৰ মত লোকভাষাত প্ৰচাৰ কৰাটোও এই জনপ্ৰিয়তাৰ এটা কাৰণ হ'ব পাৰেনেকি, সেইটো বিচাৰ কৰি চাবলগীয়া কথা। চতুৰ্দশ-পঞ্চদশ শতিকা মানৰ পৰা হোৱা বৈষ্ণৱ আন্দোলনে শৈৱ যোগমাৰ্গী নাথ-সাহিত্য তল পেলোৱা বাবে তাৰ আগৰ যুগত ৰচিত নাথ-পন্থী সাহিত্য বহুত লোপ পালে। সেই লুপ্ত সাহিত্যৰ উপযুক্ত গৱেষণা ভাল দৰে হোৱা নাই। এই শ্ৰেণীৰ যোগমাৰ্গী নাথ আৰু শৈৱ সাহিত্যৰ ৰচনা প্ৰাচীন কামৰূপতো হ'ব পাৰে। কিয়নো মীননাথৰ জীৱন-কাহিনীৰ লগত কামৰূপৰ সম্বন্ধ অনেক বিচাৰকে থকা বুলি ভাবে। সেইমতে মৎস্যেন্দ্ৰনাথ কামৰূপৰ মাছমৰীয়া সম্প্ৰদায়ৰ লোক আছিল। এটা মত অনুসৰি গোৰখনাথৰ গুৰু মীন-নাথ কামৰূপৰ কদলী ৰাজ্যৰ ৰাণী কমলাৰ ওচৰত মোহগ্ৰস্ত হৈ কেইবা বছৰো আছিল। মীনচেতন বা গোৰক্ষবিজয় নামৰ নাথ-পন্থী বঙলা সাহিত্যত





গোৰক্ষনাথে মীননাথক পুনৰ শুদ্ধ যোগমাৰ্গলৈ ঘূৰাই জনাৰ কাহিনী পোৱা যায়। মইনামতী আৰু গোপী-চন্দ্ৰৰ গানতো যোগমাৰ্গৰ আদৰ্শই স্পষ্ট। এইদৰে উত্তৰ ভাৰতৰ নানা ঠাইত যোগমাৰ্গী সাহিত্য ৰচিত হৈছিল। এই শ্ৰেণীৰ সাহিত্যৰ ভাষা যে সমকালীন লোকভাষা আছিল আৰু সি বৰ্তমান প্ৰচলিত লোকভাষাৰ লগত বহুত সাদৃশ্য ৰক্ষা কৰিব পাৰিছিল, তাৰ উদাহৰণ স্বৰূপে তলত এটি বাক্য উদ্ধৃত কৰা হৈছে :—

হবকি ন বোলিবা ঠবকি ন চলিবা
ধীৰে ধৰিবা পাঁৱ।
গৰব ন কৰিবা সহজে ৰহিবা
ভণত গোৰখ ৰাৱ॥

ড° পীতাম্বৰ দত্ত বড়থালৰ সংগৃহীত এই বাক্যত গোৰক্ষনাথৰ ভণিতা মন কৰিবলগীয়া। গোৰখনাথ কানহপাৰ সমকালীন বুলি এটা মত আছে। কানহপা খৃঃ নৱম শতিকাৰ ব্যক্তি। নাথ-পৰম্পৰা মতে মৎস্যেন্দ্ৰনাথ বা মীননাথ আৰু জালন্ধৰনাথ আদিনাথৰ শিষ্য। *

গোৰক্ষনাথ নৱম-দশম শতিকাৰ ব্যক্তি হ'লে গোৰখ-নাথৰ এই পদৰ ভাষা সেই সময়ৰ অসমীয়া ভাষাৰ এটা প্ৰাচীন উদাহৰণ বুলি ধৰিব পাৰি; কিন্তু গোৰখ-নাথৰ ভণিতা থাকিলেও ইয়াক গোৰখনাথৰ পৰৱৰ্তী কোনো লেখকৰ বুলি সন্দেহ কৰাৰ অৱকাশ নোহোৱা নহয়; অথবা গোৰখনাথৰ নিজা ৰচনাতো পাছৰ যুগৰ ভাষাৰ প্ৰভাৱ পৰিব পাৰে। সেয়ে হ'লেও ঃ দ্বাদশ-ত্ৰয়োদশ শতিকামানৰ ভিতৰতে ওপৰত উদ্ধৃত কৰা ধৰণৰ অসমীয়া আৰু বঙলা ভাষাৰ ৰচনা অসম্ভৱ নহয়।

নাথ-পন্থীসকলৰ ভাষা স্থানভেদে সুকীয়া আছিল। সেই বাবে পঞ্জাব, ৰাজস্থান আৰু মহৰাষ্ট্ৰৰ পৰা কামৰূপলৈকে এই বিস্তৃত ভূখণ্ডত গোৰখনাথ প্ৰভৃতি নাথ-গুৰুসকলৰ ৰচিত সুকীয়া সুকীয়া আঞ্চলিক ভাষাৰ গ্ৰন্থ পোৱা গৈছে। এনে স্থলত কামৰূপৰ মাটিত এই শ্ৰেণীৰ সাহিত্য ৰচনা সম্বন্ধে বিস্তৃত গৱেষণাৰ প্ৰয়োজন।

**প্ৰাচীন লোকভাষাৰ উচ্চাৰণ আৰু ছন্দঃ—**

ক) বঙ্গ, মিথিলা আৰু অসমৰ লোকভাষাত শৌৰসেনী অপভ্ৰংশৰ প্ৰভাৱ পৰিলেও উচ্চাৰণ আৰু ছন্দ-বিধানত এটা বৈশিষ্ট্য দেখা যায়। শৌৰসেনী উচ্চাৰণত মাত্ৰাৰ হ্ৰস্ব-দীৰ্ঘতা ৰক্ষা কৰা হয়; কিন্তু মিথিলা, বঙ্গ আৰু কামৰূপৰ লোকভাষাত মাত্ৰাৰ হ্ৰস্ব-দীৰ্ঘতা ৰক্ষা নহয়। গতিকে ছন্দৰ গঢ়িত মাত্ৰাৰ অনুশাসন নোহোৱা লক্ষণৰ দৃষ্টিত পূৰ্বোক্ত বাক্যটো প্ৰাচীন অসমীয়া ভাষাৰ এটা উদাহৰণ ৰূপে ধৰিব পাৰি। এই বাক্যৰ 'ঠবকি' শব্দ 'ঠমকি' হ'লেই শব্দাৰ্থৰ ফালৰ পৰাও কোনো বাধা উপস্থিত নহয়।

চৰ্যাপদৰ ভাষাত মাত্ৰাৰ হ্ৰস্ব-দীৰ্ঘতা শৌৰসেনী ভাষা-ক্ষেত্ৰৰ অনুৰূপে উচ্চাৰণৰ ক্ষেত্ৰত ৰক্ষা কৰি অহা হৈছে। উচ্চাৰণৰ এই বৈশিষ্ট্যৰ দৃষ্টিতো চৰ্যাপদৰ ছন্দ অসমীয়া, বঙলা আৰু মৈথিলী ভাষাৰ ছন্দৰ লগত নিমিলে। মাত্ৰাৰ ভিন্নতা সম্পৰ্কীয় এটা উদাহৰণ

* মৎস্যেন্দ্ৰনাথ মীননাথৰ পুত্ৰ বুলিও এটা মত আছে। এই সম্বন্ধে বহুল আলোচনা এই প্ৰসঙ্গত প্ৰয়োজনীয় নহয়। কোনো কোনোৰ মতে লুইপা আৰু মীননাথ একেজনৰে সুকীয়া নাম। সেয়ে যদি হয়, তেনেহ'লে লুইপাদৰ পাছৰ পুৰুষৰ ব্যক্তি মৎস্যেন্দ্ৰনাথ আৰু জালন্ধৰনাথৰ শিষ্য কানহপাদো নৱম শতিকাৰ শেষ ভাগ বা দশম শতিকাৰ প্ৰথম ভাগৰ ব্যক্তি হ'ব পাৰে। এইদৰেই গোৰখনাথকো নৱম-দশম শতিকাৰ বুলি ধৰি লব পাৰি।

তলত দিয়া হ'ল :—

কাআ তৰুবৰ পঞ্চ বি ডাল

চঞ্চল চীএ পইঠো কাল।

দিট কৰিঅ মহা সুহ পৰিমাণ

লুই ভণই গুৰু পুচ্ছিঅ জাণ। (লুইপাদ)

তলত চিন দিয়া বৰ্ণবোৰৰ দুটা দুটা মাত্ৰা বুলি সংস্কৃত আৰু শৌৰসেনী ভাষা ক্ষেত্ৰৰ উচ্চাৰণৰ বিধান মতে ধৰিলে প্ৰথম তিনি শাৰীত পোন্ধৰটাকৈ মাত্ৰা হয় আৰু চতুৰ্থ শাৰীত ১৭ টা মাত্ৰা হয়। চৰ্যাপদসমূহ এই বিধান মতে উচ্চাৰণ নকৰিলে সেই ভাষাৰ স্বাভাৱিক সৌন্দৰ্য ৰক্ষা নপৰে। সেই বাবে চৰ্যাপদৰ উচ্চাৰণক মাত্ৰাৰ দৃষ্টিত শৌৰসেনী উচ্চাৰণ বুলিব পাৰি; কিন্তু 'হৰকি ন বোলিবা, ঠৰকি ন চলিবা, ধীৰে ধৰিবা পাঁউ' ... অংশৰ স্বাভাৱিক উচ্চাৰণত শৌৰসেনী ক্ষেত্ৰৰ মাত্ৰা-বিধান প্ৰযুক্ত নহয়। গতিকে ইয়াক মাগধী বা পূৰ্বক্ষেত্ৰীয় বুলিব পাৰি।

উচ্চাৰণৰ ক্ষেত্ৰত মাত্ৰাৰ সাদৃশ্য নাথাকিলেও শৌৰসেনী ক্ষেত্ৰ ৰাজস্থানী ভাষাৰ প্ৰাচীন ৰূপৰ লগতো প্ৰাচীন কামৰূপী ভাষাৰ সাদৃশ্য কিছু আছিল। এনে ধৰণৰ এটা উদাহৰণ তলত দিয়া হৈছে :—

বাৰহ বৰিস লৈ কুকৰ জীঐ', ঔ তেৰহ লৈ জিঐ' সিয়াৰ।

বৰিস অঠাৰহ ছত্ৰী জীঐ', আগে জীৱনকে ধিক্কাৰ।

[ বাৰ বছৰলৈ কুকুৰ জীয়াই থাকে আৰু তেৰ বছৰলৈ শিয়াল জীয়াই থাকে। ক্ষত্ৰিয় ওঠৰ বছৰলৈকে জীয়াই থাকে, তাতকৈ আগলৈ থকা জীৱনক ধিক্কাৰ ]

কালিঞ্জৰৰ ৰজা পৰমালৰ চাৰণ কবি 'জগনিক'ৰ আল্‌হা খণ্ডৰ পৰা উদ্ধৃত এই বাক্য পুৰণি আৰু নতুন উভয় শ্ৰেণীৰ অসমীয়া ভাষাৰ লগত কিমান মিলে, বিচাৰ কৰি চাবলগীয়া। এই বাক্যৰ ৰচনাকাল খৃঃ ১১৭৩ চন। গতিকে চৰ্যাপদৰ সমকালীন আৰু অসমীয়া ভাষাৰ লগত বহুত সাদৃশ্য থকা অনেক উত্তৰ ভাৰতীয় ভাষাৰ উদাহৰণ সংগ্ৰহ কৰি তাৰ শব্দাৱলী, উচ্চাৰণ আৰু ব্যাকৰণ সম্বন্ধীয় নিয়মৰ বিশ্লেষণ কৰি চালেহে অসমীয়া ভাষাৰ প্ৰাচীন ৰূপ সম্বন্ধে প্ৰকৃত তথ্যৰ ওচৰ চাপিব পৰা হ'ব।

উচ্চাৰণ আৰু আখৰ-জোঁটনিৰ ফালৰ পৰাও চৰ্যাপদ, অসমীয়া আৰু উত্তৰ তথা পশ্চিম ভাৰতৰ ভাষাৰ মাজত কিছুমান সাদৃশ্য আৰু বৈসাদৃশ্য লক্ষ্য কৰিবলগীয়া। তলত এই সম্বন্ধীয় দুটামান উদাহৰণ দাঙি ধৰা হৈছে :–

ক) মহাৰাষ্ট্ৰী প্ৰাকৃতৰ দৰে ব্যঞ্জন-লোপ চৰ্যাপদত বহু পৰিমাণে পোৱা যায়। অসমীয়াত এনে উদাহৰণ কম পৰিমাণে আছে। যেনে— দধি > দৈ; পতি > পৈ; কিন্তু এনে লক্ষণ পশ্চিম ভাৰত আৰু উত্তৰ ভাৰতৰ মহাৰাষ্ট্ৰী আৰু শৌৰসেনী অপভ্ৰংশৰ ভাষা-ক্ষেত্ৰতো বহু পৰিমাণে থকা কাৰণে অসমীয়া ভাষাই চৰ্যাপদৰ পৰা এনে বৰ্ণ-পৰিবৰ্তনৰ নীতি গ্ৰহণ কৰা বুলি ধৰিব নোৱাৰি। ব্যঞ্জনবৰ্ণৰ ঠাইত স্বৰবৰ্ণ প্ৰয়োগ বিশেষভাৱে মহাৰাষ্ট্ৰী প্ৰাকৃতৰহে লক্ষণ।

খ) ণ > ন হোৱাটোহে সাধাৰণতে অসমীয়া উচ্চাৰণ আৰু পুৰণি পুথিৰ আখৰ-জোঁটনিত দেখা যায়। ইয়াৰ বিপৰীতে চৰ্যাপদ আৰু মৰাঠী, গুজৰাটী, ৰাজস্থানী প্ৰভৃতিত ন > ণ হোৱা দেখা যায়। যেনে, আনন্দ > আণংদ (গুজৰাটী)।

গ) য > জ উত্তৰ আৰু পশ্চিম ভাৰতীয় সকলো ভাষাত হয়। পুৰণি অসমীয়া পুথিবো বহুত ঠাইত এই লক্ষণ দেখা যায়। গতিকে ইয়াক চৰ্যাৰ অনুকৰণ বুলিব





নোৱাৰি। আধুনিক অসমীয়া আখৰ-জোঁটনিত য> জ ৰ পৰিবৰ্তে পুনৰ য কৰা হ'ল। মৰাঠী, গুজৰাটী আৰু হিন্দীত য> জ হৈ থাকি গ'ল। যেনে—যঃ> জো, যাদৃশ> জৈসা; শয্যা> সেজ ইত্যাদি।

ঘ) শ, ষ> স শৌৰসেনী, মহাৰাষ্ট্ৰী উভয় শ্ৰেণীৰে অপভ্ৰংশজাত লোকভাষাত দেখা যায়। মাগধী প্ৰাকৃতৰ নিয়ম মতে স> শ হ'ব লাগে। এই দৃষ্টিত অসমীয়াতো স > শ হোৱাটো স্বাভাৱিক; কিন্তু পুৰণি পুথিত শ > স হে দেখা যায়। চৰ্যাপদতো এনে উদাহৰণ আছে। গতিকে চৰ্যা আৰু অসমীয়া উভয়েই এইখিনিত পশ্চিম আৰু উত্তৰ ভাৰতীয় ভাষাৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ প্ৰমাণ দিয়ে।

ঙ) মাগধী প্ৰাকৃতৰ নিয়ম মতে ৰ > ল হোৱা প্ৰথা অসমীয়াত নাই বুলিবই পাৰি। সংস্কৃতৰ 'ল' অসমীয়াতো 'ল' আৰু সংস্কৃতৰ 'ৰ' অসমীয়াতো 'ৰ' হৈয়েই থাকে। শৌৰসেনী ভাষাগোষ্ঠীত সংস্কৃত ল > ৰ হোৱা দেখা যায়। যেনে :— শৃগাল > সিয়াৰ; বাতুল > বাতুলী > বাউৰী। এই ক্ষেত্ৰত চৰ্যাপদ আৰু অসমীয়া দুয়োটাই বেছি পৰিমাণে সংস্কৃতক অনুসৰণ কৰিছে; শৌৰসেনী বা মাগধী প্ৰাকৃতক অনুসৰণ কৰা নাই।

এই পৰ্যন্ত কৰি অহা আলোচনাৰ আধাৰত আমি এনে সিদ্ধান্ত গ্ৰহণ কৰিব পাৰোঁ যে— কেৱল মাগধী প্ৰাকৃত আৰু তাৰ অপভ্ৰংশ অৱস্থাৰ পৰাই অসমীয়া ভাষা পোনে পোনে গঢ় লোৱা নাই। চৰ্যাপদৰ ক্ষেত্ৰতো সেই কথাই খাটে। পৌৰাণিক ধৰ্মত সংস্কৃত ভাষাই ঘাই মাধ্যমৰ কাম কৰাৰ দৰেই জৈন আৰু বৌদ্ধ সাহিত্যতো শৌৰসেনী ভাষাই বিশেষভাৱে আৰু মহাৰাষ্ট্ৰী ভাষাই কম পৰিমাণে উত্তৰ আৰু পশ্চিম ভাৰতৰ নিচিনাকৈয়ে মাগধী ভাষা-ক্ষেত্ৰ পূব ভাৰততো মাধ্যম ৰূপে কাম কৰিছিল। সম্পূৰ্ণ শৌৰশেনী ভাষাই এই মাধ্যম ৰূপে গ্ৰহণযোগ্য হোৱাটো সহজ নাছিল কাৰণে পাছলৈ স্বাভাৱিকতে সি মাগধী আৰু শৌৰসেনী অপভ্ৰংশৰ ভাষা-ক্ষেত্ৰৰ পৰা কামৰূপলৈ আহিবলৈ ধৰা পৌৰাণিকধৰ্মী আৰু যোগমাৰ্গী নাথধৰ্মী লোকসকলৰ সংস্কৃত তথা স্থানীয় ভাষাৰ সংমিশ্ৰণৰ ফল স্বৰূপে অসমীয়া ভাষাৰ প্ৰাচীন সাঁচটো গঢ় লোৱা বুলি ভাবিব পাৰি।

## চৰ্যাপদ আৰু অন্যান্য বৌদ্ধ সাহিত্য :—

চৰ্যাগীত আৰু নাথ-সাহিত্যৰ বাহিৰেও সেই সময়ৰ অন্যান্য ধৰ্মীয় সাহিত্যৰ ভাষাৰ লগতো অসমীয়া, বঙলা প্ৰভৃতি লোকভাষাৰ তুলনাত্মক বিশ্লেষণ কৰি চাবলগীয়া আছে। দোহা আৰু বজ্ৰ গীতিকা এই শ্ৰেণীৰ বৌদ্ধ সাহিত্য। চৰ্যাগীতসমূহৰ ৫০ টাৰ ভিতৰত কেৱল কান্‌হপা বা কৃষ্ণপাৰে ১৩ টা হোৱা কাৰণে চৰ্যাগীতৰ ক্ষেত্ৰত তেওঁৰ স্থান যেনে মহত্ত্বপূৰ্ণ, তেনে স্থান তেওঁ বৌদ্ধ দোহাৰ ক্ষেত্ৰতো পাবৰ যোগ্য। ৺হৰপ্ৰসাদ শাস্ত্ৰী-সম্পাদিত বৌদ্ধ গান আৰু দোহাত সংস্কৃত টীকাসহ কৃষ্ণপাৰ ৩২ টা দোহা প্ৰকাশিত হৈছে। কান্‌হপাৰ এই দোহাসমূহ আৰু বজ্ৰগীতিকাৰ ভাষাতো অসমীয়া, বঙলা প্ৰভৃতি লোকভাষাৰ সেই যুগৰ উপাদান বিচাৰ কৰি চোৱা উচিত; কিন্তু প্ৰায় ভাগ আলোচকেই এই ক্ষেত্ৰত কেৱল চৰ্যাপদৰ ভাষাৰ আলোচনাতে এই কাৰ্য সীমাবদ্ধ কৰি থোৱা যেন দেখা গৈছে।

চৰ্যাপদ, দোহা আৰু বজ্ৰগীতিকাৰ ভাষাৰ মাজত কিছু প্ৰভেদ আছে। এই তিনিওটাই একে স্তৰৰ লোকভাষা নহয়। বজ্ৰগীতিকা আৰু চৰ্যাপদ দুয়ো বিধেই গীত। চৰ্যাপদতো শাস্ত্ৰীয় ৰাগ বন্ধা আছে। কথিত ভাষাত ব্যৱহাৰ নকৰা শব্দবো গীতত ব্যৱহাৰ হয়। গতিকে শাস্ত্ৰীয় ৰাগবদ্ধ গীতৰ ভাষাও লোকভাষাতকৈ কিছু পৃথক শাস্ত্ৰীয় ভাষা হোৱাহে

স্বাভাৱিক। বজ্ৰগীতিকাৰ ভাষা চৰ্যাৰ ভাষাতকৈ বেছি কঠিন কাৰণে চৰ্যাপদৰ ভাষাতকৈয়ো লোক-ভাষাৰ পৰা বেছি আঁতৰ বুলি বুজিব পাৰি; আনহাতে বৌদ্ধ দোহাৰ ভাষা কাব্য-ভাষা হ'লেও গীতৰ ভাষাতকৈ লোকভাষাৰ বেছি ওচৰ সম্পৰ্কীয়। 'দোহা' এবিধ পদ আৰু ছন্দৰ নাম। সমগ্ৰ উত্তৰ আৰু পশ্চিম ভাৰতৰ অপভ্ৰংশ যুগৰ কাব্য-ভাষাৰ উদাহৰণ দোহাত পোৱা যায়। তলত কান্‌হপাৰ এফাঁকি দোহা ভাষাৰ উদাহৰণ স্বৰূপে দিয়া হৈছে :—

একক ণ কিজ্জই মন্ত ণ তন্ত ;
ণিঅ ঘৰণি লই কেলি কৰন্ত।
ণিঅ ঘৰ ঘৰিণী জাৱ ণ মজ্জই,
তাৱ কি পঞ্চবৰ্ণ বিহৰিজ্জই ॥ ২৮ ॥

কিজ্জই = কৰা ; ণিঅ = নিজ ; লই = লৈ ; কৰন্ত = কৰাঁ ; জাৱ = যেতিয়া ; মজ্জই = মজ্জিত ; নিমগ্ন ; ঘৰিণী = গৃহিণী ; তাৱ = তেতিয়া ; পঞ্চবৰ্ণ = পঞ্চ ক্লেশ ( অবিদ্যা, অস্মিতা, ৰাগ, দ্বেষ, অভিনিৱেশ ) ; বিহৰিজ্জই = বাহিৰ কৰা বা প্ৰভাৱৰ পৰা মুক্ত হোৱা।

বজ্ৰগীতিকাৰ ভাষা বেছি কঠিন বাবে উদাহৰণ দিয়া নহ'ল। এতিয়া অসমৰ ভাষাৰ লগত যিবোৰ ভিত্তিত চৰ্যাপদৰ সমতা দৰ্শাই অহা হৈছে, সেইবোৰ কিমান দুৰ্বল, তাৰ দুটামান উদাহৰণ তলত দিয়া হ'ল। বাকীবোৰ লক্ষণ উত্তৰ আৰু পশ্চিম ভাৰতৰ অন্যান্য লোকভাষাৰ অপভ্ৰংশ স্তৰৰ লগত মিলি আছে বাবে বিশেষত্বহীন বুলি বাদ দিয়া হ'ল। এই প্ৰসঙ্গত এটা কথা বিশেষভাৱে মন দিবলগীয়া যে— কোনোবা এটা শব্দৰ মূল দুটা বা তিনিটা স্তৰ অতিক্ৰম কৰি সংস্কৃতত বিচাৰি পালেই তাক সংস্কৃতৰ পৰা অহা বুলি ধৰি লৈ মাজৰ স্তৰবোৰত অন্য লোকভাষাৰ লগত থকা সম্পৰ্কৰ কথালৈ আও-কাণ কৰা বহুক্ষেত্ৰত দেখা যায়। লোকভাষাৰ স্বৰূপ নিৰ্ণয় এনেকুৱা বিশ্লেষণৰ পৰা হ'ব নোৱাৰে। একে সময়ৰ ওচৰ-চুবুৰীয়া অন্যান্য ভাষাসমূহৰ লগত থকা সাদৃশ্য-বৈসাদৃশ্যৰ বিশ্লেষণৰ ওপৰতহে এটা ভাষাৰ নিজা বৈশিষ্ট্য প্ৰকাশ পাব পাৰে।

অসমীয়া শব্দ-বিভক্তিৰ বৰ্তমান ৰূপৰ লগত সাদৃশ্য দেখুৱাই অহা কেইটামান উদাহৰণ সম্বন্ধে তলত চমু আলোচনা কৰা হ'ল। এই উদাহৰণবোৰ কেৱল অসমীয়াৰ বৈশিষ্ট্যসে নহয়, সেই কথা বিচাৰ কৰি চোৱা উচিত। যেনে :— ৰুখেৰ তেন্তলি কুম্ভীৰেঁ খাঅ ( চৰ্যা-২, কুক্কুৰীপা )। এই বাক্যত সাধাৰণ ভাৱে চালে কৰ্তাত প্ৰথমাৰ 'এ' বিভক্তি হৈছে। কুম্ভীৰেণ খাদিত > কুম্ভীৰে খাইঅ > কুম্ভীৰে খাঅ হ'লে 'এ' তৃতীয়া বিভক্তিৰ পৰা অহা চিন। সংস্কৃত তৃতীয়া বিভক্তিৰ এন > নে > এঁ > এ চিনটো কৰ্ম বাচ্যত বা কৰ্মপ্ৰধান বাক্যৰ কৰ্তাতো প্ৰয়োগ হ'ব পাৰে। হিন্দীত এই এন > 'নে' ৰূপত কৰ্তা কাৰকত প্ৰয়োগ হয়।

'মতিএ' ঠাকুৰক পৰিণীতা' পাঠান্তৰ 'ঠাকুৰক পৰি-নেবিত্তা' [ চৰ্যা- ১২, কৃষ্ণপাদ ]। ইয়াৰ অৰ্থ হৈছে মতি বা বুদ্ধিৰ দ্বাৰা ঠাকুৰৰ পৰিনিবৃত্তি হৈছে। ইয়াত মতি শব্দৰ লগত 'এঁ' তৃতীয়া বিভক্তি আৰু ঠাকুৰ শব্দৰ লগত 'ক' ষষ্ঠী বিভক্তিৰ হে চিন। দ্বিতীয়া বিভক্তিৰ 'ক' হ'লে ঠাকুৰ কৰ্ম কাৰকত থাকিব লাগিব ; কিন্তু এই বাক্যত ঠাকুৰ কৰ্ম কাৰকত নাই। গতিকে এইটো শৌৰ-সেনী ভাষা-ক্ষেত্ৰৰ ষষ্ঠী বিভক্তিৰহে 'ক' হোৱা সম্ভৱ। অৱশ্যে 'বুদ্ধিয়ে ঠাকুৰক পৰিনিবৃত্ত কৰিলে' —এনে অৰ্থ কৰিলে 'এঁ' কৰ্তাৰ প্ৰথমা আৰু 'ক' কৰ্মৰ দ্বিতীয়া বুলি ভাবিব পাৰি। তেতিয়াও শৌৰসেনীৰ দ্বিতীয়া বিভক্তিৰ চিন 'কো' আৰু চৰ্যা



ৰ অসমীয়াৰ 'ক' ৰ মাজত বহুত সাদৃশ্য ৰক্ষা পৰে। 'কুঠাৰেঁ ছিজঅ' [ চৰ্যা ৪৫, কান্‌হপা ]— কুঠাৰৰ দ্বাৰা ছিন্ন অৰ্থত কুঠাৰেঁ বা কুঠাৰে তৃতীয়া বিভক্তিত দিয়া হৈছে; কিন্তু অসমীয়া তৃতীয়া বিভক্তিৰ চিন 'এৰে' বা 'ৰে' টোৰ লগত 'এঁ' বা 'এন' মূলতঃ একে নহয়। কুঠাৰেঁ শব্দত বিভক্তিৰ চিন 'এঁ' বা 'এ' হে আছে।

অসমীয়াৰ সপ্তমী বিভক্তিৰ চিন 'ত' চৰ্যাপদত গুৰুত্বপূৰ্ণ চিন। কিয়নো অসমীয়াৰ বাহিৰে অন্য ভাষাত এই চিন নাই। বঙলা ভাষাত 'তে' আৰু মৰাঠীত 'আঁত' সপ্তমী বিভক্তিত প্ৰয়োগ হ'লেও এই দুয়োটাতকৈ অসমীয়াৰ 'ত' চৰ্যাত অবিকৃতৰূপে দেখা গৈছে; কিন্তু এটা কথা এই প্ৰসঙ্গত মন কৰিবলগীয়া যে— এই 'ত' বিভক্তি থকা চৰ্যাৰ ৰচয়িতাসকল কামৰূপৰ ব্যক্তি নাছিল। শবৰপা, বিৰুপা, দাৰিক পা, ডোম্বীপা, আৰু কম্বলপাৰ চৰ্যাপদত এই 'ত' বিভক্তি পোৱা গৈছে। গতিকে এসময়ত সপ্তমীৰ 'ত' বিভক্তি মগধ অথবা মগধ-ভিন্ন অন্য ঠাইতো হৈছিল। পাছৰ যুগত তাৰ প্ৰয়োগ অন্যান্য ঠাইত নোহোৱা হৈ আহিল বা কিছু পৃথক ৰূপত হ'বলৈ ধৰিলে। বঙলাৰ 'তে' আৰু মৰাঠীৰ 'আঁত'ও সম্ভৱতঃ সেই মূল বিভক্তিৰ পৰাই ওলাইছিল, য'ৰ পৰা চৰ্যা আৰু অসমীয়াতো 'ত' প্ৰয়োগ হৈছিল।

প্ৰাচীন আৰু বৰ্তমান উভয় স্তৰতে ভাৰতৰ অন্য প্ৰাদেশিক ভাষাসমূহৰ লগত সম্পৰ্ক ৰাখি ঐতি-হাসিক পটভূমিত অসমীয়া ভাষা সম্বন্ধে বহল আলোচনা কৰিবলৈ বহুত বাকী আছে। অদূৰ ভৱিষ্যতে এই ক্ষেত্ৰত গৱেষকসকলে নতুন পোহৰ দেখুৱাব বুলি আমি আশা ৰাখিলোঁ। × × ×

Development Of Script in Ancient Kamrupa

এই গ্ৰন্থখন হ'ল স্বনামধন্য পণ্ডিত আনন্দৰাম বৰুৱাৰ ১২৫ বছৰীয়া জন্মোৎসৱ উপলক্ষে অসম সাহিত্য সভাৰ দ্বাৰা আয়োজিত আৰু বাৰাণসী হিন্দু বিশ্ববিদ্যালয়ৰ লিপিতত্ত্ববিদ পণ্ডিত ড° টি, পি, বৰ্মাৰ দ্বাৰা প্ৰদত্ত 'আনন্দৰাম বৰুৱা স্মাৰক বক্তৃতা'। তিনিকুৰি পোন্ধৰ পৃষ্ঠা জোৰা এই দীঘলীয়া আলোচনাটিত পণ্ডিতজনে অসমীয়া লিপিৰ ক্ৰমবিবৰ্তনৰ ধাৰাৰে সৈতে ভাৰতীয় লিপিসমূহৰ অধ্যয়ন এটি পদ্ধতিগতভাৱে আগবঢ়াইছে। ড° সত্যেন্দ্ৰ নাথ শৰ্মাৰ এটি পাতনি সম্বলিত এই গ্ৰন্থই ইতিমধ্যে বহুগৰাকী অনা-অসমীয়া বিশিষ্ট পণ্ডিতৰ দৃষ্টি আকৰ্ষণ কৰিছে। গ্ৰন্থখনৰ মূল্য মাত্ৰ ১০'০০ টকা।

# অসম বুৰঞ্জীৰ সঁফুৰা

(পূৰ্বানুবৰ্তী)

শ্ৰীবেণুধৰ শৰ্মা

বাহুলী ফুকনেৰে যুগুতি হৈ যিজন লালুকশোলা বা বুঢ়াফুকনে গুৱাহাটীখন ফন্দি কৰি মোগলক এৰি দিছিল, সেইজন লালুক বুঢ়াফুকনে লোকলৈ হুল পুতি নিজে নিষ্কণ্টক হবলৈ যাওঁতে কেনেকৈ ফুটি মৰিল, আৰু সেই দেশদ্ৰোহিতাৰ বাবে বৈ-বন্ধুহ-বিলাকো মাধ তামুলী, ভোটাই ডেকাৰ হাতত কেনেকৈ মৰিব লগা হ'ল, তাকো এই বুৰঞ্জীয়ে ভাতৰ লগত পানী খোৱা যেনকৈ থৈছে। বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত সাঁচি থোৱা সাঁচিপতীয়া হাতে লেখা ১৮৭৪ চনৰ আগৰ বুৰঞ্জী পুথি এখনতো গদাপাণিৰ ভাৰ্যা জয়মতীক জেৰেঙা পথাৰত শাস্তি দিয়াৰ কথা পোৱা নাযায়। মাত্ৰ দুখনৰ এখনত আছে, "পূৰ্বে বুঢ়াফুকনৰ (লালুকৰ) ভয়ত বুঢ়া ৰজাক বিচাৰি নাপাই দুইজনা গোহাঁইক নগাচাঙত থৈছিল। গৰ্ভে সহিতে বৰকুঁৱৰীদেও শাস্তিতে মৰিল।" আৰু, আছে যদিও, মাত্ৰ গদাপাণি কোঁৱৰৰ ভাৰ্যা মৰা বুলি চুম্বকৈকেহে লেখা আছে। জয়মতীৰ নাম নাই। সেইদৰে জয়মতীৰ নামে 'জয়সাগৰ' পুখুৰী উৎসৰ্গা কৰা কথাও পোৱা নাই। জয়দ'লৰ নাম ৰবদোলহে। ১৮৭০/৮০ চনৰ পৰা ১৮৮৯/১৯০০ চনৰ ভিতৰত লেখা সোণামুৱাৰ ঘৰৰ হৰকান্ত বৰুৱা সদৰামীনৰ তুলাপতীয়া বুৰঞ্জীত গদাধৰৰ পলায়ন আৰু জয়মতীৰ নিৰ্যাতনৰ কথা কোৱা হৈছে। কিন্তু সিও ১৮৭৪ চনৰ পাছৰ কথা।

"পৰম্পৰ লোকৰ মুখে শ্ৰুত আছে যে নেঙ্গাল কোৰ তপত কৰি পিঠিৰ ওপৰত ধৰাতে ভকুভক্ কৰি উতলে। গাভৰুৱে চিৎকাৰ কৰে। কোঁৱৰ ঐ চিৎকাৰ শুনি অল্প অল্প মতে ক্ৰন্দন কৰে। গাভৰুৱে অনুমানে জানি শাস্তি কৰাতেই চিৎকাৰ কৰি বোলে, কোন পুৰুষ স্ত্ৰীৰ লগত মৰে। অন্তৰ, ই কলৈ গ'ল, মই নাজানো। এবং প্ৰকাৰ পুনৰ পুনৰ শাস্তি কৰোঁতে গাভৰু মৰিল। চিৎকাৰ নাই-কিয়া হল। কোঁৱৰো মৰা হেন জানি দুখে-শোকে ভনতাৰ পৰা অন্তৰ হৈ একোপা খিলা লতাৰ তলতে থাকিল, বিচৰা লোকসকলে মৰা গাভৰুক এৰি সকলোৱে কোঁৱৰ হাবিত আছে বুলি বিচাৰিব ধৰিলে। বিধাতাৰ লিখন কোনে খন্দাব পাৰে! এই খিলা লতাই গদাপাণি কোঁৱৰক আবৃত কৰি ৰাখিলে। বিচৰা লোকসকলে নেপাই গুচি গ'ল। তদুপৰি প্ৰভাত হ'লত কোঁৱৰে পত্ৰৰ ঘৰে যাই দেখে যে গাভৰু মৃত্যু হৈছে।"... "ঐ গদাপাণি কোঁৱৰ বেশৰন কৰি গৈ গড়গাঁৱৰ নাজিৰাৰ সোণামুৱাৰ ঘৰৰ মযুৰ মজুমদাৰ বৰুৱাৰ ঘৰত ওলালত আদি-অন্ত কথা কৈ গোপনে ৰাখিবৰ কথা কোৱাত ৰজাৰ কোঁৱৰ জানি ৰাখিবৰ স্বীকাৰ কৰি গোপনে আপোন ৰবঘৰতে ৰাখিলে। এনেতে ল'ৰা ৰজাদেৱে কোঁৱৰসকলক ধৰি ধৰি আনি কঠোৰ প্ৰাণবধ ও কোনো সকলক চকু কাঢ়ি, নাক-কাণ কাটি অঙ্গক্ষত কৰিলে। গদাপাণিক





বিচাৰি নেপালে। কিন্তু তেওঁক বিচৰাতে থাকিল। নিতান্ত গদাধৰ কোঁৱৰ বিচাৰ হয়, এই কথা প্ৰত্যেক ৰোজ মজুমদাৰ বৰুৱাই কোঁৱৰত কয়; এইদৰে ৬ মাহ মান আছিল। একদিন গদাপাণি কোঁৱৰৰ বুঢ়া মজুমদাৰত ক'লে, মই অনেক দিন তোমাৰ ঘৰত নগৰত আছোঁ, নিতে নিতে মোৰ বিচাৰেই আছে; যদি কেনেবাকৈ জানে মোকো কাটিব, এবং তোমাকো সপৰিবাৰে কাটিব। এতেকে মই ভটীয়াই যাওঁ। বুঢ়া মজুমদাৰে ক'লে, গোঁহাই দেও, মই যোৱা এনে বুলিব নোৱাৰোঁ। আপোনাৰ কনে মোৰ সপৰিবাৰকো ল'ৰা ৰজাই কাটে মাৰে যি কৰে কৰোক। গোঁহাইদেৱে বোলে নহয়, মই যাওঁ, যদি দৈবাৎ মই ৰজা হ'ব পাৰোঁ, মোক গোপনে প্ৰতিপালন কৰি ৰখাৰ ধাৰ শুজিম। এই বুলি ভাঠী যাবৰ মনেৰে গৈ আউনীআটী সত্ৰ সোমাল।"

জয়মতীক লঘু লাঞ্ছনা দি মৰাৰ কাহিনীটো সদৰামীনৰ বুৰঞ্জীত থকাতকৈ ত্ৰুটিমান কথা ওপৰঞ্চিকৈ আছে। তেওঁৰ আগৰ কাশীনাথ তামুলীফুকনৰ বুৰঞ্জীত জয়মতীৰ নামেই নাই, দেহত্যাগ দূৰৈৰ কথা। সেইখনৰে পৰিবৰ্দ্ধিত সংস্কৰণ সদৰামীনৰখন। তাত বহুকথাই সন্নিবিষ্ট আছে। তাৰ ভিতৰত গদাপাণি আৰু জয়মতীক শাস্তি দিয়া ঘটনাটিয়েই অতি করুণ যদিও মনোৰঞ্জক।

পাদশ্যাহ বুৰঞ্জী নামে এখন খণ্ডিত বুৰঞ্জী আছে। সেইখন (আটাইবোৰ নহয় যদিও গকুলপুৰী সন্ন্যাসীয়ে লেখা বুলি উল্লেখ আছে) লেখাৰ সময় সম্ভৱ খৃষ্টীয় সপ্তদশ শতিকাৰ শেষাৰ্দ্ধ ভাগ। অসমৰ লগত মোগলৰ যুদ্ধ-বিগ্ৰহ চলি থাকোঁতেই এই পুথিৰ ঘটনাবিলাক লিপিবদ্ধ কৰা যেন লাগে। মজ্জুৰ খাঁৰ অলপীয়া বিবৰণটোৰ পৰাই এই অনুমান সত্য বুলি ধাৰণা হয়। মীৰজুমলা কোন, ৰামসিংহ কাৰ পুতেক ইত্যাদি কথা অলপ অলপ আছে। দিল্লীৰ পাদশ্যাহসকল থাকে কেনেকৈ, খোৱা-বোৱা কৰে কেনেকৈ, চলা-ফুৰাৰ গতি কেনেকুৱা আৰু ভাটী ফালৰ ৰজা-জমিদাৰবিলাকৰ সামাজিক ধাৰণা কি প্ৰকাৰৰ, ইত্যাদি কথাৰ সম্ভেদ পোৱা যায় এই পুথিৰ পৰা।

দিল্লীলৈ যোৱা অসমৰ কটকীসকলে পাদশ্যাহক স্বৰ্গদেৱ বা বৰুৱা-ফুকনৰ পত্ৰ-সম্ভেদ অৰ্পণ কৰোঁতেই সেই দেশৰ ঐতিহাসিক তথ্য মৌখিকভাৱেই সংগ্ৰহ কৰি আনিছিল। মোগলৰ লগত লেনদেন হোৱাৰ পাছত অসমত থাকি যোৱা কিছুমান মানুহৰ ভিতৰতো পাদশ্যাহ বুৰঞ্জীৰ কোনো কোনো কথা কোৱা-মেলা হৈছিল। সেইবিলাকৰ ভিতৰত মহম্মদ আলি আৰু গকুল পুৰীৰ নামবো উল্লেখ আছে।

গকুল পুৰীৰ পৰিচয় জানিবলগীয়া। পাটচা বুৰঞ্জীখনযে ঘটনাৰ শুকান হাড়-ছাল নহয়; ভাব, আবেগ আৰু ৰাষ্ট্ৰীয় জ্ঞান লাভ কৰিব পৰা সৌৰভবহে কুঁকি, তাৰ নমুনা স্বৰূপ কেইটামান ছেদ ছেগা-চোৰোকাকৈ তুলি দিয়া হ'ল :— "কোৰবিলইতৰ মঙ্গিতপুৰ নগাঁও; আলামঞ্জাৰ মহম্মদ শ্যাহ আছিল। তেওঁৰ বেটা নাই। ফকীৰ-পীৰক আনি মেহমানি কৰি খুৱাই প্ৰাৰ্থনা কৰি সুধিছে, বোলে, মোৰ তিনি শত ঘৰিণী, তথাচো বেটা নহ'ল, তোমালোকে শাস্ত্ৰ চাই মোক কি উপায় দিয়া। ফকীৰ-পীৰে বোলে, আমি এন কি উপায় দিম? মদিনাত সাহজাদা ছেৰ খাঁ আলি থাকে, তাক্ৰি শুনিছোঁ ছদ্ম কৰি ইৰাকী ঘোৰাত চোৱাৰ হৈ নগৰে নগৰে ফুৰে। এই চিনেৰে ফুৰতে যদি নগৰত পোৱা, তেওঁতে প্ৰাৰ্থনা কৰিলে বেটা পাবা। দৈবগতিৰে সেই নগৰত ছেৰখাঁ ব'ল আহি। পাদশ্যাহই শুনি আপনে যাই বিস্তৰ ভক্ষ্য-ভোজ্য দ্ৰব্য দি মান সৎকাৰ কৰিলে। পীৰে

পাদশ্যাত পুছিলে— তই কিনা বৰ ভালে আছ ? সকলো মোৰ সম্পূৰ্ণ, কিন্তু বেটা নাই কাৰণে সুখ নাই। তিনি শত মোৰ ঘৰিণী, তথাচো বেটা নহ'ল। আৰু জন্মে তক্ৰি পৰৰ বেটা কাঢ়ি যি হাৰামখোৰ মহামেলেছত বেচিছ, সি মাৰ খালে। সেই দোষে তোৰ বেটা নাই। এতিয়া এক লাখ সোণৰ মূতি সাজি পুত্ৰ অভিলাষে মক্কাত দান কৰিলে অৱশ্যে বেটা হবো। সেই প্ৰকাৰ কৰিলত বেটা হ'ল, ৰঙ্গদিন নাম থলে। আৰু পিথোৰ ৰাজাৰ পুৰোহিত সাৰ্বভৌমচন্দ্ৰ আছিল। তাক্ৰিকে মাত্তি আনি ৰঙ্গদিন পাদশ্যাই পুছিলে বোলে– এই দিল্লী অনেক দিনৰ। হিন্দুস্থান ৰজাই খাইছিল। মই আছিলোঁ নাকোৰ দেশৰ পাদশ্যা, আৰে পৰা ছয় মাসৰ বাট। খোদাই দিছেহি। তাৰ যি প্ৰকাৰ ৰহিব পাৰি, তোমাৰ সেই প্ৰকাৰ কহিব লাগে। পাশ্চা, মই কি কম ? বেৰস্থানীতি শাস্ত্ৰকে তুমি আপুনি জানা। পৰমেশ্বৰে সবো জাতিকে সজিছে। যি জাতিৰ যি আচাৰ ব্যৱহাৰ ধৰ্ম, পৰমেশ্বৰে সবাৰে একে নকৰিলে। সবাকে পৃথক জাতি, ধৰ্ম যদি সবোৰে ৰক্ষা পৰিল, পৰমেশ্বৰ খোদায়ে তোমাক ৰক্ষা কৰিবো। দিল্লীত স্বচ্ছন্দে ৰহিব পাৰিবা। ছাবাইস্ পণ্ডিত। মোক লাগি যি আহিত তাকে কহিলা, এই বুলি বেটা দিলে আৰু চাৰি হেজাৰ ৰূপ দিলে আৰু বুলিলে, আগেয় যি নিয়মে আছিল এখনো সেই নিয়মে থাকোক।"

পাদশ্যা বুৰঞ্জীত ব্যৱহাৰ কৰা গোটাদিয়েক যাৱনিক শব্দ (যিবোৰ আজি-কালি সকলোৱে বুজি পায়) হ'ল :- জবৰ, গোৰ, খোদা, নিকাহ, তমাম, বিলায়ত, ছাবাছ, হাৰামখোৰ, ফতিহা, বগল, পয়গম্বৰ, চম্ভাল, চাফ্, চিত্তাপ, জ্বৰ, ইত্যাদি। মণিৰাম বৰভাণ্ডাৰ বৰুৱাৰ 'বুৰঞ্জী-বিবেক ৰত্ন'তো ভালেমান যাৱনিক শব্দ ব্যৱহৃত হৈছে। ××× 


## ঃ বেজবৰুৱাৰ দিনলেখা ঃ

**সঙ্কলয়িতা-সম্পাদক ঃ ড° মহেশ্বৰ নেওগ**

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ডায়েৰিসমূহ অসম সাহিত্য সভাই দুটা খণ্ডত প্ৰকাশ কৰিছে। "এই দিনলেখাবোৰ বেজবৰুৱাৰ জীৱনৰ এখন ডাঙৰ দলিল—ব্যৱসায়ী জীৱনৰ যেনেকৈ, মানৱীয় জীৱনৰো তেনেকৈ।" প্ৰথম খণ্ডত (১৮৯৫ চনৰ পৰা ১৯০৩ চনলৈ) তদানীন্তন কলিকতাৰ সামাজিক জীৱন, ব্যৱসায়িক জীৱন অনেকৰে সম্ভেদ পোৱাৰ উপৰি সেই জীৱনৰ পটভূমিত বেজবৰুৱাৰ জীৱনৰ চিত্ৰ ইবোৰে দাঙি ধৰিছে। দ্বিতীয় খণ্ডই (১৯০৪ চনৰ পৰা ১৯৩৮ চনলৈ) অসমীয়া ভাষা-সাহিত্যৰ এই ক্লান্তিকৰী পুৰুষজনৰ জীৱনৰ শেষ ভাগৰ সংবাদ বহন কৰিছে। দুয়োটা খণ্ডই অসমীয়া ভাষা-সাহিত্য আৰু জাতীয় জীৱনৰ অধ্যয়ন-অধ্যাপনা, চৰ্চা-গৱেষণা কৰাসকলক অনেক নজনা কথাৰ সম্ভেদ দিব।

মূল্য— প্ৰথম খণ্ড ৪'০০

দ্বিতীয় খণ্ড ১০'০০


# প্ৰাগৈতিহাসিক যুগৰ ভাৰতীয় চিত্ৰকলা

ড° বিপিনপদ চৌধুৰী

শিল্প হ'ল সভ্যতাৰ বিবৰ্তন-ইতিহাসৰ শাশ্বত স্বাক্ষৰ। সভ্যতা-বিবৰ্তনৰ আদি কালৰ পৰা পাহাৰ, পৰ্বত আৰু মৰুভূমিত শিল্পৰ সৃষ্টি-প্ৰচেষ্টাৰ কাহিনী নানা দেশত নানা ৰূপত ৰূপায়িত। ভাৰতবৰ্ষৰ ইতিহাসত ভাৰতীয় সভ্যতাৰ আদি কাল বা প্ৰস্তৰ যুগৰ পৰা লাহে লাহে শিল্প-কলা বিকশিত হ'বলৈ ধৰে।

পৃথিৱীৰ অন্যান্য দেশৰ নিচিনাকৈ ভাৰততো প্ৰস্তৰ যুগৰ মানুহে শিলৰ অস্ত্ৰ-শস্ত্ৰ আৰু আন সঁজুলি নিৰ্মাণ কৰিছিল। পুৰোপলীয় যুগত (Paleolithic age) মানুহে শিলৰ অস্ত্ৰেৰে জীৱ-জন্তু চিকাৰ আৰু বনৰ ফল-মূল সংগ্ৰহ কৰি জীৱন ধাৰণ কৰিছিল। মধ্যোপলীয় যুগত (Mesolithic age) ক্ষুদ্ৰ আকাৰৰ শিলৰ অস্ত্ৰ নিৰ্মাণ কৰিছিল। ব্যৱহাৰৰ সুবিধাৰ্থে সেইবোৰ কাঠ বা বাঁহৰ টুকুৰাত খুৱাই লৈছিল। এই শিলৰ টুকুৰাবোৰ তীক্ষ্ণ আৰু সাধাৰণতে ত্ৰিভুজ বা অৰ্দ্ধচন্দ্ৰাকৃতিৰ। নৱোপলীয় যুগত (Neolithic age) মানুহে শিলৰ অস্ত্ৰবোৰ ঘঁহি ঘঁহি বিভিন্ন আকৃতিৰ গঢ় দিয়ে আৰু মিহি কৰি তীক্ষ্ণ আৰু অধিকতৰ উপযোগী কৰি লয়। নৱোপলীয় যুগৰ পৰা মানুহে খেতি আৰু পশু পালন কৰিবলৈ আৰম্ভ কৰে। সভ্যতা-বিবৰ্তনৰ ইতিহাসত এই যুগটো এটা উল্লেখযোগ্য পদক্ষেপ। প্ৰস্তৰ যুগৰ পাছত লাহে লাহে ধাতুৰ প্ৰচলন হোৱাত সভ্যতাৰ গতিবেগ দ্ৰুতভাৱে পৰিৱৰ্তিত হ'বলৈ ধৰে।

প্ৰস্তৰ যুগত মানুহে নদীৰ ওচৰত নাইবা গভীৰ অৰণ্যত বাস কৰিছিল। পৰৱৰ্তী কালত শৈলাশ্ৰয় নাইবা পৰ্বতৰ গুহাত আশ্ৰয় লয়। যুগ-পৰিৱৰ্তনৰ লগে লগে মানুহৰ ৰুচি আৰু শিল্পবোধৰ দ্ৰুত পৰিৱৰ্তন হয়। শৈলাশ্ৰয় বা গুহাৰ বেৰত সিহঁতৰ জীৱন-যাত্ৰাৰ প্ৰণালী আৰু বিভিন্ন চিন্তাৰ ৰূপ গভীৰ আৱেগ আৰু ঐকান্তিকতাৰ সৈতে চিত্ৰিত কৰে। মাটিৰ পুতলা, খেলনা আৰু নিত্য ব্যৱহাৰ্য মৃৎ-পাত্ৰ তৈয়াৰ কৰিবলৈ ধৰে। গুহা-চিত্ৰ, মৃৎ-পাত্ৰ আৰু পোৰা মাটিৰ মূৰ্তি, খেলনা এইবোৰ ভাৰতীয় শিল্পৰ প্ৰাচীনতম নিদৰ্শন। আদিম গুহা আৰু শৈলাশ্ৰয়ত ভাৰতৰ প্ৰাচীনতম চিত্ৰ পোৱা যায়। এইবোৰ চিত্ৰ বনৰীয়া জীৱ-জন্তুৰ লগত মানুহৰ সংগ্ৰাম ৰূপায়ণ কৰি অঁকা মূলতঃ চিকাৰৰ দৃশ্য।

ভাৰতৰ বহু ঠাইত গুহা-চিত্ৰৰ সন্ধান পোৱা গৈছে। সেইবোৰৰ ভিতৰত উত্তৰ প্ৰদেশৰ মিৰ্জাপুৰ জিলাৰ কাইমুৰ পাহাৰ, বান্দা জিলাৰ মাণিকপুৰ আৰু মধ্য প্ৰদেশৰ পাঁচমাৰী নগৰৰ কাষৰ মহাদেও পৰ্বত, পান্না জিলাৰ বৃজপুৰৰ কাষৰ বৃহস্পতিকুণ্ড নামৰ গুহা, ৰায়গড় নগৰৰ পৰা দহ মাইল দক্ষিণ-পূবে সিংহপুৰ গাঁৱৰ কাষত, কাবৰা পাহাৰ, হোসঙ্গাবাদ

আৰু দাক্ষিণাত্যৰ বেল্লাড়ী, বাঙ্গালোৰ, ঘাটশিলা আদি ঠাইৰ গুহা-চিত্ৰবোৰ বিশেষ প্ৰসিদ্ধ ।

মহাদেও পৰ্বতত প্ৰায় ৫০ টা চিত্ৰ সম্বলিত গুহা আবিষ্কৃত হৈছে । এই গুহা-চিত্ৰবোৰৰ পৰা সেই সময়ৰ মানুহৰ প্ৰকৃতি আৰু জীৱন-যাত্ৰাৰ ধাৰা অনুমান কৰিব পাৰি । গুহা-চিত্ৰবোৰৰ বেছি অংশ চিকাৰ আৰু যুদ্ধ-সংক্ৰান্ত । শিলৰ অস্ত্ৰৰ জৰিয়তে বনৰীয়া জীৱ-জন্তুৰ চিকাৰ, আৰু তাৰ প্ৰস্তুতি হিচাপে জন্তু ঠিক কৰাৰ, চিকাৰৰ সময়ত মানুহ আৰু পশুৰ মাজত ঘটা যুদ্ধ, চিকাৰত আহত হোৱা জন্তু আৰু চিকাৰৰ শেষত চিকাৰীসকলৰ উল্লাস-ভৰা নৃত্য ইত্যাদি এই চিত্ৰসমূহত ৰূপায়িত হৈছে । কিছুমান গুহাত মৌ সংগ্ৰহৰ আৰু যুদ্ধ-যাত্ৰাৰ চিত্ৰও পোৱা যায় । জীৱ-জন্তুৰ ভিতৰত অৰণ্যে সাপৰ চিত্ৰ পোৱা নাযায় । বৃজপুৰৰ বৃহস্পতিকুণ্ড নামৰ গুহাত থকা জিৰাফৰ চিত্ৰ বিশেষ উল্লেখযোগ্য ।

ভূপালৰ পৰা ২৬ মাইল দক্ষিণে বিন্ধ্য পৰ্বতত ভীমবেট্‌কা ( Bhimbetka ) নামৰ ঠাইত বিক্ৰম বিশ্ববিদ্যালয়ে ছয় শৰো ওপৰ শৈলাশ্ৰয় আৰু তাৰে পাঁচ শ শৈলাশ্ৰয়ত অতি উল্লেখযোগ্য গুহা-চিত্ৰ কিছুমান আবিষ্কাৰ কৰিছে । এই চিত্ৰবোৰত ৰঙা, বগা আৰু সেউজীয়া ৰঙৰ ব্যৱহাৰ দেখা যায় ।

প্ৰাগৈতিহাসিক চিত্ৰৰ বিষয়-বস্তু হ'ল চিকাৰৰ দৃশ্য, জীৱ-জন্তুৰ চিত্ৰ, যুদ্ধৰ দৃশ্য ইত্যাদি । জন্তুৰ ভিতৰত সাধাৰণতে পোৱা যায় হাতী, ম'হ, ছাগলী, হৰিণ, ঘোঁৰা, গঁড়, বান্দৰ আদিৰ চিত্ৰ । তেওঁলোকে সহজে দেখা পোৱা জন্তুবোৰৰ চিত্ৰহে অঙ্কন কৰিছিল ।

গুহা-চিত্ৰবোৰ বিশেষভাৱে লক্ষ্য কৰিলে সেইবোৰৰ অঙ্কন-পদ্ধতিৰ বৈচিত্ৰ্য সহজে দৃষ্টিগোচৰ হয় । এই চিত্ৰসমূহ গুড়ি ৰঙৰ লগত জন্তুৰ চৰ্বি মিহলাই অ'কা । ছবি অ'াকিবলৈ গছৰ অ'াহৰ পৰা তুলি ( Brush ) প্ৰস্তুত কৰি লৈছিল । গছৰ অ'াহৰ পৰা তুলি প্ৰস্তুত কৰা পদ্ধতি বৰ্তমানেও সিংহলত প্ৰচলিত । সাধাৰণতে চিত্ৰত ৰঙা, ক'লা, খয়েৰী আৰু গেৰুৱা মাটিৰ ৰং ব্যৱহাৰ কৰিছিল ।

প্ৰাগৈতিহাসিক চিত্ৰসমূহ আমি চাৰিটা শ্ৰেণীত ভাগ কৰিব পাৰোঁ । প্ৰথম শ্ৰেণী চাৰি চুকীয়া পদ্ধতিত অঙ্কন কৰা মানুহ আৰু পশুৰ চিত্ৰ । মানুহৰ শৰীৰ এটা চতুৰ্ভুজ ৰূপত অ'াকি তাত একা-বেঁকা ৰেখাৰ দ্বাৰা যাৱতীয় অঙ্গ-প্ৰত্যঙ্গৰ স্থান পূৰণ কৰে । শৰীৰৰ তুলনাত অতি সৰু ত্ৰিভুজাকৃতিৰ মূৰ অঙ্কন কৰে । মহাদেও পৰ্বতৰ গুহাত এনেকুৱা প্ৰথম শ্ৰেণীৰ চিত্ৰ দেখা যায় । দ্বিতীয় শ্ৰেণীৰ চিত্ৰ সেইটো পৰ্বতৰে জম্বুদ্বীপ নামৰ আন এটা গুহাত বাঁহ গছৰ নিচিনা দীঘলকৈ অ'কা মানুহৰ চিত্ৰ দেখা পোৱা যায় । ১৯৩২ চনত ডি, এইচ, গৰ্ডন এইবোৰ চিত্ৰৰ প্ৰথম আবিষ্কাৰক ।

তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ চিত্ৰত মানুহ আৰু পশুৰ মূৰ্তি অঙ্কনৰ প্ৰচেষ্টা আৰম্ভ কৰে । সিংহনপুৰ, কাবৰা আৰু কাইমূৰ আদি গুহাৰ চিকাৰ-সংক্ৰান্ত চিত্ৰাৱলীত এই ধাৰা লক্ষ্য কৰা যায় । ৰেখাৰ বলিষ্ঠতা, স্বচ্ছন্দ গতি আৰু উজ্জ্বল ৰং এই চিত্ৰসমূহৰ বৈশিষ্ট্য । বিষয়-বস্তু হিচাপে এইবোৰ চিত্ৰত আদিম চিকাৰৰ পৰিবৰ্তে সঙ্ঘবদ্ধ আৰু সুসজ্জিত অশ্বাৰোহী সৈন্যদল ৰূপায়িত হৈছে । এইবোৰে নিঃসন্দেহে এই সময়ৰ সমাজ-বিৱৰ্তনৰ সুস্পষ্ট ইঙ্গিত দিয়ে । স্পেইনৰ গুহা-চিত্ৰবোৰৰ নিচিনা ইয়াতো ৰঙৰ জৰিয়তে দূৰত্ব আৰু ঘনত্বৰ আভাস দিয়া হৈছে ।

প্ৰাগৈতিহাসিক যুগৰ কৌতূহলজনক চিত্ৰ কাইমূৰ



পৰ্বতমালাৰ শৈলাশ্ৰয়বোৰত আবিষ্কৃত হৈছে । মিৰ্জাপুৰ জিলাৰ ভালহৰীয়াত হৰিণ-চিকাৰৰ এটা দৃশ্যত যাঠী-জোং, শূল আদি অস্ত্ৰ যুঁজত ব্যৱহাৰ কৰা দেখুওৱা হৈছে । সোণ উপত্যকাৰ লিখুনিয়া পাহাৰৰ শৈলাশ্ৰয়ত আন এটা হৰিণ-চিকাৰৰ দৃশ্য ৰূপায়িত হৈছে । এই সকলোবোৰ ক্ষেত্ৰতে শিলৰ জোং আদি টিঙিৰি অস্ত্ৰ ব্যৱহাৰ কৰা গুহাবাসী মানুহৰ চিত্ৰ অঙ্কিত হোৱা দেখা যায় । ঘৰমঙ্গাৰ গুহাত গঁড়-চিকাৰৰ এটি কৌতূহলজনক চিত্ৰ আছে : ছজন মানুহৰ দল এটাই জন্তুটো আক্ৰমণ কৰি থকা দেখুৱাইছে । দৃশ্যটো অতি জীৱন্ত । ইয়াত গঁড়টোৱে যুঁজ দি আছে আৰু তালৈ নিক্ষেপ কৰা জোং আৰু খোচলৈ অকণো ভ্ৰূক্ষেপ কৰা নাই । এনেকুৱা গঁড়-চিকাৰৰ দৃশ্য হাৰিপ হাৰ্ণা গুহা আৰু আন ঠাইতো পোৱা যায় । বিন্ধ্য অঞ্চলৰ সৰাত, কুৰিয়াকুণ্ড আৰু কাৰপাতিয়াত থকা চিকাৰৰ দৃশ্যসমূহত ৰঙা ৰঙৰ প্ৰয়োগ দেখা যায় ।

মহাদেৱ পাহাৰৰ পাঁচমাড়া আৰু হোসঙ্গাবাদত বহুকেইটা শৈলাশ্ৰয় আছে । সেইবোৰ শৈলাশ্ৰয়ত চিকাৰৰ দৃশ্য আৰু গাঁৱলীয়া জীৱন বৰ্ণনা কৰি অঁকা চিত্ৰ আছে । এইবোৰ দৃশ্যৰ উপৰিও 'মণ্টেৰোজা'ৰ শৈলাশ্ৰয়ত দুটা বনৰীয়া জন্তুৰ পৰাভৱ আৰু পাঁচমাড়ীত থকা উজনিৰ 'ডৰথি দ্বীপ' নামৰ শৈলাশ্ৰয়ত এটা বান্দৰে বাঁহী বজাই থকা দৃশ্য বৰ আমোদজনক ।

দাক্ষিণাত্যৰ বেল্লাড়ী জিলাত থকা কাপ্‌গাল্লুত এই ধৰণৰ চিত্ৰকলা পোৱা গৈছে । তাত মেঠোনৰ যুঁজ বৰ্ণোৱা চিকাৰৰ দৃশ্যৰ বাহিৰেও হাতী, চৰাই তথা কুঁজা পিঠিৰ, শিং থকা বলদ গৰুৰ চিত্ৰও আছে ।

মালৱাৰৰ বীনাদত থকা এদাকল গুহাত মানুহ আৰু জীৱ-জন্তুৰ ৰীতিগত গঠন-চিত্ৰৰ উপৰিও কেইবাটাও সাধাৰণ শ্ৰেণীৰ খোদাই ভাস্কৰ্য আছে । ইয়াত কিছুমান প্ৰাচীন আৰু মধ্য যুগৰ অভিলেখ আছে । ভাস্কৰ্যবোৰ অভিলেখসমূহতকৈ পুৰণি ।

সিঙ্গানপুৰৰ গুহা-চিত্ৰত ৰঙা ৰং মুকলিভাৱে ব্যৱহাৰ কৰা দেখা যায় । এটা দৃশ্যত মেঠোন-চিকাৰ চিত্ৰিত; তাত মানুহৰ দেহাকৃতি ৰীতিগত । কিছুমান চিত্ৰত দেখা যায় দেহাকৃতিৰ আগ ভাগ প্ৰায় জখলাৰ খোপবোৰৰ নিচিনাকৈ অ'কা; আকৌ কিছুমানত দেহাকৃতি চেপেটা ছাঁৰ ৰূপত অ'কা; মূৰটো দেহৰ বিভিন্ন অঙ্গৰ তুলনাত ডাঙৰ, হাত আৰু ভৰি প্ৰায়েই সৰল বা বেঁকা ৰেখা একোডাল হৈ ওলাই থকা । জীৱ-জন্তুৰ চিত্ৰৰ ভিতৰত এটা ভুকি থকা কুকুৰৰ চিত্ৰ বৰ সুন্দৰ । এই চিত্ৰত কুকুৰটোৱে নেজডাল পোনাই দৌৰি থকা আৰু ঠেং কেইখনত দৌৰা-গতিৰ দ্ৰুততা দেখুৱাইছে । অধিক সংখ্যক মানুহৰ দেহাকৃতিৰ ৰীতিগত গঠনৰ লগত ইয়াত বৈসাদৃশ্য বৰ্তমান ।

জীৱন-যুদ্ধত পোৱা ঘাত-প্ৰতিঘাতৰ অভিজ্ঞতাৰ ফলত সভ্যতাৰ দোক-মোকালিৰ পৰা মানুহে জানিব পাৰিছিল যে মানুহৰ চেষ্টা আৰু ইচ্ছা সকলো সময়ত সাৰ্থক নহয় । মানুহৰ শক্তি য'ত সীমাবদ্ধ, তাত আন এটা বেছি ক্ষমতাশালী শক্তি বৰ্তমান । এই শক্তি লাভ কৰিবলৈ প্ৰস্তৰ যুগৰ পৰা মানুহে নানা প্ৰকাৰ যাদুক্ৰিয়াৰ আশ্ৰয় লয় । যাদুক্ৰিয়াৰ বাবে একালে যেনেকৈ গুহা আদিৰ গাত চিত্ৰ অঙ্কন কৰে, তেনেকৈ পশুৰ মুখবিশিষ্ট নানা প্ৰকাৰৰ মাটি বা পোৰা মাটিৰ মূৰ্তিও নিৰ্মাণ কৰিবলৈ ধৰে । এনেকুৱা মূৰ্তি ভাৰতৰ বিভিন্ন ঠাইত পোৱা গৈছে । ইয়াৰ উপৰিও নানান আকাৰ আৰু গঠনৰ মৃৎ-পাত্ৰ তৈয়াৰ কৰিবলৈ ধৰে । সেইবোৰ বিভিন্ন ঠাইত খনন কৰোঁতে পোৱা যায় । ×××

# প্ৰকৃত দেশদ্ৰোহী কোন ঃ এটি সমালোচনা

( পূৰ্বানুবৰ্তী )

ডঃ লক্ষ্মী দেৱী

বৈকুণ্ঠনাথ দেৱৰ হত্যাৰ পাছত তেওঁৰ ভায়েক চতুৰ্ভুজ ঠাকুৰ মোৱামৰাৰ মহন্ত হয়। ইফালে ১৬১৭ শকত ( ১৬৯৬ খৃঃ ) গদাধৰসিংহৰ মৃত্যু হোৱাত তেওঁৰ বৰ পুতেক ৰুদ্ৰসিংহ সিংহাসনত বহে। শ্ৰীঠাকুৰীয়াৰ মতে ৰুদ্ৰসিংহয়ো কোনোবা কাল্পনিক ষড়যন্ত্ৰকাৰীৰ প্ৰৰোচনাত ব্ৰাহ্মণসকলে শূদ্ৰ মেধি বোৰক (মহন্ত) • সেৱা কৰাটো নিষেধ কৰি দিয়ে। বুৰঞ্জীয়ে কিন্তু শ্ৰীঠাকুৰীয়াৰ বিপক্ষেহে সাক্ষী দিয়ে। বুৰঞ্জী মতে ১৬২৪ শকৰ জেঠ মাহত (১৭০২ খৃঃ, মে'+জুন) স্বৰ্গদেৱ ৰুদ্ৰসিংহই বিচাৰ কৰিলে— শাস্ত্ৰ মতে শূদ্ৰই ব্ৰাহ্মণক শৰণ লগাব পায়নে নাপায়। অন্য শূদ্ৰ মেধিয়ে একো নামাতিলে, মাথোন মোৱামৰাৰ চতুৰ্ভুজ ঠাকুৰকে ধৰি পাঁচজনে ক'লে যে তেওঁলোকে ৰজাক 'শূদ্ৰই ব্ৰাহ্মণক যে শৰণ লগাব পায়' এই কথা শাস্ত্ৰ আনি দেখুৱাই দিব। স্বৰ্গদেৱে তেতিয়া গড়গাঁৱত এখন ধৰ্মসভা পাতি পণ্ডিত সকলক মাতি আনি পুথি-পাঁজি দ'ম কৰি এই বিষয়ে আলোচনা কৰাত উক্ত পাঁচ মেধিয়ে (বা মহন্তই) তেওঁলোকৰ মত সমৰ্থন কৰা কোনো শাস্ত্ৰীয় বচন দেখুৱাব নোৱাৰিলে। ৰজাই এই মেধি কেইজনক তেতিয়া হত্যা কৰিব খুজিলে। পাছত ফুকন আৰু বৰুৱাসকলৰ অনুৰোধত ৰজাই তেওঁলোকক ক্ষমা কৰিলে। তথাপি মিছা কথা কোৱা বাবে ৰজাই তেওঁলোকক অপমান দিবৰ মনেৰে পাঁচটা মাটিৰ কলহ চূণেৰে আঁকি পঙ্ক-মেধিৰ ডিঙিত আঁৰি দিহাদিহি পঠিয়ালে। চতুৰ্ভুজ ঠাকুৰক মোৱামৰাত থোৱা হ'ল। লগতে স্বৰ্গদেৱে আদেশ দিলে যে আগলৈ কোনো শূদ্ৰ মেধিয়ে ব্ৰাহ্মণক সত্ৰত ঠাই নিদিব। ১৬২৫ শকৰ আহিনত ৰজাৰ গুপ্তচৰে মোৱামৰাত দুজন বামুণ দেখা পাই ৰজাৰ ওচৰত গোচৰ দিয়াত ৰজাই চতুৰ্ভুজ মহন্তক ধৰি আনি ৰাজ-চ'ৰাতে দেখাদেখিকৈ শাস্তি বিহে আৰু ব্ৰাহ্মণ দুজনৰো কাণ আৰু নাক কাটি দিয়া হয়। যিসকল ব্ৰাহ্মণ পূৰ্বে শূদ্ৰ মহন্তৰ শিষ্য আছিল, তেওঁলোকক পুনৰ ব্ৰাহ্মণ-গোসাঁইৰ শিষ্য কৰা হয় ( Tungkhungia Buranji, O. U. P. Pp. 32—34 )। ইয়াৰ পৰা এইটো প্ৰমাণ হ'ল যে ৰাজ-আদেশ অমান্য কৰিলে ব্ৰাহ্মণেও শাস্তিৰ হাত সাৰিব নোৱাৰিছিল। এনে অৱস্থাত আহোম ৰজাসকলৰ ভিতৰতে সবাতোকৈ গুণী, জ্ঞানী আৰু সুশিক্ষিত ৰুদ্ৰসিংহ স্বৰ্গদেৱে "কেইজনমান ধূৰ্ত, স্বাৰ্থপৰ, বৈষ্ণৱ-বিদ্বেষী শাক্ত ব্ৰাহ্মণৰ" প্ৰৰোচনাত গুৰুতৰ বিষয়ত সিদ্ধান্ত গ্ৰহণ কৰিছিল বুলি শ্ৰীঠাকুৰীয়াই কিহৰ ওপৰত ভিত্তি কৰি ক'ব খোজে ? বৰং ৰজা হিচাপে তেওঁ প্ৰাচীন কালৰে পৰা হিন্দু সমাজত চলি অহা নিয়ম

• বুৰঞ্জীত মেধি বুলি লেখা আছে। কিন্তু প্ৰকৃততে হ'ব লাগিছিল মহন্তহে। কাৰণ মেধিসকল সত্ৰৰ মহন্ত বা গোসাঁয়ে নিয়োগ কৰা শিষ্যৰ পৰা কৰ তোলা বিষয়াহে আছিল ( চন্দ্ৰকান্ত অভিধান, দ্বিতীয় সংস্কৰণ, পৃঃ ৭৬৭ )।



অনুসৰি উপযুক্ত ব্যৱস্থা লৈছিল বুলিয়েই ক'ব পাৰি। কাৰণ শাসক হিচাপে তেওঁৰ দায়িত্ব আছিল গধুৰ।

সেই একেদৰে, শ্ৰীঠাকুৰীয়াই অভিযোগ কৰামতে কৃষ্ণৰাম ভট্টাচাৰ্য ন্যায়বাগীশক ৰুদ্ৰসিংহ স্বৰ্গদেৱে কোনোবা ষড়যন্ত্ৰকাৰীৰ প্ৰৰোচনাত মাতি পঠাইছিল বুলি লেখা কথাষাৰৰো কোনো ঐতিহাসিক সত্যতা নাই। কাৰণ যিজন ৰজাৰ বঙ্গদেশৰ লগত ইমান ঘনিষ্ঠ সাংস্কৃতিক যোগাযোগ আছিল, সেইজন ৰজাই আনৰ প্ৰৰোচনাত কৃষ্ণৰাম ভট্টাচাৰ্যক অসমলৈ মাতি আনিছিল বুলি কোৱা কথাষাৰ কোনোমতেই বিশ্বাসযোগ্য নহয়। বুৰঞ্জীমতে ৰুদ্ৰসিংহই বহুতো ব্ৰাহ্মণৰ ল'ৰাক বঙ্গদেশৰ ডাঙৰ ডাঙৰ শিক্ষানুষ্ঠান বোৰলৈ পঢ়িবৰ বাবে পঠাইছিল আৰু বঙ্গদেশৰ পৰা বহুতো বেলেগ বেলেগ শিল্পৰ নিপুণ কাৰিকৰ আনি অসমত পাতিছিল। এনে এজন উচ্চমনা, প্ৰগতিবাদী আৰু শিক্ষাৰ মোল বুজা ৰজাই আনৰ প্ৰৰোচনাত কৃষ্ণৰাম ভট্টাচাৰ্যক অসমলৈ মাতি আনিবলৈ যাবনে ? আচল কথা, তেওঁৰ আত্মাভিমানে তেওঁৰ প্ৰজাক নিজ দেশৰ গোসাঁইৰ ওচৰত শৰণ লবলৈ বাধা দিয়া বাবেহে তেওঁ বঙ্গদেশৰ পৰা কৃষ্ণৰাম ভট্টাচাৰ্যক অসমলৈ অনাইছিল। এই ক্ষেত্ৰত তেওঁ প্ৰাচীন ভাৰতৰ হিন্দু ৰজাসকলৰ আদৰ্শকেই অনুসৰণ কৰিছিল। প্ৰাচীন কালৰে পৰা ভাৰতীয় সমাজত বিদগ্ধ সংস্কৃত পণ্ডিতসকলে এক বিশিষ্ট স্থান অধিকাৰ কৰি আহিছিল। তেওঁলোক সমূহ ভাৰতীয় ৰজা-প্ৰজাৰ শ্ৰদ্ধাৰ পাত্ৰ আছিল, তেওঁলোক আছিল সৰ্বভাৰতীয়। আধুনিক যুগৰ দৃষ্টি-ভঙ্গীৰে তেওঁলোক কোনো এক বিশেষ অঞ্চলৰ লোক বুলি ভবা হোৱা নাছিল।

বিশেষ কাৰণত ৰুদ্ৰসিংহৰ কৃষ্ণৰামৰ ওচৰত দীক্ষা লোৱা নহ'ল। তেওঁৰ মৃত্যুৰ পাছত তেওঁৰ বৰপুতেক শিৱসিংহইহে পিতৃৰ নিৰ্দেশক্ৰমে কৃষ্ণৰাম ন্যায়বাগীশৰ ওচৰত শাক্তধৰ্মত দীক্ষা লয়। শ্ৰীঠাকুৰীয়াৰ মতে "তেতিয়াই ষড়যন্ত্ৰকাৰীইতৰ এদনীয়া ৰাজত্ব আৰম্ভ হ'ল। তাতে শিৱসিংহ আছিল দুৰ্বল, ভীৰু আৰু কামুক প্ৰকৃতিৰ লোক। ৰজাৰ সেই কামুকতাৰ সুবিধাকে লৈ ষড়যন্ত্ৰকাৰীবোৰে চিনাতলীৰ নটৰ জীয়ৰী ফুলমতী নাচনীৰ লগত শিৱসিংহৰ সংযোগ ঘটাই দিলে। ফুলমতী আছিল ৰূপে-গুণে অতুলনীয়া।" কিন্তু ডঃ সূৰ্যকুমাৰ ভূঞাদেৱে 'An Assamese Nurjahan' নামৰ ৰাণী ফুলেশ্বৰীৰ বিষয়ে লেখা পুথিখনিত ফুলেশ্বৰীৰ বাল্যকাল আৰু শিৱসিংহৰ লগত তেওঁৰ কেনেকৈ বিয়া হৈছিল ইত্যাদি বিষয়ে যি দুটা কাহিনী সন্নিবেশ কৰিছে, তাত কোনো ষড়যন্ত্ৰৰ নাম-গোন্ধ নাই। ইয়াৰে প্ৰথমটো কাহিনীমতে শিৱসিংহৰ বৰবৰুৱা ৰূপচন্দ্ৰই ফুলমতী আৰু তেওঁৰ ভনীয়েক দ্ৰৌপদীক এদিনাখন পথাৰত গৰু চৰাই থাকোঁতে এজাক ল'ৰা-ছোৱালীৰ মাজত দেখি ছোৱালী দুজনীৰ ক্ষিপ্ৰতা আৰু সৌন্দৰ্যত মুগ্ধ হৈ ফুলৰ পৰা তেওঁলোকৰ আঁতি-গুৰি জানি লৈ উভতি আহোঁতে ছোৱালী দুজনীক লগত লৈ আহে আৰু শিৱসিংহৰ প্ৰধান মহিষী বৰকাঁৱৰীক লিগিৰী হিচাপে উপহাৰ দিয়ে। • ফুলমতী বৰ বুদ্ধিমতী ছোৱালী আছিল। ডাঙৰ হৈ তেওঁ ৰজা আৰু ৰাজ-সভাৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰিবলৈ ধৰাত ৰাণী বৰকাঁৱৰীয়ে তেওঁক এখন দূৰ গাঁৱলৈ পঠিয়াই দি তাতে এজন ৰজাঘৰীয়া বিষয়াৰ তত্ত্বাৱধানত ৰখাৰ দিহা কৰে। কিন্তু সেই বিষয়াজনে ৰজা শিৱসিংহ ফুলমতীৰ

• ফুলমতী চিনাতলীয়া নট এজনৰ জীয়ৰী আছিল। কাৰেঙলৈ অহাৰ আগতে তেওঁ বৰদোলৰ নাচনী আছিল।

প্ৰতি আকৃষ্ট হোৱা কথাটো গম পাই ৰাণী ৰত্নকান্তিৰ এই গোপন কাৰ্যত বিপদৰ আশঙ্কা কৰি ৰজাক সকলো কথা কৈ দিলে। তেতিয়া ৰজাই বহুত মানুহ-দুনুহ পঠিয়াই ফুলমতীক দোলাত তুলি কাৰেঙলৈ লৈ গ'ল। ইয়াৰ পাছত নিজৰ বুদ্ধিৰ বলত ফুলমতীয়ে ফুলেশ্বৰী নাম লৈ শিৱসিংহৰ প্ৰধান মহিষী হৈছিল (A. N. pp. 23-23)। দ্বিতীয়টো কাহিনী মতে, ফুলমতী শিৱসিংহৰ মাহীমাকৰ লিগিৰী আছিল। শিৱসিংহৰ সৰুতে মাক ঢুকুৱাত মাহীমাকে তেওঁক ডাঙৰ কৰিছিল। ফুলমতীৰ সৌন্দৰ্যত শিৱসিংহ মুগ্ধ হোৱা বুলি জনাজাত হোৱাত মাহীমাকে বৰ ভাল নাপালে আৰু সেই কাৰণে তেওঁক ৰজাৰ সন্মুখৰ পৰা আঁতৰ কৰিলে। ৰজাই যদিও মনত খুব দুখ পালে, তথাপি মাহীমাকৰ আগত তেওঁ মুখ ফুটাই একো কব নোৱাৰিলে। কিন্তু মাহীমাকৰ মৃত্যুৰ পাছত তেওঁ মানুহ পঠিয়াই ফুলমতীক কাৰেঙলৈ আনি বিয়া কৰাই প্ৰথমতে দ্বিতীয়া মহিষী আৰু পাছত ফুলেশ্বৰী নাম দি প্ৰধান মহিষী পাতে (A. N. p. 27)। প্ৰধান মহিষী হোৱাৰ পাছৰ পৰা ফুলেশ্বৰীৰ জীৱনী সম্পৰ্কে বুৰঞ্জীবোৰ সাধাৰণতে একমত। এই দুটা কাহিনীৰ এটায়ো ষড়যন্ত্ৰকাৰীৰ প্ৰৰোচনাত শিৱসিংহৰ লগত ফুলমতীৰ বিয়া হোৱা কথা সমৰ্থন নকৰে। তেনেহ'লে এই ষড়যন্ত্ৰও নিশ্চয় শ্ৰীঠাকুৰীয়াৰ কল্পনা হ'ব লাগিব। কাৰণ ইয়াৰ প্ৰমাণ হিচাপে তেখেতে কোনো বুৰঞ্জীৰ উদ্ধৃতি দিব পৰা নাই। দুয়োটা কাহিনীমতে, কপহী ফুলমতীৰ প্ৰতি শিৱসিংহ নিজে আকৃষ্ট হৈ বিয়া কৰাইছিল।

সিংহাসনত উঠাৰ আঠ বছৰৰ পাছত ১৭২২ খৃঃত হিন্দু আৰু আহোম জ্যোতিষীয়া পণ্ডিতসকলে তেওঁৰ 'ছত্ৰভঙ্গ যোগ' পৰা বুলি কোৱাত স্বৰ্গদেৱে তেওঁৰ বৈষয়িক আৰু ধৰ্মীয় উভয়বিধ উপদেষ্টাৰ পৰামৰ্শ মতে তেওঁৰ ৰাজকুঁৱৰী ফুলেশ্বৰীক 'বৰ-ৰজা' উপাধি দি শাসন-ভাৰ গতাই দি নিজে উপদেষ্টা হিচাপে থাকিল। শ্ৰীঠাকুৰীয়াৰ মতে এই 'ছত্ৰভঙ্গ যোগ' হেনো "কৃষ্ণৰাম ন্যায়বাগীশ আৰু কেইজনমান ধূৰ্ত, স্বাৰ্থপৰ, বৈষ্ণৱ-বিদ্বেষী শাক্ত ব্ৰাহ্মণৰ ষড়যন্ত্ৰ" আছিল। কিন্তু প্ৰশ্ন হ'ল, ৰাজগুৰু কৃষ্ণৰাম ন্যায়বাগীশ ষড়যন্ত্ৰত লিপ্ত হ'বলৈ যাব কিয়? ইয়াত তেওঁৰ কি স্বাৰ্থ আছিল? এই ষড়যন্ত্ৰৰ প্ৰমাণ হিচাপেও শ্ৰীঠাকুৰীয়াই কোনো বুৰঞ্জীৰ উদ্ধৃতি দিব পৰা নাই। প্ৰচীন কালৰে পৰা ভাৰতবৰ্ষ তথা অসম জ্যোতিষ চৰ্চাৰ বাবে পৃথিৱী-বিখ্যাত। তেখেতে নিশ্চয় জানে যে ভাৰতৰ হিন্দু নৃপতিসকলৰ ৰাজ-সভাত সদায় জ্যোতিষীয়া পণ্ডিত আছিল আৰু তেওঁলোকে যি কোনো গুৰুত্বপূৰ্ণ কাম কৰাৰ আগতে পণ্ডিত সকলৰ হতুৱাই শুভ দিন-ক্ষণ আদি চাই লৈছিল আৰু সেইমতে কাম কৰিছিল। অসমৰ আহোম ৰজাসকলো এই ক্ষেত্ৰত ব্যতিক্ৰম নাছিল। আহোম ৰাজ-সভাত হিন্দু আৰু আহোম দুয়োবিধ জ্যোতিষীয়া পণ্ডিত আছিল। বুৰঞ্জীৰ পৰা জনা যায় যে আহোম ৰজাসকলে আনকি যুদ্ধ-ক্ষেত্ৰলৈয়ো জ্যোতিষীয়া পণ্ডিত লগত লৈ গৈছিল। বৰ্তমান যুগতো সমগ্ৰ ভাৰতবৰ্ষ তথা অসমত জ্যোতিষ-চৰ্চা অব্যাহত আছে। গুৱাহাটীৰ চিত্ৰাচল পাহাৰত অৱস্থিত নৱগ্ৰহ মন্দিৰে আজিও প্ৰাচীন 'প্ৰাগজ্যোতিষপুৰ' নগৰত জ্যোতিষ-চৰ্চাৰ সাক্ষ্য বহন কৰি আছে। সেইদৰে সৰ্বভাৰতীয় ভিত্তিত বাঙ্গালোৰৰ পৰা প্ৰকাশিত 'The Astrological Magazine' আৰু অন্যান্য জ্যোতিষৰ পুথিয়ে প্ৰমাণ কৰে যে বৰ্তমান ভাৰতবৰ্ষতো জ্যোতিষ-চৰ্চা পূৰ্বোদ্যমে চলি আছে। শ্ৰীঠাকুৰীয়াই ভাৰতীয় জ্যোতিষ শাস্ত্ৰ মিছা বুলি প্ৰমাণ কৰিব পাৰিবনে?

বৰ-ৰজা ফুলেশ্বৰীয়ে প্ৰমথেশ্বৰী নাম লৈ ৰাজ্য শাসন কৰিছিল। স্বামীৰ দৰে তেওঁ শাক্ত গোসাঁই



কৃষ্ণৰাম ন্যায়বাগীশত শৰণ লৈছিল। নিজে শাক্ত ধৰ্মত দীক্ষা লৈ তেওঁ প্ৰজাসকলকো শাক্তধৰ্মী কৰিবলৈ মন কৰিলে। তেওঁৰ মতে ৰজাৰ যি ধৰ্ম, প্ৰজায়ো সেই ধৰ্ম গ্ৰহণ কৰিব লাগে। বৈষ্ণৱ ধৰ্মীসকলে দেৱী-পূজা নমনা দেখি ফুলেশ্বৰী কুঁৱৰীয়ে বৈষ্ণৱ মহন্ত আৰু মেধিসকলক এবাৰ ৰজাঘৰৰ দুৰ্গা পূজালৈ নিমন্ত্ৰণ কৰিলে। ৰজাঘৰীয়া নিমন্ত্ৰণ পাই মহন্ত আৰু মেধিসকল সশিষ্যে পূজালৈ আহিল। বৰ-ৰজাৰ আজ্ঞামতে মহন্তসকলক বলেৰে গোসাঁনী-সেৱা কৰোৱা হ'ল, কপালত সেন্দুৰ, ৰঙা চন্দন আৰু বলিকটা ছাগলী আৰু ম'হৰ তেজেৰে ফোট দিয়া হ'ল আৰু নিৰ্মালি আৰু প্ৰসাদ লোৱাই তেওঁলোকৰ ধৰ্মভাৱত আঘাত দিয়া হ'ল। এই কাৰ্যত মহন্তসকলে মৰ্মান্তিক বেজাৰ পালে। এওঁলোকৰ ভিতৰত মোৱামৰা মহন্ত আটাইতকৈ প্ৰতাপী লোক আছিল। বাকীবোৰ মহন্তই এই লাঞ্ছনা শিৰোধাৰ্য কৰি ললেও মোৱামৰা মহন্তই এই অপমানক মৰণ-তুল্য জ্ঞান কৰি অনেক শিষ্য গোটাই মনে মনে প্ৰতিহিংসা সাধনৰ উপায় চিন্তিলে। শ্ৰীঠাকুৰীয়াৰ মতে মোৱামৰীয়া বিদ্ৰোহৰ এয়ে প্ৰধান কাৰণ আৰু তাৰ বাবে প্ৰধান দোষী হ'ল ফুলেশ্বৰী কুঁৱৰী। কিন্তু শিৱসিংহ ৰজাৰ দিনত মোৱামৰীয়া মহন্তই বিদ্ৰোহ আচৰিবলৈ সুযোগ নাপালে। ইয়াৰ কাৰণ কেইবাটাও হ'ব পাৰে। প্ৰথম কথা, আহোমসকল তেতিয়াও যথেষ্ট শক্তিশালী আছিল। দ্বিতীয়তে, মোৱামৰীয়াসকলৰ সকলো আয়োজন সম্ভৱতঃ তেতিয়াও সম্পূৰ্ণ হৈ উঠা নাছিল।

১৭৪৪ খৃঃত শিৱসিংহৰ মৃত্যু হোৱাত তেওঁৰ ভায়েক প্ৰমত্তসিংহ (১৭৪৪ — ৫১ খৃঃ) ৰজা হয়। এই সময়তে ৰকতিয়ালৰ কীৰ্তিচন্দ্ৰ বৰবৰুৱা পদত অধিষ্ঠিত হয়। কীৰ্তিচন্দ্ৰ শিলিখাতলীয়া দিহিঙৰ মহন্তৰ শিষ্য আছিল। মোৱামৰীয়া মহন্তৰ প্ৰতি বৰবৰুৱাৰ ভিতৰি বেয়া ভাৱ থাকিলেও স্বৰ্গদেৱৰ আগৈ নোপোৱাত তেওঁ প্ৰকাশ্যে একো কৰিব নোৱাৰিছিল। ১৭৫১ খৃঃত প্ৰমত্তসিংহৰ মৃত্যুৰ পাছত ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ চতুৰ্থ পুত্ৰ ৰাজেশ্বৰসিংহ ৰজা হয়। তৃতীয় পুত্ৰ বৰজনা গোহাঁই বা মোহনমালা গোহাঁইদেৱক কীৰ্তিচন্দ্ৰই চক্ৰান্ত কৰি ৰজা হ'বলৈ নিদিলে। ইফালে ১৭৪৮ খৃঃত মোৱামৰাৰ অধিকাৰ চতুৰ্ভুজদেৱৰ মৃত্যু হোৱাত তেওঁৰ পুত্ৰ অষ্টভুজ অধিকাৰ হয়।

কীৰ্তিচন্দ্ৰ বৰবৰুৱাই নিজ গুৰু দিহিঙৰ মহন্তৰ প্ৰাধান্য স্থাপন কৰিবলৈ সদায় চল বিচাৰি ফুৰিছিল। তেওঁ সুবিধা পালেই নিজৰ মহন্তক ডাঙৰ আৰু মোৱামৰাৰ মহন্তক তুচ্ছ কৰিবলৈ নেৰিছিল। দুয়ো মহন্তৰ গায়ন গোৱাই মোৱামৰা মহন্তৰ গায়ন জিকিলেও বৰবৰুৱাই দিহিঙৰ গায়নকহে প্ৰশংসা কৰিছিল। মোৱামৰা মহন্তই ৰকতিয়ালৰ খিয়লীয়া স্বভাৱৰ কথা স্বৰ্গদেৱলৈ পত্ৰেৰে জনাই থকাত ৰজাই দুয়ো ঘৰৰ গায়ন নি গান কৰাই নিজে পৰীক্ষা কৰি মোৱামৰাৰ গায়নক ভাল পাই প্ৰশংসা কৰি দুগুণ ধন দিছিল। এইবিলাক কাৰণতে মোৱামৰাৰ মন ৰকতিয়ালৰ বৰবৰুৱাৰ প্ৰতি বৰ বিষম হ'ল। অষ্টভুজ মহন্তৰ প্ৰথম পুত্ৰ গাগিনী ডেকা বা বায়ন ডেকাই বৰবৰুৱাৰ ওপৰত প্ৰতিশোধ লবলৈ মন কৰাত বুঢ়া মহন্তই মিত্ৰ স্বৰ্গদেৱে ভয় পায় বুলি পুতেকক মানা কৰিলে। গাগিনী ডেকাই পিতাকৰ নিষেধাজ্ঞাত অসন্তুষ্ট হৈ শিষ্যবোৰেৰে পৰামৰ্শ কৰি বৰবৰুৱাক ধৰিব খোজাত সকলো মটকে বুঢ়া মহন্তৰ অনুমতি বিচাৰিলে। তেতিয়া অষ্টভুজ মহন্তই কলে— "ৰাজেশ্বৰসিংহ মহাৰজা থকাত মোক একো নুসুধিবি। ৰজা মোৰ পিতৃ, ৰজাৰ পৰাহে ৰক্ষা পাই আছোঁ। ৰকতিয়ালৰ অলমৰটা ঘৰ বন্দীৰ ল'ৰাই জানকো সাগৰৰ সমান কৰিব খোজে। কোনো কালে শিলিখাতল মোৰ সমান নহয়।" (বুৰঞ্জী বিবেক ৰত্ন, অপ্ৰকাশিত; স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ,

পৃঃ ১৪৭—৪৮ )।

ধীৰ গম্ভীৰ বুঢ়া মহন্তৰ পৰা উৎসাহজনক সমিধান নাপাই ডেকা মহন্তই ভকতৰে সৈতে মন্ত্ৰণা কৰি মোৱামৰীয়া মহন্তৰ কিমান শিষ্য আছে, তাকো জনাজাত কৰি ৰকতিয়ালক আশ্চৰ্য দেখুৱাৰ খুজিলে আৰু দিহিঙৰ মহন্তৰ অন্তৰতো দুখ দিব বিচাৰিলে। সেই উদ্দেশ্যে তেওঁ বুঢ়া মহন্তৰ পৰা অনুমতি লৈ মালো পথাৰৰ সদায় পানী থকা দ ঠাইতে ৰাজ্যৰ আটাইবোৰ মোৱামৰীয়া শিষ্যৰ প্ৰত্যেকৰে হতুৱাই এচপৰা এচপৰাকৈ মুঠ দুচপৰাকৈ মাটি পেলোৱাই কীৰ্ত্তন ঘৰ আৰু সত্ৰৰ পৰ্বত-সমান ওখকৈ ভেটি বান্ধিলে। এই ভেটি এতিয়াও বৰভেটি নামে প্ৰখ্যাত হৈ আছে। ভেটি বন্ধোৱাৰ পাছত ডেকা মহন্তৰ আজ্ঞাৰে শিষ্যসকলে নামমূৰী খেৰ, কামী, বেঁত-সূত এটা এটাকৈ আনি কীৰ্তন ঘৰ, নামঘৰ আদি কৰি সত্ৰ সাজিলে। মাৰ মাহত নতুন ঠাইত সাত দিন সাত ৰাতি সভা কৰিলে। সভাত গোট খোৱা শিষ্য বৰ্গলৈ চাই ডেকা মহন্তই তেওঁৰ অগণন শিষ্য দেখি ৰজা হ'বৰ হাবিয়াস কৰাত বুঢ়া মহন্তই তেওঁক আৰু গাঁওবুঢ়াসকলক বিশ্বাসে মাতি নি নানা ৰকমে বুজনি দিয়াত তেওঁলোক শান্ত হ'ল। তথাপি অন্তৰত কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ প্ৰতি কোপ থাকি গ'ল।

ৰাজেশ্বৰসিংহ স্বৰ্গদেৱ বৰ বুধিয়ক মানুহ আছিল। মোৱামৰীয়া শিষ্য এইদৰে একগোট হোৱা শুনি তেওঁ শিলিখাতলীয়া দিহিঙৰ মহন্তক হাত কৰি ললে। দিহিঙৰ মহন্তবো ঐশ্বৰ্য-বিভূতি মোৱামৰীয়া মহন্তৰ সমানেই। সেই কাৰণেই দিহিঙীয়া মহন্তক মতাই আনি তেওঁক ৰাজ-চ'ৰালৈ অহা-যোৱা কৰি থাকিবলৈ দি মোৱামৰীয়া মহন্তৰ গতি-বিধি সম্পৰ্কে সম্ভেদ লৈ স্বৰ্গদেৱক জনাই থাকিবলৈ দিলে। দিহিঙৰ মহন্তৰ পৰা যেতিয়া ৰাজেশ্বৰসিংহই নিশ্চিতভাৱে জানিলে যে মোৱামৰীয়াই স্বৰ্গদেৱক খেদি ৰাজ্য লবৰ মন কৰিছে, তেতিয়া ৰাজেশ্বৰসিংহই ডাঙৰীয়াসকলেৰে সৈতে যুক্তি কৰি শত্ৰু প্ৰবল নো-হওঁতেই দমন কৰা ভাল বুলি বিদ্ৰোহৰ আয়োজনত লিপ্ত থকা বহুতো মোৱামৰীয়াৰ ভকতক হত্যা কৰিলে আৰু বাকীবোৰক বুদ্ধিৰে দমন কৰিলে। এইদৰে কাৰ্য কৰাত ৰাজেশ্বৰসিংহৰ দিনত মোৱামৰীয়া-মৰাণ সাম্য হৈ থাকিল। তথাপি অৱশ্যে তেওঁৰ দিনতো কীৰ্তিচন্দ্ৰ বৰবৰুৱাই মোৱামৰীয়াৰ বৰডেকা মহন্তক এবাৰ অপমান দিছিল। স্বৰ্গদেৱে এবাৰ দেৱৰ গাঁৱৰ ৰাহৰৰ পৰা ৰংপুৰলৈ উভতি আহোঁতে ৰাটত মোৱামৰাৰ পদূলিৰ আগেদি যায়। বৰবৰুৱা স্বৰ্গদেৱৰ কিছু পাছতহে আহিছিল। বৰবৰুৱা অহাত পলম কৰা কাৰণে বৰডেকা গাগিনী মহন্তই তেওঁলৈ ব'লে স্বৰ্গদেৱেই মহন্তৰ পদূলি পাৰ হৈ যায় দেখি অন্য বৰুৱা-ফুকনৰ সহায়েৰে স্বৰ্গদেৱক আদৰি দুখন চাঙ্গীৰ বস্ত্ৰ উপহাৰ দিয়ে। স্বৰ্গদেৱ মহন্তৰ পদূলি পাৰ হৈ গ'ল। পাছত বৰবৰুৱা আহোঁতে ডেকা মহন্তই বৰবৰুৱাকো চাৰি কুৰিখন চাঙ্গীৰে ভেটিছিল আৰু ৰজাকো সেইদৰে ভেটাৰ কথা বৰবৰুৱাক কৈছিল। বৰবৰুৱাৰ বিনা অনুমতিত ৰজাক ভেটা কথা শুনি বৰবৰুৱাৰ বৰ খং উঠিল আৰু বৰডেকা মহন্তক চাৰিটা চকা মাৰিলে। ইয়াতে ডেকা মহন্তই বিষম অপমান পাই বৰবৰুৱাৰ অনিষ্ট সাধনৰ উপায় চিন্তিবলৈ ধৰিলে ( স্ব, বা, ১৪৯-৫০)।

১৭৬৯ চনত ( ১৬৯১ শক, জেঠ মাহ ) ৰাজেশ্বৰসিংহৰ মৃত্যু হোৱাত কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ মন্ত্ৰনাৰে ৰুদ্ৰসিংহৰ এলাগী কোঁৱৰ কালশিলীয়া গোহাঁয়ে লক্ষ্মীসিংহ নাম লৈ সিংহাসনত বহে। ৰাজপাটত উঠাৰ সময়ত লক্ষ্মীসিংহৰ বয়স ৫৩ বছৰ হৈছিল। বুঢ়া বয়সত ৰজা হৈ তেওঁ ৰাজ্য চলাবলৈ টান পাই কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ হাতত ৰাজ্য শাসনৰ ভাৰ এৰি দিলে।



গতিকে ক্ষমতা পাই বৰবৰুৱা আগতকৈয়ো বেছি উগ্ৰ স্বভাৱৰ হৈ উঠিল। প্ৰথমতে তেওঁ ৰাজেশ্বৰ সিংহৰ চৌবিছ গৰাকী বিধৱা কুঁৱৰীক ধন-বিত্ত, অলঙ্কাৰ-পাতি আদি সকলো কাঢ়ি লৈ লগত মাথোন দুজনী লিগিৰী, নামমাত্ৰ পিন্ধা-উৰা কানি-কাপোৰ আৰু দুসাজ মাত্ৰ তাম-পিতলৰ বাচন দি কোনো খাদ্য-সম্ভাৰ নিদিয়াকৈ একেখন নাৱতে বোজা দি বৰকলালৈ পঠিয়ালে। পতিহীনা আইকুঁৱৰীসকলে কষ্ট পাই ৰকতিয়ালৰ বৰবৰুৱাক বৰকৈ শাপিলে। নাৱৰ গুৰিয়াল নদাই মোৱামৰা মহন্তৰ শিষ্য আছিল। ৰাজপত্নীসকলৰ দুৰ্গতি দেখি নদায়ে মোৱামৰা সত্ৰৰ ঘাটতে নাওঁ চপালে। আইকুঁৱৰীসকলৰ এনে দুৰ্দশা দেখি বুঢ়া মহন্তই ঘাটতে তেওঁলোকক হবিষ্যান্ন খুৱাই দুদিন ৰাখি তাৰ পাছত প্ৰতি গৰাকীক কপাহী আৰু পাট-মুগাৰ কাপোৰ দুই-তিনি সাজ, তাম-পিতলৰ বাচন আৰু বৰকলা পোৱা পৰ্যন্তে খাবলৈ জোৰাকৈ খোৱা সামগ্ৰী লগত দি কেইজনী-মান দাসীৰে সৈতে আৰু এখন নাও দি বিদায় দিলে। যাবৰ সময়ত মহন্তৰ বৈনীসকলৰে সম্ভাষা হৈ বৰকলালৈ নাও মেলিলে। পাছত ৰকতিয়ালৰ বৰবৰুৱাই এই কথা শুনি কুপিত হৈ ৰজাক লগালে— "মোৱামৰা মহাজন ৰাপেক-পুতেক দুয়ো অশৌচৰ ভিতৰে কুঁৱৰীবোৰক ৰাখি জাতি মাৰিলে, নিজৰ কুলো নষ্ট কৰিলে।" বৰবৰুৱাই এই কথাটো সমগ্ৰ দেশতে ৰাষ্ট্ৰ কৰি দিলে। ইয়াৰ পাছত মোৱামৰা মহন্তৰ পৰা ৰজাঘৰলৈ মাহিলি নিৰ্মালি লৈ আহোঁতে বৰবৰুৱাই খাটনিয়াৰক বৰকৈ গালি-শপনি পাৰিলে আৰু ৰাজপত্নী গমন কৰাৰ নিৰ্মালি নালাগে বুলি ওভোতাই পঠিয়ালে। খাটনিয়াৰে এই সকলো কথা মহন্তক কোৱাত বুঢ়া মহন্ত অষ্টভূজদেৱ আৰু তেওঁৰ পুত্ৰ সপ্তভূজ দুয়ো কান্দিবলৈ ধৰিলে। অৱশেষত বুঢ়া মহন্তই এইদৰে আদেশ দিলে, "যেই যুক্তি তাকে কৰিবি। যদি তোক দেখি দ্ৰোহ কৰে, তোৰ বল নাইনে? ধৰেঁ। ধৰেঁ। কৰি আছ, কেৱল মোৰ বাধাতহে আছ, তেও কওঁ, ৰজাই ভয় পোৱাখনি নকৰিবি। জলম-বটাৰ ল'ৰাক মাৰি আমি তেনে মানুহ এটা মহাৰাজাক দিব লাগে মাথোন। আমাৰ দুৱৰাৰ বৰ গাঁওবুঢ়া তাত কৰি অনেক গুণে চতুৰ আৰু দৰ্শনীয়। অনেক পুৰুষ বৰবৰুৱা-বৰফুকনো হৈ গৈছে। তাকে পাতি দিব লাগে।" ( বু, বি, ব; স্ব, বা, পৃঃ ১৫০-৫১ )।

১৬৯১ শকৰ জেঠ মাহৰ পৰা গুণা-গঁথা কৰি থাকোঁতেই চাৰি মাহ গ'ল। আহিন মাহত ( চেপ্তেম্বৰ + অক্টোবৰ ) লক্ষ্মীসিংহ স্বৰ্গদেৱে এদিন কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ সৈতে নাৱেৰে ফুৰিবলৈ যাওঁতে মোৱামৰা মহন্ত নৈৰ ঘাটত থিয় হৈ আছিল। ৰজাক দেখা পাই মহন্তই ৰজাক সেৱা জনাই আশীৰ্বাদ কৰিলে; কিন্তু ওচৰতে থকা বৰবৰুৱাক সেৱা জনাবলৈ নহ'ল। ইয়াতে কীৰ্তিচন্দ্ৰ বৰবৰুৱাই মহন্তক বৰ বেয়া ৰকমে গালি-শপনি পৰাত মহন্তৰ দৰে মানী মানুহ এজনৰ পক্ষে এই অপমান সহ্য কৰা টান হৈ পৰিল।

এই ঘটনাৰ কিছুদিন পাছতে ( ১৭৬৯ খৃঃৰ ১৫ চেপ্তেম্বৰ তাৰিখে ) হাতীচুঙ্গী মৰাণৰ নেতা নাহৰখোৱা শইকীয়া আৰু ৰাঘ নেওগে বন্দি ৰজাঘৰত দিবলগীয়া হাতী কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ ওচৰত নি দিলেগৈ। তেওঁলোকে বৰবৰুৱাৰ উগ্ৰ আৰু খিত-খিতীয়া স্বভাৱৰ কথা ভালদৰে জানিছিল কাৰণে এইবাৰ তেওঁলোকে আটাইতকৈ ভাল হাতীৰ যোগান ধৰিছিল। কিন্তু বৰবৰুৱা সহজে সন্তুষ্ট হোৱা বিধৰ মানুহ নাছিল। তেওঁ হাতী কেইটাত নানা খুঁত উলিয়াই ৰাঘক ৰাঁহেৰে গচকি ধৰি কুৰিটা চমতাৰ কোব মৰোৱালে। কোব খাই ৰাঘই সেও মানিলে আৰু ক'লে, "এই দেশ অসুৰপুৰী হ'ল; চন্দ্ৰ, সূৰ্য, বায়ু, বৰুণ সাক্ষী, ধৰ্ম সাক্ষী।

এই অধৰ্মৰ ফল পাব।" এই বুলি হাতী সোধাই নিজৰ বাহৰলৈ গ'ল। তেতিয়া লগৰ মানুহে বাঘক কাপোৰেৰে মেৰিয়াই তিনি দিনৰ মূৰত ডেকা মহন্তৰ আগত উপস্থিত কৰ'লেগৈ। তাৰ পাছত বুঢ়া মহন্তৰ ওচৰলৈকো লৈ গ'ল। বাঘক ঔষধ-পাতি খুৱাই সেকি-পুতকি ভাল কৰি ৰণৰ কাৰণে আলচিবলৈ বহিল। ডেকা মহন্তই মোৱামৰীয়া গাঁও-বুঢ়াসকলক যুঁজিব পৰাকৈ সাজু হৈ আহিবলৈ আদেশ দি বুঢ়া অষ্টভুজ মহন্তৰ অনুমতি লবলৈ তেওঁৰ ওচৰলৈ গ'ল। ভালেমান সময় ইতস্ততঃ কৰি থাকি অৱশেষত বুঢ়া মহন্তই নিৰ্দিষ্ট সীমাৰ ভিতৰত থাকি মৰাণসকলক আহোমৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ অনুমতি দিলে। তেওঁ পুতেক বায়নক (বাঙন বা গাগিনী ডেকা) তুংখুঙীয়া আহোম ফৈদৰ হাতৰ পৰা কেতিয়াও ৰাজদণ্ড কাঢ়ি নলবলৈ সকীয়াই দিলে (বু, বি, ব; স্ব, ৰা, পৃঃ ১৫১-৫৩)। তেওঁ মৰাণইতক আহোমসকলে প্ৰবৰ্তন কৰা শাসন-ব্যৱস্থা বাহাল ৰাখিবলৈ উপদেশ দিলে। বুঢ়া মহন্তৰ এই সিদ্ধান্তমতে মোৱামৰীয়া ৰণৰ কাৰণে সাজু হ'ল। এইদৰে ১৭৬৯ খৃঃৰ নবেম্বৰ মাহত দেশত মোৱামৰীয়া বিদ্ৰোহৰ জুই দপ্‌দপ্‌কৈ জ্বলি উঠিল।

ওপৰত উল্লেখ কৰি অহা মোৱামৰীয়া বিদ্ৰোহৰ কাৰণবোৰৰ পৰা আমি এই সিদ্ধান্তত উপনীত হওঁ যে "মোৱামৰীয়া মহন্ত আৰু তেওঁৰ শিষ্য-সম্প্ৰদায়ৰ প্ৰতি অন্যান্য (বৈষ্ণৱ) ধৰ্ম-প্ৰচাৰক আৰু ধৰ্মাৱলম্বীসকলৰ হেয় ভাব আৰু পুৰুষ-পৰম্পৰাক্ৰমে ৰজা আৰু ৰাজ-বিষয়াৰ নিৰ্যাতন, এই দুই কাৰণতে শৰণ-ভজনশীল মোৱামৰীয়া বৈষ্ণৱ সম্প্ৰদায়ে নিজৰ আত্মসন্মান অটুট ৰাখিবৰ কাৰণেই ৰণ-ক্ষেত্ৰত নামিব লগাত পৰিছিল।" (স্ব, বা, পৃঃ ১২৬)। মোৱামৰীয়া মহন্ত আছিল এসময়ত অসমৰ পূৰ্বাঞ্চলত ৰাজত্ব কৰা বাৰভূঞাসকলৰ বংশধৰ। ভূঞাসকলক দমন কৰাত আহোমসকলে কিমান কষ্ট কৰিবলগীয়া হৈছিল, সেই কথা অসম বুৰঞ্জীৰ পাঠক মাত্ৰেই জানে। সেই কাৰণেই আহোম ৰজাসকলে মোৱামৰীয়া মহন্তৰ ক্ৰমবৰ্দ্ধমান শক্তিক ভয় আৰু সন্দেহৰ চকুৰে চাইছিল আৰু তাক দমন কৰিবৰ যত্ন কৰিছিল। সেই একে দৰে, ৰাজনৈতিক কাৰণতহে আহোম ৰজাই নৱবৈষ্ণৱ আন্দোলনৰ নেতা শ্ৰীশ্ৰীশঙ্কৰদেৱ, মাধৱদেৱ আদিৰ প্ৰতি প্ৰথম অৱস্থাত বিৰূপ মনোভাব পোষণ কৰিছিল। শঙ্কৰদেৱ আছিল ভূঞাৰ বংশধৰ। কিন্তু পাছত অৱস্থাৰ পৰিবৰ্তন হোৱাত এই মহাপুৰুষসকলৰে পন্থানুগামী শত-সহস্ৰ গোসাঁই-মহন্তৰ প্ৰতি ৰজাসকলে সা-সন্মান দেখুৱাই তেওঁলোকে স্থাপন কৰা বিভিন্ন সত্ৰসমূহলৈ মাটি-বাৰী দান কৰিছিল। ব্যক্তিগত হিচাপে মোৱামৰীয়া বিদ্ৰোহৰ বাবে প্ৰধান দোষী হ'ল বৰুতিয়ালৰ কীৰ্তিচন্দ্ৰ বৰবৰুৱা, আৰু প্ৰথম অৱস্থাত তেওঁক ধ্বংস কৰাই বিদ্ৰোহীসকলৰ উদ্দেশ্য আছিল। তেওঁক ধ্বংস কৰাৰ পাছতহে বিদ্ৰোহী-সকলে বিগত ডেৰ শ বছৰে সহ্য কৰি অহা লাঞ্ছনা আৰু উৎপীড়নৰ প্ৰতিশোধ লবৰ বাবে মৰণ পণ কৰি সংগ্ৰামত অৱতীৰ্ণ হয়।

তিনিটা দশকৰো অধিক কাল জুৰি চলা এই মোৱামৰীয়া বিদ্ৰোহে অসমীয়া জাতিটোক জুৰুলা কৰি পেলালে। অৱশেষত অৱশ্যে এই বিদ্ৰোহো শাম কাটিল। কিন্তু বিদ্ৰোহৰ কবলত পৰা দেশখনে ভালদৰে গা টঙাবলৈ নৌ-পাওঁতেই আহিল বিদেশী শত্ৰু মানৰ আক্ৰমণ (১৮১৬ খৃঃ)। তিনিবাৰকৈ হোৱা এই মানৰ আক্ৰমণতে দেশখন সম্পূৰ্ণ ধ্বংস প্ৰাপ্ত হ'ল আৰু তাৰ লগে লগে ই মানৰ হাতৰ পৰা বৃটিছৰ অধীনলৈ গ'ল।

কিন্তু এই মান নিজে অহা নাছিল। পৰিস্থিতিৰ



হেঁচাত পৰি বদনে এই বিদেশী মানক আমন্ত্ৰণ কৰি আনিছিল। শ্ৰদ্ধেয় শ্ৰীশৰ্মাই এই ক্ষেত্ৰত এনেদৰে কৈছে—"বদনে যদি সঙ্গ উদ্দেশ্যেৰে বিদেশীক বৰঘৰ সুমাওঁতে বৰঘৰৰ গিৰিহঁত হৈ থকা সকলে যি হাতে আদা কইছিল, সেই হাতেৰেই ঠেঙুলি ভাঙি-বলৈ দিলেহেঁতেন, অসমৰ স্বাধীনতা কেতিয়াও লুপ্ত হবলৈ নাপালেহেঁতেন।" প্ৰথমবাৰ আক্ৰমণত মান-হঁতে কোনো অনিষ্ট নকৰাকৈ আহোম ৰজা চন্দ্ৰকান্ত সিংহৰ পৰা বহুতো ধন-সোণ আৰু বঁটা-বৰ্কচিচ লৈ নিজ দেশলৈ উভতি গৈছিল। সেই কাৰণে ইয়াৰ দ্বাৰা তেখেতে ইয়াকে বুজাব খুজিছে যে মানৰ মিত্ৰ বদনক হত্যা আৰু চন্দ্ৰকান্তসিংহক সিংহাসনচ্যুত নকৰা হ'লে মানৰ পাছৰ আক্ৰমণ দুটা নহ'লহেঁতেন। কাৰণ পাছৰ আক্ৰমণ দুটাৰ ফলতহে, বিশেষকৈ তৃতীয় আক্ৰমণৰ ফলস্বৰূপেহে অসম দেশ শ্মশানত পৰিণত হৈছিল আৰু সেই আক্ৰমণৰ পৰিণতি স্বৰূপেই ই বৃটিছৰ অধীনলৈ গৈছিল। শ্ৰীঠাকুৰীয়াই কিন্তু অসমৰ স্বাধীনতা বিলুপ্তিৰ ক্ষেত্ৰত মানৰ আক্ৰমণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা নাই।

এতিয়া প্ৰশ্ন হ'ল, মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমণ নহ'লে বাৰু অসমে স্বাধীনতা বজাই ৰাখিব পাৰিলেহেঁতেননে? বৃটিছ-ভাৰতৰ ইতিহাস তথা ইং-ৰাজ জাতিৰ ইতিহাস অধ্যয়ন কৰিলে ইয়াৰ উত্তৰত ইয়াকে কব পাৰি যে তেতিয়াও অসম বৃটিছৰ অধী-নলৈ গ'লহেঁতেন। কাৰণ ভাৰতলৈ বেপাৰ কৰিবলৈ অহা ইংৰাজসকলে যি কাৰণত সমগ্ৰ ভাৰতবৰ্ষ তেওঁ-লোকৰ পদানত কৰিবলৈ সমৰ্থ হৈছিল, সেই একে কাৰণতে তেওঁলোকৰ অধীনলৈ অনায়াসে নিব পাৰিলে-হেঁতেন। কাৰণ অৰ্থনৈতিক দিশৰ পৰা ভাৰতবৰ্ষৰ অন্যান্য ঠাইৰ দৰে অসমতো সামন্তবাদী অৰ্থনীতি বিৰাজ কৰি আছিল — যি অৰ্থনীতি সেই সময়ত ইংলেণ্ড তথা পশ্চিম ইউৰোপৰ দেশসমূহত নতুনকৈ গা কৰি উঠা ধনতান্ত্ৰিক অৰ্থনীতিতকৈ (Capitalist economy) পিছপৰা আছিল। সমগ্ৰ ভাৰতবৰ্ষ ইংৰাজসকলে তেওঁলোকৰ পদানত কৰাৰ গুৰিতে আছিল ইংৰাজসকলৰ এই আগবঢ়া অৰ্থনীতি। গতিকে মানৰ আক্ৰমণৰ বাবে পূৰ্ণানন্দ বা বদন যেয়ে দোষী নহওক কিয়, মানৰ আক্ৰমণ নহ'লেও অসম বৃটিছৰ অধীনলৈ গ'লহেঁতেন। কেৱল তফাৎ মাত্ৰ এইখিনিতে যে তেতিয়া হয়তো অসম আৰু কেইবছৰমানলৈ স্বাধীন হৈ থাকিব পাৰিলেহেঁতেন।

× × ×

# টোকা

## অসত্য আৰু অনৈতিহাসিক

অসম সাহিত্য সভা পত্ৰিকাৰ যোৱা তৃতীয় সংখ্যাত ড° লক্ষ্মী দেৱীৰ 'প্ৰকৃত দেশদ্ৰোহী কোন : এটি সমালোচনা বোলা প্ৰবন্ধত "বিদ্ৰোহৰ প্ৰথম কাৰণ হিচাপে দেখা যায় যে মোৱামৰীয়া মহন্ত আৰু তেওঁৰ শিষ্য-সম্প্ৰদায়ৰ প্ৰতি অন্যান্য বৈষ্ণৱ ধৰ্ম-প্ৰচাৰক আৰু ধৰ্মাৱলম্বীসকলৰ এটি হেয় ভাব আছিল" বুলি সেই তথাকথিত হেয় ভাবৰ সমৰ্থনত "মোৱামৰা সত্ৰৰ প্ৰতিষ্ঠাতা অনিৰুদ্ধদেৱে এদিনাখন তেখেতৰ গুৰু গোপালদেৱক ভোজনলৈ নিমন্ত্ৰণ কৰি আনি" ( পৃষ্ঠা ৬৮ ) বোলাৰ পৰা "একেঘাটে পানী নাখায় আৰু একেলগে গৰু নচৰায়" ( পৃষ্ঠা ৬৯ ) বোলালৈকে যিখিনি কথা প্ৰকাশ কৰিছে, সেই গোটেইখিনি কথাই অনৈতিহাসিক আৰু অসত্য। মোৱামৰা বিদ্ৰোহৰ আগতে মায়ামৰা মহন্ত বা এই সম্প্ৰদায়ক এনেভাৱে চোৱাৰ কথা মণিৰাম দেৱানে তেওঁৰ এতিয়ালৈকে অপ্ৰকাশিত পুথিখনত লেখি থৈ গলেও সেই কথা সঁচা হ'ব নোৱাৰে।

অনিৰুদ্ধদেৱৰ গুৰু গোপালদেৱ অনিৰুদ্ধদেৱৰ সত্ৰ থকা অসম ৰাজ্যলৈ গোপালদেৱৰ কামৰূপ ৰাজ্যান্তৰ্গত ভৱানীপুৰ বা কালঝাৰ সত্ৰৰ পৰা কোনো নিৰ্ভৰযোগ্য চৰিত পুথি মতেই উজাই অহা নাছিল আৰু গোপালদেৱৰ বা তেৰাৰ আজ্ঞাপৰ ধৰ্মাচাৰ ( বাৰ-আতা ) সকলৰ কোনো চৰিত পুথি মতেই অনিৰুদ্ধদেৱক গোপালদেৱে বা ইসকলে পৰিত্যাগ কৰাৰ কোনো কথাকে পোৱা নাযায়। বৰ যদুমণি দেৱেও তেৰাৰ সঙ্গী-সুহৃদ অনিৰুদ্ধদেৱক পৰিত্যাগ কৰাৰ কথা তেৰাৰ কোনো চৰিত-পুথিতে পোৱা নাযায়। বৰং তেৰা বা তেৰাৰ পুত্ৰ-নাতিসকলৰ লগত পূৰ্ণ সহযোগ কৰাৰ কথাহে চৰিত্ৰ-পুথিবিলাকত পোৱা যায়। মায়ামৰা সম্প্ৰদায়ৰ সপক্ষে সুদীৰ্ঘ যুক্তিপূৰ্ণ সমালোচনাৰে ৺ৰজনীকান্ত বৰদলৈ ডাঙৰীয়াই 'আৱাহনৰ' ২য় বছৰৰ ৪ৰ্থ সংখ্যা (১৮৫২ শকাব্দৰ মাঘ) ত প্ৰকাশ কৰা প্ৰবন্ধ-সহ ১৯৩৩ চনতে প্ৰকাশিত হোৱা 'শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ চৰিত্ৰ আৰু মায়ামৰা সত্ৰৰ গোসাঁইসকলৰ বংশাৱলী' নামৰ পুথিত বৰ যদুমণিদেৱে অনিৰুদ্ধদেৱৰ আদ্য শ্ৰাদ্ধৰ তিথিলৈ তেৰাৰ সঙ্গীসকলেৰে সৈতে গৈ পূৰ্ণ সহযোগ কৰাৰ কাহিনী এইদৰে পোৱা যায় :—

"মাসেকীয়া কীৰ্ত্তন আয়োজন কৈলা ॥ ১৮৫
বৰ যদুমণি আতাক কৈলা নিমন্ত্ৰণ।
দশবৰীয়াৰ বাপ আদি সন্তজন ॥
আগবাঢ়ি আনি আসনত বহুৱাই।
গুৱাপাণে অৰ্চিলন্ত সন্তোতক কায় ॥ ১৮৬
দেখি বাপ যদুমণি কৰিলা সন্তাপ।
হৰি হৰি নেদেখিলোঁ মোৰ প্ৰাণ বাপ ॥
এতেক বোলন্তে পৰে নয়নৰ পানী।
সন্ধুকিয়া পাছে আখি মুচি যদুমণি ॥ ১৮৭
প্ৰেম গদ গদ মাতে মধুৰ বচনে।
আশ্বাস কৰিলা কৃষ্ণ আদি ভ্ৰাতৃগণে ॥
তেসম্বেও বহু মান সতকাৰ কৰি।
কৰাইলা ভোজন অতিশয় যত্ন কৰি ॥ ১৮৮
মুখ-শুদ্ধি কৰি যেৱে বসিলা আসনে।
জোৰবস্ত্ৰ গুৱা-পাণ শৰাই জনে জনে ॥
আগে থৈয়া তাসম্বাক কৈলা নমস্কাৰ।



অনুজ্ঞা নিৰ্মালি কৃষ্ণে • লৈয়া তাসম্বাৰ ॥ ১৮৯
ভক্তে মন্দিৰত ধৰ্মাসন পাৰিলন্ত।
তৈতে বসাই ভক্তে হৰিধ্বনি কৰিলন্ত ॥
সম্প্ৰদাৰ সূত্ৰ কৈয়া আচাৰ্য পাতিলা।
তালে মানে সমস্তে কীৰ্ত্তন আৰম্ভিলা ॥" ১৯০

অনিৰুদ্ধদেৱৰ তিৰোভাৱ হৈছিল ১৫৪৮ শকাব্দৰ ১১ পুহৰ শুক্লা দশমীত আৰু বৰ যদুমণিদেৱৰ হৈছিল ১৫৫৩ শকৰ ফাগুণৰ শুক্লা চতুৰ্দশীত। বৰ যদুমণিদেৱৰ কেইবাখনো আৰু 'বাৰ-আতা'সকলৰো অনেক চৰিত-পুথি আমাৰ হাতত আছে। সেই পুথিবিলাকৰ কোনোখনিতেই বৰ যদুমণিদেৱে বা ইসকলে অনিৰুদ্ধদেৱক পৰিত্যাগ কৰাৰ কথা পোৱা নাযায়।

অনিৰুদ্ধদেৱ আৰু বৰ যদুমণিদেৱৰ লগতে 'বাৰ-আতা' সকলৰ ভিতৰৰ অন্যতম নগৰীয়া-আতা সনাতনদেৱৰ প্ৰাচীন চৰিত-পুথি দুখনৰ ভিত্তিত ৰচনা কৰা পুথি এখনি বৰ্ত্তমান আমি ছপাই আছোঁ; এই জানুৱাৰী মাহতে প্ৰকাশ হ'ব। সেই চৰিত-পুথিমতে অনিৰুদ্ধদেৱৰ নাতিয়েক ( পুত্ৰ কৃষ্ণদেৱৰ পুত্ৰ ) নিত্যানন্দ দেৱ ( সত্ৰাধিকাৰ হোৱাৰ কাৰ্যকাল ১৫৬৬-১৫৭২ শকাব্দ )ৰ সত্ৰত সন্ত-ভক্তসকলক আমন্ত্ৰণ কৰি পতা বিৰাট মহোৎসৱলৈ নগৰীয়া-আতা অন্যান্য সন্তসকলেৰে সৈতে গৈ সহযোগ কৰাৰ কথা বৰ্ণোৱা আছে। যদি তেতিয়া অনিৰুদ্ধদেৱ আৰু তেৰাৰ সত্ৰক আনে তথাকথিত অপবাদৰ বাবে পৰিত্যাগ কৰিলেহেঁতেন, তেন্তে, আনৰ কথা দূৰৈত থাওক, লেখিকাই উল্লেখ কৰামতে বৰ যদুমণি আদি গোপালদেৱৰ পন্থীসকলেও মায়ামৰা-সম্প্ৰদায়ৰ লগত তেনেকৈ প্ৰৱৰ্ত্তন নকৰিলেহেঁতেন।

মণিৰাম দেৱানৰ ৰচিত বুৰঞ্জী পুথিখনি এতিয়াও অপ্ৰকাশিত; সেই কাৰণে তাত সন্নিবিষ্ট তথ্যবিলাকৰ সত্যাসত্য সম্পৰ্কে বিবেচনা কৰিবলৈ সুবিধা হোৱা নাই। তদুপৰি মণিৰাম দেৱান নিজেই এটি বিতৰ্কজনক ঐতিহাসিক ব্যক্তিত্ব। এদলে যেনেকৈ তেওঁৰ সম্পৰ্কে কিতাপ-পত্ৰ প্ৰকাশ কৰিছে, আন দলে তেনেকৈ তাৰ প্ৰতিবাদ কৰি কিতাপ-পত্ৰ প্ৰকাশ কৰিব লাগিছে।

মণিৰাম দেৱান উনবিংশ শতাব্দীৰ লোক হৈ তেওঁতকৈ প্ৰায় দুশ বছৰৰ আগৰ গোপালদেৱ বা বৰ যদুমণিদেৱৰ বিষয়ে কেনেকুৱা বিধৰ লিখিত পুথি বা জনশ্ৰুতিৰ ওপৰত নিৰ্ভৰ কৰি উল্লেখিত অপবাদৰ কথা লেখিছিল, সেইটোও বিচাৰ কৰিবলগীয়া। মোৱামৰীয়া বিদ্ৰোহৰ ফলত হোৱা ৰাজ-ভগনে ৰাজভক্ত শ্ৰেণীৰ সকলো লোকক যেনেকুৱা তিতামুৰীয়া লগাইছিল, আৰু পুনৰ আহোম ৰাজত্ব প্ৰতিষ্ঠা কৰি বৃটিছ ৰাজ্য স্থাপন হোৱাৰ পাছত মণিৰাম দেৱান বৰুৱা প্ৰভৃতি ডা-ডাঙৰীয়া কেইজনমানে আহোম ৰাজত্ব পুনঃপ্ৰতিষ্ঠা কৰাৰ যি সপোন দেখিছিল, সেই সপোনৰ লগত বিপৰীতভাৱে জড়িত থকা মোৱামৰীয়া বিদ্ৰোহৰ সজাগ স্মৃতিত উদ্ভৱ হোৱা মনোবৃত্তিৰ প্ৰভাৱতেইহে যে মায়ামৰীয়াসকলৰ বিৰুদ্ধে এনেবোৰ অসত্য আৰু অমূলক অপবাদৰ জন্ম হবলৈ পাইছিল, সেই বিষয়ে আমি যথেষ্ট উদাহৰণ দি এই প্ৰবন্ধ দীঘলীয়া কৰিবলৈ এই প্ৰসঙ্গত আৱশ্যক বোধ কৰা নাই। মোৱামৰীয়া বিদ্ৰোহৰ পাছত সেই সম্প্ৰদায়ৰ লোকসকলৰ ওপৰত যি প্ৰতিশোধজনক অমানুষিক অত্যাচাৰ চলোৱা হৈছিল, সেই বিষয়েও বুৰঞ্জীত তিতা-কেহা লগোৱা কাহিনী বিস্তৰ আছে। সেই সময়তে 'হলা গছত বাখি কুঠাৰ' মৰাৰ দৰে মায়ামৰা সম্প্ৰদায়ৰ বিৰুদ্ধে অবাধে লেখা-লেখি কৰাটো এক শ্ৰেণীৰ লেখকৰ

• অনিৰুদ্ধদেৱৰ পুত্ৰ।

এটা আমোদজনক কাৰ্য হৈ উঠিছিল। এনে লেখক সকলৰ লেখাৰ ওপৰতে নিৰ্ভৰ কৰি বৰ্তমান ভাৰতীয় গণতন্ত্ৰৰ অনুকূল ইতিহাস ৰচনা কৰা কাৰ্যত ব্যস্ত থকা লোক বা অনুষ্ঠানে, বিশেষকৈ অসম সাহিত্য সভাৰ মুখপত্ৰৰ লেখীয়া উচ্চ শ্ৰেণীৰ কাকতে এনে প্ৰবন্ধাদি প্ৰকাশ কৰি আমাৰ জাতীয় সংহতি সাধনৰ অমৃতত বিহ ঢলাৰ নিচিনা কাৰ্যত হাত নিদিয়াই ভাল বুলি ভাবোঁ। •

শ্ৰীমোহন চন্দ্ৰ মহন্ত
( যোৰহাট )

## 'প্ৰকৃত দেশদ্ৰোহী কোন : এটি সমালোচনা'ৰ বিষয়ে একামাৰ।

অসম সাহিত্য সভা পত্ৰিকাৰ ত্ৰয়স্ত্ৰিংশ বছৰৰ তৃতীয় সংখ্যা পত্ৰিকাত শ্ৰীৰামমল ঠাকুৰীয়াই লেখা 'প্ৰকৃত দেশদ্ৰোহী কোন' নামৰ প্ৰবন্ধটিৰ এটি সমালোচনা আগবঢ়াবলৈ যাওঁতে ড° লক্ষ্মী দেৱীয়ে মায়ামৰা সত্ৰ-সংস্থাপক শ্ৰীশ্ৰী৺অনিৰুদ্ধদেৱৰ বিষয়ে নিন্দাসূচক কথা এটি প্ৰকাশ কৰিছে। ইয়াৰ দ্বাৰা একবাকী মহাপুৰুষৰ ব্যক্তিত্ব হনন কৰি এক সংখ্যা-গৰিষ্ঠ সম্প্ৰদায়ক ক্ষুণ্ণ কৰা হৈছে।

শ্ৰীৰামমল ঠাকুৰীয়াই বুৰঞ্জীবিদ শ্ৰীবেণুধৰ শৰ্মাদেৱে কৰা কথাৰ পৰিবৰ্তে "পূৰ্ণানন্দ বুঢ়াগোহাঁইক দেশদ্ৰোহী বুলি অভিহিত কৰাত অনুসন্ধিৎসাৰ গভীৰতা দেখা নাপালো কেৱল ওপৰতে খপ্‌জপাই ফুৰাহে দেখা পালো" আৰু শ্ৰীঠাকুৰীয়াদেৱে নিৰপেক্ষভাৱে মোৱামৰীয়া বিদ্ৰোহৰ কাৰণ অনুধাৱন কৰি "সেই গভীৰ ষড়যন্ত্ৰৰ অন্তৰালত কেইজনমান ধূৰ্ত, স্বাৰ্থপৰ বৈষ্ণৱ বিদ্বেষী শাক্ত ব্ৰাহ্মণৰ চৰিত্ৰ জিলিকি উঠে" বুলি লেখা কথা মানি ল'ব নোৱাৰি ড° লক্ষ্মী দেৱীয়ে ঐতিহাসিক দৃষ্টিকোণৰ পৰা তাৰ সত্যাসত্য বিচাৰ কৰি চাবলৈ বুলি অন্যতম কাৰণ হিচাপে ৺মণিৰাম দেৱানৰ অপ্ৰকাশিত বুৰঞ্জীখনৰ আলম লৈ এই পটভূমিত মায়ামৰা সত্ৰ-প্ৰতিষ্ঠাপক শ্ৰীশ্ৰী৺অনিৰুদ্ধদেৱক থিয় কৰাই কিছুমান অবাস্তৱ যুক্তিৰ অৱতাৰণা কৰিছে।

ড° লক্ষ্মী দেৱীয়ে উক্তি কৰিছে, "অষ্টাদশ শতিকাত অসম নালাগে সমগ্ৰ ভাৰতবৰ্ষতে ব্ৰাহ্মণ শ্ৰেণীৰ বাহিৰে অন্যান্য শ্ৰেণীৰ কেইজন শিক্ষিত মানুহ আছিল ?" সেই উক্তি আমি নিঃসন্দেহে মানি লৈছোঁ। অষ্টাদশ শতিকাহে নালাগে, বৈদিক যুগৰ পৰাই শিক্ষা-দীক্ষা, বুদ্ধি-বৃত্তি সকলো বিষয়তে ব্ৰাহ্মণৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন হৈ আছিছে। ড° লক্ষ্মী দেৱীয়ে শ্ৰীমন্ত শঙ্কৰদেৱে মহেন্দ্ৰ কন্দলীৰ টোলতে শিক্ষা লাভ কৰিছিল— এই কথা উল্লেখ কৰিছে। কিন্তু ব্ৰহ্মজ্ঞান সম্পন্ন কন্দলীয়েও যে জাত্যাভিমান ত্যাগ কৰি শ্ৰীমন্ত শঙ্কৰদেৱক গুৰু বৰণ কৰিছিল, এই কথা উল্লেখ নকৰিলে। লেখিকাই ব্ৰাহ্মণ সংজ্ঞাটো কি ভাবে লব খোজে, আমি নাজানো। তেখেতে উল্লেখ কৰিছে, "গোপালদেৱ বা গোপাল আতাৰ আজ্ঞাৰে অনিৰুদ্ধদেৱে মোৱামৰা সত্ৰ স্থাপন কৰিছিল।



গতিকে গোপালদেৱ অনিৰুদ্ধদেৱৰ গুৰু আছিল। সেই গোপালদেৱে যি শাস্ত্ৰ পঢ়ি গুৰু হৈছিল, সেই শাস্ত্ৰসমূহ কোনোবা অব্ৰাহ্মণে লেখিছিল নেকি ?" কি অদ্ভুত মন্তব্য ! লেখিকাই বোধকৰোঁ শ্ৰীমন্ত শঙ্কৰদেৱ-প্ৰচাৰিত একশৰণ বৈষ্ণৱ ধৰ্মৰ গুৰু-পৰম্পৰাৰ অন্তৰালত কি মহত্বপূৰ্ণ তাৎপৰ্য আছে, সেই কথাৰ ভালকৈ বুজ লৈ এনে উক্তি কৰা নাছিল। গোপালদেৱে যদি শাস্ত্ৰ পঢ়িয়েই গুৰু হৈছিল, তেন্তে ব্যাসদেৱৰ নিচিনা ৰত্নাজ্ঞ, তত্বজ্ঞ ব্ৰাহ্মণে লেখা শাস্ত্ৰহে পঢ়িছিল। বঙ্গ দেশৰ পৰা আমদানি হোৱা শাক্ত ব্ৰাহ্মণে লেখা শাস্ত্ৰ পঢ়ি নিশ্চয় গুৰু হোৱা নাছিল।

স্বৰ্গদেউ ৰাজেশ্বৰসিংহৰ দিনৰে পৰা আহোম ৰাজ-টোলত খিতাপি লৈ ৰাজ-পৰিয়ালক বশীভূত কৰি, তন্ত্ৰ-ভক্ত যোগৰ অৱতাৰণা কৰি নটৰ জীয়াৰী ফুলেশ্বৰী কুঁৱৰীক বৰ ৰজা পাতি ৰজাৰ যি ধৰ্ম প্ৰজাবো সেই ধৰ্ম হ'ব লগা মন্ত্ৰ দি, সত্ৰ মহন্ত সকলক লাঞ্ছনা-লাঞ্ছনা, নিৰ্যাতন কৰাই, ৰৰজাল পাতি, ৰজা-প্ৰজাৰ মাজত বৈষম্য সৃষ্টি কৰাই প্ৰজাবিদ্ৰোহত প্ৰবৃত্ত কৰোৱা কূটনীতিবিশাৰদ সেই কেইজনক ধূৰ্ত, স্বাৰ্থপৰ, দেশদ্ৰোহী বোলাত শ্ৰীঠাকুৰীয়াৰ দোষ ক'ত ? সমগ্ৰ ব্ৰাহ্মণ সমাজৰ ওপৰত শ্ৰীঠাকুৰীয়াৰ ক্ষোভ ক'ত ? দৈৱশক্তিৰ প্ৰভাৱ দেখাই স্বামীক মানসিক বিকাৰগ্ৰস্ত কৰাই, স্ত্ৰীক সিংহাসনত বহুৱাই হাতৰ পুতলা কৰি লোৱা চতুৰালিৰ উদাহৰণ ড° লক্ষ্মী দেৱীয়ে বুৰঞ্জী খোচৰোঁতে অন্য দেশৰ বুৰঞ্জীত পাইছে যদিও আমি নাজানো।

মায়ামৰা বিদ্ৰোহৰ কেইবাটাও কাৰণৰ যুক্তি অৱতাৰণা কৰি এখন অপ্ৰকাশিত বুৰঞ্জীৰ আলম লৈ অযথা উৰুপ কৰোৱা বাবে গোপালদেৱৰ দ্বাৰা অনিৰুদ্ধদেৱক চাৰি সংহতিৰ পৰা বাজ কৰি দিয়াত, কালক্ৰমত সেই আপাহতে তাৰে পোতক তুলিবলৈ বিদ্ৰোহ কৰাও অন্যতম কাৰণ বুলি যুক্তি দৰ্শাইছে। একবাকী ধৰ্মপ্ৰচাৰকৰ বিৰুদ্ধে এনে নিকৃষ্টতম অপবাদৰ কথা কোনো বুৰঞ্জী লেখকে বৰ্ণাই গলেও, সেই সময়ৰ সামাজিক পৰিবেশত সেই বুৰঞ্জী প্ৰশংসাৰ পাত্ৰ হ'ব পাৰিলেও, এই কুৰি শতিকাত প্ৰশংসাৰ পাত্ৰ হ'ব নোৱাৰে। মাধৱদেৱৰ নামত ভণিতা দি লেখা 'আদি চৰিত' আদি আপচু পুথিয়েই ইয়াৰ জ্বলন্ত প্ৰমাণ। কোনো অপ্ৰকাশিত বুৰঞ্জীত এনে ধৰণৰ সাম্প্ৰদায়িক বিদ্বেষমূলক অপকথা থাকিলেও এই যুগত তেনে ধৰণৰ কুৎসিত কথা অৱতাৰণা কৰি কোনো এক সম্প্ৰদায়ক আঘাত দিয়া, বিশেষকৈ এজন মহাপুৰুষৰ চৰিত্ৰত কলঙ্ক সানিবলৈ প্ৰয়াস কৰাত লেখিকাৰ মানসিক সঙ্কীৰ্ণতাৰহে পৰিচয় প্ৰকাশ পাইছে। যি সম্প্ৰদায় প্ৰকাশ্যে ৰাজশক্তিৰ বিৰুদ্ধে প্ৰত্যক্ষ সংগ্ৰামত প্ৰবৃত্ত হৈছিল, সেই বিদ্ৰোহী লোকসকলৰ প্ৰতি কোনো বুৰঞ্জী লেখকেই কোনো প্ৰকাৰে সহানুভূতি প্ৰদৰ্শন কৰিব নোৱাৰে— এইটো স্বাভাৱিক কথা। ৰজাঘৰ আৰু ডা-ডাঙৰীয়াসকলৰ পৃষ্ঠপোষকতাতহে বুৰঞ্জীবিলাক লেখোৱা হৈছিল। সেই সময়ৰ বুৰঞ্জী-লেখকসকলৰ এধানিমানো স্বাধীনতা আছিল বুলি কোনেও বুকুত হাত দি কব নোৱাৰে। প্ৰজাসাধাৰণৰ সুখ-দুখ, আশা-আকাঙ্ক্ষাৰ কথা বুৰঞ্জীত পাবলৈ নাই। পক্ষপাতিত্ব দোষৰ বাবেই কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ আমোলত বহুত বুৰঞ্জী নষ্ট কৰি দিয়া হৈছিল।

৺মণিৰাম দেৱানৰ অপ্ৰকাশিত বুৰঞ্জীখন গোপালদেৱ-অনিৰুদ্ধদেৱৰ প্ৰায় দুশ বছৰৰ পাছত লেখা হৈছিল। সেই সময়ৰ অন্যান্য বুৰঞ্জী বা গুৰুচৰিতসমূহত বা পুৰণি কোনো পুথিত এনে কথা নাই। ৺দেৱানে সেই সময়ৰ এনে আপচু বৰ্ণনাবিলাক কোনখন বুৰঞ্জী বা চৰিত-পুথিৰ আলম লৈ লেখিছিল, এই কথা— ড° লক্ষ্মীদেৱীয়ে উল্লেখ কৰা নাই।

• আমাৰ জাতীয় সংহতি বিনাশ কৰিব পৰা বা কোনো ধৰ্মীয় সম্প্ৰদায়ৰ বিশ্বাস আৰু অনুভূতিক আঘাত কৰিব পৰা প্ৰবন্ধ-পাতি ছপোৱাৰ পক্ষপাতী আমি নহওঁ। ড° লক্ষ্মী দেৱীৰ প্ৰবন্ধটো পত্ৰিকাৰ ত্ৰয়স্ত্ৰিংশ বছৰৰ তৃতীয় সংখ্যাত প্ৰকাশিত প্ৰবন্ধ এটাৰ প্ৰতিবাদহে। প্ৰতিবাদ প্ৰবন্ধটোৰ সংশ্লিষ্ট কথাখিনি পৰিহাৰ কৰিলে লেখিকাৰ বক্তব্য অস্পষ্ট হৈ পৰে বাবেই কথাখিনি আমি যথাযথভাৱে প্ৰকাশ কৰিছিলোঁ।
—পত্ৰিকা সম্পাদক।

অনিৰুদ্ধদেৱৰ নিচিনা উগ্ৰ ভক্তিবাদী মহাপুৰুষ এজনে এনে আচৰণ কদাপিও কৰা নাছিল আৰু নিজ গুৰু গোপালদেৱৰ লগতো এনে আচৰণ কৰা নাছিল। গোপালদেৱে তৃণ এডাল দুখণ্ড কৰি অনিৰুদ্ধদেৱক চাৰি সংহতিৰ বাহিৰ কৰা সত্ত্বেও অনিৰুদ্ধদেৱৰ দিনৰে পৰা চাৰি সংহতিৰ লগত এই সংহতিৰ বৈবাহিক আদান-প্ৰদান আদি বৰ্তি থকাই সেই অপ্ৰকাশিত বুৰঞ্জীত লেখা ৰূপ-কথা অসত্য প্ৰমাণিত হয়।

তদুপৰি আমি বুজিব পৰা নাই, ড° লক্ষ্মী দেৱীয়ে কি সত্যতা এখন অপ্ৰকাশিত বুৰঞ্জীত পাইছে আৰু তাৰ ভিত্তিতেই এনে আক্ৰমণাত্মক বিষোদ্গাৰ কৰিবলৈ প্ৰয়াস কৰিছে। কুৰি শতিকাৰ ভালে-কেইজন প্ৰথিতযশা সাহিত্যিক ৺ডিম্বেশ্বৰ নেওগ, ড° অমলেন্দু গুহ, ড° মহেশ্বৰ নেওগ, ৺দণ্ডিনাথ কলিতা আদিৰ প্ৰকাশিত এনে কিছুমান পুথি আছে য'ত শ্ৰীশ্ৰী৺অনিৰুদ্ধদেৱ আৰু তেৰাৰ অনুগামী শিষ্য-প্ৰশিষ্য তথা মায়ামৰা বৈষ্ণৱ আন্দোলন আৰু বিপ্লৱৰ বিষয়ে বহু আলোচনা-সমালোচনা প্ৰকাশ পাইছে। সেইবিলাক পুথি বোধ হয় ড° লক্ষ্মী দেৱীৰ দৃষ্টিগোচৰ হোৱা নাই, নতুবা সেইবিলাকত তেখেতে কোনো সত্যতাৰ আভাস পোৱা নাই। আমি আশা কৰোঁ, কোনো বিষয়ৰ আলোচনা-সমালোচনালৈ যোৱাৰ আগতে যেন আনুষঙ্গিক সকলোবিলাক তথ্য-পাতিৰ বিচাৰ লৈ নিৰপেক্ষ দৃষ্টিকোণৰ পৰা সমালোচনা আদি কৰিবলৈ প্ৰয়াস কৰা হয়।

শ্ৰীজীৱনানন্দ গোস্বামী
সত্ৰাধিকাৰ
শ্ৰীশ্ৰীমায়ামৰা দিনজয় সত্ৰ।

## কামৰূপ ৰত্নমালা

কামৰূপ জিলা সাহিত্য পৰিষদে যোৱা তিনি-চাৰি বছৰ ধৰি ভালেখিনি কাম কৰিছে আৰু এই পৰিষদৰ সভ্য আৰু সংগঠকসকল আন আন জিলাৰ আদৰ্শ হ'বৰ যোগ্য। বিশেষকৈ 'কামৰূপ ৰত্নমালাৰ' যি দুই খণ্ড আমাৰ হাতত পৰিছে, সেইখিনি অতি মূল্যৱান। আন আন জিলাৰ সাহিত্যিকসকলেও যদি নিজ নিজ জিলাৰ গুণীসকলৰ জীৱনী সংগ্ৰহ কৰে, তেনেহ'লে এখন জীৱনী-অভিধান প্ৰকাশ কৰিব পৰা যাব।

এই দুই খণ্ডৰে বিভিন্ন জীৱনী জনা-শুনা লোকে নিৰ্ভৰযোগ্য তথ্যৰ ওপৰত নিৰ্ভৰ কৰি লেখিছে বুলি আমি বিশ্বাস কৰোঁ। দ্বিতীয় খণ্ডত ওলোৱা শ্ৰদ্ধেয় বিশিষ্ট সাহিত্যিক, নাট্যকাৰ আৰু সাহিত্য সভাৰ প্ৰাক্তন সভাপতি যশস্বী শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱে লেখা অম্বিকানাথ বৰাদেৱৰ জীৱনীৰ বিষয়ে এটি কথা উনুকিয়াবলৈ বাধ্য হলোঁ। হাজৰিকাদেৱে লেখিছে যে পণ্ডিতপ্ৰবৰ হেমচন্দ্ৰ গোস্বামীদেৱে 'অসমীয়া সাহিত্যৰ চানেকি' সংগ্ৰহ আৰু সম্পাদনা কৰি ছাৰ আশুতোষ মুখোপাধ্যায়ৰ হাতত দিয়াত ছাৰ আশুতোষে হেনো অম্বিকা বৰাক গোস্বামীদেৱৰ দোষ ধৰি কৈছিল বোলে মহাপুৰুষ শঙ্কৰদেৱৰ মহত্বৰ অনুপাতে যথেষ্ট ৰচনা 'সাহিত্যৰ চানেকি'ত দিয়া হোৱা নাই; আৰু ছাৰ আশুতোষে বৰাদেৱক সেই ক্ষীণতা দূৰ কৰিবলৈ কলে, আৰু বৰাদেৱেও হেনো ড° বাণীকান্ত কাকতিৰ সহায়ত শঙ্কৰদেৱৰ আৰু কিছুমান ৰচনা অন্তৰ্ভুক্ত কৰিলে। হাজৰিকাদেৱৰ এই কথাটো কবি-কল্পনা যেন লাগে।

হেম গোসাঁত্ৰিৰ অসমীয়া ভাষা-সাহিত্যত পাণ্ডিত্যৰ সম্পৰ্কে আশুতোষৰ অগাধ বিশ্বাস থকাৰ প্ৰমাণ



আছে। ছাৰ আশুতোষৰ কিবা কৰলগীয়া থকা হ'লে পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱক কলেহেঁতেন বা তেখেতলৈ পোনপটীয়াকৈ লেখিলেহেঁতেন। সেই সময়ত বৰাদেৱৰ বিশ্ববিদ্যালয়তো বিশেষ প্ৰতিপত্তি নাছিল; আশুতোষৰ লগত মাত্ৰ নতুনকৈহে চিনাকি হৈছিল। অম্বিকানাথ বৰাদেৱক সাহিত্যৰ চানেকিৰ ছপা-কাৰ্যৰ তদ্বিৰ কৰিবলৈ কোৱা হৈছিল। তদুপৰি ড° বাণীকান্ত কাকতিয়ে অসমীয়া সাহিত্যৰ চানেকিৰ যি Review লেখিছিল, তাতো হাজৰিকাদেৱৰ এই কথা-সমৰ্থক প্ৰমাণ নাই। হাজৰিকাদেৱে অলপ কষ্ট কৰিলে এই বিষয়ে গম পাব।

তপোবনৰ মাজত বহি হাজৰিকাদেৱে অসমৰ বেলেগ বেলেগ নাট্যালয়ৰ যিবিলাক বিবৰণ স্থানীয় লোকৰ দ্বাৰাই চিঠি-পত্ৰৰ সহায়েৰে সংগ্ৰহ কৰি স্বীকৃতি আৰু যশস্যা লাভ কৰিছে, তাত আমি আনন্দ পাইছোঁ। নাট্য মঞ্চবিলাকৰ বিষয়ে কিবা ভুল তথ্য থাকিলে সেইটো হাজৰিকাদেৱৰ ভুল নহয়; তথ্য-যোগনীয়াৰ সকলৰহে দোষ হ'ব।

হাজৰিকাদেৱে অম্বিকানাথ বৰা আৰু হেমচন্দ্ৰ গোস্বামীদেৱৰ সম্পৰ্কে এই গল্প বা তথ্য কেনেকৈ হস্তগত কৰিলে, সেইটো জানিব পাৰিলে ভাল আছিল। কামৰূপ ৰত্নমালাৰ দৰে পবিত্ৰ মধুপৰ্কত অমেধ্য বস্তুৰ ছাট পৰিছে যেন লাগে। হাজৰিকাদেৱৰ এই কাৰ্যৰ দ্বাৰাই অম্বিকা বৰাদেৱৰো মহত্ব বঢ়াব পৰা নাই; অথচ পণ্ডিতপ্ৰবৰ হেমচন্দ্ৰ গোস্বামীদেৱৰ প্ৰতিও অন্যায় কৰা যেন লাগিছে, আৰু অনেক জনা-শুনা লোকো এনে সৃষ্টি-কাৰ্যত ক্ষুণ্ণ হৈছে। কামৰূপ সাহিত্য পৰিষদলৈ আমাৰ শ্ৰদ্ধা অলপো কমা নাই আৰু পদ্মশ্ৰী হাজৰিকাদেৱৰ প্ৰতিও আমাৰ শ্ৰদ্ধাভিন্ন আন কোনো ভাব নাই। তেখেতক ভাল পালেই তেখেতৰ কুকুৰটোকো ভাল পাব নোৱাৰি।

শ্ৰীযজ্ঞেশ্বৰ শৰ্মা
নগাঁও।

## শুধৰণি

পত্ৰিকাৰ চতুস্ত্ৰিংশ বছৰৰ তৃতীয় সংখ্যাত প্ৰকাশিত (পৃষ্ঠা ৮৩) "পবিত্ৰ অসম'ত 'চৰিপোতা সত্ৰ'ৰ ভুল বিবৰণ" শীৰ্ষক টোকাটোৰ অষ্টম শাৰীৰ "এৱেঁই চৰিপোতা সত্ৰ স্থাপন কৰিছিল" কথাখিনিৰ পিছত ছপা হ'ব লাগিছিল— "কেহো বা কেশৱদেৱে যে চৰিপোতা সত্ৰ স্থাপন কৰিছিল" কথাখিনি। ছপাৰ এই ভুলৰ বাবে আমি দুঃখিত।

—পত্ৰিকা সম্পাদক।

# গ্ৰন্থ-পৰিচয়

## ৰত্নেশ্বৰ মহন্ত ৰচনাৱলী

সংগ্ৰাহক আৰু সম্পাদক : যোগেন্দ্ৰনাৰায়ণ ভূঞা
প্ৰকাশক : অসম প্ৰকাশন পৰিষদ
পৃষ্ঠা : ১০ + ৩৬০
মূল্য : ২০·০০ টকা

টোকোনা মহাজনৰ ঘৰৰ বাৰী-গুৱনীৰ ল'ৰা ৰত্নেশ্বৰ মহন্তক মই আনন্দৰাম ঢেকিয়ালফুকনৰ আগৰ শাৰীত আসন দিব খোজোঁ। ঢেকিয়ালফুকনে বংশ-মৰ্যাদা, পদপী আৰু পাৰিপাৰ্শ্বিক সা-সুবিধা পাই ৰত্নেশ্বৰ মহন্তকৈ জীৱনত আগবাঢ়িবৰ কাৰণে বহুত সুবিধা পাইছিল; কিন্তু মহন্তৰ সেইবোৰ সুবিধাৰ অকণো নাছিল। নিঠৰুৱা ৰত্নেশ্বৰে সৰুৰে পৰা আলৈ-আহুকাল, অভাৱ-অভিযোগ, কায়-ক্লেশ, আধি-ব্যাধিৰ মাজেদি শিক্ষা লাভ কৰিব লগা হৈছিল আৰু কাচাৰীত সামান্য কেৰাণীৰ কাম কৰি কাপ-কাঠি কোৰাই চাউল মুঠি মোকোলাইছিল। কিন্তু তেওঁৰ হাতত কাচাৰীত হিচাপ আৰু চৰকাৰী চিঠি লেখা কাপৰ বাহিৰেও এটা স্বকীয়া কাপ আছিল, আৰু সেই কাপটোৰ কাৰণেই আমি আজি ৰত্নেশ্বৰ মহন্তৰ নাম শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

ৰত্নেশ্বৰ মহন্ত একেবাৰে বহু গুণধৰ পুৰুষ। তেওঁ কবি, প্ৰবন্ধকাৰ, নাট্যকাৰ, অভিনেতা আৰু পত্ৰ-লেখক। তেওঁক প্ৰবন্ধকাৰ হিচাপে আধুনিক অসমীয়া সাহিত্যত এক প্ৰকাৰ বাটকটীয়া বুলি কব পাৰি। 'আসাম-বন্ধু' আৰু 'জোনাকী' এই দুয়োখন কাকতৰ তেওঁ বিশিষ্ট লেখক আছিল। সাহিত্য-সমালোচনামূলক, বুৰঞ্জীমূলক, সামাজিক সমস্যা বিষয়ক, বৈজ্ঞানিক আৰু জনজাতীয় নানা বিষয়ক প্ৰবন্ধ ৰচনাত তেওঁ আগ-বণুৱা। তেওঁৰ প্ৰবন্ধৰ বিষয়বিলাকলৈ চালেই ইয়াৰ প্ৰমাণ পোৱা যায়। তেওঁৰ কবিতাতেই আধুনিক যুগৰ অসমীয়া গাঁৱলীয়া জীৱনৰ প্ৰথম বৰ্ণনা পোৱা যায় আৰু তাত সাধাৰণ মানুহৰ জীৱনৰ প্ৰতি সহানুভূতি স্পষ্ট। তেওঁৰ কবিতাত সংস্কৃত সাহিত্য আৰু প্ৰাচীন অসমীয়া সাহিত্যৰ কিছু প্ৰভাৱ স্পষ্ট; কিন্তু জীৱনৰ প্ৰকৃতি-পৰ্যবেক্ষণ তেওঁৰ সম্পূৰ্ণ নিজা। সত্যনাথ বৰাই 'সাহিত্য-বিচাৰ' লেখাৰ বহুত আগতেই ৰত্নেশ্বৰ মহন্তই কাব্য, ৰস, ছন্দ আদিৰ আলোচনা কৰে আৰু সেয়ে আধুনিক সাহিত্যত সাহিত্য-সমালোচনামূলক প্ৰবন্ধৰ আৰম্ভ বুলি কব পাৰি। আধুনিক নাটৰ আহিত তেওঁ 'দ্ৰৌপদী হৰণ' আদি নাটক ৰচনা কৰে, আৰু কিছুমান নাটক এতিয়া দুষ্প্ৰাপ্য হৈছে। উল্লেখযোগ্য যে নাটকৰ অন্তৰ্গত গীতবিলাকত ৰাগ-সুৰ বান্ধি দিছিল।

এনে এজন মহৎ সম্ভাৱনাপূৰ্ণ প্ৰতিভাশালী 'হ'লটৈতেন লোক' মাত্ৰ একুৰি ন বছৰতে অকালতে কালৰ গৰাহত পৰিল। "Wise and young they never live long"। গুণী-জ্ঞানী ডেকা প্ৰায় দীৰ্ঘজীৱী নহয়। এই কথাষাৰ অসমীয়া সাহিত্যৰ দুৰ্ভাগ্যবশতঃ ৰত্নেশ্বৰ মহন্তৰ গাতহে ফলিয়াবলৈ পালে।

ৰত্নেশ্বৰ মহন্তৰ কৰ্ম-জীৱন নগাঁৱতে আৰম্ভ আৰু শেষ হ'ল; কিন্তু সুখৰ কথা যে কামৰূপ সাহিত্য পৰিষদে প্ৰকাশ কৰা 'কামৰূপ ৰত্নমালা' গ্ৰন্থত ৰত্নেশ্বৰ মহন্ত কামৰূপ জিলাৰ সাহিত্যিক বুলিয়েই ধৰি লৈছে, আৰু নগাঁৱৰ মানুহেও তেওঁক নগাঁৱৰ সাহিত্য সাধক



বুলিয়েই গৌৰৱ কৰিব। তেওঁলোকৰ সত্ৰখন বলিয়া গুৰু সত্ৰ বুলি ৺ডিম্বেশ্বৰ নেওগে লেখিছে। আমি কিন্তু 'বলিয়া গুৰু সত্ৰ' বুলিহে গম পাওঁ। তেওঁ নগাঁও জিলাৰ পুৰণিগুদামৰ খাওন্দৰ চুক বোলা ঠাইত জন্ম হৈছিল বুলি আজি কেইবছৰমানৰ পূৰ্বে পুৰণিগুদামৰ কেইগৰাকীমান বয়োবৃদ্ধ লোকে পুৰণিগুদাম সাহিত্য সভাৰ অধিৱেশনত কৈছিল, আৰু পুৰণিগুদাম সাহিত্য সভাই এই সংক্ৰান্তত যথোচিত কাৰ্য কৰিবলৈ গাত লৈছিল। এতিয়া তাপ মাৰিছে যেন পাওঁ। 'বনফুল' বোলা কবিতাত মহন্তই কোৱাৰ দৰে তেওঁ

"মনে মনে বনত লুকাই, বননিৰ মাজত সোমাই,
ৰূপৰ ভঁৰাল মোকোলাই, এন্ধাৰ বননি পোহৰাই "

ৰাজহুৱা অনাদৰৰ আঁৰত মৰহি পৰি আছিল। অধ্যাপক শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞাই ভালেখিনি পৰিশ্ৰম কৰি মহন্তৰ ৰচনাসমূহ গোটাই প্ৰকাশ কৰাৰ বাবে তেওঁ সকলো অসমীয়া সাহিত্য-সেৱীৰ ধন্যবাদৰ পাত্ৰ। লগতে ৰত্নেশ্বৰ মহন্তৰ বিষয়ে ভালেখিনি কথা জনা আৰু তেখেতৰ চিঠি-পত্ৰ সামৰি-সুতৰি থোৱা বুৰঞ্জীবিদ্ সাহিত্য-সেৱী শ্ৰীবেণুধৰ শৰ্মা ডাঙৰীয়াই শলাগৰ ভাগ পাব। মহন্তদেৱৰ জী-নাতি শ্ৰীভাৰতচন্দ্ৰ গোস্বামীয়েও এই সম্পৰ্কত ভালেখিনি সহায় কৰিছে। অসম সাহিত্য সভাই এই ৰচনাখিনি নিজে প্ৰকাশ নকৰি প্ৰকাশন পৰিষদক এই দায়িত্ব দিছে আৰু প্ৰকাশন পৰিষদে পলমকৈ হলেও এই কাম সম্পন্ন কৰি অসমীয়া মানুহৰ শলাগ পাব পৰা হৈছে। ৰত্নেশ্বৰ মহন্তৰ এখন পূৰ্ণাঙ্গ জীৱনী পাবলৈ সকলোৱে আশা কৰে আৰু এই কাম দীঘলীয়া পৰিশ্ৰম আৰু অনুসন্ধান-সাপেক্ষ। তেওঁৰ ৰচনাবিলাকৰ কাল ৰচনাৰ লগে লগে দি যাব পৰা হ'লে ভাল আছিল। সম্পাদক গৰাকীয়ে ক'বৰ দৰে মহন্তৰ মৃত্যুৰ চাৰিকুৰি বছৰৰ পাছত তেওঁৰ ৰচনাৱলী সংগ্ৰহ-কাৰ্য কঠিন আৰু সেই কাৰণেই এই কঠিন কাৰ্য সম্পাদন কৰোঁতা অধ্যাপক ভূঞা সকলোৰে সম্বৰ্দ্ধনাৰ যোগ্য।

কুৰি টকা দি এই গ্ৰন্থ বহুতে এতিয়া কিনিব নোৱাৰি সস্তাত পাবলৈ আৰু হুবছৰমান বাট চাব লাগিব।

শ্ৰীযজ্ঞেশ্বৰ শৰ্মা

## ( সাহিত্য একাডেমীৰ গ্ৰন্থ )

### ১। জয়দেৱ

লেখক : ড° সুনীতিকুমাৰ চট্টোপাধ্যায়
অনুবাদক : ড° মহেশ্বৰ নেওগ
পৃষ্ঠা : ৬৭
মূল্য : ২·৫০ টকা

সংস্কৃত লিৰিক কবিতাৰ ইতিহাসত কালিদাসৰ মেঘদূত কাব্যৰ পিছতে জয়দেৱ-বিৰচিত গীত-গোবিন্দ কাব্যই এক বিশেষ স্থান অধিকাৰ কৰি আছে। ভাগৱতৰ দ্বাদশ স্কন্ধৰ অনুকৰণত দ্বাদশ সৰ্গ আৰু গায়ত্ৰীৰ চতুৰ্বিংশতি অক্ষৰৰ অনুসৰণত চতুৰ্বিংশ অষ্টপদীত ৰাধা-কৃষ্ণ প্ৰেম-কাহিনীৰে ৰচিত জয়দেৱৰ গীত-গোবিন্দ কাব্য কেৱল ভাৰততহে জনপ্ৰিয় এনে নহয়; দেশ-বিদেশৰ বিদ্বৎমণ্ডলীয়েও কাব্যখনিৰ ভূয়সী প্ৰশংসা কৰিছে। আলোচ্য পুথিখনিত ড° চট্টোপাধ্যায়ে জয়দেৱ-প্ৰসঙ্গৰ জনশ্ৰুতি আৰু কল্পিত কথা বিচাৰ কৰি ঐতিহাসিক দৃষ্টিৰে জয়দেৱৰ স্থান-কাল নিৰূপণ কৰিছে। গীত-গোবিন্দৰ উপৰিও 'সদুক্তি কৰ্ণামৃত' গ্ৰন্থত জয়দেৱৰ নামত প্ৰচলিত ছাবিছটা সংস্কৃত শ্লোকৰ লগত গীত-গোবিন্দৰ সম্পৰ্ক বিচাৰ কৰি গ্ৰন্থকাৰে বিবিধ শৈলীৰ জয়দেৱৰ কাব্য-প্ৰতিভাৰ বিচাৰ কৰিছে। জয়দেৱৰ গীত-গোবিন্দ কেৱল সংস্কৃত ভাষাৰে যে উল্লেখযোগ্য নিদৰ্শন এনে

নহয়; গীত-গোবিন্দত বিধৃত ভাষাই অপভ্ৰংশ আৰু তাৰ পৰবৰ্তী বঙলাৰ আদি ৰূপৰো প্ৰকৃতি সামৰি লয়। গীত-গোবিন্দৰ গীতসমূহত অপভ্ৰংশৰ সাদৃশ্য বিচাৰি লেখকে মত প্ৰকাশ কৰিছে যে মধ্য ভাৰতীয় আৰ্যৰ শেষ আৰু নব্য ভাৰতীয় আৰ্য সাহিত্যৰ গীতৰ ছাঁ গীত-গোবিন্দত বৰ্তমান। সেয়ে জয়দেৱক ভাৰতীয় কবিতাৰ প্ৰাচীনসকলৰ শেহৰজন আৰু আধুনিক সকলৰ প্ৰথমজন বুলি আখ্যা দি লেখকে মত প্ৰকাশ কৰিছে : "প্ৰাক মুছলমান ভাৰতৰ ক্লাছিক কবিসকলৰ শেহৰজন ৰূপে তেওঁক বঙ্গৰ আদিকবি, বঙলাৰ প্ৰথম কৃত্ত-কৰ্মা কবিৰূপে আমি ন্যায়সঙ্গত-ভাৱেই জয়দেৱক অভিবাদন জনাব পাৰোঁ।" জয়দেৱৰ সাহিত্য-কৰ্ম আৰু ভাষাৰ বিস্তৃত আলোচনাৰে লেখকে এনেদৰে জয়দেৱক বঙ্গৰ আদি কবিৰূপে প্ৰতিষ্ঠা কৰি জয়দেৱ-সম্পৰ্কত এক নৱ আলোকপাতৰ প্ৰয়াস কৰিছে। গ্ৰন্থখনিৰ পৰা জয়দেৱৰ জীৱন আৰু সাহিত্য সম্পৰ্কে পাঠকে এটি স্পষ্ট ধাৰণা কৰিব পাৰিব। ড° মহেশ্বৰ নেওগৰ এই অসমীয়া অনুবাদ যথাৰ্থতে আঁৰ নলগা। কিন্তু 'সুতৰাং, নাতি-বলৱান জনবিশ্বাস, সমান সমসাময়িক ব্যক্তি' আদি শব্দৰ প্ৰয়োজন-সিদ্ধতাৰ সম্পৰ্কে সন্দেহৰ অৱকাশ থাকে। গ্ৰন্থখনিত বৰ্ণাশুদ্ধিও ভালেমান থাকিল।

## ২। কবীৰ

লেখক : ড° প্ৰভাকৰ মাচ্‌ৱে

অনুবাদক : আব্দুছ ছাত্তাৰ

পৃষ্ঠা : ৬০

মূল্য : ২'৫০ টকা

কবীৰ ভাৰতীয়-ভক্তি-আন্দোলনৰ অন্যতম প্ৰৱক্তা। কবীৰ-বিৰচিত দোহাসমূহ কেৱল হিন্দী সাহিত্যৰ আদি যুগৰে অমূল্য সম্পদ নহয়, সিবোৰৰ প্ৰভাৱ অ-হিন্দী ভাষী অঞ্চলসমূহতো পৰিব্যাপ্ত। আলোচ্য পুথিখনিত লেখকে কবীৰৰ জীৱন সম্পৰ্কীয় পৰস্পৰ-বিৰোধী মতামতসমূহ বিচাৰ কৰি কবীৰৰ জন্ম-স্থান আৰু উত্তৰ কাল সম্পৰ্কে এটি স্পষ্ট ধাৰণা ব্যক্ত কৰিছে। প্ৰচলিত লোককথা অনুসৰি কবীৰ স্বামী ৰামানন্দৰ প্ৰধান শিষ্য, বাল্যকালৰ পৰা মুছলমানৰ ঘৰত লালিত-পালিত। এই প্ৰচলিত বিশ্বাসৰ ভিত্তি আলোচনা কৰি লেখকে কবীৰৰ উদাৰপন্থী ধৰ্মীয় আৰু দাৰ্শনিক মতবাদৰ স্বৰূপ বিশ্লেষণ কৰিছে। পাৰম্পৰিক কুসংস্কাৰ আৰু আচাৰ-ব্যৱহাৰৰ বিভেদ পাহৰি যাতে হিন্দু আৰু মুছলমান পৰস্পৰ কাষ চাপিব পাৰে, — তেওঁৰ কাব্য-সাধনাৰ মাজেদি কবীৰে যে সেই প্ৰচেষ্টা কৰি গৈছিল, লেখকে তাৰ ইংগিত দিছে। গ্ৰন্থৰ শেষৰ ফালে কবীৰৰ দোহাসমূহৰ আলোচনা কৰি হিন্দী সাহিত্যত সিবোৰৰ স্থান নিৰূপণ কৰা হৈছে। সামগ্ৰিকভাৱে কবীৰৰ জীৱন, কাব্য আৰু দৰ্শন সম্পৰ্কে এই পুথিৰ পৰা পাঠকে এটা স্পষ্ট ধাৰণা কৰিব পাৰিব। গ্ৰন্থখনিৰ অনুবাদ মসৃণ আৰু সাৱলীল হোৱা নাই। ভালেমান ঠাইত অনুবাদত ইংৰাজী-ইংৰাজী গোন্ধ অনুভৱ কৰা যায়। তদুপৰি, কবিতাৰ ককাদেউতাক, খাৰীবুলি গঠন (খড়ীবোলী?), সাৰগ্ৰাহী লেখক (ৰসগ্ৰাহী?), এইটো বৰ মজাৰ কথা (উল্লেখযোগ্য কথা?) আদি শব্দ আৰু বাক্যৰ ভুল প্ৰয়োগ ঘটিছে।

## ৩। গালিব

লেখক : এম. মুজিব

অনুবাদক : ছৈয়দ আব্দুল মালিক

পৃষ্ঠা : ১০৭

মূল্য : ২'৫০ টকা

গালিব উৰ্দু কবিসকলৰ ভিতৰত সবাতোকৈ প্ৰসিদ্ধ।



জীৱনৰ আগ বয়সত ফাৰ্চী ভাষাৰে কাব্য-জীৱন আৰম্ভ কৰা গালিবে জীৱনৰ মাজ ভাগত উৰ্দু ভাষাৰ মাধ্যমেৰে যিখিনি কবিতা ৰচনা কৰি গ'ল, সেইখিনি আজিও উৰ্দু সাহিত্যৰ শ্ৰেষ্ঠ সম্পদ। আলোচ্য গ্ৰন্থখনিত লেখকে গালিবৰ সমসাময়িক কালৰ আলোচনা, গালিবৰ ব্যক্তিগত জীৱন, গালিব-সৃষ্ট কাব্যিক পৰম্পৰা আৰু গালিবৰ কবিতাৰ এটি ৰসগ্ৰাহী আলোচনা দাঙি ধৰিছে। গালিবৰ সমগ্ৰ জীৱন নানা ঘাত-প্ৰতিঘাতেৰে পৰিপূৰ্ণ। কিন্তু ব্যক্তিগত, সাংসাৰিক বা সামাজিক দুৰ্যোগে গালিবক কবিতা সৃষ্টিৰ পৰা বিৰত কৰিব পৰা নাই। জীৱনৰ সকলো সময়তে তেওঁৰ কথা বতৰাত, আনকি কবিতাতো এক কৌতুক জিল্‌মিলাই আছে। বিভিন্ন সময়ত বিভিন্ন জনলৈ লেখা তেওঁৰ চিঠি-পত্ৰত তাৰ আভাস আছে। গ্ৰন্থৰ শেষৰ ফালে গালিবৰ কিছুমান গজলৰ অনুবাদ সন্নিবিষ্ট হৈছে। 'ভাৰতীয় সাহিত্যিক গ্ৰন্থমালা'ৰ অন্তৰ্গত সাহিত্য একাডেমীৰ পূৰ্বে উল্লেখিত দুখনি গ্ৰন্থৰ তুলনাত এইখনি গ্ৰন্থৰ অনুবাদ সাৱলীল।

## ৪। শিশু-সাহিত্য

লেখক : ৰবীন্দ্ৰনাথ ঠাকুৰ

পৃষ্ঠা : ১১১

মূল্য : ২'৫০ টকা

উল্লিখিত গ্ৰন্থখনি ৰবীন্দ্ৰনাথ ঠাকুৰৰ শিশু-উপযোগী গল্প-কবিতাৰ অসমীয়া অনুবাদ। গল্প-কবিতাসমূহৰ নিৰ্বাচন কোনে কৰিছে, তাৰ কোনো উল্লেখ গ্ৰন্থত নাই। প্ৰায় আঠৈকুৰি শিশু-উপযোগী গল্প-কবিতা অনুবাদ কৰিছে শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, ড° সত্যেন্দ্ৰ নাথ শৰ্মা প্ৰমুখ্যে দহজন লেখকে। আমাৰ শিশু সকলক বিশ্ববিশ্ৰুত এই কবিগৰাকীৰ ৰচনাৰ লগত পৰিচয় কৰি দিয়া সাহিত্য একাডেমীৰ এই প্ৰচেষ্টা নিঃসন্দেহে প্ৰশংসনীয়। সঙ্কলনটিৰ অনুবাদ সুখ-পাঠ্য। কিন্তু বেটুপাতত কবিজনাৰ নামটি বঙলা আখৰেৰে নেলেখি অসমীয়া আখৰেৰে লেখাটোৱেই বোধহয় অধিক সমীচীন আছিল। গ্ৰন্থখনিৰ বাৰ টকা দাম সাধাৰণ পাঠকে ঢুকি পোৱা সীমাৰ দূৰত্বত হৈছে।

শ্ৰীপ্ৰকাশ গোস্বামী

## বড়ুকাবেহাৰ :

লেখক : শ্ৰীমেদিনী চৌধুৰী

প্ৰকাশক : গুৱাহাটী বুক ষ্টল

পৃষ্ঠা : ১৯৮

মূল্য : ১০'০০ টকা

ঐতিহাসিক ব্যক্তি, তাতোকৈ ধৰ্মগুৰুক কেন্দ্ৰ কৰি লৈ ৰম্যৰচনা চেষ্টা কৰা কাম "ক্ষুৰস্য ধাৰা নিশিতা দুৰত্যয়া"। প্ৰতিভা আৰু মনীষাবৰ্জিত কামৰূপ-অসমত ৫০০ বছৰত এজন শঙ্কৰদেৱ আৰু এজন মাধৱদেৱৰহে আবিৰ্ভাৱ হৈছে। ৰম্যৰচনাৰ উপলক্ষত তেনে পূণ্যশ্লোকৰ লঘুত্ব সাধন কৰিলে অমাৰ্জনীয় দ্ৰোহ আচৰণ কৰা যেন হয়। আলোচ্য গ্ৰন্থৰ সম্বল আহৰণ কৰা হৈছে যি কেইখন চৰিত পুথিৰ পৰা, সেইবিলাকৰ ঐতিহাসিক মূল্য সবাতো তুচ্ছ আৰু নিকৃষ্ট। বজিয়াল (বাঙ্গল) ফুল মাধৱ-দেৱৰ ৰসিক অন্তৰৰ প্ৰতীক, তাৰ গাঢ় সেউজীয়া আৰু ৰঙা ৰং জীৱনী শক্তি আৰু যৌন বাসনাৰ প্ৰতীক। বজিয়াল ফুলৰ ফল নধৰে, সুপ্ত বা শুদ্ধ কাম-বাসনাৰো তেনেকৈ ফল নাই। এই উপমাত সামান্যধৰ্মত দোষ থাকি গ'ল। তুলসীৰ সংস্পৰ্শলৈ অহাৰ সময়ত মাধৱদেৱৰ বয়স সত্তৰিৰ ওপৰ। কাৰণ হাজোত জমাহ থাকি বেহাৰলৈ যোৱাৰ সময়ত ৰজা লক্ষ্মীনাৰায়ণৰ আগত মাধৱদেৱে কৈছিল—

শুনিয়ো মাধৱে বুলিলন্ত নৃপতিক।

সত্তৰি বৎসৰ মোৰ পঞ্চম অধিক । ৰামানন্দ ৫৬৫ অথচ "ইচ্ছা নকৰা সত্ত্বেও তুলসীৰ মূৰত হাত থৈ তেওঁ এইমাত্ৰ আশীৰ্বাদ দিছিল । এয়া যে জিতেন্দ্ৰিয়ৰ লক্ষণ নহয় ।" তুলসীৰ "নাৰী মূৰ্ত্তিটো দেখি মাধৱৰ কিঞ্চিৎ অপৰাধবোধ হ'ল ।" (পৃঃ ৮৯)। "আকৌ নাৰী। হয়তো আকৌ কোনোবা অদৃশ্য হাতৰ আৰু এক মোক্ষম চাল" (পৃঃ ১১১)। "এনে অপৰূপ লাৱণ্যৰ আকৰ লুকাই থাকিব পাৰে, মাধৱে কল্পনাই কৰিব পৰা নাছিল ।" (পৃঃ ১১৫)। লেখকে আৰু এক নাৰীক শ্মশানৰ পৰা সঞ্জীৱিত কৰি আনিছে— কুমাৰকুঞ্চিত সামান্য কাহ-জ্বৰতে শয্যাতে মৃত্যু হোৱা ৰুক্মিণী বা বিষ্ণুপ্ৰিয়াক । কথা গুৰুচৰিতৰ আখ্যানত (পৃঃ ৭১) মাধৱে ৰুক্মিণীক কান্ধত তুলি নি গুৰুজনৰ আগত নমাই থৈছিল, গুৰুজনে কৈছিল "ৰামানন্দৰ মাক, তুমি নিগুণত গুণ দিব খুজিছিলা, চোৰাঁ ।" নিশ্চয় কান্ধত তুলি অনা ৰুক্মিণী পুষ্পিতা নহয়, গুৰুজনে মনুক সাত বছৰতে বিবাহ দিছিল । এই ৰুক্মিণীয়ে হাতত বাঙ্গল ফুলৰ মালা লৈ মাধৱদেৱক বৰণ কৰিবলৈ আঁৰত বৈ আছিল বোলাটো অদ্ভুত ৰসৰ চিন । কালিন্দী আয়ে ভিতৰৰ পৰা 'চিৰকূট' এখন আনি তীব্ৰ অভিযোগেৰে মাধৱদেৱৰ হাতত দিলেহি, তাত গড় বান্ধি যুঁজাৰ কথা লেখা আছিল । দৈত্যাৰিয়ে গড় বান্ধি যুঁজাৰ কথা ৰামচৰণৰ ক্ষেত্ৰতহে দিছে (৬০ / ২৫-২৬)। এনেবিলাক কথাৰ পৰা প্ৰতিপন্ন হৈছে মাধৱদেৱ কপট ব্ৰহ্মচাৰী । লেখকে ধাৰণা কৰি লৈছে, প্ৰেমৰ বাসনা নাথাকিলে উপন্যাসৰ নায়ক হ'ব নোৱাৰে ।

গ্ৰন্থখনৰ প্ৰধান প্ৰতিপাদন হৈছে শঙ্কৰদেৱে ৰাধিকা সতীক লৈ আৰু মাধৱদেৱে হীৰামণিহঁতক লৈ সামাজিক বিপ্লৱ সংগঠন কৰি হাজাৰ বছৰৰ কুসংস্কাৰ, আবৰ্জনা দূৰ কৰিব খুজিছিল । নিম্ন সম্প্ৰদায়ৰ মাজত ধৰ্ম প্ৰচাৰ কৰা বৈষ্ণৱ গুৰুসকলৰ উদ্দেশ্যই আছিল। এই বিষয়ত গোপাল আতাৰ ভাগৰ গুৰুসকল, অনিৰুদ্ধদেৱৰ আৰু আধলীয়া যদুমণিৰ ভাগৰ মাৰমৰা গুৰুসকল প্ৰসিদ্ধ হৈ পৰিছিল । আনসকলৰ অৱদানো তেনেই নগণ্য নাছিল । কিন্তু এইটো মাৰ্ক্সবাদৰ নেওতাৰ 'শোষক আৰু শোষিতৰ' কথা নহয়; "কুকুৰ-শৃগাল গৰ্দভৰো আত্মাৰাম" বুলি কলে মাৰ্ক্সতকৈ কুৰিহাত ওপৰত উঠেগৈ । ভাৰতৰ ধৰ্মৰ ইতিহাসত নৱম শতিকাৰ পৰা ধৰ্ম-জাগৰণ এটা চলি আহিছিল । তাৰ এটা সুঁতিত পূৰ্বভাৰতত সহজীয়া বৌদ্ধ সিদ্ধসকলে সবৰী, চাণ্ডালী, দোম্বীৰ লগত সাধন কৰি এটা উপায় দেখুৱাইছিল । আনখন সুপ্ৰশস্ত নদী হ'ল ভাগৱতৰ ধৰ্ম, য'ত যাগ-যজ্ঞ কৰ্মকাণ্ডতকৈও উচ্চ আৰু সৰল-সহজ মোক্ষ-সাধনৰ উপায় আপামৰ লোকৰ কাৰণে প্ৰচাৰ কৰা হৈছে । তাৰ প্ৰথম স্তৰ সৎসঙ্গ অৰ্থাৎ বৃত্তিগত হীনাচাৰ ত্যাগ কৰি গুৰু-ভকতৰ আশ্ৰয় গ্ৰহণ । গাৰোৰ সুন্দৰ কুমাৰ, কোচৰ বলিনাৰায়ণ, আইধাই প্ৰভৃতিক শৰণ দিয়া মাধৱদেৱে হীৰামণিহঁতক ৰামদাসৰ হতুৱাই শৰণ দিওৱা (ৰামদাসৰ সত্ৰ নাছিল) আৰু চীৰামণিহঁত ৰঙ্গিয়াল ঘৰলৈ ভাওনা চাবলৈ নহা কথা খাপ খাই পৰা নাই; মাধৱদেৱে হীৰামণিহঁতক শঠ ব্যৱহাৰ কৰাহে প্ৰমাণিত হৈছে । এই প্ৰসঙ্গত ৰামচৰণৰ লগত মাধৱদেৱ গোবিন্দৰ মতানৈক্য চৰিত বোৰে প্ৰমাণ নকৰে। ৰামচৰণক শিক্ষা-দীক্ষা দি মাধৱদেৱে জ্ঞানী কৰিছিল, ভাত ৰান্ধিবৰ কাৰণে তেওঁক লগত ৰাখিছিল, আৰু বেহাৰত শেষ নিশ্বাসো ৰামচৰণৰ কোলাতে ত্যাগ কৰিছিল । গোবিন্দই ৰামচৰণক সংস্কাৰাচ্ছন্ন অন্ধ পথবাহী বোলা সমীচীন হোৱা নাই । ট্ৰট্স্কিৰ মতে নিয়াৰি আৰু হাতুৰীৰ মাজত নপৰিলে সমাজৰ সংস্কাৰ নহয় । ভাৰতবৰ্ষত সেইটো হোৱা নাছিল । শঙ্কৰদেৱৰ ধৰ্ম অসমৰ সৰ্বাধিক লোকৰ ধৰ্ম, তাৰ কোনো শাখাতে জাতি-



ভেদ উচ্ছেদ কৰি: সাম্যবাদ স্থাপন কৰা দেখা নাযায় । হোৱা হ'লে আজি অসমত ভাৰতৰ সকলো ৰাজ্যতকৈ আগতে জাতীয় সংহতি প্ৰতিষ্ঠিত হ'লহেঁতেন আৰু অসমৰ বাহিৰে-ভিতৰে থকা জনজাতিবিলাকৰ সৈতে ভ্ৰাতৃত্বৰ সোণৰ জৰীয়ে জকমকাই থাকিলহেঁতেন । লেখকৰ যুক্তিৰে কোৱা যায়— মাছখোৱা বিলাক মাছ-বধৰ পাপী, গতিকে জোতা পিন্ধাসকল গো-বধৰ পাপী । দৰাচলতে ভাগৱতৰ ধৰ্মই হীন বৃত্তিধাৰী চাণ্ডাল আদিৰ প্ৰতিও মুক্তিৰ দুৱাৰ খুলি দিছিল । শঙ্কৰদেৱ-মাধৱদেৱেও নিবৃত্তি ধৰ্ম দেখুৱাই আৰ্য সমাজৰ বহিঃস্থ লোকসকলক 'শৰণীয়া' কৰি সমাজভুক্ত কৰি লৈছিল; আনকি যৱন চান্দসাইকো । বিষ্ণু ধৰ্মোত্তৰ পুৰাণত তন্তুবায়, নট অধম সঙ্কৰ; কিন্তু নাৰায়ণ ঠাকুৰ মাধৱদেৱৰ সখি, মথুৰা দাস বৰপেটাৰ সত্ৰীয়া । 'কেওট' শব্দটো 'কৈবৰ্ত' শব্দৰ পৰা উদ্ভূত । বৃত্তি পৰিত্যাগ কৰি এইসকল সমাজভুক্ত হৈছিল; সেইদৰেই কোচ, চুটিয়া আৰু আহোম সকলো । বৈষ্ণৱ গুৰুসকলৰ অসমত এইটোৱেই মহৎ দান । তাৰে সাক্ষী স্বৰূপে ৰামচৰণে দিয়া—ৰাধিকা সতীয়ে পলত পানী আনি জান বন্ধা কথাটো ঐতিহাসিক সিদ্ধান্ত বুলি কোৱাৰ যুক্তি নাই; তেনেকৈ চিহ্নযাত্ৰাক চিনেমা বুলি ধৰি লোৱাটো হাস্যাস্পদ হৈ উঠিছে ।

জাতি-ভেদ উচ্ছেদ কৰা এটা যুগৰ পক্ষেও অসম্ভৱ । গুৰু দুজনে তাৰ বৈষম্যবোধ নিমজ কৰাৰ উপায় আবিষ্কাৰ কৰিছিল । এইটোৱেই তেওঁবিলাকৰ উৎকৃষ্ট সামাজিক অৱদান । ৮৬ পৃষ্ঠাত লেখকৰ প্ৰগল্‌ভ প্ৰৌঢ়িযুক্ত মন্তব্যবিলাক মহাপুৰুষীয়া ধৰ্মৰ ৫০০ বছৰীয়া ইতিহাসে স্বীকাৰ নকৰে । স্মৰণ ৰখা উচিত যে জনজাতিৰ মাজত দ্বীপৰ দৰে অৱস্থিত আৰ্য সমাজত জাতি-ভেদৰ বিষাক্ত দাঁত অন্য দেশৰ তুলনাত নগণ্য । ই বৈষ্ণৱ ধৰ্মৰ দান । ভাগৱততো অলেখ শ্লোকত নিৰ্ণয় কৰা হৈছে যে বৈদিক ধৰ্মৰ পৰোক্ষ আৰু নিভৃত অৰ্থ অহৈতুকী ভাগৱত-প্ৰীতিহে, অদ্বৈতসিদ্ধি আৰু নিৰ্বাণ নহয় । "যিটো ব্ৰহ্মজ্ঞানী দেখে সবে মিছা । ............ শুনা সখী মই চাৰিতো বাজ ।" দামোদৰদেৱ আৰু মাধৱদেৱৰ বিৰোধ লৈ লেখক বিপদত পৰিছে । তাৰ সঙ্কেত দৈত্যাৰিৰ ৩২০-২১ পৃষ্ঠাত আৰু কথা গুৰুচৰিতৰ ৩৯৬ পৃষ্ঠাত আছে । বনমালীদেৱৰ শিষ্য গোবিন্দ দাসৰ সম্প্ৰদা চৰিতত সকলো সন্দেহ নিৰসন হৈছে । এই বিৰোধ সোতৰ শতিকাৰ পৰাহে গজ্‌গজীয়া হৈছে বুলি স্পষ্ট বুজা যায় । ৰামৰায় আৰু নীলকণ্ঠই তাকেই লিপিবদ্ধ কৰিছে ।

মধ্য যুগত উপনিষদ আৰু বেদ অসমত ক'ত চৰ্চা হৈছিল, জানিব পৰা নাই । দেশত সুবিধা থকা হ'লে কণ্ঠভূষণ বাৰাণসীলৈ বেদান্ত পঢ়িবলৈ নাযায় । গ্ৰন্থখনত উপনিষদৰ তত্ত্বতকৈ উপাখ্যান কেইটামানহে সন্নিৱিষ্ট হৈছে । গোবিন্দই ভাগৱতৰ মূলকে পঢ়ি চোৱা নাই অথচ ঋগ্বেদ, যজুৰ্বেদ আৰু উপনিষদৰ মহলা মাৰিছে । বৌদ্ধ আৰু আজীৱকসকলৰ প্ৰস্তাৱত লেখকে ভাবি চোৱা নাই যে পোন্ধৰ-ষোল শতিকাত কামৰূপ-অসমত পালি সাহিত্যৰ প্ৰচাৰ আৰু অধ্যয়নৰ সম্ভাৱনাও নাছিল ।

গ্ৰন্থকাৰে ৰনগঞাগিৰীৰ যি চৰিত্ৰ অঙ্কণ কৰিছে, তাৰ আধাৰ হ'ল তথাকথিত ৰামচৰণৰ চৰিত্ৰৰ ৩৯১৫, ৩৯১৬ আৰু ৩৯২০ সংখ্যক পদ । দৈত্যাৰি ঠাকুৰ, ভূষণ দ্বিজ, আৰু ৰামানন্দ দ্বিজৰ চৰিত্ৰত ৰনগঞাৰ নৰবধৰ কথা আছে । ৰামানন্দই কৈছে— শঙ্কৰদেৱে ৰামৰাম গুৰুৰ হতুৱাই প্ৰায়শ্চিত্ত কৰাইছিল (ৰামানন্দ, পদ ২৫৬—২৬১) । কথা গুৰুচৰিতত (পৃঃ ২৩০, ২৩১, ৬১৯) সত্যানন্দ আৰু হাথিয়া দলৈয়ে কমললোচনৰ পত্নীক ধীৰাই (জয়ধৰ)

চৌধুৰীলৈ আৰু ৰামানন্দৰ পত্নী সিন্ধুমতী বা সুমতীক ৰঘুদেৱলৈ খোজাৰ কথা কোৱা হৈছে। সুমতীক ৰঘুদেৱে দুকুৰি নে আঠৈকুৰি টকা লৈ ভাতৃ আৰু খুৰাকৰ হাতত এৰি দিলে। সন্তানন্দ, জয়গুৰু আৰু হাথিয়া দলৈ মাধৱৰ পুত্ৰ (ৰামানন্দ, ৮৬১)। ৰামচৰণে এই কেলেঙ্কাৰী কথা ক'ব পৰা আনিলে কব নোৱাৰি। কথা গুৰুচৰিতত কোৱা হৈছে যে অমৃতকৰৰ ঘৰৰ সভালৈ বনগঞাগিৰী মাধৱদেৱৰ লগত গৈছিল। বনগঞাগিৰী পূৰ্বৰ পাপাচাৰৰ কাৰণে আৰু বিদ্যা-বুদ্ধিৰ হীনতাৰ কাৰণে আচাৰ্য পদৰ অযোগ্য বুলি শঙ্কৰদেৱে ধাৰণা কৰাটো প্ৰত্যক্ষ কথা। বিদ্যাহীনতাৰ কাৰণেই দামোদৰদেৱৰ ওপৰত আচাৰ্য পদ গুৰুজনে নিদিলে। দামোদৰ-মাধৱৰ শত্ৰুতা তাৰ কাৰণেই। বৰ পূৰ্বতেই দামোদৰদেৱক শঙ্কৰদেৱে নিজৰ সত্ৰ পাটবাউসীৰ গাতে লগাকৈ প্ৰতিষ্ঠা কৰি লৈছিল। বনগঞাগিৰীৰ নাতি-পুতিসকলে কুমাৰকুছি আৰু ৰতনপুৰত সত্ৰ স্থাপন কৰে (কায়স্থ সমাজৰ ইতিবৃত্ত)। আলোচ্য গ্ৰন্থত ইচ্ছাকৃতভাৱে বনগঞাগিৰীক 'ভিলেইন' সজাই লোৱা হৈছে। বনগঞাগিৰীয়ে নিজে হাতত দা লৈ 'গুৰুদ্ৰোহী' মাধৱদেৱৰ কীৰ্তি ৰঙ্গিয়াল ঘৰ কাটি-ছিঙি ভস্মসাৎ কৰা কথা ৰামচৰণতো নাই, আৰু নাই নিৰ্বাসিত মাধৱদেৱৰ আগত নিজৰ বিজয় সগৰ্বে ঘোষণা কৰাৰ কথা। শিল্পৰ প্ৰয়োজনত ভিলেইন সৃষ্টিত আপত্তি নাই। কিন্তু ইতিহাসৰ চৰিত্ৰৰ পৰিষ্কাৰ সমৰ্থন নাথাকিলে এনে উদ্ভাৱনা গঞ্জনাৰহে যোগ্য। কাৰণ ঐতিহাসিক কোনো ব্যক্তিক অযথা নিন্দাভাজন কৰাটো সু-বিবেচনা বুলি কব নোৱাৰি।

দৈত্যাৰি ঠাকুৰৰ ৰচনাকাল ১৫৩২ শক, ভূষণ দ্বিজৰো ঠিক সেই কালেই। দুয়ো শুনা কথাৰ ওপৰত ভিত্তি কৰি পদ সৃষ্টি কৰিছে আৰু দুয়ো 'আৰসি' নোহোৱাৰ কথা কৈছে। ৰামচৰণ দৈত্যাৰিৰ পিতৃ, মাধৱদেৱৰ ভাগিন। মাধৱদেৱৰ পৰা শুনা কথাকে হেনো ৰামচৰণে লিপিবদ্ধ কৰিছে। কিন্তু মিলাই চালে দেখা যায় ৰামচৰণৰ পুথিত আন দুখনৰ পদবোৰ যেনে আছে তেনেই তুলি দিছে বা সামান্য ছন্দৰ পৰিবৰ্তন কৰি লৈছে। দৈত্যাৰি আৰু ভূষণৰ পৰা পদবিলাক চুৰকৈ আনি ৰাশি ৰাশি কল্পিত কথা ভেজাল দি কলেৱৰ বৃদ্ধি কৰা চৰিত্ৰখন জাল আৰু তাৰ কোনো কথাই প্ৰামাণ্য বুলি গ্ৰহণ কৰিব নোৱাৰি, ইয়াত সন্দেহ নাই। অন্যান্য কথাৰ দৰে বনগঞাগিৰীৰ বৃত্তান্তও অন্য চৰিত্ৰৰ সমৰ্থন নথকা হেতুকে অগ্ৰাহ্য। গতিকে আলোচ্য উপন্যাসৰ মেৰুদণ্ডই নাই।

উপন্যাসখনৰ কেন্দ্ৰীয় ঘটনা হ'ল ৰঙ্গিয়াল ঘৰ নিৰ্মাণ আৰু তাত নটুৱা-নাচ প্ৰদৰ্শন। তাৰ সাক্ষী—

ৰৰঘৰ নটুৱাক তুমি নকৰিবা
তাক যদি কৰা তেবে দুখক লভিবা
তিনিজন লোকৰ নুহিবো গুৰু আমি
নিশ্চয় কৰিয়া তাক কহোঁ শুনা তুমি। ৩৭৬৩
ৰাজা স্ত্ৰী কৰ্মকাণ্ডী ব্ৰাহ্মণসবৰ
কদাচিতো গুৰু নোহোঁ আমি ইসবৰ
ৰাজনীতি ৰাজকৰ্ম কৰিবে লাগয়
হাস ছাগ কাটি বিভিচাৰে প্ৰবৰ্তয়। ৩৭৬৪

মাধৱদেৱে আটাইকেইটা উলঙ্ঘা কৰিলে বুলি অভিযোগ অনা হৈছে ৰামচৰণ ঠাকুৰ আৰু বনগঞাগিৰীৰ যোগেদি। কিন্তু শঙ্কৰদেৱে নিজে সুদীৰ্ঘ জীৱনত নৃত্য-গীতৰ মাধ্যমেৰে ধৰ্মপ্ৰচাৰ কৰি অভেদাত্মা স্বৰূপ মাধৱদেৱক কিয় তিনি কটপা দি নিষেধ কৰিছিল? স্ত্ৰী-ভাৱৰীয়া শঙ্কৰদেৱৰ কোন নাটকত নাই, আৰু কোন নাটকত নৃত্য আৰু স্ত্ৰী-নৃত্য নাই? ভাগৱতী ভক্তিধৰ্ম সৰ্বভাৰতীয় ধৰ্ম; কিন্তু নৃত্য-গীত, নাটক শঙ্কৰদেৱৰ নিজা মহৎ সৃষ্টি। শঙ্কৰদেৱৰ



নাটক সংলাপ-প্ৰধান নহয়, গীত-নৃত্য-প্ৰধান। সংলাপ আৰু চৰিত্ৰ সৃজন সিমান গুৰুত্বপূৰ্ণ নহয়। ৰঙ্গিয়াল ঘৰ সুৰানন্দই দাহ কৰাৰ আগে আৰু পাছে নটুৱা নাচৰ কথা, ৰামায়ণৰ প্ৰত্যেক কাণ্ডৰে যাত্ৰাভিনয় কৰা কথা, স্বয়ং মাধৱদেৱে নৃসিংহ, বিশ্বামিত্ৰৰ ভাও লোৱাৰ কথা বিতংভাৱে ৰামানন্দৰ মাধৱদেৱৰ চৰিত্ৰত আছে (৩৩৯—৫১, ৩০১-৬)। মাধৱদেৱে নিজে নটুৱা সজাইছিল আৰু ছোঁ-মুখা কৰিছিল। ৰঘুদেৱ ৰজাক বিদ্যাবিশাৰদ বিপ্ৰই খল লগাইছিল; মিছা প্ৰমাণ হোৱাত সুৰানন্দক সসন্মানে থৈ আহিবলৈ ক'লে। কিন্তু ৰঘুদেৱে ক'লে—

"নটুৱাসবক মই, পাছেহে বিদায় দিবে'।,
নৃত্য-গীত আনন্দ দেখিয়া।
মাধৱক কৈবি মোক, আশীৰ্বাদ কৰিবন্ত,
আপোনাৰ সত্ৰত থাকিয়া॥"

নটুৱাৰ ওজা কমলনয়নৰ ৰাজ-সমাদৰ পাই গৰ্বত "উদ্ধতি" বাঢ়ি গ'ল। এদিন নাচৰ ছেৱত মহিষী-পৰিবৃত ৰজাৰ ওচৰ পোৱাত ৰঘুদেৱে কমলনয়নক চকু কাঢ়ি গড়ৰ বাজত থবলৈ ক'লে (৪৮৬-৪৯৩)। ৰামচৰণৰ পদতে আছে, সুৰানন্দই নটুৱাবোৰৰ তিৰোতাৰ সাজ পৰীক্ষা কৰি নটুৱাবোৰযে পুৰুষহে, জানি ললে আৰু তেওঁৰ ভ্ৰম গুচিল। ৰজা ৰঘুদেৱ এই সময়ত লক্ষ্মীনাৰায়ণৰ লগত সংঘৰ্ষত ব্যস্ত; গতিকে গদাধৰসিংহৰ দৰে সত্ৰত ধন লুট কৰিবলৈ সুৰানন্দক পঠিয়াইছিল; সুৰানন্দই এহাজাৰ টকা খুজিছিল। মাধৱদেৱে "ৰজাৰ যদি ইমান আকাল, মোক ডিঙিত জৰী দি বান্দৰ নচুৱাগৈ" বুলি কৈছিল আৰু বহা ঠাইত পুতি থোৱা ৩৬০ টকা সুৰানন্দক দিছিল। পাছত এই টকা ওলোটাই পালে। এই প্ৰসঙ্গত সন্তমালাত কিছু পদ আছে—

"শুনিওক মাধৱ ৰৰ ঘৰ নকৰিবা।
ননচাইবা নায়কা, বিপ্ৰকুল নিহিংসিবা।"

পাছত লেখা যদিও এই পুথিত সত্য কথা আছে। মধ্য যুগত বৈষ্ণৱ, শাক্ত, শৈৱ সকলো ধৰ্ম-মন্দিৰতে দেৱদাসী নৃত্য চলিছিল। তাত কুমাৰীসকলে নাচে। অসমৰ কামাখ্যা, হাজো, বিশ্বনাথ আৰু দেৰগাঁৱত কুমাৰী-নৃত্য চলিছিল। মাধৱদেৱ মৌন ব্ৰহ্মচাৰী হৈ সাত বছৰ (কোনোৱে ১৪ বছৰ বোলে) কটোৱাত নাৰায়ণ ঠাকুৰে তেওঁক পুনৰ নৃত্য-গীত-যাত্ৰাৰে জাকজমক ধৰ্ম প্ৰৱৰ্তনৰ উপদেশ দিছিল।

যিহোক সিহোক গুৰু আজ্ঞা শিৰে লও।
ৰঙ্গিয়াল ঘৰ সাজি নায়কা সধাও॥
এহি বুলি বৰপেটা স্থানে চলি গৈলা।
ৰঙ্গিয়াল ঘৰ সাজি নায়কা সধাইলা॥
—সন্তমালা—৪৪৩।

যুৱতী অথবা স্ত্ৰী-ভূমিকাত পুৰুষ নচুৱা, ৰজাক শৰণ দিয়া, স্ত্ৰীক শৰণ দিয়া, কৰ্মকাণ্ডী ব্ৰাহ্মণক শৰণ দিয়া এইবোৰ নিষেধ কৰা সত্ত্বেও শঙ্কৰদেৱৰ দিনৰ পৰাই লঙ্ঘন কৰা হৈছিল। স্বয়ং ৰামৰাম গুৰু শঙ্কৰদেৱৰ বংশৰ ক্ৰিয়াকাণ্ডী ব্ৰাহ্মণ, ভূষণ দ্বিজৰ ককাক চক্ৰপাণিয়ে যাঠি ঘৰ যজমান এৰি দি শঙ্কৰদেৱত শৰণ লয়। হেৰেমৰ কছাৰী-ৰজাক শঙ্কৰদেৱৰ আদেশত মাধৱদেৱ আৰু নাৰায়ণ ঠাকুৰে শৰণ দিয়ায়। গোপাল আতাৰ মাক ৰত্নাঙ্গীক, আইধাইক, কুমাৰ বলিনাৰায়ণক, সুৰানন্দক, গাৰোৰ কুমাৰ সুন্দৰক মাধৱদেৱে শৰণ দিয়ে। সম্ভৱতঃ ৰঘুদেৱৰ নিগ্ৰহৰ পাছত মাধৱদেৱে গুৰুৰ আজ্ঞা ভঙ্গ কৰাৰ কাৰণে শাস্তি, লাঞ্ছনা পোৱাত এনে এটা কাহিনীৰ সৃষ্টি হৈছিল। বনগঞাগিৰীৰ প্ৰৰোচনাত নহয়, বিদ্যাবাগীশৰ খল কথাতহে এই কাণ্ড ঘটিছিল। মাধৱ ইমান পবিত্ৰাচাৰী যে হাজোৰ দৰে পবিত্ৰ ঠাইহে তেওঁৰ বাসৰ যোগ্য। তেতিয়াহে হাজোৰ নমস্য মাধৱৰ (মন্দিৰ ৰঘুদেৱে সজোৱা) গ্লানিৰ বাবে জীয়া মাধৱ নিজেই দেশান্তৰী হ'ব।

লেখকে এই সংক্ৰান্তত বজিয়াল ঘৰৰ প্ৰাঙ্গণত জুৱা খেলৰ কথা এটা উপস্থাপন কৰিছে, সেইটো বৰ্ত্তমান গাঁৱলীয়া ভাৱনাঘৰৰ ওচৰত ঘটা ঘটনা। লেখকে সেই কাল লৈ প্ৰক্ষেপ কৰিছে, লগতে ঋগ্বেদৰ জুৱাৰীৰ আত্মনিন্দা এটাও উল্লেখ কৰিছে। উপহাস ধাৰ কৰি আনিব নালাগে।

অসতৰ্কতাৰ কাৰণে লেখক একাধিক প্ৰমাদত পৰি গৈছে। ৪৩ পৃষ্ঠাত পুৰুষোত্তমক অবোধ শিশু বুলি ৰামচৰণৰ চৰিতৰ মতে পুৰুষোত্তমে খড়ি মাটি চুৰ কৰা বুলি খেদোক্তি কৰিছে। দৈত্যাৰিৰ ৩৩৮-৪০ পৃষ্ঠাত হৰিচৰণে খড়িমাটি বলেৰে লৈ যোৱা ঘটনাৰ বিৱৰণ দিছে। এই কথা কথা গুৰুচৰিতৰ ৩৫৪ পৃষ্ঠাত উল্লেখ কৰিছে। ˘১৪৯০ শকত সাত বছৰ হ'লে, ১৫১৫ শকত পুৰুষোত্তম অবোধ শিশু হৈ থাকিব নোৱাৰে। লেখকে স্পষ্টকৈ কৈছে যে হীৰামণিহঁত চকীয়া মাজীৰ কুলৰ কৈৱৰ্ত। মাজী বুলিলে যদি কৈৱৰ্ত বুজায়, মাধৱদেৱ ঘাঘৰী মাজী নামৰ কৈৱৰ্তৰ ঘৰতে থকাটো স্থিৰ হয়। ভবানন্দই কামৰূপৰ বিশিষ্ট লোকৰ কথা শঙ্কৰদেৱৰ আগত কওঁতে কৈছিল যে চকীয়া মাজীয়ে অন্নশালা, পানীশালা দিছিল। তেওঁৰ ঘৰতে থাকি মাধৱদেৱে মাতৃশ্ৰাদ্ধৰ বাবে আয়োজন কৰিছিল ৰাৰাদিত। ৰামানন্দ দ্বিজে কৈছে যে চকীয়া মাজীৰ ঘৰৰ সভালৈ মাধৱদেৱ যাওঁতে শঙ্কৰদেৱে বিপদ ঘটিব পাৰে বুলি সতৰ্ক কৰি দিছিল। প্ৰসঙ্গৰ অন্তত চকীয়া মাজীৰ ডাঙৰ ভায়েকে মাধৱদেৱক ডিঙিত কাপোৰ বান্ধি চোচোৰাইছিল। পাছত অনুতপ্ত হৈ শঙ্কৰদেৱৰ ওচৰত শৰণ লয়। (১৪৩২-৪৯)।

ধৰ্মসম্বন্ধীয় কিছুমান কথাত লেখকৰ অভিজ্ঞতা নথকা দেখা যায়। নামঘৰৰ ভিতৰত গুৰুৰ আসন ক'ত থাকে? ভাগৱতৰ বাহিৰে অন্য আসন নাথাকে। 'হৰিভকত' শব্দটো একে সময়তে শৰণ লোৱা দুজন লোকে পাৰস্পৰিক সম্বোধন কৰা মাত। শিষ্যই গুৰুক বা গুৰুৱে শিষ্যক বাপ, আতৈ বুলিহে সম্বোধন কৰে। প্ৰভু, প্ৰভু-ঈশ্বৰ আদি শব্দ পৰৱৰ্ত্তী বৈষ্ণৱ যুগত যেতিয়া সত্ৰীয়াসকল স্বাধিকাৰ প্ৰতিষ্ঠ হৈ উঠিল, তেতিয়াৰ। মাধৱদেৱে বঢ়াকৈ তাঁত বোওৱাৰ কাৰণে নিজে বঢ়া হ'ব লাগিছিল, 'ববাৰ পো' কিয়? প্ৰকৃততে মাধৱদেৱক ৰামদাস আদিয়ে বৰগিৰী বুলি সম্বোধন কৰিছিল, তেওঁৰ পিতৃকো কৰিছিল। সেই কাৰণেই ববা বা বঢ়া। লামকণা গোবিন্দ আহোম ৰজাৰ বিষয় খাই ববা হৈছিল বুলি পোৱা নাই, অৱশ্যে সম্ভাৱনাৰ স্থল আছে। 'তুবস্তামান চাউল আৰু আধাবস্তামান মাটি মাহ'' বোলোঁতে জানিব লাগিছিল যে তেতিয়া জুট মিলত বস্তা তৈয়াৰ হোৱা নাছিল। আকৌ কোঁৱৰ ধীৰনাৰায়ণ কোনোদিন যুৱৰাজ নাছিল। মুছলমানবিলাকে পৰীক্ষিতক বন্দী কৰি লৈ যাওঁতে ধীৰনাৰায়ণকে ধৰি চাৰিজন পুত্ৰ লৈ গৈছিল। সেই ঘটনা ১৫৩৪ শকত। মাধৱদেৱ ৰৰপেটাত থকা সময়ত, অন্ততঃ ১৫১৫ শকৰ আগত ধীৰনাৰায়ণৰ অস্তিত্বই হয়তো নাছিল (ওৱেড ২৩৪ পৃঃ)। ৪৭ পৃষ্ঠাত গোবিন্দই গুৰুজনৰ অৰ্থাৎ শঙ্কৰদেৱৰ মুখৰ পৰা এই ফাঁকি ঘোষা শুনা বুলি কৈছিল—

হেন হৰিনাম ব্যক্ত কৰি সমস্ত লোকক উদ্ধাৰিলা
শ্ৰীমন্ত শঙ্কৰে ভাঙিলা সবাৰো পট।

ঘোষাৰ ৰচনা কেতিয়া, আৰু শঙ্কৰে কেনেকৈ এনে উৎকটভাৱে আত্মশ্লাঘা কৰিছিল, তাৰ উত্তৰ দিব পৰা নাযায়। "পৰাশৰৰ মাক (?)" কিৰাত গোষ্ঠীৰ নহয়, নিষাদ গোষ্ঠীৰহে।

অসমত বৈষ্ণৱ ধৰ্ম আৰু ভাগৱতী নামধৰ্মৰ প্ৰচলন আৰু প্ৰৱৰ্তনৰ সম্বন্ধে লেখকৰ মতামত অভিনৱ বুলি ক'ব পাৰি। নতুন এখন গ্ৰন্থ-বৰ্ষ প্ৰদীপৰ



গৃহসূত্ৰ সংস্কৃত সাহিত্যৰ ইতিবৃত্তত পোৱা নগ'ল। শতপথ ব্ৰাহ্মণত পাণ্ডৱ-বৰ্জিত কামৰূপৰ সন্ধান নাই, ব্ৰহ্মাণ্ড পুৰাণত গণেশৰ সহিষ্ণুতাৰ নাম-গন্ধই নাই। মাধৱ কন্দলী আদিৰ লেখাত নামধৰ্মৰ উল্লেখ আছে, গতিকে শঙ্কৰদেৱে সন্তালনি কৰিলে মাত্ৰ— এই অভিনৱ মত সমস্ত প্ৰাচীন অসমীয়া সাহিত্যৰ সাক্ষীৰ বিৰুদ্ধ। বিষ্ণু পূজা থাকিলেই ভাগৱতী ধৰ্ম থাকে, এইটো বিচিত্ৰ কৌতুকপূৰ্ণ মত। হেলিওদোৰাচৰ দিন ধৰি বাসুদেৱৰ পূজা অব্যাহত ভাৱে চলি আহিছে। কিন্তু ভাগৱতী নামধৰ্মৰ অৰ্থই বেলেগ। শঙ্কৰদেৱেই প্ৰথম নামধৰ্ম প্ৰচাৰ কৰিছিল, ভাগৱতী ধৰ্ম স্থাপন কৰিছিল,— ইয়াৰ প্ৰত্যাখ্যান বিপক্ষবাদীৰ ৰচনাতো দেখা নাযায়।

ভাগৱতত ৰাধাকৃষ্ণন, দাসগুপ্ত আদি বিখ্যাত মনীষী সকলে অদ্বৈতবাদ দেখা নাই। জীৱ গোস্বামীয়ে ষট্‌সন্দৰ্ভত তাৰ বিস্তৃত আলোচনা কৰিছে আৰু তাত শঙ্কৰাচাৰ্যৰ অদ্বৈত বেদান্ত পৰিহাৰ কৰা হৈছে। বলদেৱ বিদ্যাভূষণেও একে পথকে গ্ৰহণ কৰিছে। ভাগৱতৰ ১১/২২ অত থকা সাংখ্যৰ লৈতে সাংখ্য কাৰিকা একে নহয়। লেখকে অৱগতিৰ প্ৰমাদ অথবা মনৰ প্ৰাবল্য-দোষত কঠিন দাৰ্শনিক কথাবোৰ একাকাৰ কৰি লৈছে। মন, বুদ্ধি, চিত্তৰ সংজ্ঞাও চমৎকাৰ; তৰ্কশাস্ত্ৰৰ অনুযায়ী নহয়। বৈষ্ণৱ বা বৌদ্ধ ধৰ্মৰ সম্বন্ধে পাঠকৰ মনত ভ্ৰান্তি উৎপাদন কৰাৰ কাৰণে এই গ্ৰন্থ সহায়ক হ'ব। "অৱস্তুবোৰৰ অস্তিত্ব স্বীকাৰ কৰিলে" অদ্বৈতসিদ্ধি প্ৰমাণ কেনেকৈ হয়? শঙ্কৰাচাৰ্যই গীতাৰ ভাষ্য লেখিছে, অথচ ভাগৱত-মত খণ্ডন কৰিছে, তাৰ অৰ্থ এয়ে যে ভাগৱতত অদ্বৈতভাৱ গৃহীত নহয়। গীতাত যেনেকৈ হয় বুলি দেখুৱাব পৰা যায়, ভাগৱতৰ লগত ৰামানুজ আৰু মধ্বাচাৰ্যৰহে মিল পোৱা যায়।

উপন্যাসখন পাঠ কৰাৰ পাছত সহজেই প্ৰত্যয় হয় যে লেখকে এটা বিশেষ বাৰ্তা, বিশেষ যুক্তি পৰিৱেশন কৰিবৰ কাৰণে মাধৱদেৱৰ নামৰ জুমুঠিত অৰ্দ্ধসত্য, অসত্য আখ্যান-কিংবদন্তিৰে কলেৱৰ বৃদ্ধি কৰি নিজা মতবাদ এটাকে বং-ৰূপ দিবলৈ তৎপৰ হৈ পৰিছে। শিল্পৰ বস্তু বিশেষ উদ্দেশ্যত প্ৰচাৰ কাৰ্যত লগালে সৌন্দৰ্যহীন হয়। সি "কান্তাসম্মিততয়োপ দেশযুজে" হ'ব লাগে। লেখকৰ মনন-বিবেচনৰ গুৰু ভাৰত অযথা বাগাড়ম্বৰত অৰ্থসঙ্কট আহি পৰিছে অনেক পৃষ্ঠাত। নিষ্প্ৰয়োজনীয় হ'লেও ঋগ্বেদৰ পৰা আৰম্ভ কৰি সাৰ সংগ্ৰহ কৰা হৈছে; কিন্তু গুৰু দুজনাৰ ৰচনাৰ সন্দৰ্ভত পোৱা গ্ৰন্থবিলাকৰ উল্লেখ পৰ্যন্ত নাই। ইতিহাস আৰু উপকথা একপিণ্ড হ'লে সত্য ভস্মাবৃত হয়। মহাপুৰুষীয়া বৈষ্ণৱসকলৰ হৃদয়ৰ ধন লৈ তামাচা দেখুৱাবলৈ চাৰি আলিত বহিলে অনেকৰ গৰিহণা ভোগ কৰিবলগা হ'ব পাৰে, ই ধ্ৰুৰূপ।

ৰচনাশৈলীলৈ লক্ষ্য কৰিলে ক'ব পাৰি— এই গ্ৰন্থখন যেন কোনোবা বঙালী ভদ্ৰলোকে সাধু অসমীয়াত লেখিছে। যোক্ষম চাল, অব্যৱহিত পাছতে, বত বতকৈ জ্বলা, একপদী, তাৰিতুৰি চাই আছিল, নিৰিবিলিভাৱে, অনিদ্ৰায়, লোকৰ ঘৰে, চমজি দিম, জীৱনবোৰত দোলা দিলেও, দুৱাৰৰ অজস্ৰ জোলোঙাৰে, বাধৰ চামিস, শস্য ফলায়, চিৰতৰে, নিশ্চুপ হৈ, দৰ্শন পিয়াসী, অফুৰন্ত অৱসৰ আদি অসমীয়া মাত-কথা নহয়। মাধৱদেৱৰ হৃদয়ৰ অন্তৰ্দ্বন্দ্বৰোৰ, যেনে, চকুৰ আগত হৰি জোৰ্হাইক কটা, বৌৱেকৰ পৰিচৰ্যাত জীৱন লাভ, শঙ্কৰদেৱৰ লগত তৰ্কযুদ্ধ ইত্যাদিলৈ দূৰবীণেৰেও দৃষ্টি কৰা নাই। ৰামচৰণৰ দুটা পদত আশ্ৰয় কৰি মাধৱদেৱক কপট ব্ৰহ্মচাৰী আৰু গুৰু-বাক্যচ্ছেদী কৃতঘ্ন স্বৰূপে থিয় কৰিছে। বগুকা আৰু বেহাৰৰ কোনো ঘটনাই

ঠাই নোপোৱা গতিকে নামটোৱেই সাৰ্থক হোৱা নাই। অলমতিবিস্তৰেণ।

শ্ৰীনবীন চন্দ্ৰ গোস্বামী

## চিন্তা-বিচিত্ৰা

লেখক : শ্ৰীমহিম বৰা

প্ৰকাশক : প্ৰকাশন পৰিষদৰ অৰ্থ-সাহায্যত লেখক

পৃষ্ঠা : ২৪৫

মূল্য : ১১·০০ টকা

অসমীয়া সাহিত্যত সুপৰিচিত গল্পকাৰ, কবি শ্ৰীমহিম বৰাৰ সাহিত্য-সংস্কৃতি বিষয়ক তেৰটা প্ৰবন্ধৰ সঙ্কলন 'চিন্তা-বিচিত্ৰা' অসমীয়া চিন্তা-মূলক সাহিত্যত উল্লেখযোগ্য সংযোজন। প্ৰবন্ধসমূহৰ পৰিসৰ বিস্তৃত, আৰু ইয়াত লেখকৰ চিন্তা আৰু বিষয়-বস্তুৰ যুক্তি-নিৰ্ভৰ উপস্থাপন পৰিদৃশ্য হৈছে। অঙ্কীয়া নাটৰ বিষয়ে লেখা তিনিটা সুদীৰ্ঘ প্ৰবন্ধত অঙ্কীয়া নাট, ভাওনা আৰু চৰিত্ৰ-বিশ্লেষণৰ ক্ষেত্ৰত বহু সময়ত দেখা পোৱা চৰিত-চৰ্বন ধ্যান ধাৰণা পৰিহাৰ কৰি লেখকে কেৱল অঙ্কীয়া নাটসমূহৰ অন্তৰঙ্গ প্ৰমাণ, চৰিত-পুথিৰ সাক্ষ্য, ভাওনাৰ পৰম্পৰাগত কৌশল আৰু অসমৰ লোক-নাট্যানুষ্ঠানৰ উপকৰণ লৈ অঙ্কীয়া নাটৰ কলা-কৌশল বিশ্লেষণ কৰি ভালেখিনি নতুন তথ্য আগবঢ়াইছে। অঙ্কীয়া নাট সন্দৰ্ভত অধিক আলোচনা-বিলোচনাৰ কাৰণে লেখকে ভালেখিনি ইঙ্গিত দিছে আৰু অঙ্কীয়া নাট আৰু ভাওনাক নতুন দৃষ্টিৰে বিচাৰ কৰিব খোজাসকলৰ কাৰণে প্ৰবন্ধ-কেইটা কেৱল স্মৰণীয়েই নহয়, প্ৰচুৰ তথ্যৰে বাট-কটীয়া হৈ ৰ'ব। এইকেইটা প্ৰবন্ধৰ উপৰি 'শেৱালিৰ সৌৰভ বিচাৰি' শীৰ্ষক প্ৰবন্ধটি শেৱালি-কবি বৰ-কাকতীদেৱক বুজাত আৰু অসমীয়া সাহিত্যত বৰকাকতীৰ গুৰুত্ব আৰু প্ৰভাৱ বিশ্লেষণ কৰাত এতিয়ালৈকে একমাত্ৰ তথ্যসমৃদ্ধ প্ৰবন্ধ হৈ আছে। এজন কবিক বুজিবৰ কাৰণে আন এজন কবিৰ যি আন্তৰিকতা আৰু নিৰপেক্ষ বিচাৰ, সেয়ে এই প্ৰবন্ধটোৰ বিশেষ অলঙ্কাৰ। বেজবৰুৱাৰ 'বীণ-বৰাগী' কবিতাটিৰ 'জন্ম-জন্মান্তৰ', 'সিজুগৰ সৌৰবণি', 'ইপুৰী-সিপুৰী' আদি শব্দৰ কাৰণে কবিতাটিৰ প্ৰকৃত ভাব বিশ্লেষণৰ ক্ষেত্ৰত যি খেলি-মেলিৰ সৃষ্টি হৈ আহিছে, লেখকে তাৰো বাস্তৱতা যুক্তিৰে প্ৰতিপন্ন কৰিছে। সেইদৰে পদ্মনাথ গোহাঞিবৰুৱাৰ 'গাঁও-বুঢ়া', হেমচন্দ্ৰ বৰুৱাৰ 'বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰি', মানৱতাবাদী দৰ্শনৰ ঐতিহ্য বিচাৰ কৰাৰ উপৰি লেখকে সাহিত্যৰ উপমালৈকে গভীৰ আন্তৰিকতাৰে বিশ্লেষণ কৰিবলৈ সক্ষম হৈছে। প্ৰবন্ধ সংকলনটিৰ মাজেৰে লেখকৰ গভীৰ অধ্যয়ন আৰু কোনো কোনো বিষয়-বস্তু সমাজতত্ত্বৰ দৃষ্টিৰে বিশ্লেষণ কৰাৰ প্ৰৱণতা পৰিলক্ষিত হৈছে। ৰচয়িতাৰ লেখাৰ ৰীতি প্ৰাঞ্জল আৰু তেখেতৰ গল্পসমূহৰ দৰেই সুখপাঠ্য।

ড° নৱেন কলিতা

## চিৰচেনেহী মোৰ ভাষা-জননী

লেখক : শ্ৰীনন্দ তালুকদাৰ

প্ৰকাশক : শ্ৰীবদনচন্দ্ৰ বৰুৱা

পৃষ্ঠা : ৪+১৬৭

মূল্য : ১০·০০ টকা

অসমীয়া ভাষা-সাহিত্যলৈ আগবঢ়োৱা আজীৱন সেৱা আৰু অবিহণাৰ ভিত্তিত অসম সাহিত্য সভাই অসমৰ লব্ধপ্ৰতিষ্ঠ সাহিত্যিক একো গৰাকীক বাৰ্ষিক অধিৱেশনৰ সভাপতি নিৰ্বাচন কৰি অসমৰ জাতীয় জীৱনৰ সৰ্বোচ্চ সন্মানটি আগবঢ়াই আহিছে। ১৯১৭



চনৰে পৰা অনুষ্ঠিত সভাৰ বাৰ্ষিক অধিৱেশনসমূহত যি কেইগৰাকী ব্যক্তি এই সন্মানৰ অধিকাৰী হৈছে, সেই কেইগৰাকী ব্যক্তিৰ (পদ্মনাথ গোহাঞিবৰুৱাৰ পৰা চৈয়দ আব্দুল মালিকলৈকে) জীৱন আৰু প্ৰতিভাৰ পৰিচয়-জ্ঞাপক এই গ্ৰন্থখনি অসম সাহিত্য সভাৰ হীৰক জয়ন্তী বৰ্ষৰ লগত বজিতা খোৱা। আমাৰ বোধেৰে, অসম সাহিত্য সভাই কৰিবলগীয়া কাম এটি শ্ৰীতালুকদাৰে ব্যক্তিগত প্ৰচেষ্টাত সম্পন্ন কৰিছে। তাৰ বাবে লেখক ধন্যবাদাৰ্হ। গ্ৰন্থখনৰ পৰিশিষ্টত অসম সাহিত্য সভাৰ ইতিবৃত্ত এটি সংযোগ কৰাৰ উপৰি সভাৰ প্ৰতিষ্ঠাতা প্ৰধান সম্পাদক শৰৎ চন্দ্ৰ গোস্বামী আৰু ষাঠিৰ দশকত অনুষ্ঠানটিক এটি গতিশীল ৰূপ দিওঁতা প্ৰধান সম্পাদক হৰিপ্ৰসাদ নেওগৰো জীৱনী আলোচিত হৈছে। কিন্তু প্ৰতি গৰাকী সভাপতিৰ কাৰ্যকালত অনুষ্ঠানটিয়ে লাভ কৰা ৰূপৰ ছবি একোখন ফুটাই তুলিব পৰাকৈ লেখকে আঁচনি তবা হ'লে গ্ৰন্থখনৰ উপযোগিতা এতিয়াতকৈ বহু পৰিমাণে বাঢ়িলহেঁতেন।

## নাগালেণ্ড :

লেখিকা : চৈয়দা চকিনা আশ্ৰফ

প্ৰকাশক : শ্ৰীজে, দত্তবৰুৱা

পৃষ্ঠা : ৯৪

মূল্য : ৫·০০ টকা

লেখিকা চৈয়দা চকিনা আশ্ৰফে চাৰি বছৰ নাগা-লেণ্ডত থাকি নগাসকলৰ লগত হোৱা নানা ধৰণৰ আদান-প্ৰদানৰ যোগেদি লাভ কৰা অভিজ্ঞতাৰে এই গ্ৰন্থখন ৰচনা কৰিছে। নগাসকলৰ সামাজিক অৱস্থাৰ এটি বাস্তৱ চিত্ৰ লেখিকাই ফুটাই তোলাৰ লগতে তেওঁলোকৰ ৰাজনৈতিক আশা-আকাংক্ষাৰ অন্তৰালৰ কাহিনীও গ্ৰন্থখনত প্ৰকাশ কৰিছে। যি কাৰণতেই নহওক লাগে, ৰাজনৈতিকভাৱে নগা-লেণ্ড অসমৰ পৰা পৃথক হৈ গ'ল। এতিয়া নগাভাই-সকলৰ লগত আমাৰ আবেগিক যোগসূত্ৰ যাতে উত্তৰোত্তৰ বৃদ্ধি পায়, তাৰ বাবে শ্ৰীমতী আশ্ৰফৰ প্ৰচেষ্টাৰ লেখীয়া প্ৰচেষ্টা নিশ্চয় প্ৰশংসাৰ্হ। এনে ধৰণৰ গ্ৰন্থ আমাৰ নিচেই কম।

## টিলিঙা পিঙ্কাৰ কোনে ?

লেখক : শ্ৰীনাৰায়ণ কটকী

প্ৰকাশক : শ্ৰীনানক বাজাজ

পৃষ্ঠা : ৮৮

মূল্য : ২·৫০ টকা

আলোচ্য পুথিখন দুই ডজন ধেমেলীয়া কবিতাৰ সঙ্কলন। কবিতা কেইটাত অসম তথা ভাৰতবৰ্ষৰ সমসাময়িক সামাজিক তথা ৰাজনৈতিক অৱস্থাক ব্যঙ্গ কৰা হৈছে। মন কৰিবলগীয়া যে লেখকৰ এই ব্যঙ্গ হাঁহিৰ লগত সমান অনুপাতত মিহলি হৈ আছে। প্ৰকাশ-ভঙ্গীৰ স্বতঃস্ফূৰ্ততা আৰু সহজ-বোধ্যতা পুথিখনৰ বৈশিষ্ট্য বুলিব পাৰি। 'চাউল' কবিতাৰ ('গোলাপ' কবিতাৰ পেৰডি) "আছিলি যিদিনা কৃষক হাতত, নাছিলিনে তয়ে নিভাজ ধান; সন্তীয়া দৰত কোনে আনি তোক, ভেজাল উপাধি কৰিলে দান" নাইবা 'আমাৰ দেশ' ('আমাৰ গাঁও' কবিতাৰ পেৰডি) কবিতাত কোৱা—

"গুৰনি আমাৰ স্কুল, কলেজ
ছাত্ৰ-শিক্ষকেৰে ভৰা,
যদিওবা নাই পাঠ্য পুথি একো
দেখোঁ অহা-যোৱা কৰা" আদি কথাৰ

আবেদন সাময়িকভাৱে হলেও প্ৰায় সকলো অসমীয়া মানুহৰ ক্ষেত্ৰতে থাকিব।

### প্ৰবন্ধ চয়ন

সম্পাদক : শ্ৰীসত্যেন্দ্ৰনাৰায়ণ গোস্বামী
প্ৰকাশক : ডিব্ৰুগড় জিলা সাহিত্য পৰিষদ
পৃষ্ঠা : ১৫০
মূল্য : ৫·০০ টকা

ডিব্ৰুগড় জিলা সাহিত্য পৰিষদ সম্প্ৰতি গঠিত হোৱা বা বৰ্তি থকা সাহিত্য পৰিষদসমূহৰ ভিতৰত সৰ্বাতোকৈ পুৰণি। ১৯৬৫ চনতে প্ৰতিষ্ঠিত এই পৰিষদে ইতিপূৰ্বে 'হেমচন্দ্ৰ গোস্বামী', 'পদ্মনাথ গোহাঞিবৰুৱা' 'ডিব্ৰুগড় জিলা সাহিত্য পৰিষদৰ ইতিবৃত্ত'— এই তিনিখন গ্ৰন্থ প্ৰকাশ কৰিছে। আলোচ্য গ্ৰন্থখন পৰিষদৰ চতুৰ্থ প্ৰকাশন। গ্ৰন্থখনত অসমীয়া ভাষা আৰু ব্যাকৰণ সম্পৰ্কীয়, পৰ্বত ভৈয়াম সম্প্ৰীতি আৰু সংহতি সম্পৰ্কীয় আৰু সাহিত্যৰ সাধাৰণ আলোচনা বিষয়ক মুঠ তেৰটা প্ৰবন্ধ সন্নিবিষ্ট হৈছে। ড° গোলোকচন্দ্ৰ গোস্বামী, শ্ৰীপ্ৰিয়দাস তালুকদাৰ, ড° মহেশ্বৰ নেওগ, ড° সত্যেন্দ্ৰ নাথ শৰ্মা, শ্ৰীমতী লীলাৱতী শইকীয়া, শ্ৰীৰামচৰণ ঠাকুৰীয়া, শ্ৰীমতী কৰবী হাজৰিকা, শ্ৰীপ্ৰহ্লাদকুমাৰ বৰুৱা, শ্ৰীনাৰায়ণ বৰপূজাৰী, ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামী আৰু ড° উপেন্দ্ৰনাথ গোস্বামীৰ প্ৰবন্ধৰ উপৰি মাইলছ্ ব্ৰনচন আৰু হেমচন্দ্ৰ বৰুৱাৰ দুটা লেখাও থাউকতে পাব পৰা হোৱা বাবে আখৰ-জোঁটনিৰ পম খেদাৰ সময়তো গ্ৰন্থখনৰ উপযোগিতা নিশ্চয় বাঢ়িব।

### জ্যোতি

সম্পাদক : শ্ৰীৰামপ্ৰসাদ শইকীয়া
প্ৰকাশক : শ্ৰীজয়ন্তকুমাৰ বৰুৱা
পৃষ্ঠা : ১০০
মূল্য : ১·০০ টকা

'জ্যোতি' এখন সামাজিক-সাংস্কৃতিক ত্ৰৈমাসিক আলোচনী। বৰ্তমানলৈকে আলোচনীখনৰ চাৰিটা (গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত) সংখ্যা প্ৰকাশ হৈছে। সুৰুচিসম্পন্ন পৰিয়ালৰ সকলোৱে পঢ়িব পৰা এই আলোচনীখনে আমাৰ অন্যান্য আলোচনীতকৈ সুকীয়া চৰিত্ৰ এটা লাভ কৰিছে। সস্তীয়া জনপ্ৰিয়তাৰ প্ৰতি লক্ষ্য নাৰাখি আধ্যাত্মিক চিন্তা-চৰ্চাক প্ৰাধান্য দিয়া বাবে 'জ্যোতি'ৰ সম্পাদক আৰু প্ৰকাশক সদৌ অসমীয়া পাঠকৰে শলাগ পাবৰ যোগ্য। তুলনামূলকভাৱে আলোচনীখনৰ মূল্যও কম। ছপা আৰু সাজ-সজ্জা ৰুচিসম্পন্ন। আলোচনীখনৰ বহুল প্ৰচাৰ আৰু দীৰ্ঘ জীৱন কামনা কৰিলোঁ।

### যুগসন্ধিৰ প্ৰতিশ্ৰুতি

লেখক আৰু প্ৰকাশক : শ্ৰীকিশোৰীমোহন পাল
পৃষ্ঠা : ৫৮
মূল্য : ৩·০০ টকা

শ্ৰীকিশোৰীমোহন পালৰ এই পুথিখনত লেখকৰ একুৰি আঠোটা কবিতা আৰু গীত সন্নিবিষ্ট হৈছে। একাধিক কবিতাত সমসাময়িক সমাজখনৰ ভণ্ডামি, শঠতা আদিক আক্ৰমণ কৰা হৈছে। সমাজৰ পূতিগন্ধময় ৰূপ একোটাও ঠায়ে ঠায়ে প্ৰকাশ পাইছে। লেখকৰ দুই-এটা প্ৰকাশ-ভঙ্গী মনোৰম, যেনে, "মোৰ হৃদয় এখন পতাকা, ৰং তাৰ ৰক্ত জবাৰ।" কবিতা ৰচনাত শ্ৰীপালৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ।

### ইতিহাসে নাপাহৰে

লেখক : শ্ৰীভাৰত দাস
প্ৰকাশক : শ্ৰীধনঞ্জয় দাস
পৃষ্ঠা : ৫৮
মূল্য : ২·৬০ টকা

এই পুথিখনিত এঘাৰগৰাকী বিশ্ববিশ্ৰুত মহাপুৰুষ



আৰু মহীয়সী নাৰীৰ জীৱনৰ একো একোটা খণ্ড-চিত্ৰ গল্পৰ চলেৰে দাঙি ধৰা হৈছে। জৰ্জ বাৰ্নাৰ্ড শ্ব, ৰবীন্দ্ৰনাথ ঠাকুৰ, জোৱান ডাৰ্ক, চাৰলোটি, আইনষ্টাইন, চক্ৰেটিছ, গগল, চেখভ, মেডাম কুৰী, হেন্‌ৰী ফোৰ্ড আৰু ষ্টেলিনৰ জীৱন আৰু প্ৰতিভাৰ কিছু সংবাদ এই পুথিৰ পৰা আমাৰ চেমনীয়াসকলে (কথকে যদিও 'মৰমৰ মইনাহঁত' সম্বোধনেৰে শিশুসকলকহে বুজোৱা যেন লাগে) পাব বুলি কব পাৰি। পুথিখনত 'অভিনেতা বনাম সাহিত্য চৰ্চা', 'দেখিলে অনুমান হয় যেন মানুহজন গাঁৱলীয়া ভূত', 'অষ্টাদশ শতাব্দী পৃথিৱীৰ বুৰঞ্জীত এটা চিৰস্মৰণীয় দিন'— এনে ধৰণৰ কেইটামান ত্ৰুটী আমাৰ চকুত পৰিছে। এই দিশত শ্ৰীদাস আগলৈ নিশ্চয় সচেতন হ'ব।

### সাহিত্য মুকুৰ

প্ৰকাশক : বৰপেটা সাহিত্য সভা
পৃষ্ঠা : ১৩০
মূল্য : ৭·০০ টকা

বৰপেটা সাহিত্য সভাৰ দ্বাৰা সঙ্কলিত আৰু প্ৰকাশিত 'সাহিত্য মুকুৰ' সাহিত্য সম্পৰ্কীয় দহোটি প্ৰবন্ধৰ সঙ্কলন। যি দহগৰাকী ব্যক্তিৰ প্ৰবন্ধ গ্ৰন্থখনিত সন্নিবিষ্ট হৈছে, তেখেতসকলৰ প্ৰায় কেউগৰাকীয়েই অসমীয়া সাহিত্য-ক্ষেত্ৰত সুপৰিচিত আৰু লব্ধপ্ৰতিষ্ঠ ব্যক্তি। কেউটা প্ৰবন্ধৰেই পাঠকৰ মনৰ তৃষ্ণা নিশ্চয় বঢ়াব। এই ক্ষেত্ৰত সম্পাদনা সমিতি অভিনন্দনীয়। কিন্তু আমাৰ বোধেৰে গ্ৰন্থখনিৰ গুৰুত্ব বাঢ়িছে বৰপেটাৰ দুজন স্থানীয় প্ৰয়াত লেখক সদানন্দ দাস আৰু জয়কৃষ্ণ মিশ্ৰৰ যথাক্ৰমে 'কবিৰ সৃষ্টি-শক্তি' আৰু 'কাব্যত ধ্বনি' শীৰ্ষক প্ৰবন্ধ দুটাৰ পুনৰ্মুদ্ৰণতহে। এই কাৰ্যই বৰপেটাৰ দুজন অপৰিচিত লেখকক অসমীয়া পঢ়ুৱৈৰ ওচৰত পৰিচয় কৰাই দিছে। আমি গ্ৰন্থখনিৰ বহুল প্ৰচাৰ কামনা কৰিছোঁ।

যোগেন্দ্ৰনাৰায়ণ ভূঞা

### প্ৰাপ্তি স্বীকাৰ :

১। খেলিমেলি
লেখক : শ্ৰীঅতুলচন্দ্ৰ বৰুৱা
প্ৰকাশক : শ্ৰীদিলীপ বৰুৱা
মূল্য : ৫·০০ টকা

২। জীৱন মদিৰা
লেখিকা : চুলতানা চেলিমা হাজৰিকা
প্ৰকাশক : গ্ৰন্থালয়
মূল্য : ৪·০০ টকা

৩। সকিয়ণি ( ? সকীয়নি ? )
লেখক আৰু প্ৰকাশক : শ্ৰীৰাজেন্দ্ৰপ্ৰসাদ দুৱৰা
মূল্য : ৪·০০ টকা

৪। উনবিংশ শতাব্দীত তেজপুৰ অঞ্চল
লেখক : শ্ৰীনাৰায়ণ দাস এম, এ, (ডবল)

৫। বিষ্ণু ৰাভা এতিয়া কিমান বাতি
লেখক : শ্ৰীতিলক দাস
প্ৰকাশক : গুৱাহাটী বুক ষ্টল
মূল্য : ১২·০০ টকা

× × ×

# অসম সাহিত্য সভাৰ ভিতৰ চ'ৰা

## ১। কাৰ্যনিৰ্বাহক সমিতিৰ তৃতীয় অধিৱেশন

**কামেশ্বৰ বৰঠাকুৰ মজলীয়া স্কুল, কামপুৰ**

৬।১১।৭৭

উপস্থিত সদস্যসকল :— (সৰ্বশ্ৰী) চৈয়দ আব্দুল মালিক – সভাপতি, প্ৰকাশ গোস্বামী, অৰুণ গোস্বামী, দেলোৱাৰা খোন্দকাৰ, জয়দেৱ শৰ্মা, মতিদেৱ শাস্ত্ৰী, যোগেন্দ্ৰনাৰায়ণ ভূঞা, নিশিপদ চৌধুৰী, ভৱানী প্ৰসাদ অধিকাৰী, আব্দুল মালিক চৌধুৰী, সতীশ চন্দ্ৰ চৌধুৰী, সত্যেন্দ্ৰনাৰায়ণ গোস্বামী, হেমন্তকুমাৰ শৰ্মা, বসন্তকুমাৰ গোস্বামী, কমল বাইলুং, ৰেণুপ্ৰভা দাস, আব্দুছ ছাত্তাৰ— প্ৰধান সম্পাদক।

নিমন্ত্ৰিতসকল :— শ্ৰীকমলেশ্বৰ শইকীয়া, শ্ৰীপোনা ৰাম বৰুৱা, শ্ৰীমনেশ্বৰ বৰা – সম্পাদক, কামপুৰ আঞ্চলিক সাহিত্য সভা।

১। প্ৰধান সম্পাদকে সভাৰ মাননীয় সভাপতি চৈয়দ আব্দুল মালিকক সভাপতিৰ আসন গ্ৰহণ কৰিবৰ কাৰণে অনুৰোধ জনায়। সভাপতিয়ে আসন গ্ৰহণ কৰে।

২। মাননীয় সভাপতিয়ে তলত দিয়া শোক প্ৰস্তাৱটি উত্থাপন কৰে আৰু সমবেতসকলে এক মিনিট সময় থিয় হৈ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি মৌন প্ৰাৰ্থনা জনায়—

অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ আজিৰ অধিৱেশনে তলত দিয়া বিশিষ্ট লোকসকলৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে আৰু স্বৰ্গগত আত্মাৰ সদ্গতি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায় : খ্যাতনামা পণ্ডিত ভাষাতাত্ত্বিক জাতীয় অধ্যাপক ড° সুনীতিকুমাৰ চট্টোপাধ্যায়, প্ৰথিতযশা শিল্পী উদয়শংকৰ, গুৱাহাটী পৌৰ নিগমৰ প্ৰথম মেয়ৰ ৰাধাগোবিন্দ বৰুৱা, বিশিষ্ট গায়ক, শিল্পী জয়ন্ত হাজৰিকা, প্ৰাক্তন এম. এল. এ ধৰণীধৰ চৌধুৰী, বৰকন্তা সাহিত্য সভাৰ প্ৰতিষ্ঠাতা আজীৱন সভ্য সৰু নাথ গগৈ, আজীৱন সভ্য লক্ষেশ্বৰ বৰুৱা, যোৰহাটৰ বিমান দুৰ্ঘটনাত আকস্মিকভাৱে মৃত্যু বৰণ কৰা বৈমানিক চি. জে. ভি. লিমা, যোগিন্দৰ সিং, ডি. এচ ছীংকৰ, চাইবিয়াক, অ. পি আৰোৰা, ভৱানীপুৰৰ আজীৱন সভ্য ধীৰেন শৰ্মা।

৩। অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহকৰ বৈঠক কামপুৰলৈ আমন্ত্ৰণ জনোৱাত সভাৰ হৈ প্ৰধান সম্পাদকে কামপুৰ আঞ্চলিক সাহিত্য সভাক কৃতজ্ঞতা জ্ঞাপন কৰে আৰু সদস্যসকলৰ পৰিচয় জ্ঞাপন কৰে।

৪। কামপুৰ সাহিত্য সভাৰ সম্পাদক শ্ৰীমনেশ্বৰ বৰাই সদস্যসকলক আদৰণি জনায়।

৫। প্ৰধান সম্পাদকে পূৰ্ববৰ্তী বৈঠকৰ কাৰ্য-বিৱৰণি উত্থাপন কৰে, সমিতিয়ে তলত দিয়া সংশোধন সাপেক্ষে গ্ৰহণ কৰে।

(ক) জিলা পৰিষদ সম্পৰ্কীয় উপসমিতিত অধ্যাপক





নগেন শইকীয়াৰ নাম আৰু কালিৰাম মেধি স্মৃতি গ্ৰন্থৰ সহযোগী সম্পাদক ৰূপে শ্ৰীভৱানী প্ৰসাদ অধিকাৰীৰ নামটো অন্তৰ্ভুক্ত হ'ব লাগে।

৬। পূৰ্ববৰ্তী কাৰ্যনিৰ্বাহক সমিতিৰ কাৰ্য-বিৱৰণিৰ পৰা উত্থিত বিষয়—

(১) প্ৰকাশন : (১) প্ৰধান সম্পাদকে জনায় যে হীৰক জয়ন্তী প্ৰকাশনৰ ১) অসম সাহিত্য সভাৰ ৰূপলেখা ২) গ্ৰী ফৰ আছামিজ (ঢেকিয়াল-ফুকনৰ মন্তব্য) ৩) বাস্তৱিৰ বিভূতি ৪) প্ৰবন্ধ সঙ্কলন ৫) অসম সাহিত্য সভাৰ প্ৰকাশনৰ বৰ্ণনামূলক তালিকা ছপাশালত দিয়া হৈছে আৰু ১) শাখাসভাৰ ইতিবৃত্ত ২) সাহিত্য সভাৰ সুবচনী ৩) অসম সাহিত্য সভাৰ ৰূপলেখাৰ হিন্দী সংস্কৰণ সম্পূৰ্ণ হ'লেই ছপাশালত দিয়া হ'ব।

(২) প্ৰধান সম্পাদকে জনায় যে টলষ্টয়, সোণোৱালৰ সাধু, পণ্ডিত ৰাহুল সংকৃত্যায়ন, অসমৰ চৰাই, আমাৰ প্ৰতিবেশী পতঙ্গ, ৰাসায়নিক আবিষ্কাৰ আৰু আমি, অসমৰ খনিজ সম্পদ, আধুনিক অসমীয়া কবিতা, ইছলামী সংস্কৃতিৰ পাণ্ডুলিপি পোৱা হৈছে।

(৩) যোৱা বছৰ ছপাশালত থকা পুথিৰ ভিতৰত গল্পগুচ্ছ ছপাশালত আছে আৰু নৱমী ছপা হৈ আহিল যদিও ছপা-বন্ধা নিয় মানৰ হোৱা বাবে পুনৰ ছপা কৰিবলৈ দিয়া হৈছে। পুনৰ ছপা কৰাৰ বাবদ ছপাশালে অতিৰিক্ত ধন দাবী কৰিব নোৱাৰিব বুলি ছপাশালক জনোৱা হৈছে আৰু ছপাশালে সভাৰ সৰ্ত মানি লৈছে বুলি প্ৰধান সম্পাদকে জনায়। পুনৰীক্ষক স্বৰূপে যতীন গোস্বামীৰ নাম থাকিব লাগে আৰু যত্নসহকাৰে কিতাপখনৰ পুনৰীক্ষণ কৰাৰ বাবে পাণ্ডনিত ধন্যবাদ জনাব লাগে বুলি সমিতিয়ে অনুভৱ কৰে।

(৪) পত্ৰিকাৰ দ্বিতীয় সংখ্যা ছপা হৈ আহিল বুলি প্ৰধান সম্পাদকে জনায়। সমিতিয়ে চতুৰ্থ সংখ্যা পত্ৰিকা হীৰক জয়ন্তী উপলক্ষে বিশেষ সংখ্যাৰূপে প্ৰকাশ কৰিব লাগে বুলি সিদ্ধান্ত গ্ৰহণ কৰে। আকাৰ ১৬/১৭ ফৰ্মালৈ বৃদ্ধি কৰা হওক।

(৫) সাংস্কৃতিক ভ্ৰমণ :— চৰকাৰী অনুদানৰ ওপৰত নিৰ্ভৰ কৰা সাংস্কৃতিক ভ্ৰমণৰ সদস্য ৮ জন হ'ব লাগে বুলি সমিতিয়ে অনুভৱ কৰে।

(৬) কাৰ্যালয়-কৰ্মচাৰীৰ কাৰ্যনিৰ্বাহকৰ অনুমোদিত বেতন ১/৪/৭৮ তাৰিখৰ পৰা দিয়া হৈছে।

(৭) প্ৰকাশন অভিকৰ্তা শ্ৰীবুদ্ধীন্দ্ৰকুমাৰ ৰাজখনিকৰৰ পৰা কাৰ্যকৰী সঁহাৰি পোৱা নাই বুলি প্ৰধান সম্পাদকে জনায়।

(৮) অধ্যাপক ৰামচৰণ ঠাকুৰীয়াক অসম সাহিত্য সভাৰ ইতিবৃত্তৰ সহযোগী সম্পাদক আৰু ড° হেমন্ত কুমাৰ শৰ্মাক পুনৰীক্ষকৰ দায়িত্ব দিয়া হৈছে।

(৯) হীৰক জয়ন্তী সোঁৱৰণী বক্তৃতাৰ কাৰণে ড° টি. পি. বাৰ্মাৰ অসমৰ্থতাৰ কথা প্ৰধান সম্পাদকে জনায়।

(১০) প্ৰধান সম্পাদকে ২৪ আৰু ২৫ অক্টোবৰ (১৯৭৭) তাৰিখে শিৱসাগৰৰ ৰংপুৰ সাহিত্য সভাৰ সৌজন্যত লেখক শিবিৰ কৃতকাৰ্যতাৰে সম্পন্ন হয় বুলি সমিতিক অৱগত কৰায়।

৭। সমিতিয়ে পঞ্চচত্বাৰিংশ সন্মিলনৰ সভাপতি নিৰ্বাচনৰ ফল ঘোষণা কৰিবৰ কাৰণে তলত দিয়া সদস্যসকলক দায়িত্ব দিয়ে। শ্ৰীপ্ৰকাশ গোস্বামী আৰু শ্ৰীঅৰুণ গোস্বামীয়ে বেলট পেপাৰ খুলিব। ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামী, শ্ৰীসতীশ চৌধুৰী, শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা, শ্ৰীমতিদেৱ শাস্ত্ৰীয়ে ভোট গণনা কৰিব। ড° হেমন্তকুমাৰ শৰ্মাই সভাপতিক সহায় কৰিব।

৮। ভোট গণনাৰ শেষত আগন্তুক পঞ্চচত্বাৰিংশ সন্মিলনৰ সভাপতিৰূপে কবি, নাট্যকাৰ প্ৰসন্নলাল চৌধুৰী নিৰ্বাচিত হৈছে বুলি মাননীয় সভাপতি চৈয়দ আব্দুল মালিক ডাঙৰীয়াই ঘোষণা কৰে। (ভোট গণনাৰ নথি-পত্ৰ গোপনীয় নথিৰূপে সংৰক্ষিত হৈছে)।

৯। সভাৰ আগন্তুক পঞ্চচত্বাৰিংশ সন্মিলন সম্পৰ্কে

অভ্যৰ্থনা সমিতিৰ তৰফৰ পৰা অধ্যাপক পোনাৰাম বৰুৱা আৰু অধ্যাপক কমলেশ্বৰ শইকীয়াই অধিৱেশনৰ প্ৰস্তুতি সম্পৰ্কে সমিতিক অৱগত কৰায়। অভ্যৰ্থনা সমিতি, অধিৱেশন উপসমিতিয়ে আগবঢ়োৱা পৰামৰ্শৰ ভিত্তিত সমিতিয়ে মূল সন্মিলন, শাখা সন্মিলনৰ কাৰণে নিমন্ত্ৰণ কৰিবলগীয়া বিশিষ্ট ব্যক্তিৰ তালিকা যুগুত কৰে। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতিসকলক বিশিষ্ট অতিথি স্বৰূপে দায়িত্ব দি তালিকাৰ আগ-পিছ কৰিব পাৰিব। অধিৱেশন উপসমিতিয়ে কবি সন্মিলনৰ নিমন্ত্ৰিত কবিসকলৰ নাম, যুৱগোষ্ঠীৰ বিষয় নিৰ্দ্ধাৰণ কৰিবলৈ সমিতিয়ে দায়িত্ব দিয়ে।

ক) পতাকা উত্তোলন : চৈয়দ আব্দুল মালিক

খ) উদ্বোধক : ১। শিৱশঙ্কৰ পিল্লাই ২। কা. না. সুব্ৰমন্যম ৩। অকিলন

গ) প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন : শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা

ঘ) ১। স্মৃতিগ্ৰন্থ : শ্ৰীগিৰিধৰ শৰ্মা

২। অভ্যৰ্থনা সমিতিৰ সাহিত্য সঙ্কলন : শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা

৩। অসম সাহিত্য সভাৰ প্ৰকাশন : ড° সত্যেন্দ্ৰ নাথ শৰ্মা

ঙ) কবি সন্মিলন— উদ্বোধক : আনন্দ চন্দ্ৰ বৰুৱা

সভাপতি : ১। মহিম বৰা

২। নলিনীধৰ ভট্টাচাৰ্য

চ) সাংস্কৃতিক সন্মিলন — উদ্বোধক : মহেশ্বৰ নেওগ (প্ৰথম দিনা)। মণিপুৰৰ এগৰাকী বিশিষ্ট লোকক দ্বিতীয় দিনাৰ উদ্বোধক ৰূপে নিমন্ত্ৰণ কৰিব।

বিশিষ্ট অতিথি :

(প্ৰথম দিনা) ১। উবেদুল্লা লতিফ বৰুৱা

২। খগেন দাস

(দ্বিতীয় দিনা) ১। সুন্দৰ বৰদলৈ

২। পুৰুষোত্তম দাস

ছ) সম্বৰ্দ্ধনা (অভ্যৰ্থনা সমিতিৰ তৰফৰ পৰা)—
১। মোহিনী ৰাজকুমাৰী ২। ৰাজেন বৰুৱা

অসম সাহিত্য সভাৰ তৰফৰ পৰা বন্ধু তালুকদাৰ আৰু অৰুণাচলৰ লুম্মেৰ দাই বা টাগাং টাকিক সম্বৰ্দ্ধনা জনাব লাগে বুলি সমিতিয়ে মত পোষণ কৰে।

জ) আলোচনা চক্ৰ – বিষয় : সাহিত্যত দাৰ্শনিক চিন্তাধাৰা।

উদ্বোধক : তীৰ্থনাথ শৰ্মা

সভাপতি : ১। মনোৰঞ্জন শাস্ত্ৰী ২। মহেশচন্দ্ৰ দেৱগোস্বামী

অংশ গ্ৰহণকাৰী : ড° কালীচৰণ দাস, উমাকান্ত শৰ্মা (অধিৱেশন সমিতিয়ে আলোচনা কৰি বিভিন্ন দিশ সম্পৰ্কে পৰামৰ্শ দিব)

ঝ) দ্বিতীয় মূল অধিৱেশন : উদ্বোধক— ত্ৰৈলোক্যনাথ গোস্বামী

ঞ) সভাই অসমৰ ৰাজ্যপাল আৰু মুখ্য মন্ত্ৰীক বিশিষ্ট অতিথি স্বৰূপে নিমন্ত্ৰণ কৰিব লাগে বুলি মত প্ৰকাশ কৰে।

ট) যুৱগোষ্ঠী সন্মিলন : উদ্বোধক — ১। বেণুধৰ শৰ্মা ২। পদ্মেশ্বৰ গগৈ

সভাপতি– ১। ড° অমলেন্দু গুহ ২। ড° দেৱপ্ৰসাদ বৰুৱা

(ড° গুহ সভাপতি হ'লে ড° দেৱপ্ৰসাদ বৰুৱাক অংশ গ্ৰহণ কৰিবলৈ দায়িত্ব দিব লাগে।)

আলোচনা মুকলি কৰিব : ড° লক্ষ্মী দেৱীয়ে।

সভাৰ কাৰ্যপালিকাৰ নিৰ্বাচন অধিৱেশনৰ আগদিনা সম্পন্ন হ'ব বুলি প্ৰতিনিধিসকলক জনাব লাগে বুলি সহকাৰী সম্পাদক বসন্তকুমাৰ গোস্বামীয়ে দিয়া পৰামৰ্শ সমিতিয়ে গ্ৰহণ কৰে।

১০। প্ৰথম সুযোগতে পৰিশোধ কৰাৰ সৰ্ত্তত ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণ পুঁজিৰ পৰা লোৱা ১২ হাজাৰ টকাৰ ঋণ সমিতিয়ে অনুমোদন জনায়।

১১। ১) হীৰক জয়ন্তী সোঁৱৰণী বক্তৃতা ড° টি পি. বাৰ্মাৰ সুবিধা অনুযায়ী সামৰণী বক্তৃতা ৰূপে



হীৰক জয়ন্তী বৰ্ষতে পাতিব লাগে বুলি আৰু 'সমালোচনা সাহিত্যৰ সমালোচনা' শীৰ্ষক বিষয়ৰ সোঁৱৰণী বক্তৃতা দিবৰ কাৰণে ড° মহেশ্বৰ নেওগক অনুৰোধ কৰিবলৈ পূৰ্বৰ সিদ্ধান্তৰ ভিত্তিত সমিতিয়ে পৰামৰ্শ দিয়ে।

২) হীৰক জয়ন্তীৰ প্ৰস্তাৱিত ব্যয়ৰ কাৰণে ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণ পুঁজিৰ পৰা প্ৰথম সুযোগতে পৰিশোধ কৰাৰ সৰ্ত্তত ১০ হাজাৰ টকাৰ ঋণ সমিতিয়ে অনুমোদন কৰে। পূৰ্বৰ পৰম্পৰা অনুযায়ী স্থানীয় উহৰ সমিতিক এহাজাৰ টকাৰ অনুদান দিবৰ কাৰণে সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰে।

৩) প্ৰাক্তন সভাপতি, প্ৰাক্তন উপসভাপতি, প্ৰাক্তন প্ৰধান সম্পাদকসকলক হীৰক জয়ন্তী উৎসৱলৈ বিশেষভাৱে নিমন্ত্ৰণ কৰিবলৈ সভাই সিদ্ধান্ত গ্ৰহণ কৰে।

১২। ৰাধাকান্ত সন্দিকৈ ভৱন : ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণ উপসমিতিয়ে ১৬।১০।৭৭ তাৰিখে আগবঢ়োৱা পৰামৰ্শ সমিতিয়ে গ্ৰহণ কৰে। (১৬।১০।৭৭ তাৰিখৰ ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণ উপসমিতিৰ কাৰ্য-বিৱৰণি পাঠ কৰা হয়)।

১৩। সাহিত্য সভা সপ্তাহ : পূৰ্বৰ দৰেই ১৭ জানুৱাৰীৰ পৰা অসম সাহিত্য সভা সপ্তাহ বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলৈ সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰে।

১৪। তলত দিয়া শাখা সভা আৰু আজীৱন সভ্য সকলক সভাই স্বীকৃতি দিয়ে :—

(ক) শাখা সভা— ১। কলিয়াবৰ শঙ্কৰদেৱ সাহিত্য সমাজ ২। দৈয়াং শাখা সাহিত্য সভা, গোলাঘাট ৩। কুৰালগুৰি শাখা সাহিত্য সভা, গোলাঘাট ৪। ধনাখোকোৰা সাহিত্য সভা, শিৱসাগৰ ৫। প্ৰগতি শাখা সাহিত্য সভা, শিৱসাগৰ ৬। লক্ষীপথাৰ সাহিত্য সভা, ডিব্ৰুগড়।

(খ) আজীৱন সভ্য—

১। (সৰ্ব্বশ্ৰী) কমল চন্দ্ৰ দত্ত, ডিব্ৰুগড় ২। চালেহউদ্দিন আহমেদ, যোৰহাট ৩। জয়কান্ত নাথ, মৰিগাঁও ৪। গোলাপ চন্দ্ৰ বৰা, নগাঁও ৫। অতুল চন্দ্ৰ শৰ্মা বৰদলৈ, টংলা ৬। অচ্যুত চন্দ্ৰ দাস, টংলা ৭। তৰুণ মোহন দত্ত, টংলা ৮। হৰেন্দ্ৰনাথ শৰ্মা, টংলা ৯। কেশৱ চন্দ্ৰ শইকীয়া, টংলা ১০। ৰোহিণীকুমাৰ কাকতী, শিৱসাগৰ ১১। নৃপেন্দ্ৰ নাথ ঠাকুৰীয়া, গুৱাহাটী ১২। বংশীৰাম ডেকা, দৰং ১৩। সুনন্দহৰি শাস্ত্ৰী, ওদালগুৰি ১৪। বিধানচন্দ্ৰ বৰা, ডাঙৰী ১৫। ৰামকৃষ্ণ ফুকন, কামপুৰ ১৭। মধু ভঁড়ালী, কামপুৰ ১৮। শিৱকান্ত বৰা, কামপুৰ ১৯। প্ৰসন্ন কুমাৰ বৰুৱা, কামপুৰ ২০। যোগেন্দ্ৰ নাথ ভূঞা, কামপুৰ ২১। কনক চন্দ্ৰ শৰ্মা, লামডিং ২২। চিন্তাহৰণ কলিতা, ছুনী ২৩। জয়দেৱ শৰ্মা, ছুনী ২৪। ভূমিধৰ শৰ্মা, ছুনী ২৫। তাৰানাথ বৰা, কাকী, নগাঁও ২৬। কমলেশ্বৰ বৰা, কাকী, নগাঁও ২৭। সোণাৰাম বৰা, তুলসীমুখ, নগাঁও ২৮। মোহন কোঁৱৰ, শিৱসাগৰ।

১৫। আজীৱন সভ্যৰ পুঁজি : (ক) ১৯৬৪-৬৫ চনত স্বৰ্গীয় হৰিপ্ৰসাদ নেওগ সহকাৰী সম্পাদক থাকোঁতে তেখেতৰ যোগেদি ডাকঘৰৰ ১২ বছৰীয়া 'জাতীয় প্ৰতিৰক্ষা সঞ্চয় অ'চনি'ত জমা ৰখা অসম সাহিত্য সভাৰ আজীৱন সভ্যৰ পুঁজিত (৫০০০'০০ নং ১৮২২৮২ +১০০০'০০ নং ৬১৮৯৫৫)=৬০০০'০০ [ছহাজাৰ] টকা ইতিমধ্যে ম্যাদ উকলি যোৱাত উক্ত টকা যোৰহাট ডাকঘৰৰ পৰা সুদে-মূলে উঠাই আনিবৰ বাবে বৰ্ত্তমানৰ প্ৰধান সম্পাদকক কৰ্তৃত্ব দিয়া হওক।

খ] উক্ত আজীৱন সভ্যৰ মূল টকা পুনৰ ষ্টেট বেঙ্ক অৱ ইণ্ডিয়া যোৰহাট শাখাত দীৰ্ঘম্যাদী স্থায়ী জমা হিচাপে ৰাখিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়া হওক। উল্লেখ থাকে যে ষ্টেট বেঙ্কত স্থায়ী হিচাপে জমা ৰখা আজীৱন সভ্যৰ পুঁজিৰ টকা অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ দ্বাৰা লেন-দেন হ'ব।

১৬। লঙ্কা সাহিত্য সভা সম্পৰ্কে পোৱা অভিযোগ সমূহ বিচাৰ কৰিবলৈ তলত দিয়া সকলক লৈ এখন

উপসমিতি গঠন কৰা হয়।

১) ড° হেমন্তকুমাৰ শৰ্মা ২) ড° নিশিপদ চৌধুৰী ৩) ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামী ৪) শ্ৰীসতীশ চন্দ্ৰ চৌধুৰী ৫) শ্ৰীঅৰুণ গোস্বামী ৬) প্ৰধান সম্পাদক। প্ৰধান সম্পাদকৰ লগত এই সদস্যসকলৰ এটা দলে লক্ষ্যালৈ গৈ স্থানীয়ভাৱে সাধাৰণ সভাত এখন শাখা সভা পতাৰ সিদ্ধান্ত ল'ব।

১৭। হীৰক জয়ন্তী বৰ্ষত পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াক গোলাঘাট অধিৱেশনত 'সদস্য মহত্তম'ৰ পৰিবৰ্তে 'সদস্য মহীয়ান' দিব লাগে বুলি সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰে।

১৮। অসম সাহিত্য সভাৰ প্ৰতীকটো শিল্পী শ্ৰীযুগল দাস দেৱৰ পৰিকল্পনা মতেই সভাই গ্ৰহণ কৰিছিল। সেয়ে দাসক আজিৰ কাৰ্যনিৰ্বাহক সমিতিয়ে ধন্যবাদ জ্ঞাপন কৰে আৰু স্বীকৃতি প্ৰদান কৰে।

১৯। দুৰ্গেশ্বৰ শৰ্মাৰ ৰচনাৱলী প্ৰকাশ সম্পৰ্কে তেখেতৰ পুত্ৰসকলে জনোৱা আবেদন সভাই বিবেচনা কৰে আৰু সভাৰ সুবিধামতে প্ৰকাশ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। ৰচনাসমূহৰ স্বত্ব নিয়মমতে গ্ৰহণ কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে। সভাই দুৰ্গেশ্বৰ শৰ্মাৰ ৰচনাসমগ্ৰ সভালৈ দান স্বৰূপে আগবঢ়োৱাত সন্তোষ প্ৰকাশ কৰে আৰু পুত্ৰসকললৈ ধন্যবাদ জ্ঞাপন কৰে।

২০। ক) শিৱসাগৰত অনুষ্ঠিত লেখক শিবিৰৰ দ্বিতীয় বিষয়ৰ সিদ্ধান্তৰ প্ৰতি সভাই অনুমোদন জনায় আৰু প্ৰথম বিষয়ৰ সন্দৰ্ভত তলত দিয়া প্ৰস্তাৱটি গ্ৰহণ কৰে:—

দ্বিতীয় বিষয়ৰ সিদ্ধান্তসমূহ—

১। পাঠ্যপুথিত থকা ভুল-ভ্ৰান্তি পৰীক্ষা কৰি চাবলৈ নিগম, শিক্ষক, বিশেষজ্ঞ আৰু ভাষাৰ ভাল জ্ঞান থকা (অসম সাহিত্য সভাৰ মনোনীত হ'লে ভাল হয়) লোকক লৈ প্ৰত্যেক বিষয়ৰ একোখন সমীক্ষক উপসমিতি পাতিব লাগে। সেই সমিতিৰ পৰামৰ্শ আৰু সিদ্ধান্ত অনুসাৰে নিগমে পাঠ্যপুথি সংশোধনৰ ব্যৱস্থা কৰিব লাগে।

২। অসম পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমে প্ৰাথমিক শ্ৰেণীৰ পৰা উচ্চতৰ মাধ্যমিক স্তৰলৈকে প্ৰকাশ কৰা বিভিন্ন স্তৰৰ পাঠ্যপুথিসমূহৰ মানৰ ক্ৰমগতি সমীক্ষক সমিতিৰ দ্বাৰা সমীক্ষা কৰোৱাই সঠিকভাৱে ৰক্ষা কৰিব লাগে।

৩। প্ৰত্যেক বিষয়ৰ পাঠ্যপুথিৰ ভাষা, বিষয়, প্ৰকাশভঙ্গী আৰু মানৰ ভুল-ভ্ৰান্তি আৰু হীন-ডেঢ়ি আঁতৰাবৰ বাবে সংশ্লিষ্ট বিষয়ৰ শিক্ষক আৰু বিশেষজ্ঞ সকললৈ পাঠ্যপুথিসমূহ পঠাই নিৰ্দিষ্ট সময় দি মতামত আৰু পৰামৰ্শ বিচাৰিব লাগে; আৰু তেনে মতামত আৰু পৰামৰ্শসমূহ সংশ্লিষ্ট বিষয়ৰ সমীক্ষক সমিতিয়ে যথাযথভাৱে বিচাৰ কৰি চাব লাগে আৰু প্ৰয়োজনীয় পৰামৰ্শসমূহ পাঠ্যপুথি প্ৰণয়নৰ বেলিকা প্ৰয়োগ কৰিব লাগে।

৪। যিবোৰ পাঠ্যপুথি সংশোধন কৰিলেও পৰিকল্পনা, ভাষা, উপস্থাপন ৰীতি আৰু বিষয়-বস্তুৰ ভ্ৰান্তি-বহুলতাৰ কাৰণে গ্ৰহণযোগ্য হ'ব নোৱাৰে তেনে গ্ৰন্থক পাঠ্যপুথি-তালিকাৰ পৰা বাদ দিব লাগে।

৫। পাঠ্যপুথিৰ লেখক নিযুক্ত কৰোঁতে তেনে লোকৰ বিষয়-জ্ঞানৰ উপৰি ভাষা-জ্ঞানৰ ফালৰ পৰাও যোগ্যতা বিবেচিত হ'ব লাগে। সাহিত্য বিষয়ৰ লেখক বা সঙ্কলয়িতা সাহিত্য-ক্ষেত্ৰত প্ৰতিষ্ঠিত হোৱা লোক হ'ব লাগে। পুনৰীক্ষকো তেনে লোকেই হ'ব লাগে।

৬। যি বিষয়ৰ পাঠ্যপুথি লেখিবলৈ দিয়া হয়, সেই বিষয়টোৰ লগত ঘনিষ্ঠভাৱে জড়িত নথকা লোকক পাঠ্যপুথি প্ৰণয়নৰ বাবে নিযুক্তি দিব নালাগে আৰু তেনে লোকক পুনৰীক্ষকো কৰিব নালাগে। বহুকলীয়া অধ্যাপন-অভিজ্ঞতা, ভাষা-জ্ঞান আৰু সাহিত্য ক্ষেত্ৰতো দক্ষতা থকা লোক নিৰ্বাচন কৰা উচিত।

৭। ছাত্ৰ-ছাত্ৰীৰ অসমীয়া জ্ঞানৰ জোখ কোন শ্ৰেণীত কেনে আৰু কিমান হ'ব লাগে আৰু হ'ব পাৰে তাৰ এটা গৱেষণাপুষ্ট বিজ্ঞানসন্মত অধ্যয়ন লগা হৈছে।



অসমীয়া ভাষা মাধ্যম হোৱাৰ পাছত ছাত্ৰৰ ভাষা-জ্ঞান উচ্চতৰ হোৱাৰো আৱশ্যক হৈছে। গতিকে ওপৰত কোৱা বিধৰ অধ্যয়নৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। এনে এটা অধ্যয়নৰ সহায়ত্তাৱে বিভিন্ন শ্ৰেণীৰ ভাষা আৰু সাহিত্য-জ্ঞানৰ অৱধি স্থিৰ কৰি তদনুসাৰে পাঠ্যক্ৰম আৰু পাঠ্যপুথি প্ৰণয়নৰ ব্যৱস্থা হ'ব লাগে।

৮। ক) সম্প্ৰতি নৱম, দশম শ্ৰেণীৰ বাবে অনুমোদিত অসমীয়া ব্যাকৰণখনৰ পৰিকল্পনা, ভাষা, উপস্থাপন-ৰীতি ত্ৰুটীপূৰ্ণ। বহুজনানুমোদিত ভাল ব্যাকৰণ এখন প্ৰস্তুত নোহোৱালৈকে সন্তানাথ বৰাৰ বহল ব্যাকৰণখনহে সম্প্ৰতি প্ৰচলিত হৈ থকাটো সাহিত্য সভাই বাঞ্ছা কৰে।

খ) অসমীয়া ব্যাকৰণ সম্বন্ধীয় যিবোৰ পৰস্পৰ-বিৰোধী মতামত আছে, তাৰ সামঞ্জস্য-বিধান আৰু লগতে প্ৰবেশিকা পৰীক্ষাৰ্থীৰ প্ৰয়োজনীয় ব্যাকৰণ-জ্ঞানৰ পৰিসীমা নিৰ্ণয় কৰিবলৈ বিশেষজ্ঞক লৈ এখন সমিতি গঠন কৰিব লাগে।

৯। আখৰ-জোঁটনিৰ ক্ষেত্ৰত এটা একে ধৰণৰ নীতি সকলো স্তৰৰ সকলো বিষয়ৰ গ্ৰন্থত প্ৰয়োগ কৰিব লাগে।

১০। প্ৰত্যেক বিষয়ৰ মাত্ৰ একোখন গ্ৰন্থহে প্ৰকাশ কৰাৰ ফলত শিক্ষকে নিজৰ কোনো বাছনি নোহোৱাকৈ কিতাপ পঢ়ুৱাব লাগে। গতিকে প্ৰত্যেক বিষয়ৰ একাধিক গ্ৰন্থ প্ৰকাশৰ বা অনুমোদনৰ ব্যৱস্থা থকা ভাল।

১১। নিগমৰ পাঠ্যপুথিসমূহ বিতৰণৰ ব্যৱস্থা ত্ৰুটীপূৰ্ণ হোৱাত সময়মতে ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথিসমূহ নাপায়। তদুপৰি বিতৰণৰ কেন্দ্ৰসমূহত দুৰ্নীতি সোমোৱাৰ যেনে ধৰণৰ জনৰব শুনা যায়, তেনে জনৰবক কেৱল জনৰব বুলিয়েই উৰাই দিয়াও উচিত নহয়। গতিকে বিতৰণ-ব্যৱস্থা সময়মতে হোৱাৰ বাবে আৰু দুৰ্নীতি থকাৰ সম্ভাৱনা নোহোৱা কৰাৰ বাবে সকলো প্ৰকাৰৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

প্ৰথম বিষয়ৰ ওপৰত গৃহীত প্ৰস্তাৱ :—

অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ আজিৰ অধিৱেশনে ২৪ আৰু ২৫ অক্টোবৰ ( ১৯৭৭ ) তাৰিখে শিৱসাগৰ নগৰত বহা লেখক শিবিৰত প্ৰথম বিষয়— 'অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণয়ন-সমস্যা আৰু মান' এই বিষয়ে বিস্তৃত আলোচনাৰ ভিত্তিত তলত দিয়া পৰামৰ্শটি আগবঢ়ায় :—

(ক) সভাই অসমীয়া সাহিত্যৰ এখনি তথ্যসমৃদ্ধ বুৰঞ্জীৰ অভাৱ বৰকৈ অনুভৱ কৰে আৰু এই বিষয়ে ব্যক্তিগতভাৱে এখনি বিস্তৃত বুৰঞ্জী প্ৰণয়ন কৰাৰ কাৰণে অসমীয়া ভাষা-সাহিত্যৰ পণ্ডিতসকলৰ দৃষ্টি আকৰ্ষণ কৰে। দ্বিতীয়তে, প্ৰচলিত অসমীয়া সাহিত্যৰ বুৰঞ্জী কেইখনত যিকেইটা বিতৰ্কমূলক তথ্য আছে, সেই তথ্যকেইটাক পাঠ-সমীক্ষা বা আলোচনাৰ দ্বাৰা এটা নিশ্চিত ৰূপ দিবলৈ বুৰঞ্জী-প্ৰণেতাসকলক অনুৰোধ জনায়।

(খ) পাঠ্যপুথি প্ৰণয়ন নিগমৰ সদস্য ৰূপে সভাৰ সভাপতি চৈয়দ আব্দুল মালিক আৰু প্ৰধান সম্পাদক আব্দুছ ছাত্তাৰক অনুমোদন জনায়। পাঠ্যপুথিৰ ভাষাৰ পুনৰীক্ষক স্বৰূপে সমিতিয়ে তলত নাম দিয়া সকলক অনুমোদন জনায় :—

১। ড° হেমন্ত কুমাৰ শৰ্মা ২। অধ্যাপক নগেন শইকীয়া ৩। অধ্যাপক বসন্ত কুমাৰ গোস্বামী ৪। ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামী ৫। অধ্যাপক ৰামচৰণ ঠাকুৰীয়া ৬। অধ্যাপক প্ৰকাশ গোস্বামী ৭. অধ্যাপক যোগেন্দ্ৰনাৰায়ণ ভূঞা ৮। অধ্যাপক যতীন্দ্ৰনাথ গোস্বামী ৯। অধ্যাপক বিশ্বেশ্বৰ হাজৰিকা ১০। অধ্যাপক ৰজনীকান্ত দেৱশৰ্মা ১১। শ্ৰীপ্ৰিয়দাস তালুকদাৰ ১২। শ্ৰীমতিদেৱ শাস্ত্ৰী।

(গ) ভৱিষ্যতে শিবিৰত আখৰ-জোঁটনিৰ সম্পৰ্কত অসম সাহিত্য সভাই এটা মান নিৰ্ণয় কৰিব লাগে বুলি সমিতিয়ে অনুভৱ কৰে।

২১। কাছাৰৰ ঈদগাহ সাহিত্য সভা সম্পৰ্কত গঠিত উপসমিতিৰ প্ৰতিবেদন পাঠ কৰা হয় আৰু চৰজমিন তদন্তৰ কাৰণে শ্ৰীপ্ৰকাশ গোস্বামী, ড° নিশিপদ চৌধুৰী আৰু শ্ৰীসতীশ চৌধুৰীক দায়িত্ব দিয়ে। দুয়ো পক্ষৰ ৫ জনকৈ সদস্য লৈ উপসমিতিয়ে যি সিদ্ধান্ত কৰিব, সেয়ে চূড়ান্ত বুলি বিবেচিত হ'ব।

২২। জিলা পৰিষদ উপসমিতিয়ে পৰৱৰ্তী বৈঠকত চূড়ান্ত প্ৰতিবেদন দাখিল কৰিব বুলি প্ৰধান সম্পাদকে জনায়।

২৩। তেজপুৰৰ তিলক কাকতী সন্ধানহীন হোৱাত সমিতিয়ে দুখ প্ৰকাশ কৰে আৰু চৰকাৰৰ লগত যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

২৪। নগাঁৱৰ অ'হতগুৰি বেজবৰুৱাৰ জন্মস্থান বুলি জন্মস্থান অনুসন্ধান সমিতিয়ে দিয়া পৰামৰ্শ সমিতিয়ে গ্ৰহণ কৰে।

২৫। ইন্দ্ৰকান্ত ব্যাকৰণ প্ৰণয়নৰ আঁচনি যুগুত কৰি ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামীয়ে ড° উপেন্দ্ৰ নাথ গোস্বামী আৰু ড° গোলোক চন্দ্ৰ গোস্বামী— এই দুগৰাকী বিশেষজ্ঞলৈ পঠাইছে বুলি সমিতিক অৱগত কৰায়। সমিতিয়ে ড° গোস্বামীক উল্লেখিত আঁচনিখন নবীন চন্দ্ৰ গোস্বামীক দিবৰ কাৰণে দায়িত্ব দিয়ে।

২৬। ৰামদিয়াত কালিৰাম মেধি জন্ম শতবাৰ্ষিকী উৎসৱ অনুষ্ঠিত কৰা সম্পৰ্কে পৰৱৰ্তী বৈঠকলৈ স্থগিত ৰখা হয়।

২৭। ন-লেখক ওৱৰ্কশ্বপ সম্পৰ্কে গঠিত উপসমিতিৰ প্ৰতিবেদন সহকাৰী সম্পাদক বসন্তকুমাৰ গোস্বামীয়ে উত্থাপন কৰে আৰু সমিতিয়ে সভাপতি, প্ৰধান সম্পাদক আৰু নগেন শইকীয়াক লৈ এখন উপসমিতি গঠন কৰি দিয়ে। এই উপসমিতিয়ে প্ৰতিবেদন অধ্যয়ন কৰি কাৰ্যত পৰিণত কৰাৰ সম্ভাৱনা সম্পৰ্কে সমিতিক পৰামৰ্শ দিব।

২৮। সমিতিয়ে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ তৃতীয় অধিৱেশনখন গুৱাহাটীত পাতিব লাগে বুলি অনুভৱ কৰে। প্ৰয়োজন হ'লে জানুৱাৰী মাহত এখন কাৰ্যনিৰ্বাহক সমিতি অনুষ্ঠিত হ'ব পাৰে বুলি সমিতিয়ে মত প্ৰকাশ কৰে।

২৯। নৱবৰ্ষে সাহিত্য সভাৰ ঠাইত লক্ষীডৰা সাহিত্য কানন হ'ব লাগে বুলি বাজহুৱা সভাই গ্ৰহণ কৰা প্ৰস্তাৱ সমিতিয়ে গ্ৰহণ কৰে আৰু লক্ষীডৰা সাহিত্য কানন নামটোৰ স্বীকৃতি দিয়ে।

৩০। কেন্দ্ৰীয় কাৰ্যালয়ত শ্ৰীদুলাল চন্দ্ৰ হাজৰিকাৰ এমাহৰ অস্থায়ী নিযুক্তিত সমিতিয়ে অনুমোদন জনায়।

৩১। কামপুৰ আঞ্চলিক সাহিত্য সভাৰ তৰফৰ পৰা কাৰ্যনিৰ্বাহকৰ সদস্যসকললৈ শলাগ জ্ঞাপন কৰে আৰু অনুষ্ঠিত মুকলি সভাত সভাপতি আৰু কাৰ্যনিৰ্বাহকৰ সদস্যসকলক সম্বৰ্দ্ধনা জনায়।

৩২। সভাপতি চৈয়দ আব্দুল মালিক ডাঙৰীয়াই কামপুৰ আঞ্চলিক সাহিত্য সভা আৰু কাৰ্যনিৰ্বাহকৰ সদস্যসকলৰ সহায়-সহযোগৰ বাবে শলাগ জ্ঞাপন কৰে আৰু সভাৰ বিভিন্ন গঠনমূলক কাৰ্য-ব্যৱস্থাৰ বাস্তৱ ৰূপায়নৰ কাৰণে সকলোৰে সহায় আহ্বান কৰে। সভাপতিয়ে সদস্যসকললৈ ধন্যবাদ জনাই সভাৰ সামৰণি ঘোষণা কৰে।

স্বাঃ/চৈয়দ আব্দুল মালিক,
সভাপতি।

স্বাঃ/আব্দুছ ছাত্তাৰ,
প্ৰধান সম্পাদক।

× × ×

## ২। কাৰ্যনিৰ্বাহক সমিতিৰ চতুৰ্থ অধিৱেশন

চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট

২৫ ডিচেম্বৰ, ১৯৭৭

উপস্থিত সদস্যসকল : চৈয়দ আব্দুল মালিক—সভাপতি, ড° নিশিপদ চৌধুৰী— সহকাৰী সম্পাদক, অধ্যাপক বসন্তকুমাৰ গোস্বামী— সহকাৰী সম্পাদক, অধ্যাপক যোগেন্দ্ৰনাৰায়ণ ভূঞা— পত্ৰিকা সম্পাদক, অধ্যাপক প্ৰকাশ গোস্বামী— ভাষাজ্ঞান পৰীক্ষা সংসদৰ সচিব, অধ্যাপক অৰুণ গোস্বামী— কোষাধ্যক্ষ, শ্ৰীমতিদেৱ শাস্ত্ৰী, শ্ৰীজয়দেৱ শৰ্মা, অধ্যাপক নাহেন্দ্ৰ পাদুন, অধ্যাপক ৰামচৰণ ঠাকুৰীয়া, শ্ৰীসতীশ চন্দ্ৰ চৌধুৰী, মোঃ আব্দুল মালিক চৌধুৰী, দেলোৱাৰা খোন্দকাৰ, আব্দুছ ছাত্তাৰ— প্ৰধান সম্পাদক।

নিমন্ত্ৰিতসকল :— ড° মহেশ্বৰ নেওগ, শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী, শ্ৰীনগেন শইকীয়া, শ্ৰীডিম্বেশ্বৰ শৰ্মা, শ্ৰীদেৱ প্ৰসাদ বৰুৱা, শ্ৰীঅৰলা গোহাঁই, শ্ৰীঅমল ৰাজখোৱা।

১। প্ৰধান সম্পাদকে সভাৰ মাননীয় সভাপতি চৈয়দ আব্দুল মালিকক সভাপতিৰ আসন গ্ৰহণ কৰিবৰ কাৰণে অনুৰোধ জনায়। সভাপতিয়ে আসন গ্ৰহণ কৰে।

২। সভাপতিয়ে তলত দিয়া শোক-প্ৰস্তাৱ দুটি উত্থাপন কৰে। সমিতিয়ে এক মিনিট সময় মৌন হৈ বিদেহ আত্মাৰ সদ্গতি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়।

(ক) অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতি আৰু সমবেত ৰাইজৰ আজিৰ বৈঠকে অসম সাহিত্য সভাৰ প্ৰাক্তন সভানেত্ৰী অতীন্দ্ৰিয়বাদী কবি শ্ৰীনলিনীবালা দেৱীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনায়। সভাই বিদেহ আত্মাৰ সদ্গতি কামনা কৰি ভগৱানৰ ওচৰত মৌন প্ৰাৰ্থনা জনায়।

খ) অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ আজিৰ বৈঠকে বিশিষ্ট সমাজকৰ্মী কনকলতা বৰুৱাৰ আকস্মিক বিয়োগত গভীৰ শোক প্ৰকাশ কৰে আৰু শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জনায়। সভাই স্বৰ্গগত আত্মাৰ সদ্গতি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়।

৩। সমিতিয়ে প্ৰাক্তন সভানেত্ৰী কবি নলিনীবালা দেৱীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি কাৰ্যনিৰ্বাহক সমিতিৰ বৈঠক আধা ঘণ্টা পাছলৈ নিয়ে।

৪। ৫'৩০ বজাত বৈঠক পুনৰ অনুষ্ঠিত হয়।

৫। আৰম্ভণিতে হীৰক জয়ন্তী উৎসৱ সমিতিৰ সম্পাদিকা শ্ৰীঅৰলা গোহাঁয়ে কাৰ্যনিৰ্বাহকৰ সদস্য সকলক হীৰক জয়ন্তী উৎসৱলৈ আনুষ্ঠানিকভাৱে নিমন্ত্ৰণ জনায়।

৬। প্ৰধান সম্পাদকে পূৰ্বৱৰ্তী বৈঠকৰ কাৰ্য-বিৱৰণি উত্থাপন কৰে। সমিতিয়ে কাৰ্য-বিৱৰণিৰ ১৬ নং দফাৰ আৰম্ভণিতে 'লঙ্কা' শব্দ সংযোগৰ সংশোধনিৰে কাৰ্য-বিৱৰণি গ্ৰহণ কৰে।

৭। উত্থিত বিষয় : (ক) প্ৰধান সম্পাদকে জনায় যে অসমৰ চৰাই, অসমৰ খনিজ সম্পদ, অসমৰ বনৌষধি, ৰাসায়নিক আবিষ্কাৰ আৰু আমি, সোণোৱালৰ সাধু, পণ্ডিত ৰাহুল সংকৃত্যায়ন, টলষ্টয়,

কিংবদন্তিৰ সাধুৰ পাণ্ডুলিপি লেখকসকলৰ পৰা পোৱা হৈছে আৰু প্ৰকাশন সমিতিৰ পৰামৰ্শ অনুসৰি পাণ্ডুলিপি পুনৰীক্ষণৰ কাৰণে পঠিওৱা হৈছে। (খ) প্ৰধান সম্পাদকে জনায় যে হীৰক জয়ন্তী প্ৰকাশনৰ অসম সাহিত্য সভাৰ ৰূপলেখা, A Plea for Assam and Assamese, বাতৰিৰ বিভূতি, অসম সাহিত্য সভাৰ সুবচনী, প্ৰকাশনৰ বৰ্ণনামূলক তালিকা, শাখা সভাৰ পৰিচয়, অভিলেখ ছপা হৈ আহিল। যোৱা বছৰৰ প্ৰকাশন শতাব্দীৰ অৰ্ঘ্য এই বছৰ হীৰক জয়ন্তী প্ৰকাশনৰ লগত উন্মোচন কৰা হ'ব।

৮। পত্ৰিকা: (ক) প্ৰধান সম্পাদকে জনায় যে পত্ৰিকাৰ বৰঙনি আদায় নকৰা শাখাসমূহলৈ দ্বিতীয় সংখ্যা পত্ৰিকা চাৰিটা সংখ্যাৰ মূল্য ধৰি পঠিওৱা হৈছিল যদিও বহুতো শাখা সভাই ভি. পি. গ্ৰহণ নকৰাত অসুবিধা হৈছে। ভি. পি. গ্ৰহণ নকৰা শাখা সমূহে ডাক মাচুল সহ পত্ৰিকাৰ বৰঙনি আদায় নকৰিলে সভাৰ আগন্তুক বাৰ্ষিক অধিবেশনত প্ৰতিনিধিত্ব কৰিবলৈ দিয়া নহ'ব বুলি সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰে।

(খ) সমিতিয়ে মূল্য আৰু ছপা সংখ্যা একে ৰাখি ১৭ ফৰ্মা পৰ্যন্ত হীৰক জয়ন্তী বৰ্ষৰ বিশেষ সংখ্যাৰূপে ৪ৰ্থ সংখ্যা প্ৰকাশ কৰিবৰ কাৰণে পত্ৰিকা সম্পাদকক দায়িত্ব দিয়ে।

৯। কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱিত ৰাধাকান্ত সন্দিকৈ ভৱনৰ আঁচনি ৰাজ্য চৰকাৰে সোনকালে অনুমোদন কৰি পঠিয়াবৰ কাৰণে যোগাযোগ কৰিবলৈ সমিতিয়ে ড° মহেশ্বৰ নেওগ, ড° নিশিপদ চৌধুৰী, ৰামচৰণ ঠাকুৰীয়া, ড° হেমন্তকুমাৰ শৰ্মাক দায়িত্ব দিয়ে। প্ৰধান সম্পাদকে জনায় যে ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণ সমিতিৰ পৰামৰ্শৰ ভিত্তিত জানুৱাৰী মাহতেই ভৱনৰ প্ৰাৰম্ভিক কাম আৰম্ভ কৰা হ'ব।

১০। প্ৰাক্তন প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়াই ৰত্নেশ্বৰ মহন্তৰ ৰচনাৱলী যিহেতু অসম সাহিত্য সভাই সঙ্কলন কৰাইছিল, সেয়ে চুক্তি অনুযায়ী সভাক প্ৰকাশিত গ্ৰন্থ দিব লাগে বুলি আগবঢ়োৱা পৰামৰ্শ সমিতিয়ে গ্ৰহণ কৰে আৰু প্ৰধান সম্পাদকক প্ৰকাশন পৰিষদৰ লগত যোগাযোগ কৰি গ্ৰন্থ সংগ্ৰহ কৰিবলৈ দায়িত্ব দিয়ে।

১১। সাহিত্য বাৰ্তায়ন: পূৰ্বৰ সম্পাদক শ্ৰীপ্ৰকাশ গোস্বামীয়ে অক্ষমতা প্ৰকাশ কৰাত সমিতিয়ে শ্ৰীঅমল ৰাজখোৱা আৰু কুতুবুদ্দিন আহমেদক দায়িত্ব দিয়ে। প্ৰথম সংখ্যাটো অহা বাৰ্ষিক অধিবেশনত প্ৰকাশ হ'ব লাগে বুলি সমিতিয়ে মত প্ৰকাশ কৰে।

১২। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° মহেশ্বৰ নেওগে শুভঙ্কৰৰ শ্ৰীহস্তমুক্তাৱলীৰ সম্পৰ্কত দিয়া পত্ৰ প্ৰধান সম্পাদকে পাঠ কৰে। সমিতিয়ে ড° নেওগে সম্পাদনা কৰা শ্ৰীহস্তমুক্তাৱলীৰ সম্পৰ্কত মত প্ৰকাশ কৰে যে কেন্দ্ৰীয় চৰকাৰে আধা খৰচ বহন কৰিলে সভাই গ্ৰন্থখনি সঙ্গীত সত্ৰৰ লগত যুটীয়াভাৱে প্ৰকাশ নকৰি নিজে প্ৰকাশ কৰিব খোজে। এই সম্পৰ্কত এটি সিদ্ধান্ত লবৰ বাবে সমিতিয়ে সঙ্গীত সত্ৰৰ সভাপতিৰ লগত যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

১৩। সমিতিয়ে কিতাপৰ ছপা-ব্যয়ৰ ওপৰত ৩০'০০ টকা কমিছন ধৰি আৰু অসম সাহিত্য সভাৰ ৰূপলেখাৰ ক্ষেত্ৰত ছপা ব্যয়ৰ ওপৰত শতকৰা ২০'০০ টকা কমিছন ধৰি মূল্য নিৰূপণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

১৪ মাননীয় সভাপতিৰ অভয়াপুৰী অধিবেশনৰ সভাপতিৰ ভাষণৰ সম্পূৰ্ণ ব্যয় বহন নকৰাত সমিতিয়ে অভ্যৰ্থনা সমিতিৰ লগত যোগাযোগ কৰিবৰ কাৰণে প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

১৫। সমিতিয়ে প্ৰাক্তন সভানেত্ৰী নলিনীবালা দেৱীৰ স্মৃতিত গ্ৰন্থ এখনি যুগুত কৰিবৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰে আৰু ড° হেমন্তকুমাৰ শৰ্মাক সম্পাদক



আৰু ৰামচৰণ ঠাকুৰীয়াক সহযোগী সম্পাদকৰ দায়িত্ব দিয়ে।

১৬। মাননীয় সভাপতি ডাঙৰীয়াই কাছাৰ, উত্তৰ কাছাৰ আৰু গোৱালপাৰাত শুভেচ্ছামূলক ভ্ৰমণৰ সম্পৰ্কত দিয়া পৰামৰ্শ সমিতিয়ে গ্ৰহণ কৰে। সমিতিয়ে ভাষা-জ্ঞান পৰীক্ষা সংসদৰ সচিব প্ৰকাশ গোস্বামীক সভাপতি ডাঙৰীয়াৰ লগত যাবলৈ পৰামৰ্শ দিয়ে।

১৭। পঞ্চচত্বাৰিংশ গোলাঘাট অধিবেশনৰ প্ৰস্তুতি সম্পৰ্কে অৱগত হ'বৰ কাৰণে সমিতিয়ে সভাপতি, প্ৰধান সম্পাদক, সহকাৰী সম্পাদক আৰু শ্ৰীযতীন্দ্ৰ নাথ গোস্বামীক দায়িত্ব দিয়ে।

১৮। অসম সাহিত্য সভাৰ ডকুমেণ্টৰী যুগুত কৰা ব্ৰহ্মপুত্ৰ ফিল্ম্‌চক আৰ্থিক সাহায্য দিবৰ কাৰণে চৰকাৰৰ লগত যোগাযোগ কৰিবলৈ শ্ৰীসতীশ চৌধুৰী, ড° নিশিপদ চৌধুৰী, ড° হেমন্ত কুমাৰ শৰ্মা আৰু শ্ৰীৰামচৰণ ঠাকুৰীয়াক দায়িত্ব দিয়ে।

১৯। লেখক শিবিৰৰ কাৰণে প্ৰথম সুযোগতে পৰিশোধ কৰাৰ সৰ্তত ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণ পুঁজিৰ পৰা ধাৰ কৰা ১২ হাজাৰ টকা পৰিশোধ কৰাৰ কথা প্ৰধান সম্পাদকে জনায়।

২০। ১৭ জানুৱাৰীৰ পৰিবৰ্তে ২৬ ডিচেম্বৰৰ পৰা ৩১ ডিচেম্বৰলৈকে সাহিত্য সভা সপ্তাহ হীৰক জয়ন্তী সপ্তাহৰূপে পতাত সমিতিয়ে অনুমোদন জনায়।

২১। সমিতিয়ে পূৰ্বৰ হিচাপ-পৰীক্ষক শ্ৰীজ্ঞানেন্দ্ৰনাথ শইকীয়াক পুনৰ ১৯৭৭-৭৮ বছৰৰ হিচাপ-পৰীক্ষক ৰূপে নিযুক্তি দিয়ে।

২২। যোৱা বছৰ কাৰ্যনিৰ্বাহক সমিতিয়ে কেন্দ্ৰীয় কাৰ্যালয়ত ইংৰাজী টাইপ ৰাইটাৰ এটা ল'বৰ কাৰণে অনুমোদন জনাইছিল যদিও পুঁজিৰ অভাৱত ল'ব পৰা নহ'ল বুলি প্ৰধান সম্পাদকে জনায়। সমিতিয়ে এইবাৰ এটা ইংৰাজী নতুন টাইপ মেচিন কিনিবৰ কাৰণে আৰু পুৰণি টাইপটো সম্ভৱ হ'লে ভাল কৰি লবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

২৩। পুৰণি নথি-পত্ৰ সংৰক্ষণৰ কাৰণে কেন্দ্ৰীয় কাৰ্যালয়ত এটা গদ্‌ৰেজ আলমাৰীৰ প্ৰয়োজন বুলি প্ৰধান সম্পাদকে আগবঢ়োৱা পৰামৰ্শ সমিতিয়ে গ্ৰহণ কৰে আৰু গদ্‌ৰেজ আলমাৰী এটা কিনিবৰ কাৰণে প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

২৪। হীৰক জয়ন্তী উপলক্ষে প্ৰকাশন আঁচনিৰ অন্তৰ্ভুক্ত গ্ৰন্থৰ উপৰিও সভাৰ নথি-পত্ৰৰ পৰিচয়মূলক গ্ৰন্থ 'অভিলেখ' প্ৰধান সম্পাদক আৰু সহকাৰী সম্পাদকে মাননীয় সভাপতিৰ পৰামৰ্শ অনুসৰি যুগুত কৰি ইতিমধ্যে ছপা কৰি উলিওৱাৰ কথা প্ৰধান সম্পাদকে জনায়। সমিতিয়ে অনুমোদন কৰে।

২৫। হীৰক জয়ন্তী উপলক্ষে এলাহাবাদ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° জয়কান্ত মিশ্ৰৰ উদ্বোধনী ভাষণ, সভাপতিৰ ভাষণ, প্ৰধান সম্পাদকৰ প্ৰতিবেদনৰ ছপা-ব্যয় সমিতিয়ে অনুমোদন জনায়।

২৬। হনুমানবক্স কানৈক অসম সাহিত্য সভাই সম্বৰ্দ্ধনা জনোৱা বুলি হোৱা অপপ্ৰচাৰৰ স্পষ্টীকৰণ দিবৰ কাৰণে সমিতিয়ে প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

২৭। শিৱসাগৰত অনুষ্ঠিত লেখক শিবিৰত যোগ দিবলৈ আহি দুৰ্ঘটনাৰ সন্মুখীন হোৱাত ড° মহেশ্বৰ নেওগক যোৰহাটৰ পৰা গুৱাহাটীলৈ পঠোৱাৰ খৰচ সমিতিয়ে অনুমোদন জনায়।

২৮। কেন্দ্ৰীয় কাৰ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী শ্ৰীপ্ৰমোদ হাজৰিকাৰ পুত্ৰৰ চিকিৎসাৰ কাৰণে সমিতিয়ে ত্ৰিশ টকাৰ এক কালীন সাহায্য মঞ্জুৰ কৰে।

২৯। হীৰক জয়ন্তী উপলক্ষে অসম সাহিত্য সভাৰ কাৰ্যালয়ৰ কৰ্মচাৰীসকলক তলত দিয়া দৰে এককালীন বানচ দিবৰ কাৰণে সমিতিয়ে সিদ্ধান্ত কৰে। তৃতীয় শ্ৰেণীৰ কৰ্মচাৰী শ্ৰীনন্দ বৰদলৈ, শ্ৰীহেম শইকীয়া, শ্ৰীঅনন্ত তালুকদাৰ, শ্ৰীচেমিকুদ্দিন আহমেদক ৪০'০০ টকাকৈ; চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী শ্ৰীপ্ৰমোদ

হাজৰিকা, শ্ৰীৰাজেন বৰা, শ্ৰীদুলাল ডেকাক ৪০'০০ টকা, মালী আৰু জমাদাৰক ১০'০০ টকাকৈ এক-কালীন বানচ দিয়া হওক।

৩০। কেন্দ্ৰীয় কাৰ্যালয়ৰ ব্যৱহাৰিক আচবাবৰ কাৰণে অধ্যাপক শ্ৰীকৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই এহাজাৰ টকাৰ দান আগবঢ়োৱাত সমিতিয়ে সন্তোষ প্ৰকাশ কৰে আৰু সন্দিকৈ ডাঙৰীয়ালৈ ধন্যবাদ জ্ঞাপন কৰে।

৩১। সমিতিয়ে তলত নাম দিয়া শাখা সভা আৰু আজীৱন সভ্যসকলক অসম সাহিত্য সভাৰ শাখা সভা আৰু আজীৱন সভ্যৰূপে স্বীকৃতি দিয়ে :—

(ক) শাখা সভা : কুঁৱৰীগাঁও সাহিত্য সভা, নাহৰকটীয়া
বনগিৰি সাহিত্য কানন, গুৱাহাটী—২১
বটদ্ৰৱা শাখা সাহিত্য সভা, নগাঁও

(খ) আজীৱন সভ্য : ১) (সৰ্বশ্ৰী) ভদ্ৰেশ্বৰ বৰা, কুমচাং বাগিচা, ডিব্ৰুগড় ২) উদ্ধৱধৰ দাস, দৰং জিলা ৩) বংশীৰাম ডেকা, গুৱাহাটী—১ ৪) শ্ৰীমতী জয়ন্তী মহন্ত, দগাঁও, নগাঁও ৫) মহানন্দ বৰা, উত্তৰ লক্ষীমপুৰ ৬) তিলক মোহন দস্তিদাৰ, উ: ল: ৭) হেমচন্দ্ৰ শইকীয়া, উত্তৰ লক্ষীমপুৰ ৮) দয়াকৃষ্ণ দেৱগোস্বামী, উ: ল: ৯) প্ৰেমেশ্বৰ বৰা উ: ল: ১০) ৰণেন্দ্ৰ বসুমতাৰী, উ: ল: ১১) কেশৱ চন্দ্ৰ দাস, যোগীজান, নগাঁও ১২) মহেশ্বৰ ভূঞা, যোগী-জান, নগাঁও ১৩) কৃষ্ণকুমাৰ সিংহ, যোগীজান, নগাঁও ১৪) জীৱেশচন্দ্ৰ প্ৰধানী, গোলোকগঞ্জ ১৫) ৰঞ্জিৎ ৰঞ্জন শৰ্মা, হাইলাকান্দি ১৬) মুনাহৰ আলি বৰভূঞা, কাছাৰ ১৭) প্ৰিয়নাথ দাস, গুৱালকুছি ১৮) মদনচন্দ্ৰ মহন্ত, গুৱালকুছি ১৯) মহেন্দ্ৰ কলিতা, গুৱালকুছি।

৩২। সভাপতি ডাঙৰীয়াই সদস্যসকলক ধন্যবাদ জনাই সভাৰ সামৰণি ঘোষণা কৰে।

স্বা:/ আব্দুচ্ ছাত্তাৰ
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা।
২৫।১২।৭৭

স্বা:/ চৈয়দ আব্দুল মালিক,
সভাপতি,
অসম সাহিত্য সভা।




॥ আমাৰ প্ৰকাশিত সাহিত্য-সম্ভাৰ ॥

| | |
|---|---|
| সাহিত্য আৰু চেতনা ( প্ৰবন্ধ সংকলন ) ড° হীৰেন গোহাঁই | ১৫'০০ |
| অসীমত যাৰ হেৰাল সীমা ( উপন্যাস ) কাঞ্চন বৰুৱা | ১৫'০০ |
| বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি ( জীৱনী ) তিলক দাস | ১২'০০ |
| বৰদোৱা-গুৰুচৰিত ( প্ৰবন্ধ ) সম্পাদনা : ড° মহেশ্বৰ নেওগ | ১২'০০ |
| অশান্ত প্ৰহৰ ( ৰাজনৈতিক উপন্যাস ) কাঞ্চন বৰুৱা | ১০ ০০ |
| বণ্ডুকাবেহাৰ ( মাধৱদেৱৰ পটভূমিত উপন্যাস ) মেদিনী চৌধুৰী | ১০'০০ |
| মন আৰু মন ( ছখন বিশ্ববিখ্যাত কিতাপৰ আলোচনা ) ৰাম গোস্বামী | ৮'০০ |
| হিমানী-হিল্লোল ( বৈজ্ঞানিক দৃষ্টিভঙ্গীত উপন্যাস ) কুমাৰ কিশোৰ | ৮'০০ |
| জতুগৃহ ( সামাজিক উপন্যাস ) ৰুণু বৰুৱা | ৮'০০ |
| মেডিকেল কলেজ ( বাস্তৱধৰ্মী উপন্যাস ) প্ৰণৱ কুমাৰ শৰ্মা | ৮'০০ |
| গধূলি লগ্ন ( ভিন্নসুৰী সামাজিক উপন্যাস ) ঘন হাজৰিকা | ৮'০০ |
| উপমা কালিদাসস্য ( প্ৰবন্ধ ) ড° মুকুন্দ মাধৱ শৰ্মা | ৭'০০ |
| সাহিত্য–সংস্কৃতিৰ প্ৰবাহ ( প্ৰবন্ধ সংকলন ) যজ্ঞেশ্বৰ শৰ্মা | ৭'০০ |
| অঘৰী আত্মাৰ কাহিনী ( উপন্যাস ) চৈয়দ আব্দুল মালিক | ৬ ৫০ |
| মঞ্চকলা ( মঞ্চ আৰু অভিনয় সম্পৰ্কে ) কুমাৰ কিশোৰ | ৬'০০ |
| অবঞ্চনা ( জৰুৰী অৱস্থাৰ পটভূমিত উপন্যাস ) পদ্ম বৰকটকী | ৬'০০ |
| বহাগতে পাতি যাওঁ বিয়া ( ৰম্য ৰচনা ) ভদ্ৰ বৰা | ৬'০০ |
| মণি-কাঞ্চন ( জাতিস্মৰৰ পটভূমিত উপন্যাস ) সন্তোষ কুমাৰ শৰ্মা | ৬'০০ |
| সৃজন আৰু মনন ( কবিতাৰ ওপৰত আলোচনা ) ইমদাদ উল্লাহ | ৬'০০ |
| ৰাজপথৰ নায়ক ( সামাজিক উপন্যাস ) কামাখ্যা সভাপণ্ডিত | ৬'০০ |
| শিশুৰ প্ৰতিপালন ( বিজ্ঞানসন্মত আলোচনা ) চন্দ্ৰপ্ৰভা দেৱী | ৬'০০ |
| বলম্ ( গাঁৱৰ পটভূমিত সামাজিক উপন্যাস ) ক্ষিতি বৰা | ৫'০০ |
| ছিণ্ডিয়ো কৰ্ম বন্ধন ( ধৰ্মীয় তত্ত্বগধুৰ প্ৰবন্ধ ) যোগেন্দ্ৰ নাথ ভূঞা | ৫'০০ |
| অভিনেত্ৰী ( বিভিন্ন পটভূমিৰ গল্প সংকলন ) ৰোহিণী বৰা | ৫'০০ |
| বিবাহ আৰু জীৱন ( শাস্ত্ৰসন্মত প্ৰবন্ধ ) গুৰুদত্ত ভাগৱতী | ৫'০০ |
| ৰোমন্থন ( উদ্দেশ্যধৰ্মী সামাজিক উপন্যাস ) নন্দ শইকীয়া | ৫'০০ |
| অঙ্কুৰ (নতুন লেখকৰ গল্প সংকলন ) সম্পাদনা : অজিত কুমাৰ ভূঞা | ৫'০০ |
| সম্পূৰ্ণ ডাকৰ বচন ( টীকা আৰু টান শব্দাৰ্থ সহ ) হেমৰথ বৰ্মন | ৫'০০ |
| হস্তৰেখা আৰু জ্যোতিষ-বিজ্ঞান ( বিজ্ঞানসন্মত ) ভুবন নাথ | ২০'০০ |
| লগতে : : মাটিৰ মানুহ ৬'০০ ॥ মুছাফিৰখানা ৫'০০ ॥ উ খুন জংতা | ৫'০০ |
| শিলজুৰিৰ সাঁকো ৫'০০ ॥ নদীৰ নাম নলজৰা ৫'০০ ॥ পলৰীয়া প্ৰতিধ্বনি | ৪'০০ |
| হাতীপটি চিকিমিকি ৪'০০, প্ৰিয়ঙ্গু ৪'০০, ৰঙা জিঁয়া ৩'০০, মণ্টু সংবাদ | ৩'০০ |
| কুঁৱৰী ৩'০০, সোণালী চুলি ৩'০০, দেৱী ইন্দ্ৰানী ৪'০০, জৰাসন্ধৰ নৃত্য | ৪'০০ |
| ফুলি থকা সূৰ্যমুখী ফুলটোৰ ফালে ২'৫০, উত্তাপ ৪'০০, ৰামধেনু কাৰ ধেনু | ২'০০ |

গুৱাহাটী বুক ষ্টল, গুৱাহাটী—৭৮১০০৩

অসমী আইৰ

ভাষা-সংস্কৃতিৰ সেৱাত

অসম সাহিত্য সভাৰ

হীৰক জয়ন্তী বৰ্ষত

আমাৰ

আন্তৰিক শুভেচ্ছা

# পুথিঘৰ আৰু পুথিঘৰ প্ৰেছ

নগাঁও

ফোন নং— ৬৯ আৰু ৩২৯

অসম সাহিত্য সভাৰ হীৰক জয়ন্তীত

আমাৰ আনন্দ

প্ৰকাশ কৰিছোঁ

# ৰুবী প্ৰেছ (ফোন নং ২৭৯)

এ, টি, ৰোড : নতুন বজাৰ

নগাঁও : অসম

নানা ৰঙেৰে আটকধুনীয়াকৈ ছপা কৰা আৰু নিৰ্দ্ধাৰিত

সময়ত যোগান দিয়াই আমাৰ বিশেষত্ব ।



ৰাইজৰ আশীৰ্বাদ বিচাৰি নতুন বছৰৰ এটি অৰ্ঘ্য

শ্ৰীশিৱকান্ত ৰাজখোৱাৰ শ্ৰেষ্ঠ গল্প-সঙ্কলন

# ইন্দ্ৰজাল

মূল্য— ৩·৫০

## অজন্তা প্ৰেছ

হয়বৰগাঁও : নগাঁও (অসম)

# নৱজ্যোতি প্ৰেছ

ফৌজদাৰীপট্টি, নগাঁও : অসম

বিশ্বাসী, নিখুঁত আৰু নিৰ্ভৰযোগ্য সকলো

ৰকমৰ ছপা কামৰ বাবে চহৰৰ

একমাত্ৰ প্ৰতিষ্ঠান ।

সুন্দৰ আৰু নিখুঁত ছপা কামৰ বাবে চহৰৰ একমাত্ৰ

নিৰ্ভৰযোগ্য প্ৰতিষ্ঠান ।

# অলকানন্দা প্ৰেছ

এ, টি ৰোড : হয়বৰগাঁও

নগাঁও : অসম

আমাৰ ইয়াত স্কুল কলেজৰ কিতাপ আৰু

অফিচৰ সকলো ধৰণৰ লাগতিয়াল সা-সৰঞ্জাম

আৰু

খেলৰ সামগ্ৰীসমূহ সুলভ মূল্যত যোগান ধৰা হয় ।

# আদৰ্শ পুস্তকালয় (ফোন নং ৫৩৩)

বৰবজাৰ নগাঁও : অসম

অসম সাহিত্য সভাৰ হীৰক জয়ন্তীত

চিৰচেনেহী ভাষা-জননীৰ উত্তৰোত্তৰ

উন্নতি কামনাৰে—

সুছন্দা প্ৰেছ

আমোলাপটি

নগাঁও

## প্ৰবন্ধ-সঞ্চয়ন

অসম সাহিত্য সভা পত্ৰিকাৰ প্ৰথম বছৰৰ পৰা ওলোৱা অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ইতিহাস-সম্পৰ্কীয়, তথ্যপূৰ্ণ পঁচিছটি মূল্যবান দুষ্প্ৰাপ্য প্ৰবন্ধৰ এই সঙ্কলনটি অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ছাত্ৰ, গবেষক, শিক্ষক আৰু অনুসন্ধিৎসু সকলৰ বাবে একান্ত সংগ্ৰহযোগ্য। সঙ্কলনটিয়ে সামৰিছে অসম দেশ আৰু তাৰ অধিবাসী, চৰ্যাপদ আৰু অসমীয়া ভাষা, কালিকা পুৰাণৰ ৰচনাকাল, অসমত বৌদ্ধধৰ্ম, কুমাৰিল ভট্ট, অসমৰ শিলালিপি, পূব ভাৰতৰ শাসনাৱলী অধ্যয়নৰ তাৎপৰ্য, উত্তৰ ভাৰতৰ ৰাজনীতিত প্ৰাচীন কামৰূপ বুৰঞ্জীৰ আভাস, প্ৰাক আহোম যুগৰ অসমৰ অভিলেখ, থল-পৰ্বতৰ সম্বন্ধ, অসমীয়া ভাষাত আহোম ভাষাৰ শব্দ, অসমীয়া বুৰঞ্জী-সাহিত্যৰ ভূমিকা, অসমৰ পুৰণি সাজ-পাৰ, অসমৰ মধ্যযুগৰ প্ৰতিৰক্ষা নীতি, সপ্তম শতিকাৰ অসমীয়াৰ শিল্প-কলা, সোতৰ শতিকাত অসমীয়াৰ ৰণ-বল, পুৰণি অসমত সংস্কৃত চৰ্চাৰ আভাস, অসমীয়া সাহিত্য আৰু ৰজাঘৰীয়া পৃষ্ঠপোষকতা, কোচবিহাৰত অসমীয়া সাহিত্যৰ অনুসন্ধান, অসমীয়া যোজোনা আদিৰ কথা, সাহিত্য-সৌষ্ঠৱত কীৰ্তন, ভাৰতৰ সংশ্লেষিত সংস্কৃতিলৈ অসমৰ দান, ভাৰতীয় সাহিত্যৰ পটভূমিত অসমীয়া সাহিত্য, সাহিত্যত আধুনিক মূল্যবোধ— এই কেইটি প্ৰবন্ধ। অসম সাহিত্য সভাৰ হীৰক জয়ন্তী উপলক্ষে প্ৰকাশিত এই গ্ৰন্থখনিৰ মূল্য ১৫'০০ টকা। সুদৃশ্য বেটুপাত, পকা বন্ধা। সম্পাদক : নগেন শইকীয়া।

# অসম সাহিত্য সভাৰ প্ৰকাশন

[ বৰ্তমান মজুত থকা ]

| | | | | | |
|---|---|---|---|---|---|
| ৬৬ | প্লেটো | ৩'০০ | ৯১ | ভাৰতৰ স্বাধীনতা আন্দোলনৰ ৰূপৰেখা | ৪'০০ |
| ৬৭ | ছক্ৰেটিছ | ৩'০০ | ৯২ | অধ্যয়ন চক্ৰ | ৫'০০ |
| ৬৮ | নাটক | ৩'০০ | ৯৩ | আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ | ১২'০০ |
| ৬৯ | স্বপ্ন বাসৱদত্তা | ৩'০০ | ৯৪ | ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া | ৭'০০ |
| ৭০ | জীৱনী | ৩'০০ | ৯৫ | তৰুণৰাম ফুকন স্মৃতিমালা | ১০'০০ |
| ৭১ | আনন্দচন্দ্ৰ আগৰৱালাৰ জীৱনী | ৩'০০ | ৯৬ | শ্বেক্সপীয়েৰ | ১০'০০ |
| ৭২ | চাহ বনুৱাৰ সাংস্কৃতিক জীৱনত এভুমুকি | ৩'০০ | ৯৭ | ধ্বনি আৰু ৰসতত্ত্ব | ৪'০০ |
| ৭৩ | কৰম পূজা আৰু ঝুমুৰগীত | ২'০০ | ৯৮ | অসমীয়া সংগীতৰ ঐতিহ্য | ৩'৫০ |
| ৭৪ | সভাপতিৰ অভিভাষণ ( ড° নেওগ ) | ২'০০ | ৯৯ | চাহৰ কথা | ৩'০০ |
| ৭৫ | মণিন উছৰ | ২'০০ | ১০০ | শতাব্দীৰ অৰ্ঘ্য | ৫'০০ |
| ৭৬ | দিগ্বিজয়ী | ২'০০ | ১০১ | কাৰবী সাধু | ২'০০ |
| ৭৭ | বিষ্ণুপ্ৰিয়া মণিপুৰী | ০'৬০ | ১০২ | কামেং সীমান্তৰ সাধু | ৩'০০ |
| ৭৮ | চন্দ্ৰধৰ বৰুৱা মানুহজন | ০'৫০ | ১০৩ | ৰহিম-ৰূপবানৰ সাধু | '৫০ |
| ৭৯ | অসমৰ জনজাতি | ২'০০ | ১০৪ | দেউৰী সাধু | ৩'০০ |
| ৮০ | সাহিত্যৰথী চন্দ্ৰধৰ বৰুৱা | ৫'৫০ | ১০৫ | ৰাভা সাধু | ৪'০০ |
| ৮১ | জগন্নাথ বৰুৱা | ৫'০০ | ১০৬ | নৃতত্ত্বৰ চমু আভাস | ২'৫০ |
| ৮২ | তৰুণৰাম ফুকন | ৩'০০ | ১০৭ | চিকিৎসা বিজ্ঞানৰ কথা | ৫'০০ |
| ৮৩ | তিৰা সম্প্ৰদায় | ৪'০০ | ১০৮ | শিখ ধৰ্মীয় সাধু | ২'৫০ |
| ৮৪ | হিতেশ্বৰ বৰবৰুৱা স্মৃতিমালা | ৬'০০ | ১০৯ | অভিলেখ | ৩'০০ |
| ৮৫ | স্নেহৰ অৰুণাচল ( মাই হিল ছ' ষ্টং ) | ৫'০০ | ১১০ | অসম সাহিত্য সভাৰ সুৱচনী | ৬'০০ |
| ৮৬ | Annals of Asam Sahitya Sabha | ৫'০০ | ১১১ | শাখা সভাৰ পৰিচয় | ২'৫০ |
| ৮৭ | চুক্তি আৰু চুক্তিবাদ | ৪'০০ | ১১২ | প্ৰকাশনৰ বৰ্ণনামূলক তালিকা | ১'৫০ |
| ৮৮ | সাগৰৰ কথা | ২'৫০ | ১১৩ | বাস্তৱিৰ বিভূতি | ৪'০০ |
| ৮৯ | Development of Script in Ancient Kamrupa | ১০'০০ | ১১৪ | শতাব্দীৰ অৰ্ঘ্য | ৫'০০ |
| | | | ১১৫ | A plea for Assam and Assamese | |
| ৯০ | বেজবৰুৱাৰ দিনলেখা [ ২য় খণ্ড ] | ১০'০০ | ১১৬ | অসম সাহিত্য সভাৰ ৰূপৰেখা | |

প্ৰাপ্তি স্থান

(১) কেন্দ্ৰীয় কাৰ্যালয় : অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট-৭৮৫০০১
ফোন-৩৭৬

(২) গুৱাহাটী কাৰ্যালয় : অসম সাহিত্য সভা
ভাগৱতীপ্ৰসাদ বৰুৱা ভৱন
গুৱাহাটী-৭৮১০০১
ফোন-২৪৭৭৬

Regd. No. A/199 । অসম সাহিত্য সভা পত্ৰিকা ॥ ৩৪শ বছৰ, চতুৰ্থ সংখ্যা, ফেব্ৰুৱাৰী, ১৯৭৮

## অসম সাহিত্য সভাৰ হীৰক জয়ন্তীলৈ শুভেচ্ছাৰে—

অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডে অসমৰ প্ৰাথমিক, মজলীয়া আৰু মাধ্যমিক স্কুলৰ লাখ লাখ ছাত্ৰ–ছাত্ৰীৰ বাবে কম মূল্যত উপযুক্ত মানৰ পাঠ্যপুথি নিয়মিত সময়ত যোগান ধৰিছে।

নিগমৰ দ্বাৰা প্ৰকাশিত পাঠ্যপুথি সমূহৰ বিষয়ে গঠন মূলক দিহা পৰামৰ্শ আমি আহ্বান কৰিছোঁ।

মেদিনী মোহন চৌধুৰী
পৰিচালন সঞ্চালক
অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন
আৰু প্ৰকাশন নিগম লিমিটেড্।
পানবজাৰ, গুৱাহাটী-৭৮১০০১ ॥

নগাঁৱৰ সুছন্দা প্ৰেছত (বেটুপাত শৰাইঘাট প্ৰিণ্টাৰ্ছত) মুদ্ৰিত আৰু
অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক আব্দুছ ছাত্তাৰৰ দ্বাৰা প্ৰকাশিত।
সম্পাদক : যোগেন্দ্ৰনাৰায়ণ ভূঞা

মূল্য : তিনি টকা